DIAMOND JUBILEE YEAR
60
1956-2016

# মনীষা

হীৰক জয়ন্তী বিশেষ সংখ্যা

তিনিচুকীয়া মহাবিদ্যালয়

## আলোচনী

৩৭ সংখ্যক প্ৰকাশ ঃ ২০১৪-১৫ বৰ্ষ


TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

সম্পাদক ঃ হেমচন্দ্ৰ গগৈ

# মহাবিদ্যালয় সংগীত

গীতিকাৰ ঃ ড° মদন শৰ্মা
সুৰকাৰ ঃ বিজন দত্ত

তমসো মা জ্যোতির্গময়
উঠাহে জাগাহে
তমসা ফালি ওলাল বেলি
মুক্ত হ'ল আজি জ্যোতিৰ পথ
চলে জ্যোতিৰ পথে-পথে জীৱন ৰথ।
উন্মুক্ত দিগন্ত আজি
দৃষ্টিৰ পথ ঢাকি
মাথো পোহৰৰ পখী উৰে
পাখিৰ ৰহণ লাগি
উজলে গতিপথ।
উঠাহে জাগাহে
মৃত্যুৰ সীমা ভাঙি
অমৃত জীৱনকে
সত্যৰ পোহৰতে
উজ্বল কৰিবলে
লওঁ যে শপত।

PHOTO CREDIT BY : SEUJ DOHOTIA

TINSUKIA COLLEGE LIBRARY * TINSUKIA, ASSAM * ESTD 1956

তমসো মা জ্যোতির্গময়
TINSUKIA COLLEGE

# মনীষা

তিনিচুকীয়া মহাবিদ্যালয় আলোচনী
হীৰক জয়ন্তী বিশেষ সংখ্যা
৩৭ তম্ সংখ্যক প্ৰকাশ ঃ ২০১৪-১৫ বৰ্ষ

DIAMOND JUBILEE YEAR
60
1956-2016

# Manisha

Tinsukia College Magazine
Diamond Jubilee Year
37th issue : 2014-15 Year

শ্ৰদ্ধা, প্ৰীতি আৰু
আন্তৰিক শুভেচ্ছাৰে.................................

সম্পাদক ঃ হেমচন্দ্ৰ গগৈ

ৰ

জ. আব্দুল কালাম
বাদ ঃ সুৰেশ শৰ্মা

উৎস ঃ ড০ এ.পি.জে আব্দুল কালামৰ আত্মজীৱনী
'The Wings of Fire'

MANISHA : An Annual Magazine of Tinsukia College, Tinsukia
Published by the Tinsukia College Students' Union, Edited by Hemchandra Gogoi (2014-15)

সভাপতি : ড° ভূৱন গগৈ

উপদেষ্টামণ্ডলী : কনক কলিতা
মৃগাংক চৌধুৰী
ৰত্নগোপাল গগৈ
ড° কমলেশ কলিতা
সুশান্ত কৰ
ময়ুৰী শৰ্মা বৰুৱা
ডি.কে. বুঢ়াগোহাঁই
দেৱানন্দ ভট্টাচাৰ্য
ৰুবী বৰুৱা

সম্পাদক : হেমচন্দ্ৰ গগৈ

সদস্য/সদস্যা : ধ্ৰুৱপ্ৰতীম বৰা
অমৰ লিম্বু
ঐশ্বৰ্য বৰুৱা
সেউজ দহোটীয়া
সুৰম্য গগৈ
হাং চুৰুৱা
ময়ুৰী ঠাকুৰ
নয়নমণি চাংমাই

বেটুপাত শিল্পী : অমৰ লিম্বু

অংগ সজ্জা : হেমচন্দ্ৰ গগৈ, হিমাদ্ৰী সোনোৱাল

প্ৰকাশক : তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০১৪-১৫ বৰ্ষ)।

ডি.টি.পি. : ববিতা ৰাজবংশী

মুদ্ৰণ : দি অসম কম্পিউটাৰচ্
তিনিচুকীয়া - ৭৮৬১২৬, অসম
দূৰভাষ - ২৩৩০৪২৪
ই-মেইল :
theassamcomputers@gmail.com



শ্ৰদ্ধাঞ্জলি ভাৰতৰ মিছাইল মানৱলৈ
যুৱ প্ৰজন্মৰ প্ৰতি

# ড° এ.পি. জে আব্দুল কালামৰ

## আহ্বান জ্ঞানৰ বন্তি জ্বলাই ৰাখিম

লিখক ঃ ড০ এ.পি.জে. আব্দুল কালাম
অনুবাদ ঃ সুৰেশ শৰ্মা



হে ভাৰতীয় যুৱক !
জ্ঞান বিজ্ঞান আৰু
মানৱতাৰ পূজাৰী !
সংকীৰ্ণ আৰু তুচ্ছ লক্ষ্য
এক অপৰাধ !

মোৰ স্বপ্ন মহান !
মই শ্ৰম কৰিম
মোৰ দেশ মহান হওক !
বিত্তশালী হওক !
গুণৰ আকৰ হওক !

এই প্ৰেৰণাৰ ভাব অমূল্য
এই ধৰাৰ ওপৰত কিম্বা তলত
ক'ৰবাত নহয় ক'ৰবাত
বন্তি এগছি জ্বলাই ৰাখিম
যাৰ আলোকেৰে
মোৰ দেশ মহান হ'ব !



মূল উৎস ঃ ড০ এ.পি.জে আব্দুল কালামৰ আত্মজীৱনী
'The Wings of Fire'

# শ্ৰদ্ধাৰ্ঘ

## মহাবিদ্যালয়ৰ এইসকল মনীষীলৈ.....

## যিসকলৰ অতীতৰ বাবেই আমাৰ আজিৰ বৰ্তমান



স্বৰ্গীয় উমা প্ৰসন্ন দে
তিনিচুকীয়া মহাবিদ্যালয়ৰ
প্ৰতিষ্ঠাপক অধ্যক্ষ



স্বৰ্গীয় যদুনাথ ভূঞা
তিনিচুকীয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ
প্ৰতিষ্ঠাপক সভাপতি



স্বৰ্গীয় জগত চন্দ্ৰ ৰাজখোৱা
তিনিচুকীয়া মহাবিদ্যালয়
ভৱনৰ অন্যতম দাতা



প্ৰফুল্ল শৰ্মা
তিনিচুকীয়া মহাবিদ্যালয়ৰ
প্ৰথম সাধাৰণ সম্পাদক

## অশ্ৰু অঞ্জলি জ্ঞাপন

জানকী বল্লভ পাটনায়ক (প্ৰাক্তন ৰাজ্যপাল)
আৰ.কে.নাৰায়ণ (কাৰ্টুনিষ্ট)
প্ৰসেন বৰা (ঢোলৰ ওজা)
বিজয় কৃষ্ণ সন্দিকৈ (ৰাজনীতিবিদ)
ইন্দ্ৰ বনিয়া (অভিনেতা)
অমলেন্দু গুহ (ইতিহাসবিদ)
প্ৰিয়ম্বদা পেটেল হাজৰিকা (সুধাকণ্ঠৰ পত্নী)
তপন বৰদলৈ (চিত্ৰশিল্পী)
মিলিকি বৰুৱা (সংগ্ৰামী মাতৃ)
ভাৰত বৰপূজাৰী (বিশিষ্ট শিল্পী)
যুগ দত্ত (মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক)

ইয়াৰ উপৰিও দুৰ্যোগ, দুৰ্ঘটনা, সন্ত্ৰাসবাদৰ বলি হোৱা জ্ঞাত-অজ্ঞাত সকলোজনলৈ...



# অৰ্পণ

কঁাইটক ফুল, আঘাত-সংঘাটক,
বাধা-ধুমুহাক যাত্ৰাপথৰ নিৰ্মালি বুলি
গ্ৰহণ কৰি মহাজীৱনৰ অংশীদাৰ হৈ
সপোন আৰু কল্পনাক দিঠক কৰিবলৈ আগলৈ,
মাথোঁ আগলৈ গৈ থকা প্ৰিয়
মোৰ অগ্ৰজ, সতীৰ্থ, ভাতৃ-ভগ্নী...
তোমালোকৰ হাতত...।



।। সম্পাদনা সমিতি ।।

# তিনিচুকীয়া মহাবিদ্যালয়ৰ ভৱন দান কৰা ব্যক্তি আৰু প্ৰতিষ্ঠান ঃ

| | |
|---|---|
| জগত চন্দ্ৰ ৰাজখোৱা | বি.এল. খেমকা |
| কিষণলাল আগৰৱালা | নন্দলাল আগৰৱালা |
| খুসীৰাম ৰাসীৱাসীয়া | মুৰলিধৰ লোহিয়া |
| তিনিচুকীয়া পৌৰসভা | হৰকচান্দ চাৱাওগী |
| ড° হৰিবিনোদ সেন | মূলচান্দ আগৰৱালা |
| মুৰাৰীলাল ৰাসীৱাসীয়া | পৰশুৰাম কাছেৰা |

(কৃতজ্ঞতাৰে সোঁৱৰো)




Prof. A.K. Buragohain, Ph.D. (London), DIC
*Vice-Chancellor*

DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM, INDIA
Phone: 0373-2370239(O)
Fax : 0373-2370323
e.Mail: alak@dibru.ac.in

Ref. No.DU/VC/M/073/15/912 Date: 23.12.2015

## শুভেচ্ছাবাণী



প্ৰতি
**শ্ৰীমান হেমচন্দ্ৰ গগৈ**
আলোচনী সম্পাদক
তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
তিনিচুকীয়া

**মৰমৰ হেমচন্দ্ৰ,**

তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰ **'মনীষা'**ৰ ৩৭ তম্ (২০১৪-১৫ বৰ্ষ) সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই আনন্দিত হলোঁ। আশা কৰোঁ উৎকৃষ্ট মানৰ লেখা প্ৰকাশৰ জৰিয়তে মুখপত্ৰখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ বিকাশত অৰিহণা যোগোৱাৰ লগতে মহাবিদ্যালয়খনৰ নামো উজ্জ্বল হোৱাত সহায় কৰিব।

**'মনীষা'**ৰ ৩৭ তম্ সংখ্যাটি সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ হৈ ওলাওক, তাৰে বাবে মোৰ ফালৰপৰা শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

অলক কুমাৰ বুঢ়াগোহাঁই

# সদৌ অসম ছাত্ৰ সন্থা
# ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O. : GAUHATI UNIVERSITY, GUWAHATI - 781 014
Website : httpa//aasu.m2014.net

Phone : 2571130
2602890


## শুভেচ্ছাবাণী



প্ৰতি

শ্ৰীহেমচন্দ্ৰ গগৈ
আলোচনী সম্পাদক
তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৪-১৫ বৰ্ষ
তিনিচুকীয়া (অসম)

মৰমৰ হেমচন্দ্ৰ,

মই জানিবলৈ পাই আনন্দিত হৈছোঁ যে তিনিচুকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন এইবাৰৰ সংখ্যাটি প্ৰকাশৰ বাবে যো-জা কৰা হৈছে।

মহাবিদ্যালয় এখনৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাৰ উপৰিও বিভিন্ন তথ্য-পাতি লিপিবদ্ধ কৰিব পাৰে। মই আশা কৰিছোঁ তিনিচুকীয়া মহাবিদ্যালয়ৰ আলোচনীত বিভিন্ন গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি প্ৰকাশ কৰাৰ লগতে সমাজখনৰ বাস্তৱ জীৱনৰ সম্পৰ্কত আলোকপাত কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলক সৰ্বাংগীণ বিকাশ সাধনৰ পথ প্ৰশস্ত কৰিব।

আলোচনীখনৰ এইবাৰৰ সংখ্যাটি সৰ্বাংগসুন্দৰ হওক, তাৰেই শুভ কামনাৰে —

ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য
মুখ্য উপদেষ্টা
সদৌ অসম ছাত্ৰ সন্থা


**Puru Gupta**, I. A. S.

सत्यमेव जयते

Deputy Commissioner, Tinsukia




## MESSAGE

It gives me immense pleasure to know that Tinsukia College, Tinsukia, is going to publish the thirty seventh edition of its College Magazine, '**MANISHA** in the current academic year.

College magazines have their own importance and are an important and integral part of the education system. College publications allow students to echo the larger media field and build their writing, speaking, and reporting skills. The essential purpose of a college magazine is to inform, engage, inspire and entertain a diverse readership — including alumni, parents, students, faculty, staff and other friends— by telling powerful stories that present a compelling, timely and honest portrait of the College and its extended family. In the originality of its conception, in the excellence of its writing and visual presentation and in its commitment to accuracy, healthy discourse and editorial balance, the magazine endeavours to reflect the values and the quality of the institution itself.

I extend my best wishes to the teachers and students of Tinsukia College in their endeavours and congratulate all on publication of the magazine.

**Dated: Tinsukia,**
**the 18th January, 2016.**

**(P. Gupta, IAS)**
**Deputy Commissioner,**
**Tinsukia.**

সদৌ অসম ছাত্ৰ সন্থা
**ALL ASSAM STUDENTS' UNION**
মুখ্য কাৰ্যালয় : গুৱাহাটী বিশ্ববিদ্যালয়
H.O. : GAUHATI UNIVERSITY, GUWAHATI - 781 014
Website : httpa//aasu.m2014.net

Phone : 2571130
2602890

প্ৰসঙ্গ :

দিনাংক : ২৫/১২/১৫

## শুভেচ্ছাবাণী

প্ৰতি,

হেমচন্দ্ৰ গগৈ,
সম্পাদক, 'মনীষা'
বাৰ্ষিক আলোচনী
তিনিচুকীয়া মহাবিদ্যালয়, তিনিচুকীয়া



সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰপৰা জয়জয়তে সদৌটিলৈ সংগ্ৰামী সম্ভাষণ তথা আগন্তুক ইংৰাজী নৱবৰ্ষ আৰু ভোগালী বিহুৰ ওলগ আৰু শুভেচ্ছা জনাইছোঁ।

উজনি অসমৰ এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয় 'তিনিচুকীয়া মহাবিদ্যালয়'ৰপৰা মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনী 'মনীষা' প্ৰকাশৰ বাবে যো-জা চলোৱা বুলি জানিবলৈ পাই আহ্লাদিত হৈছোঁ। ২০১৪-১৫ বৰ্ষৰ ৩৭ তম সংখ্যক 'মনীষা'ই মহাবিদ্যালয়খনৰ বৌদ্ধিক উত্তৰণৰ বিষয়টো সুন্দৰভাৱে প্ৰতিফলিত কৰিব বুলি আমি আশাবাদী। আলোচনীখনত অসমৰ নতুন প্ৰজন্মৰ বৌদ্ধিক বিকাশ, জাতীয় সমস্যাসমূহৰ অৱলোকন, মহাবিদ্যালয়খনৰ শৈক্ষিক উত্তৰণ ইত্যাদিও প্ৰকাশ পাব বুলি আশা কৰিছোঁ।

শেষত মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উৎকৰ্ষ কামনা কৰি শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

ধন্যবাদ সহকাৰে,

(পুলক চেতিয়া)
উপসভাপতি
সদৌ অসম ছাত্ৰ সন্থা

**TINSUKIA COLLEGE**
**LOGO**

TINSUKIA COLLEGE LIBRARY ★ TINSUKIA, ASSAM ★ ESTD 1956

## VISION

To create an institution of higher learning with a view to developing human resources by inducing human values, healthy culture, a passion for learning and inculcating a true spirit of Nationalism.

## MISSIONS

To

1. provide value based education with special emphasis to need based and professional education.
2. develop skill to encourage intellectual pursuit and passion for knowledge.
3. study and preserve the cultural, ethnic and natural heritage of the region.
4. promote research culture and positive outlook.
5. promote extension activities.
6. create awareness amongst the students against all social injustice.

## GOALS

Following the objectives of the Higher Education policy of the nation, the College intends to —

1. contribute to the national development,
2. inculcate value system among students,
3. foster global competency among students,
4. contribute to society through extension activities,
5. promote the use of technoiogy and
6. extend Quest for excellence.

## MOTTO

*"Tomoso Ma Jyotirgamaya"*

## COLLEGE ANTHEM

তমসো মা জ্যোতিৰ্গময়
উঠাহে জাগাহে জাগাহে
................................
................................

## নঙলা মুখৰ পৰা...



# অধ্যক্ষৰ একাষাৰ

তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ এই বছৰৰ সংখ্যাটো প্ৰকাশ কৰাৰ বাবে মই সম্পাদক প্ৰমুখ্যে সকলোলৈকে মোৰ শুভেচ্ছা জনালোঁ। আলোচনীৰ নাম বহুবাৰ সলনি হৈছিল। এইবাৰ পুনৰ আগৰ এটি নামকে নিৰ্বাচন কৰি 'মনীষা' কৰা হৈছে। কলেজৰ হীৰক জয়ন্তী বৰ্ষৰ সংখ্যা হিচাপে আলোচনীখনে ইয়াৰ সন্মান অটুট ৰাখিব বুলি আশা কৰিছোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ সুকুমাৰ কলাৰ দিশত এই আলোচনীখন এটা যথেষ্ট আশা-ভাৰসাৰ স্থল। তিনিচুকীয়াৰ বৌদ্ধিক চৰ্চাতো ই সহায়ক হওক বুলি আশা কৰিলোঁ। আলোচনীখনৰ জীৱন্ত ভূমিকা পালনৰ দিশত সকলোৱে প্ৰচেষ্টা সদায় থাকিব বুলি আশা কৰিলোঁ।

ভুৱন গগৈ
অধ্যক্ষ





# সম্পাদকীয়



এই চেতনাৰ প্ৰৱেশ কেতিয়া হ'ল। চৌদিশ কৰ্কশ শব্দ, উত্তাপৰ প্ৰাবল্য, দুৰ্গন্ধত ধুঁৱলী-কুঁৱলী সময়। প্ৰদূষণৰ বৰ্দ্ধিত মাত্ৰাই সুন্দৰৰ পৃথিৱীক চিৰ নিৰ্বাসন দিবলৈ ওলাইছে এতিয়া। যেনিয়ে চাওঁ তেনিয়েই শিলুৱা এন্ধাৰ। খুপি খুপি পোহৰৰ শলিতা বিচাৰি ফুৰিছোঁ জন অৰণ্যৰ মাজত। কাৰো সহায় নাই, কাৰো আস্থা নাই। মানৱতা এতিয়া মৃতদেহ।

এটা সময় আছিল, নিচ্ছিদ্ৰ অন্ধকাৰ নিশা খালী চকুৰে হাজাৰ হাজাৰ তৰা দেখিবলৈ পোৱা গৈছিল। সকলো কালিমাক নিৰ্বাসন দি আত্মাক পৰিতৃপ্ত কৰিছিল তৰালীয়ে বুটা বছা ৰাতিৰ আকাশখনে। এতিয়া আলোকৰ প্ৰাবল্য আৰু প্ৰদূষণে অমাৱস্যাৰ তৰালীতো বাদেই পূৰ্ণিমাৰ সুকোমল স্নিগ্ধ জোনাককো সম্পূৰ্ণৰূপে গ্ৰাস কৰি পেলাইছে। এচেৰেঙা পোহৰ বিচাৰি হাবাথুৰি খাওঁ এতিয়া। কি যে কৰুণ-কাতৰ সময়। এনেদৰেই প্ৰতিটো পল আগবাঢ়ি গৈছে দূৰ দিগন্তলৈ। পাৰ হৈ গৈছে তোমাৰ, মোৰ, আপোনাৰ জীৱন। মাথোঁ একেই আছে সপোন।

**অ' মোৰ সুৱীয়া মাত**

**অসমৰ সুৱদী মাত...**

(কিছু ব্যক্তিগত)

মা, মাতৃভূমি আৰু মাতৃভাষা-এই তিনিটা শব্দতেই যেন পৃথিৱীৰ সমস্ত আকুলতা, মৰম, মমতা, মানৱীয়তাবোৰ বিচাৰি পাওঁ। 'মা' শব্দকেইটাতেই আছে যেন হৃদয়ৰ তড়িৎ স্পন্দন, নিজকে উৎসৰ্গিত কৰাৰ অটল প্ৰত্যয়। যিয়ে লতাৰ দৰে মেৰিয়াই ৰক্ষা কবচৰ দৰে সকলো ধৰণৰ দুৰ্যোগ-দুৰ্ভাগ্যৰপৰা বচাব খোজে, অকল্পনীয় বিচাৰ বিবেচনাৰে আপোনাক শুদ্ধ পথেৰে ধাৱমান হোৱাত সাহস দিব পাৰে, তেখেতেই মা। জীয়াই থাকিবলৈ, বিচৰণ কৰিবলৈ মাটি দিছে, বিনিময়ত মাতৃভূমিয়ে একো বিচৰা নাই। অথচ মহাজীৱনৰ অংশীদাৰ হৈ একমাত্ৰ মাতৃভূমিৰ প্ৰতি থকা অফুৰন্ত প্ৰেমৰ বাবেই ক'ত শ্বহীদে তেজ ঢালি আহিছে ৰাতিপুৱাবোৰ ফুলেৰে উপচি পৰক বুলিয়ে।

আমি অসমীয়া। আমাৰ মাতৃভাষা অসমীয়া। যিটো ভাষা আৰু যি সংস্কৃতিৰ বাবে আমি নিজৰ পৰিচয় দিব পাৰোঁ পৃথিৱীৰ প্ৰতিটো চুকে কোণে তাৰেই সন্তান আমি। তেনেক্ষেত্ৰত আমি কিয় নিজৰ সকলোবোৰ জলাঞ্জলি দি আনক আদৰো? বিভিন্ন অৰাজকতাক আদৰি বিসঙ্গতিৰে ভাৰাক্ৰান্ত কৰিছোঁ গোটেই ব্যৱস্থাটোক। আজি অসমীয়াই অসমীয়া নপঢ়ে, লাজ পায় পঢ়িবলৈ। আজি অসমীয়াই নিজৰ সংস্কৃতিক বেয়া পায়, বেমেজালি বুলি কয়। বৃদ্ধা মাতৃক আব্দাৰ কৰিব নোৱাৰি বৃদ্ধাশ্ৰমলৈ পঠিয়াই। ইয়াতকৈ দুখৰ কথা আৰু একো নাই। সেইবাবেই হীৰেন ভট্টাচাৰ্যদেৱে কৈছে -

'তুমি ইংৰাজী ভালেই লিখা বা বেয়াই লিখা, তাত ইংৰাজী ভাষাটোৰ একো আহে-নাযায়। তুমি বা আন ইংৰাজী ভাষাত লিখাসকলে জাবৰ লিখিলেও ইংৰাজী ভাষাৰ মৰ্যাদাৰ কোনো হীন-ডেঢ়ি নঘটে। কিন্তু আমি এটা কথা উপলব্ধি কৰা উচিত যে যিসকলে অসমীয়া ভাষাত, অৰ্থাৎ আমাৰ মাতৃভাষাত লিখা পঢ়া কৰে, তেওঁলোকে যদি ভুল অসমীয়া লিখে, তেতিয়া কিন্তু অসমীয়া ভাষাটোৰ প্ৰচুৰ ক্ষতি হ'ব।' জন্মদাত্ৰী মাতৃ বা নিজৰ সংস্কৃতিৰ ক্ষেত্ৰতো সেই একেই কথাই প্ৰযোজ্য। দেশৰ বাবে প্ৰাণ দিয়া প্ৰতিজনেই চকুলো টোকে অসমীয়াৰ এই দুৰ্যোগ অৱহেলা দেখি। কিবা এটা কৰাৰ প্ৰতি অটল প্ৰত্যয়, মনত দৃঢ়বিশ্বাস, শিকাৰ প্ৰতি আগ্ৰহ আৰু মাতৃৰ হৃদয়ৰ আকুলতা চিনিব পাৰিলে আজি অসমীয়াৰ এই দুৰৱস্থা নহ'লহেঁতেন। ইয়াৰ বাবে জগৰীয়া আমাৰ অন্ধ অনুকৰণ প্ৰিয়তা। পশ্চিমীয়া সংস্কৃতিক অন্ধ অনুকৰণ কৰিবলৈ গৈ আমি বিপদ মাতি আনিছোঁ। ফিউজনৰ প্ৰবল প্ৰৱণতাক আদৰি থলুৱা স্বকীয় বৈশিষ্ট্য সমূহ লুপ্তপ্ৰায় কৰি পেলাইছোঁ। মাংগলিক উৰুলিৰ পৰিৱৰ্তে কিৰিলিক স্বাগতম জনাইছোঁ। দিনলিপিত পৰিণত আজি এই সকলোবোৰ। এটা কথা সত্য যে বিশ্বায়নৰ যুগত আনৰ সৈতে খোজ মিলাবলৈ অনুকৰণ কৰিবই লাগিব। সেইবুলি নিজক পাহৰি নহয়। শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, জ্যোতিপ্ৰসাদ আগৰৱালাদেৱেও অনুকৰণ কৰিছিল। সংস্কৃতিত সংমিশ্ৰণ ঘটাই প্ৰাণ দিছিল বহু স্মৰণীয় যুগমীয়া সৃষ্টিৰ। আজি সেইবোৰো দুৰ্লভ হৈ পৰিছে। গীতেৰে ড° ভূপেন হাজৰিকাদেৱে কৈছে –

''আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব।
আজি অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব।''

গতিকে হাতে-কামে অসমীয়াৰ এই দুৰ্যোগৰ সময়ত আমি মাৰ বান্ধি থিয় দিব লাগিব। নিজৰ কৰ্তব্যক অৱহেলা কৰিলে ইতিহাস জানো ক্ষমাশীল হ'ব? এই মানসিকতাৰ, এই সময়ৰ, এই চেতনাৰ পৰিৱৰ্তন ঘটায় নতুন পুৰুষে যাতে আমাক নোদোষে, তাৰ বাবে আমি দুহাত মেলি দিম, মানৱতাক ঘূৰাই আনিম, আৰম্ভ কৰিম এক নতুন জীৱন যাত্ৰা... হে মাতৃ চিৰচেনেহী আই, তোমাৰ ওচৰত অটল প্ৰত্যয়েৰে দৃঢ় পণ-খৰ্ব হ'বলৈ নিদিওঁ তোমাৰ গৌৰৱ। তোমাৰ মহিমা।

ধন্যবাদেৰে
**হেমচন্দ্ৰ গগৈ**
সম্পাদক







# আলোচনী সম্পাদকলৈ এখন মুকলি চিঠি

প্ৰতি
হেমচন্দ্ৰ গগৈ
আলোচনী সম্পাদক
'মনীষা' (৩৭ সংখ্যক প্ৰকাশ, ২০১৪-১৫ বৰ্ষ)

**শিক্ষা আৰু সমাজ ব্যৱস্থা**

সমাজ বা দেশৰ মূল চালিকা শক্তি হিচাপে পৰিগণিত হৈছে মানুহ। বৰ্তমান বিজ্ঞান আৰু প্ৰতিযোগিতাৰ যুগ। বিজ্ঞানসন্মত চিন্তা ধাৰাৰে আগবাঢ়িবলৈ হ'লে আমি প্ৰতিজনে হ'ব লাগিব শিক্ষিত। শিক্ষিত শব্দটোৱে কেৱল বিদ্যালয়-মহাবিদ্যালয়সমূহত লাভ কৰা শিক্ষাৰ কথাই নুবুজায়। ইয়াৰ উপৰিও মানুহে প্ৰতিটো মুহূৰ্ততে প্ৰকৃতি তথা সমাজৰ লগত কৰা আদান-প্ৰদানৰ মাজেদি লাভ কৰা শিক্ষাৰেও নিজক শিক্ষিত কৰি তুলিব পাৰে। মানুহৰ শাৰীৰিক সুস্থতা, মানসিক সবলতাৰ লগতে কৰ্মদক্ষতা আৰু পৰিপক্কতা দেশৰ সমাজৰ উন্নতিৰ বাবে অতি দৰকাৰী। ইয়াৰ সমানে মানুহৰ নৈতিক চৰিত্ৰ জীৱন, কৰ্ম আৰু আত্মবিশ্বাসো বিকাশ আৰু উন্নতিৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ।

আমাৰ সমাজত প্ৰচলিত হৈ থকা এষাৰ সাৰুৱা বাক্য – ''ঘৰখনেই শিক্ষাৰ কঠীয়া-তলী''। অৰ্থাৎ প্ৰথম অৱস্থাত আমি প্ৰত্যেকেই ঘৰখনত প্ৰাৰম্ভিক শিক্ষা লাভ কৰোঁ। সুন্দৰ আৰু সুস্থ পৰিৱেশত মুক্ত মনেৰে শিশুৱে যি শিক্ষা আহৰণ কৰে সেই শিক্ষাই শিশু এটাক ভৱিষ্যত জীৱনত সুস্থ নাগৰিক কৰি গঢ়ি তোলে। এনে এটা সময় আছিল, যিটো সময়ত সমাজ ব্যৱস্থা অতিকৈ দুখলগা আছিল। সেই সময়ত ছোৱালী জন্ম হোৱাতো যেন পাপ! কিমান যে লেইলেই-ছেইছেই কৰিছিল। শিক্ষা গ্ৰহণ কৰাতো দূৰৰে কথা। লাহে লাহে সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন হৈ আহিবলৈ ধৰিলে। সমাজৰ পৰা অন্ধ বিশ্বাস, কু-সংস্কাৰ সমূহ আঁতৰি যাবলৈ ধৰিলে। একেবাৰে যে নোহোৱা হৈ গ'ল তেনে নহয়। বৰ্তমানো সেইবোৰ চলিয়ে আছে পৃথিৱীৰ চুকে-কোণে। আমি নিজকে মানৱ সম্পদ ৰূপে স্বীকৃতি দিবলৈ হ'লে সুস্থ, সবল আৰু শিক্ষিত কৰি গঢ়ি তুলিব লাগিব।



এটা কথা মন কৰিলে দেখা যায় যে অভাৱ সীমাহীন। আমাৰ পাঁচোটা আঙুলি কদাপি সমান নহয়। ঠিক তেনেদৰে আৰ্থিক অৱস্থাৰো সকলোৰে সমান নহয়। কোনো এজন স্বচ্ছল বা কোনো এজন অস্বচ্ছল, কিন্তু ভোক, পিয়াহ, ভাগৰ ইত্যাদি একে হোৱাৰ দৰে আমাৰ সমাজৰ হকে কৰিবলগীয়াখিনিও একেই বুলি ক'লেও হয়তো বঢ়াই কোৱা নহ'ব নিশ্চয়। আৰ্থিক দিশত স্বচ্ছলজনে প্ৰয়োজন মতে নিজৰ সন্তানক সকলোখিনি সুবিধা দিব পাৰিব পাৰে। সেই বুলি নোৱাৰা জনে সিমানখিনি দিব নোৱাৰিলেও কেতিয়াও হতাশ হ'ব নালাগে। পোৱাখিনিতে সন্তুষ্ট হ'বলৈ শিকিব লাগে। সিংহই অভাৱত পৰিলেও যেনেদৰে ঘাঁহ ভক্ষণ নকৰে, সেইদৰে আমি অভাৱী হ'লেও কু-কৰ্মলৈ মন মেলিব নালাগে। ধৈৰ্যশীল হ'বলৈ শিকিব লাগে। সৰু হৈহে বৰ হ'ব পাৰি। দেখা যায় স্বচ্ছল ঘৰৰ বহু সন্তানে পাৰ্যমানে টকা খৰচ কৰিবলৈ পায়ো কু-কৰ্ম কৰিবলৈ যোৱাৰ বহুত উদাহৰণ আছে।

বৰ্তমান সকলো কথা কৰ্মতে ৰাজনীতিৰ প্ৰভাৱ। যিয়ে নেকি মানুহৰ মনত পোৱা আৰু নোপোৱাৰ মাজত সদায় বিভেদ সৃষ্টি কৰি আহিছে। প্ৰায় দেখা যায় বিভিন্ন সভা, অধিবেশনবোৰত ৰাজনীতিৰ নামত কটু চিঞৰ বাখৰ। আনকি এই ৰাজনীতিয়ে স্কুল-কলেজত ছাত্ৰ-একতা সভাৰ নিৰ্বাচনতো প্ৰভাৱ পেলাইছে। বহুজনে পাবলগীয়া সন্মানখিনিও কাৰোবাৰ কু-চক্ৰান্তত পৰি নিমিষতে হেৰুৱাই পেলাইছে। এনেবোৰ কাৰণতে আমাৰ সমাজ বা দেশ উন্নতিৰ পৰিৱৰ্তে ক্ৰমে সমস্যাৰ দিশলৈহে গতি কৰিব ধৰিছে। গতিকে এতিয়াৰ পৰাই যদি ছাত্ৰ ছাত্ৰীৰ লগতে ন-প্ৰজন্মৰ প্ৰকৃতি তথা চৰিত্ৰ পৰিৱৰ্তনৰ কাৰণে উপযুক্ত শিক্ষা দীক্ষা দিয়া নহয়, তেন্তে অনাগত সময়ত আমি বহু কিবা-কিবি হেৰুৱাব লাগিব। আমি সকলোৱে পণ কৰোঁ - সু-নাগৰিক হিচাপে ঐক্যবদ্ধ হৈ প্ৰকৃত শিক্ষাৰ পোহৰেৰে সমাজৰ অমানিশাবোৰ দূৰ কৰি এখন নিকা সমাজ গঢ়িবলৈ।

এতিয়া আত্মসমালোচনাৰে নিজক সংশোধন কৰাৰ সময়। কাৰো পৰা বহু বিচৰাটো যুক্তিসংগত নহয়। আশা কৰিছোঁ বহু বেছি আশা নকৰাকৈয়ে 'মনীষা'ই আমাক বহু কিবা কিবি দিব আৰু এই 'মনীষা'ই দিব আমাৰ ছাত্ৰ সমাজক প্ৰগতিশীল শূন্যতা আৰু নৈৰাজ্যবাদী সমাজৰ বিৰুদ্ধে আপোচবিহীন এখন সুস্থিৰ সংগ্ৰাম কৰাৰ চেতনা।

পুনঃ মৰমেৰে....

সীমাৰেখা বুঢ়াগোহাঁই
প্ৰাক্তন ছাত্ৰী

# পদূলিমুখত

*ঋণী হ'লো জীৱনৰ বাবে...*
*কৃতজ্ঞ হ'লো সময়ৰ বাবে...*

- মাননীয় অধ্যক্ষ ড° ভুবন গগৈ মহোদয়।
- উপাধ্যক্ষদ্বয় ড° ঋষি দাস আৰু শ্ৰীযুত সোমেশ্বৰ হাজৰিকা মহোদয়।
- **উপদেষ্টামণ্ডলী**
  কনক কলিতা ছাৰ, ৰত্নগোপাল গগৈ ছাৰ, দেৱানন্দ ভট্টাচাৰ্য্য ছাৰ, ময়ুৰী শৰ্মা বৰুৱা বাইদেউ, মৃগাংক চৌধুৰী ছাৰ, সুশান্ত কৰ ছাৰ, ডি.কে. বুঢ়াগোহাঁই ছাৰ আৰু ৰুবি বৰুৱা বাইদেউ।
- মহাবিদ্যালয়ৰ প্ৰতিজন ছাৰ-বাইদেউ।
- শ্ৰদ্ধাৰ প্ৰেৰণাদায়ী তথা চিন্তাশীল লেখিকা পুৰৱী বৰমুদৈ বাইদেউ।
- ছাত্ৰ একতা সভাৰ সমূহ সতীৰ্থবৃন্দ।
- শ্ৰদ্ধাভাজন লেখক-লেখিকা, চিত্ৰশিল্পী, সকলো সতীৰ্থ-শুভাকাংক্ষী, ছাত্ৰী নিবাসৰ সমূহ স্নেহশীলা আৱাসী।
- দি অসম কম্পিউটাৰছ।
- কম-বেছিকৈ সকলো প্ৰকাৰে সহায়-সহযোগিতা, দিহা-পৰামৰ্শৰে মোক ঋণী কৰা প্ৰতিজনলৈ...।
- 'মনীষা'ৰ ৩৭ তম সংখ্যা সম্পাদনা কৰিবলৈ সুযোগ দি কৃতাৰ্থ কৰা সকলোলৈ...।

**আমি ক্ষমাপ্ৰাৰ্থী ঃ**

- অনিবাৰ্য কাৰণবশত পৰিকল্পনা অনুযায়ী কিছু কাম কৰিব নোৱাৰা বাবে...
- নিৰ্ধাৰিত সময়ত লেখাসমূহ প্ৰকাশ কৰিব নোৱাৰা বাবে...
- বহু চেষ্টা কৰিও অজ্ঞাতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে...
- ছাত্ৰ-ছাত্ৰী সকলৰ কিছু লেখা অতি নিম্নগামী হোৱাৰ ফলত প্ৰকাশ কৰিব নোৱাৰা বাবে...

।। সম্পাদনা সমিতি ।।



# শ্বহীদ প্ৰণামো তোমাক

‘প্ৰতিশোধ মোক ল’বলৈ দিয়া’
-- এই কথা ঈশ্বৰে ক’লে।
স্বদেশৰ ৰাতিপুৱাবোৰ
ফুলেৰে উপচি পৰক বুলিয়ে
মাটিভৰাত তেওঁলোকে
বুকুৰ তেজ ঢালি দিলে...

আলোকচিত্ৰত ঃ অসমৰ জালিয়ানাবাগ খ্যাত দৰঙৰ পথৰুঘাটৰ শ্বহীদ বেদী

# মনীষাৰ চোতাল গৰকি



## চ’ৰাঘৰৰ মেজত


- চৰায়ে কিয় আৰু কেনেকৈ গান গায় — *ড° ভুবন গগৈ* — ১
- মহাভাৰতৰ গীতা আৰু আমাৰ ধাৰণা — *কনক কলিতা* — ৪
- গণশিল্পী জ্যোতিপ্ৰসাদ ঃ সংস্কৃতিৰ ধাৰণা আৰু ৰূপান্তৰৰ সাধণা — *নীলিমজ্যোতি সেনাপতি* — ৬
- কবিতাৰ সংজ্ঞা আৰু সাম্প্ৰতিক অসমীয়া কবিতা — *দেৱানন্দ ভট্টাচাৰ্য* — ১১
- মানসিক অশান্তিবোধ — *প্ৰাঞ্জল চাংকাকতি* — ১৪
- The Republic Day Parade Camp 2015 — *Surjya Chutia* — ১৬
- চিত্ৰকলা আৰু ভাস্কৰ্যত অসম — *ভূপেন সন্দিকৈ* — ২০
- মা — *বনিশা শইকীয়া* — ২৪
- সাফল্য জীৱনৰ মাপ-কাঠী — *ময়ূৰী ঠাকুৰ* — ২৬
- গ্ৰীচ দেশৰ অৰ্থনৈতিক সংকট — এক চমু পৰ্যালোচনা — *ৰাজু বৰা* — ২৮
- য়াকুব মেনন আৰু কিছু বিতৰ্ক — *সত্যজিৎ শইকীয়া* — ৩০
- ঐতিহাসিক শিক্ষাৰ ভাণ্ডাৰ বিচাৰি ভ্ৰমণ — *প্ৰণালী মৰাণ* — ৩২
- পতনৰ দিশে গতি কৰা বৰ্তমানৰ যুৱ-প্ৰজন্ম — *ডলী বুঢ়াগোহাঁই* — ৩৪
- অসমৰ লোক-সংস্কৃতিত-‘বিশ্বাস’ — *নিবন ডেকা* — ৩৫


## বৰঘৰৰ মজিয়াত


- মোৰ মৰমৰ সুবাস তোমাৰ ছাঁয়াত... — *চুইটী বৰুৱা* — ৩৯
- সপোন আৰু এচেৰেঙা ৰ’দালি — *চন্দনা শইকীয়া* — ৪৪
- ইউকেলিপটাছৰ আঁৰৰ কথা — *সুৰম্য গগৈ* — ৪৬
- প্ৰতিজ্ঞা — *কাঞ্চন মণি শইকীয়া* — ৪৮
- জীৱন দান — *শুভ্ৰতা দত্ত* — ৪৯
- গোপনে — *পূজা গগৈ* — ৫১
- প্ৰেম বিচ্ছেদ — *পৰিস্মিতা মৰাণ* — ৫৩
- অতীতৰ স্মৃতিবোৰ — *প্ৰিয়া আগৰৱাল* — ৫৫
- জীৱনলৈ বলা ধুমুহা — *চিনু বুঢ়াগোহাঁই* — ৫৭
- অসম-গণতন্ত্ৰ-সংগঠন আৰু কিছু হাঁহি উঠা কথা — *নয়নমণি চাংমাই* — ৬৬
- অসমীয়াত মেজৰ কিয় ল’লি? — *ঐশ্বৰ্য্য বৰুৱা* — ৬৮
- তিনিচুকীয়া মহাবিদ্যালয় আৰু মোৰ স্মৃতিবোৰ... — *তৃষা শইকীয়া* — ৬৯
- চিৰ চেনেহী মোৰ — *লজিনা গগৈ* — ৭১
- সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত সাহিত্যিক পূৰবী বৰমুদৈ বাইদেউৰ সৈতে — ৭৪
- মুখামুখি-১ — *ড° অপূৰ্ব ভাস্কৰ গগৈ* — ৭৬
- মুখামুখি-২ — *মণিকা দাস* — ৮১
- মুখামুখি-৩ — *বৈকুণ্ঠ দাস* — ৮৩
- মুখামুখি-৪ — *তুলিকা দাস* — ৮৫
- মুখামুখি-৫ — *অঞ্জন বৰঠাকুৰ* — ৮৭

# মনীষাৰ চোতাল গৰকি


**ইংৰাজী শিতান**

- The great artist Vincent Van Gogh — *Amar Limboo* — ৮৯
- Light: amazement to the Human mind — *Mrinmoy Gohain* — ৯০
- Does Caste Matter in 21st Century — *Neha Boruah* — ৯৩
- A Threat to angels survival — *Priyanka Sarkar* — ৯৪
- Uses and abuses of social Networking Media — *Dipak Bora* — ৯৫
- Resemblance — *Unmanaa Majhi* — ৯৬
- Human Trafficking — *Utpal Gogoi* — ৯৭
- A Premonition of death — *Mohan (Ajoy) Dolley* — ৯৮
- Teenage Suicide — *Raju Sharma* — ৯৯

**কবিতাৰ কুঁকি**

- তোমাৰ নিচাত নাফাটক কোনোদিনেই মোৰ প্ৰেমৰ নিচা — *টমাছ সোণোৱাল* — ১০০
- স্মৃতিৰ জলঙাৱে — *পল্লৱী দত্ত* — ১০০
- সৰাপাতৰ বুকুৰেদি ভটিয়াই — *বিনয় ভূষণ শেনচোৱা* — ১০১
- হাঁহিৰ খলকনি — *অচ্যুত ডেকা* — ১০২
- জীৱন — *দীপান্তৰ হাজৰিকা* — ১০২
- সন্ত্ৰাসত বিপন্ন সময় — *দিব্যা শইকীয়া* — ১০৩
- মৰমৰ প্ৰতিশ্ৰুতি — *মিঠু দাস* — ১০৩
- বিষাদ — *সত্যজিৎ শইকীয়া* — ১০৩
- মোৰ সফলতা — *সুলক্ষণা কাশ্যপ* — ১০৪
- তুমি গুচি গ'লে — *মনীষা গগৈ* — ১০৪
- স্মৃতি — *জাহ্নৱী ফুকন* — ১০৪
- এটা প্ৰেমৰ কবিতা — *স্মৃতি গগৈ* — ১০৫
- সংজ্ঞাৰ আলমত — *ৰাষ্ট্ৰজিৎ মৰাণ* — ১০৫
- দিহিং — *চিৰঞ্জীৱ মৰাণ* — ১০৬
- আহিবা নীলাঞ্জনা — *দিব্যজ্যোতি ডিব্ৰুৱাল* — ১০৬

**মহাবিদ্যালয়ৰ আলোচনীৰ ভঁৰালৰ পৰা**

- অসমৰ উচ্চ শিক্ষাৰ সম্পৰ্কে দুআষাৰ — *ড° কুলেন্দু পাঠক* — ১০৭
- আধুনিক জীৱবিজ্ঞান এক চমু পৰ্যালোচনা — *অলক কুমাৰ বুঢ়াগোহাঁই* — ১১০
- বৌদ্ধিক বিকাশত তিনিচুকীয়া মহাবিদ্যালয়ৰ শিক্ষকৰ অৱদান — *অঞ্জনা গোস্বামী* — ১১৩
- তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় উমা প্ৰসন্ন দে — *সুনীল গোহাঁই* — ১১৭

**পাছচোতালৰ কথকতা**

- থোৰতে আমাৰ গ্ৰন্থাগাৰ — ১১৯
- মহাবিদ্যালয়ৰ মানচিত্ৰ — ১২০
- প্ৰতিবেদন — ১২১-১৩৮
- তিনিচুকীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ ফলাফল — ১৩৯
- Advisory body of Tinsukia College Students' Union 2014-15 — ১৪২
- Our Ex-Editors — ১৪২


## তিনিচুকীয়া মহাবিদ্যালয় আলোচনী 'মনীষা'

### ২০১৪-১৫ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল ঃ



ড০ ভুবন গগৈ
অধ্যক্ষ ও সভাপতি



ভাস্কৰ বড়া
উপ-সভাপতি



ৰাজীৱ চাউবক
সাধাৰণ সম্পাদক



ৰমাকান্ত দুৱৰা
সহঃ সাধাৰণ সম্পাদক



ৰাণা গোহাঁই
বহিঃ ক্ৰীড়া সম্পাদক



ৰাজা ফুকন
আন্তঃ ক্ৰীড়া সম্পাদক



ৰাহুল বৰা
সাংস্কৃতিক সম্পাদক



হেমচন্দ্ৰ গগৈ
আলোচনী সম্পাদক



বিষ্ণু শৰ্মা
তৰ্ক আৰু সাহিত্য সম্পাদক



প্ৰফুল্ল সোণোৱাল
সমাজ সেৱা সম্পাদক



ৰোহিত সাহ
শৰীৰ চৰ্চা সম্পাদক



অম্লান জ্যোতি ৰাজবংশী
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক



নিশা বাক্সী
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা

# তিনিচুকীয়া মহাবিদ্যালয় আলোচনী 'মনীষা'

## 'মনীষা'ৰ এই সংখ্যাৰ ছোঁ - ঘৰত ...


ড০ ভুবন গগৈ
অধ্যক্ষ ও সভাপতি


শ্ৰীযুত কনক কলিতা
উপদেষ্টা


শ্ৰীযুত মৃগাংক চৌধুৰী
উপদেষ্টা


শ্ৰীযুত ৰত্ন গোপাল গগৈ
উপদেষ্টা


ড° কমলেশ কলিতা
উপদেষ্টা


শ্ৰীযুত সুশান্ত কৰ
উপদেষ্টা


শ্ৰীযুতা ময়ূৰী শৰ্মা বৰুৱা
উপদেষ্টা


শ্ৰীযুত ডি. কে. বুঢ়াগোহাঁই
উপদেষ্টা


শ্ৰীযুত দেৱানন্দ ভট্টাচাৰ্য্য
উপদেষ্টা


শ্ৰীযুতা ৰুবী বৰুৱা
উপদেষ্টা


হেমচন্দ্ৰ গগৈ
সম্পাদক


ধ্ৰুৱপ্ৰতীম বৰা
সদস্য


অমৰ লিম্বু
সদস্য


ঐশ্বৰ্য্য বৰুৱা
সদস্য


সেউজ দহোটীয়া
সদস্য


সুৰম্য গগৈ
সদস্য


হাং চুৰবা
সদস্য


ময়ূৰী ঠাকুৰ
সদস্যা


নয়নমণি চাংমাই
সদস্য



# চ'ৰাঘৰৰ মেজত

"চিন্তাৰ স্বাধীনতাৰ অবিহনে প্ৰজ্ঞাৰ অস্তিত্ব থাকিব নোৱাৰে। বাক্ স্বাধীনতাৰ অবিহনে জনসাধাৰণৰ স্বাধীনতা থাকিব নোৱাৰে। চিন্তা কৰাৰ স্বাধীনতা আৰু কথা কোৱাৰ স্বাধীনতা - এই দুয়োটাই প্ৰতিজন মানুহৰ মৌলিক অধিকাৰ। এই অধিকাৰৰ একমাত্ৰ সীমা হ'ল এই যে, এজন মানুহৰ অধিকাৰে আন এজন মানুহৰ অধিকাৰক খৰ্ব কৰিব নোৱাৰে।"

- বেঞ্জামিন ফ্ৰেংকলিন



অধ্যাপক-অধ্যাপিকাসকলৰ শিতান —

## চ'ৰাঘৰৰ মেজত

ড° ভুবন গগৈ
অধ্যক্ষ

আলোচনা-১

# চৰায়ে কিয় আৰু কেনেকৈ গান গায়

বাতিপুৱা চৰাইৰ মাততহে আমি সাধাৰণতে সাৰ পাওঁ। চৰাই আমাৰ জীৱন সংগী। চৰাই নথকা ঠাইত মানুহ থাকিব নোৱাৰিব নিচিনা পাওঁ। চৰাইৰ মাত আৰু গীত বা গান দুটা বেলেগ বস্তু। বাতিপুৱা প্ৰকৃতি সংগীতৰ ভিতৰত একমাত্ৰ যেন চৰাইৰ সংগীতহে বাজে তাকহে ধাৰণা হয়। বিজ্ঞানী সকলৰ মতে চৰায়ে স্বাভাৱিকতে যি মাত গোষ্ঠী অনুসাৰে বেলেগ বেলেগ ধৰণেৰে বেলেগ বেলেগ তীব্ৰতাত আৰু বেলেগ বেলেগ শব্দত মাতে তাকে মাত বোলে। কিন্তু গানৰ বাবে বোলে চৰায়ে শিকে। সিহঁতৰ স্বৰযন্ত্ৰ ব্যৱহাৰ কৰি প্ৰজাতিগত কলা-কৌশল প্ৰক্ৰিয়াৰে গীত গাবলৈ শিকে আৰু তাক সময় অনুসাৰে পৰিৱেশন কৰে।





গান গোৱা আৰু নোগোৱা দুটা গোষ্ঠীৰ চৰাই আছে। গানগোৱা চৰাইৰ নিজৰ গোষ্ঠগত গীত আছে যিবোৰ সিহঁতে সময়ত শিকে আৰু পৰিৱেশন কৰে। এই গোষ্ঠীগত গীতবোৰৰ লগত সিহঁত পৰিচয়, শিকা আৰু পৰিৱেশৰ লগত খাপ খোৱাই গোৱা সিহঁতৰ জাতিগত বৈশিষ্ট্য।

গানগোৱা চৰাইবোৰ পৃথিৱীৰ মুঠ প্ৰায় ১০,০০০ প্ৰজাতিৰ আধা হ'ব। গানগোৱা চৰাই বিলাকৰ ভিতৰত ঘনচিৰিকা, বুলবুলি ইত্যাদিও পৰে। গান নোগোৱা চৰাই বিলাকৰ সৰহ ভাগেই অভ্যাসগত ভাৱে নিজৰ জাতিগত মাত মাতে যিটো সহজাত আৰু শিকিব নেলাগে।

গানগোৱা চৰাইৰ দ্বিতীয় কথাটো হ'ল ই বাঁহীত ফু দিয়াৰ দৰে ফু দি মাত উলিয়াব লাগে। তাৰ কাৰণে যথেষ্ট শক্তি দৰকাৰ হয়। তেন্তে কিয় চৰায়ে শক্তি খৰচ কৰি গান গায়। গানগোৱা চৰায়ে গানৰ দ্বাৰা ইয়াৰ নিজ বাসস্থান, ৰাজ্য বা অঞ্চলৰ পৰিসীমা গানৰ দ্বাৰা ঘোষণা কৰে। ইয়াৰ দ্বাৰা ই নিজ অঞ্চলৰ সুৰক্ষা দাবীও কৰে। গৱেষণাই ঘোষণা কৰিছে যে চৰাই গীতে বিপৰীত লিংগক আকৰ্ষণ আৰু প্ৰভাৱিত কৰে। ই গীত গাওঁতাৰ স্বাস্থ্যৰ সংজ্ঞা বহন কৰে আৰু মানুহৰ নিচিনাকৈ ই নিজকে সমজুৱাভাৱে প্ৰদৰ্শন কৰায়।

চৰাইৰ মাতক কিয় আমি গান আৰু সাধাৰণ মাত বুলি ভাগ কৰিছোঁ। চৰাইৰ

গান সাধাৰণতে কণ্ঠৰ পৰা নিৰ্গত সু সংগঠিত দীঘলীয়া মাত যিটোৱে ইয়াৰ সংগীক আকৰ্ষণ কৰে বা ইয়াৰ অঞ্চলৰ পৰিসীমা ঘোষণা কৰে। তেন্তে সাধাৰণ মাত মানে কি? ই অতি চুটি, ছন্দ বিহীন শব্দ যাৰ মাত্ৰ ইটোৱে সিটোৱে যোগাযোগৰ বাবেহে ব্যৱহাৰ হয় যিটো যোগাযোগ হয়তো বিপদ বা স্থানিক অৱস্থান নিৰ্ণয়ৰ বাবে কৰা হয়। অৱশ্যে বহু ক্ষেত্ৰত সাধাৰণ মাত আৰু গানৰ মাজত সীমাৰেখাডাল সহজে উলিয়াব নোৱাৰি। প্ৰতিটো প্ৰজাতিৰে জাতিগত আৰু ব্যক্তিগত বহু গীত আৰু মাতৰ বৰ্ণছড়া আছে যিবোৰ প্ৰজাতিগত ভাৱে যুগ যুগ ধৰি প্ৰবাহিত হৈ আহিছে। অধ্যয়নকাৰী সকলে এই বৰ্ণছতা বিলাকৰ মাজত গীত আৰু মাতৰ অনুসন্ধান কৰিব পাৰে।

আপোনালোকে গীত ভালদৰে শুনক আৰু পৰ্যবেক্ষণ কৰক, দেখিব যে গীতগোৱা চৰাইটো এটা মতা চৰাইহে। নাতিশীতোষ্ণ অঞ্চলৰ সৰহ সংখ্যক মাইকী চৰাইৰ মাত চুটি আৰু অতি সৰল, য'ত মতা বিলাকৰ সৰহভাগৰে মাত দীঘলীয়া আৰু বেছি জটিল কণ্ঠৰ। কিন্তু ক্ৰান্তীয় অঞ্চলৰ সৰহসংখ্যক মাইকী চৰায়ে গান গায় বা বহু প্ৰজাতিৰ দুয়োটাই সমানে গান গায়।

গানগোৱা চৰাই বিলাক কণ্ঠ ব্যায়ামবিদ। কণ্ঠৰ বাহাদুৰি বা কাৰ্য কৌশল এই সকলে প্ৰদৰ্শন কৰিব পাৰে একমাত্ৰ কণ্ঠৰ কচৰৎ বা সঞ্চালন অভ্যাসৰ যোগেদি। স্বৰ যন্ত্ৰই এই কচৰৎ কৰাত সহায় কৰে। উদাহৰণ স্বৰূপে কিছুমান চৰায়ে পিয়ানোৰ স্বৰ বিন্যাসতকৈ বেছি সংখ্যক স্বৰ উচ্চাৰণ কৰিব পাৰে এক ছেকেণ্ডৰ দহ ভাগৰ এভাগ সময়ৰ ভিতৰত। Northern Cardinal নামৰ ভাটো চৰাই বিধে নিজৰ ব্যক্তিগত নিয়ন্ত্ৰণৰ দ্বাৰা কণ্ঠৰ এফালে যতিহীনভাৱে দীঘলীয়া আৰু কণ্ঠৰ আনফালে উশাহ নসলোৱাকৈ বেলেগ ধ্বণৰ স্বৰ একেবাৰে গতিশীলভাৱে বাহিৰ কৰি থাকিব পাৰে দুয়োটাৰে সুন্দৰ মিশ্ৰণ ঘটাই যিটো মানুহৰ বাবে যথেষ্ট ঈৰ্ষাৰ বিষয় আৰু অসাধ্য।

কিছুমান চৰায়ে সংগীতৰ দুটা স্বৰ একেলগেই গাব পাৰে। চৰায়ে ইয়াৰ স্বৰ যন্ত্ৰৰ দ্বাৰা গান গায়। এই স্বৰ যন্ত্ৰ য'ত থাকে তাত শ্বাসনলী দুডালত বিভক্ত হৈছে। প্ৰতিডাল নলীয়ে স্বাধীনভাৱে কাম কৰে আৰু নিয়ন্ত্ৰিতো হয়। গতিকে দুয়োডাল নলীতে একেলগে দুটা বেলেগ ধ্বণৰ স্বৰ বা বেলেগ বেলেগ তীব্ৰতাৰ স্বৰ বাহিৰ কৰিব বা নিয়ন্ত্ৰণ কৰিব পাৰি যিটো মানুহৰ পক্ষে সম্ভৱ নহয়। বহু চৰায়ে এডাল নলীত তীব্ৰ আৰু আনডাল নলীত মন্ত্ৰ স্বৰ একেলগে একে উশাহে গাব পাৰে। মানুহৰ কণ্ঠই এনে কৰাৰ কথা কল্পনাও কৰিব নোৱাৰে।

পাখি গজা চৰাই পোৱালিয়ে ডাঙৰ হ'লে কেনেদৰে গান গাব শিকিব লাগে তাৰ বাবে সিবিলাকে অভ্যাস কৰে। কিন্তু প্ৰকৃত গানগোৱা চৰাই এজন শিল্পীৰ দৰে। কাৰণ সি আনৰ লগত কিদৰে গানৰ দ্বাৰা সফলভাৱে সংযোগ ঘটাব লাগে তাৰ কৌশল জানে আৰু সেইবোৰো শিকে আৰু শিকি গৈ থাকে। বাহত থকা সময়তে চৰাই পোৱালিয়ে গান শিকে। এই সময়ছোৱাক ৰূপান্তৰৰ সংক্ৰান্তি সময় বুলি কোৱা হয়। বাহত থাকোঁতে পোৱালি বিলাকে ডাঙৰ বিলাকৰ গান শুনে। পাখি গজি উৰিব খোজোঁতে ডাঙৰ বিলাকৰ গীত বিলাকৰ নকল ৰূপ ফুটাবলৈ চেষ্টা কৰে আৰু পূৰঠ বয়সৰ গানৰ শিক্ষক সকলক কৰা অনুকৰণ সম্পূৰ্ণ কৰা নোহোৱালৈকে চেষ্টা কৰি কৰি এসময়ত সম্পূৰ্ণ কৰে। আকৌ কিছুমান চৰায়ে নিজ গোষ্ঠীৰ বাহিৰেও অন্য চৰাই, জীৱজন্তু, কীট-পতংগৰ মাতো অনুকৰণ কৰি গায়। গাড়ীৰ মাতো সিহঁতে অনুকৰণ কৰি গাব পাৰে।

গানগোৱা চৰাই বিলাকে স্থানীয় ভাষা ব্যৱহাৰ কৰা দেখা যায়। স্থান বিশেষে ভাষাৰ বেলেগ বেলেগ সুৰ আৰু পদ্ধতি ব্যৱহাৰ কৰে। একেটা চৰায়ে বেলেগ বেলেগ ঠাইত বা দেশত বা পৰিৱেশত ইয়াৰ ভাষা, ষ্টাইল আদিৰ কিছু পৰিৱৰ্তন সাধন কৰি গীত গায়। এইদৰে ভৌগোলিক পৰিৱেশে বিভাজিত কৰা, বিতাৰিত কৰা বা অকলশৰীয়া কৰা কাৰ্যত একে জাতিৰ চৰাইৰ গীত বেলেগ বেলেগ ঠাইত বেলেগ বেলেগ হয় আৰু এইদৰে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ যাওঁতে যাওঁতে একে প্ৰজাতিয়ে এটা সুকীয়া সংগীত পদ্ধতিৰ জন্ম দিব পাৰে। কিন্তু চৰায়ে কিয় ৰাতিপুৱা গান গায় এই কথাটো বিস্ময়কৰ। পৃথিৱীৰ সকলো চৰায়ে ৰাতিপুৱা গান গায়। পুৱাৰ গীত অইন সময়ত গোৱা গীততকৈ বেছি সবল, সেউজীয়া বৈচিত্ৰ্যপূৰ্ণ আৰু প্ৰাণ চঞ্চলময় কিয় হয় বিচাৰ কৰা মস্কিল। বহুতে কয় পুৱাই নিজ ৰাজ্যৰ সুৰক্ষা ঘোষণা, সংগম ঘোষণা দিনটোৰ বাবে সজোৰে কৰা হয়। গতিকে গানবোৰ নতুন হয়। কিন্তু এন্ধাৰৰ পৰা পোহৰৰ আগমন, পুৱাৰ শীতল বায়ু, পৰিৱেশ, মানৱীয় বাধাহীন আৰু আনন্দৰ বাবেই হয়তো গীত বিলাক ভাল হয়। এই পুৱাৰ গীত গোটেই পৃথিৱীতে কোৰাচ বা বৃন্দগানৰ দৰে বাজি থাকে। ইয়াত পোহৰৰ প্ৰভাৱৰ বিষয়ে গৱেষণা কৰাৰ যথেষ্ট স্থল আছে। গানৰ লগতে চৰাইৰ নৃত্যও জড়িত আছে।





নৃত্য-গীত একেলগে চলে। গতিকে নৃত্যৰ ভংগীমা আৰু প্ৰয়োজনৰ ওপৰত গানৰ প্ৰভাৱ বা গানৰ ওপৰত নৃত্যৰ প্ৰভাৱৰ বিষয়ে অনুসন্ধান কৰিব পাৰি।

এইখিনিতে চৰাইৰ সম্পৰ্কৰ বিষয় সম্বলিত জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটি গীত শিকোঁ আহক -

হালধীয়া চৰায়ে গান গাব নেজানে
কন্দাকৈ সুঁহুৰিয়াই
ক'ৰবাত কিবা সুৰে বুকু তাৰ ভাঙিলে
ফুৰোঁতে আপোনাৰ লগ হেৰুৱাই।
এন্ধাৰত বিচাৰ জোনাকত বিচাৰ
বিচাৰ ফুলনিত মোৰ
অকলশৰীয়া লগৰী হেৰুৱা
মোৰ গানেৰে সুৰেৰে
মচি দিওঁ চকুলো তোৰ।

স্বৰলিপি -

| | | | |
|---|---|---|---|
| চা চা চা ৰে<br>হা ল ধি য়া | চা ৰে চা ধা<br>চ ৰা য়ে S | চা চা ৰে গা<br>গা ন গা ব | চা ৰে চা চা<br>নে জা নে S |
| - ধা চা ৰে<br>- ক ন্দ কৈ | চা ৰে চা ৰে<br>হু হু ৰি S | S গা S S<br>- য়া S S | S S S S<br>য় - - - |
| - গা পাধা<br>- ক'ৰ ৰাত কি | পা গা গা S<br>বা সু ৰে S | S ৰে গা চা<br>- বু কু তাৰ | ৰে গা গা S<br>ডা ঙি লে S |
| - ধা চা চা<br>- ফু ৰো তে | ৰে গা ৰে চা<br>আ পো না ৰ | ৰে গা ৰে S<br>ল গ হে ৰু | S চা S S<br>- য়া য় S |
| - চা চা ৰে<br>-এ ন্ধা ৰত | চা ৰে চা ধা<br>বি চা ৰ S | চা চা ৰে গা<br>জ্যো S না কত | চা ৰে চা চা<br>বি চা ৰ S |
| - ধা চা ৰে<br>- বি চা ৰ | ৰে গা ৰে চা<br>ফু ল নি ত | সা S S S<br>মো - - - | S S S S<br>-- ৰ - |
| - গা পা গ<br>- অ ক ল | পা ধা ধা S<br>শ ৰী য়া S | S পা ধা নি<br>- ল গ ৰী | ধা পা পা S<br>হে ৰু ৱা S |
| - পা ধা পা<br>- মো ৰ গা | পা গা ধা S<br>নে S ৰে S | গা S চা S<br>সু S S ৰে | ৰে গা S S<br>ৰে S S S |
| - ধা চা ৰে<br>- মা চি দিওঁ | ৰে গা ৰে ৰে<br>চ কু লো S | চা S S S<br>তো S S S | S S S S<br>S S ৰ S |

## বিশেষ —

**আধুনিক অসমীয়া ভাষাৰ প্ৰথম পৰিচয় হেমকোষ ঃ**

**হেমচন্দ্ৰ বৰুৱাৰ দ্বাৰা প্ৰণিত অসমীয়া ভাষাৰ প্ৰথম বুৎপত্তিগত অভিধান। ১৯০০ চনত পি.আৰ. গাৰ্ডেন আৰু হেমচন্দ্ৰ গোস্বামীৰ তত্ত্বাৱধানত হেমকোষৰ প্ৰথম সংস্কৰণ প্ৰকাশ কৰা হৈছিল। প্ৰথম অৱস্থাত এই অভিধানত ২২,৩,৪৬ টা শব্দ আছিল। বৰ্তমান ইয়াত এক লাখতকৈও অধিক শব্দ সংযোজন কৰা হৈছে। হেমচন্দ্ৰ বৰুৱাৰ মৃত্যুৰ পাছত নাতি দেৱানন্দ বৰুৱাই হেমকোষ প্ৰিণ্টাৰ্চ স্থাপন কৰি হেমকোষৰ প্ৰকাশনৰ দায়িত্ব গ্ৰহণ কৰে। ১৯৬৫ চনৰ পৰা ২০১১ চনলৈ হেমকোষৰ ১০ টা সংবৰ্ধিত সংস্কৰণ প্ৰকাশ হয় আৰু অভিধানত বৰুৱাই ৮০ হাজাৰো অধিক শব্দৰ সংযোজন কৰে।**



অধ্যাপক-অধ্যাপিকাসকলৰ শিতান —

## চ'ৰাঘৰৰ মেজত

আলোচনা-২

# মহাভাৰতৰ গীতা আৰু আমাৰ ধাৰণা

কনক কলিতা
মুৰব্বী অধ্যাপক
অসমীয়া বিভাগ

মহাভাৰতৰ যুদ্ধ কেতিয়া সংঘটিত হৈছিল জনা নাযায় যদিও পণ্ডিত গৱেষক সকলৰ মতামতক লৈ ক'ব পাৰি খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ বহু আগতে নতুবা তাতোকৈ অলপ আগুৱাই গৈ ক'ব পাৰি খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাত হয়তো ইয়াৰ সময়সীমা হ'ব পাৰে। তেওঁলোকৰ ধাৰণাৰে আকৌ চন তাৰিখ নিৰ্ণয় কৰি খ্ৰীষ্টপূৰ্ব ৩১৩৭ চনৰ চৈধ্য নৱেম্বৰৰ মঙ্গলবাৰে কোনো এক অমাৱশ্যা তিথিত মহাভাৰতৰ যুদ্ধ আৰম্ভ হৈছিল বুলি ধাৰণা কৰা হৈছে। বিৰাট পুৰুষ ভগৱান শ্ৰীকৃষ্ণই এই যুদ্ধৰ ৩৬ বছৰৰ পাছত অৰ্থাৎ খ্ৰীষ্টপূৰ্ব ৩১০১ চনত জীৱন লীলা সামৰিছিল।

গীতাক বহুতে বিশ্বকোষ বুলি ক'ব খোজে। কিয়নো ইয়াত বিচাৰিছে সকলো পোৱা যায়। এটা যুগৰ ধ্যান ধাৰণা, জ্ঞান-বিজ্ঞান সম্পৰ্কে গীতাত সকলোখিনিয়েই আছে। গীতাৰ শত-শত শ্লোকৰ মাজত মানুহে বা কি পাইছিল! নতু আজিও মানুহে কি পাই আছে, ভাবিয়ে আচৰিত লাগে। এই আশ্চৰ্যজনক ভাৱ চিন্তাৰ মাজত হয়তো মানুহে গীতাৰ সাৰ্থকতা উপলব্ধি কৰে। গীতাৰ বৰ্তমানৰ পৰিবৰ্ধিত ৰূপ হয়তো আচল গীতা নহ'বও পাৰে, আচল গীতা হয়তো ক্ষুদ্ৰ অৱয়বৰ হ'বও পাৰে, ক্ৰমে ক্ৰমে কাব্যিক আঁচোৰত গীতাৰ বৰ্তমান ৰূপ পৰিগ্ৰহ কৰি ইয়াৰ অৱয়ব বঢ়াইছে। যিয়েই নহওক গীতাৰ পূৰ্ণ অৱয়বৰ যি দাৰ্শনিক তত্ত্বৰ সন্ধান দিয়ে, কাব্যিক ৰূপৰ পৰিবৰ্ধিত ৰূপে তাক যুক্তিৰ অৱকাশেৰে দাৰ্শনিক তত্ত্বক সন্ধিহান কৰি তুলিবও পাৰে।






আমাৰ ভাৱ-চিন্তাৰে বহুবাৰ উল্লখ কৰি আহিছোঁ যে গীতাই বিশ্বৰ প্ৰতিজন লোকৰ বাৰ্তা বহন কৰি আহিছে। আৰু সেইবাবে আমি গীতাৰ আশ্ৰয়ত আহ্লাদ অনুভৱ কৰোঁ। এতিয়া পৰ্যন্ত বিশ্বৰ ডেৰ কুৰিতকৈয়ো অধিক ভাষাত গীতাৰ ভাঙনি হৈ আহিছে। গদ্য, পদ্য উভয় ধাৰাতে ভাঙনি হৈ গীতাৰ মৰ্ম মানুহৰ হৃদয়ে হৃদয়ে স্থাপিত হৈ মানুহক সঠিক পথেৰে আগুৱাই যাবলৈ উদগনি দি আহিছে। ফাচী ভাষাৰ ভাঙনিয়ে হয়তো গীতাৰ অতি প্ৰাচীনতম নিদৰ্শন হ'ব পাৰে। ম হা ম তি আকবৰৰ দিনতে গীতা ফাচী ভাষালৈ ভাঙনি হৈ ইয়াৰ মহত্ত্ব, সৌন্দৰ্য চমকাই তুলিছিল। ইংৰাজী ভাষাৰ পৰা লেটিন ভাষালৈ সামৰি ফৰাচী, গ্ৰীক, ইটালিয়ান, জাপানী আনকি আৰবী ভাষালৈ অনূদিত হৈ গীতাই ইয়াৰ মহত্ত্ব চমকাই তুলিবলৈ সক্ষম হৈছে। লগতে ভাৰতীয় হিন্দু বুলিয়ে নহয়, বিশ্ব মানৱৰ ভাৰসাৰ থলী গীতা বিশ্ববাসীৰে অতি আদৰৰ গ্ৰন্থ।

খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ বহু আগতে ৰচিত হৈছিল বুলি ভবা হৈছে যদিও খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাও হয়তো ইয়াৰ সময় হ'ব পাৰে। ৰচনা কালৰ সময় যিয়েই নহওক কিয়, গীতা আৰু মহাভাৰতৰ দুয়োখন গ্ৰন্থৰে জনপ্ৰিয়তা কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। যুগে যুগে গীতা আৰু মহাভাৰতে মানুহৰ চিন্তাৰ খোৰাক দি আহিছে বাবে হয়তো আজিও সমানে জনপ্ৰিয় দুয়োখন মহাগ্ৰন্থ। বহুতে গীতা মহাভাৰতৰ ভিতৰুৱা নহয় বুলি ক'ব খোজে। কিয়, কেনেকৈ, কেতিয়া এই গ্ৰন্থখনি মহাভাৰতৰ ভিতৰুৱা হৈ পৰিল, তাক জনা নাযায়। হয়তো বিষয়বস্তু ভাৱ চিন্তা আৰু এই সমূহৰ পৰিধিৰ বিস্তৃতিৰ বাবে গ্ৰন্থখনি মহাভাৰতৰ অংগ হৈ পৰিল। যদি এইটোৱে আনুমানিক সত্য হয় তেতিয়াহ'লে মহাভাৰতৰ ভীষ্ম পৰ্বত গীতা অংশ অন্তৰ্ভুক্ত হ'ল কেনেকৈ? ভীষ্ম পৰ্ব মহাভাৰতৰ পৰা বাদ দিব পৰা অংশ নহয়। আৰু যদি এইটোৱে সত্য হয় তেতিয়াহ'লে আমি মানি ল'ব লাগিব, নতু মানি লোৱা উচিত হ'ব যে গীতা মহাভাৰতৰ অংশ নহয়। সুবৃহৎ মহাভাৰতত বৃহৎ গীতা অংশ নিজে এক মহাভাৰত। অৰ্থাৎ বিস্তৃতিৰ মাজত অন্য এক বিস্তৃতি। অনুমান কৰিব পাৰি মহাভাৰত একেবাৰতে সুবৃহৎ মহাভাৰত হৈ ধৰা দিয়া নাছিল। ক্ৰমে ক্ৰমে যুগৰ ধাৰাবাহিকতাত বিস্তৃতি লাভ কৰি বৰ্তমানৰ ৰূপ পায়। অৱশ্যে এনে অনুমান আনুমানিক সত্যহে বুলিব পাৰি। গীতাৰ মহত্ত্ব তথা শ্ৰেষ্ঠত্বৰ ক্ষেত্ৰত অনুভৱ হয়, গীতাক বুকুত বান্ধি মৃত্যু ক্ষণ গণা মানুহৰ মানুহৰে জয়গান। মানুহৰ বাবে মৃত্যু সহজ হৈ পৰে গীতাৰ অনুভৱত, গীতাৰ স্পৰ্শত সামাজিক মূল্যবোধ যেন হেৰাই যায় শাশ্বত মূল্যবোধৰ ওচৰত। এই শাশ্বত মূল্যবোধ জুয়ে পোৰা সোণৰ প্ৰতি থকা শুদ্ধতাৰ মূল্যবোধৰ দৰে সত্য। সেয়ে হয়তো গীতা সৰ্বকালৰ মানুহৰ বাবে অৱলম্বন হৈ আহিছে। প্ৰকৃততে গীতাত কি আছে বুলি যদি সোধা হয় তেন্তে ক'ব পাৰি গীতাত আছে সংকটময় সময়ৰ প্ৰতিচ্ছবি সামাজিক তথা ৰাজনৈতিক বিশৃংখলতাৰ ছবি আৰু আছে মানুহৰ মনত উদ্ভৱ হোৱা চিন্তা ভাৱনাৰ থেৰো গেৰো ভাৱৰ উকমুকনি। এনে বিষয়বস্তুৰ আধাৰত নিৰ্মিত হোৱাৰ বাবে গীতা সকলো মানুহৰ চিনাকি তথা সকলো মানুহৰ ভাৰসাৰ থল। কেৱল ভাৰতীয় বুলিয়ে নহয়, বিশ্বৰ বহু লোকৰ জীৱন প্ৰবাহৰ লগত গীতাৰ সম্পৰ্ক এৰাব নোৱাৰা। তথাপিও গীতাৰ মৰ্ম অনুধাৱন কৰা বহুতৰে বাবে হয়তো কষ্টকৰ। কিন্তু জনপ্ৰিয়তাই গীতাৰ মৰ্ম অনুধাৱন কৰাত সকলোৰে বাবে সহজ কৰি তুলিছে। পাণ্ডিত্য নহয়, গীতাৰ মৰ্ম বুজিবলৈ সংবেদনশীল মনৰহে প্ৰয়োজন বুলিব পাৰি।

দেশী-বিদেশী বহুতো পাঠক আৰু গৱেষক তথা সমালোচকে গীতা পুথিক প্ৰশংসাৰে উপচাই পেলাইছে। ভাৰতীয় সভ্যতাৰ চাবি-কাঠী বুলি গীতাক তেওঁলোকেও নিজৰ কৰি ল'বলৈ হেঁপাহ কৰে। গীতা সম্পৰ্কে তেওঁলোকৰ দৃষ্টিভংগী অতি উচ্চমানৰ। বিভিন্ন সমাজ সাহিত্য, সভ্যতা সম্পৰ্কে মানুহে তিৰ্যক মন্তব্য কৰা দেখা যায়। কিন্তু ভাৰতীয় সকলৰ সমল পুথি গীতা সম্পৰ্কে নতু গীতাৰ ছত্ৰছায়াত গঢ় লোৱা ভাৰতীয় সভ্যতা সংস্কৃতি সম্পৰ্কে কোনোৱে টুলুঙা মন্তব্য কৰা দেখা নাযায়। বৰং দেখা যায় যে ভাৰতীয় সকলৰ এই আধ্যাত্ম পুথিখনৰ লগত নিজকে একাত্ম কৰি লোৱাৰ প্ৰচেষ্টা বা প্ৰয়াস। এনেহেন বিস্ময় বিমুগ্ধ পুথিখনতনো কি আছে! কি গুণৰ বাবে ভাৰতীয় সকলৰ প্ৰাণস্বৰূপ এই পুথিখনৰ প্ৰতি যুগে যুগে বিশ্ববাসীৰ আকৰ্ষণ, সেই কথা সহজে ঠাৱৰ কৰা টান। বহুতে ক'ব খোজে যে গীতা হৈছে স্বৰ্গীয় আনন্দৰ থলী। স্বৰ্গীয় অনুভৱৰ দ্বাৰা আবৃত মৌ কোষ। যাৰ অফুৰন্ত আনন্দৰ ধাৰাই সকলোকে বুৰাই পেলায়। ডাণ্টেৰ 'ডিভাইন কমেডিৰ' শ্ৰেষ্ঠত্বৰ লগতহে গীতাৰ শ্ৰেষ্ঠত্ব তুলনা কৰিব পাৰি। বহুতে আকৌ গীতাৰ মহত্ত্বৰ অনুভৱত ডুব গৈ গীতাখনকে বিশ্বৰ শ্ৰেষ্ঠতম মহৎ কাব্য বুলি ক'ব খোজে। ইমানৰ অন্তত গীতা সম্পৰ্কে আমাৰ ধাৰণাৰে গীতাৰ মহত্ত্ব, শ্ৰেষ্ঠত্ব সম্পৰ্কে অনুসন্ধিৎসু পাঠক সমাজে তেওঁলোকৰ বিচাৰ বিশ্লেষণেৰে নিশ্চয়কৈ গীতাক উপযুক্ত স্থানতেই অভিহিত কৰিব। ■

নীলিমজ্যোতি সেনাপতি
সহযোগী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

আলোচনা-৩

# গণশিল্পী জ্যোতিপ্ৰসাদ ঃ সংস্কৃতিৰ ধাৰণা আৰু ৰূপান্তৰৰ সাধনা

জ্যোতিপ্ৰসাদ আগৰৱালা (১৯০৩-১৯৫১) অসমীয়া জনমানসত 'ৰূপকোঁৱৰ' হিচাপেই পৰিচিত আৰু সমাদৃত। কিন্তু এই 'ৰূপকোঁৱৰ' অভিধাই বহু সময়ত প্ৰকৃত জ্যোতিপ্ৰসাদ জনক ঢাকি ৰখা পৰিলক্ষিত হয়। বহুমুখী প্ৰতিভাৰ আকৰ, একেধাৰে গীতিকাৰ, সুৰকাৰ, কবি, সাহিত্যিক, চিত্ৰকৰ, নৰ্তক, বোলছবি নিৰ্মাতা, বিপ্লৱী গণনায়ক জ্যোতিপ্ৰসাদে কিন্তু নিজৰ পৰিচয় দিছিল এজন 'শিল্পী' বুলিহে। কিন্তু জ্যোতিপ্ৰসাদ অন্য বহুজনৰ দৰে মঞ্চ বা ষ্টুডিঅ'ৰ সুৰক্ষিত তথা আৰামদায়ক আৱেষ্টনীত গীত, নৃত্য প্ৰদৰ্শন কৰি ধন, বঁটা-বাহন ঘটা তথাকথিত শিল্পী নাছিল। তেওঁ আছিল প্ৰকৃতাৰ্থত এজন 'গণশিল্পী' – যি নিজৰ শিল্প প্ৰতিভাৰ ব্যৱহাৰ কৰিছিল জনতাৰ চেতনাৰ জাগৰণৰ বাবে আৰু 'সংস্কৃতি'ক গ্ৰহণ কৰিছিল সমাজৰ উত্তৰণৰ মাধ্যম হিচাপে।



বিংশ শতাব্দীৰ প্ৰথম দশকত অসমৰ এক প্ৰসিদ্ধ চহকী ব্যৱসায়ী পৰিয়ালত জন্ম গ্ৰহণ কৰা জ্যোতিপ্ৰসাদ সৰু কালৰেপৰা এখন 'সুন্দৰ পৃথিৱী'ৰ সপোন দেখিছিল। যি পৰৱৰ্তী সময়ত তেওঁৰ ৰচনাত 'শিল্পীৰ পৃথিৱী' হিচাপে পৰিস্ফুট হৈছিল। জ্যোতিপ্ৰসাদে সমাজৰ সকলো অশুভ শক্তিক 'দুষ্কৃতি' বুলি অভিহিত কৰিছিল আৰু দুষ্কৃতি নাশিবৰ বাবে 'সংস্কৃতি'ক অস্ত্ৰ ৰূপে তুলি লৈছিল। পৰাধীন ভাৰতত জন্ম গ্ৰহণ কৰা জ্যোতিপ্ৰসাদে বৃটিছ সাম্ৰাজ্যবাদৰ অশুভ ৰূপে দেখি তাৰ বিৰুদ্ধে দেশজুৰি আৰম্ভ হোৱা মুক্তি সংগ্ৰামত অতি কম বয়সতে যোগদান কৰিছিল। স্কুলত পঢ়ি থকা অৱস্থাতে 'অসম ছাত্ৰ সন্মিলন'ৰ সদস্য হিচাপে সক্ৰিয় সামাজিক, ৰাজনৈতিক জীৱন আৰম্ভ কৰা জ্যোতিপ্ৰসাদে পৰৱৰ্তী কালত আসাম এচোছিয়েচন আৰু জাতীয় কংগ্ৰেছৰ জৰিয়তে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এজন আগশাৰীৰ ৰণুৱা হৈ পৰে।



ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰধান পৰ্যায় সমূহত অসমত জ্যোতিপ্ৰসাদে সক্ৰিয় ভূমিকা পালন কৰিছিল। এফালে কংগ্ৰেছ কৰ্মী হিচাপে তেওঁ সংগ্ৰামৰ ৰাজনৈতিক নেতৃত্ব দি গাঁৱে ভূঞে কংগ্ৰেছৰ সংগঠন কৰিছিল। আনহাতে শিল্পী হিচাপে গীত মাত লিখনীৰে জনতাক সাংস্কৃতিক ভাৱে জাগৰিত কৰি দেশৰ মুক্তি সংগ্ৰামত যোগ দিবলৈ তেওঁলোকক উদ্বুদ্ধ কৰিছিল। অসমত ভাৰতৰ স্বাধীনতা সংগ্ৰাম এক গণ আন্দোলনত পৰিণত হোৱাত জ্যোতিপ্ৰসাদৰ সাংগঠনিক কৰ্ম আৰু বিপ্লৱী গীত সমূহৰ ভূমিকা আছিল অনন্য। ১৯২৯ চনত অসম ছাত্ৰ সন্মিলনৰ তেজপুৰৰ অধিৱেশন উপলক্ষে জ্যোতিপ্ৰসাদে বিলাতত থাকোঁতেই ৰচনা কৰা 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই...., শীৰ্ষক গীতটো কেৱল স্বাধীনতা সংগ্ৰামৰ সময়তেই নহয় আজিকোপতি অসমীয়া যুৱ সমাজৰ বাবে অনুপ্ৰেৰণা আৰু উদ্দীপনাৰ উৎস হৈ অসমীয়া জাতীয় চেতনাৰ অংগত পৰিণত হৈছে। আনহাতে ৪২' ৰ ভাৰত ত্যাগ আন্দোলনৰ কালছোৱাত শিল্পী জ্যোতিপ্ৰসাদ এজন পূৰ্ণাংগ বিপ্লৱী স্বাধীনতা সংগ্ৰামী ৰূপে আত্মপ্ৰকাশ কৰিছিল। জ্যেষ্ঠ কংগ্ৰেছী নেতা সকলৰ অবৰ্তমানত জ্যোতিপ্ৰসাদে সমগ্ৰ অসমৰ নেতৃত্ব লৈ সেৱাদল আৰু শান্তিসেনাৰ নেতা হিচাপে অসুস্থ দেহাৰেই সংগঠনৰ কামত নানা অঞ্চল ঘূৰি নিজৰ জ্বালাময়ী ভাষণ আৰু তেজোদীপ্ত গীতেৰে (বিশ্ববিজয়ী ন জোৱান, সাজু হ সাজু হ ন জোৱান তই কৰিব লাগিব অগ্নিস্নান ইত্যাদি) জনতাৰ মাজত জাগৰণ তুলিছিল। ১৯৪৩ চনত কংগ্ৰেছ দলৰ সিদ্ধান্ত ক্ৰমে জ্যোতিপ্ৰসাদ কলিকতালৈ গৈ আত্মগোপন কৰে আৰু তাৰ পৰাই অসমৰ সংগ্ৰামৰ লগত সহযোগ অব্যাহত ৰাখে। এই সময়তে জ্যোতিপ্ৰসাদ জয়প্ৰকাশ নাৰায়ণ, অৰুণা, আছফ আলী আদি বিপ্লৱী সকলৰ সংস্পৰ্শত আহে। ইতিমধ্যে চৰকাৰে জ্যোতিপ্ৰসাদক 'পলাতক' ঘোষণা কৰে। অৱশ্যে গান্ধীজীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই তেওঁ চৰকাৰৰ ওচৰত শেষত আত্মসমৰ্পণ কৰে।

১৯৪৩ চনৰ পৰৱৰ্তী পৰ্যায়ত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাত এক পৰিৱৰ্তনৰ প্ৰক্ৰিয়া আৰম্ভ হয়। নিজকে 'আজীৱন কংগ্ৰেছী' আৰু গান্ধীবাদী বুলি পৰিচয় দিয়া জ্যোতিয়ে লাহে লাহে কংগ্ৰেছ দলৰ বহু নেতাৰ কৰ্ম আৰু আদৰ্শৰ ওপৰত বিশ্বাস হেৰুৱাই কংগ্ৰেছ সংগঠনৰ পৰা ধীৰে ধীৰে আঁতৰি আহে আৰু প্ৰগতিবাদ আৰু সাম্যবাদৰ নতুন ধাৰাক আঁকোৱালি লয়।

ইতিমধ্যে, ১৯৩০ ৰ দশকৰ মধ্যভাগৰ পৰা ভাৰত জুৰি আৰম্ভ হোৱা প্ৰগতিবাদী সাহিত্য ধাৰাই অসমতো প্ৰৱেশ কৰে। ভবানন্দ দত্ত, অমূল্য বৰুৱা, ধীৰেন্দ্ৰনাথ দত্ত, চক্ৰেশ্বৰ ভট্টাচাৰ্য আদি মাৰ্ক্সবাদী আদৰ্শৰে দীক্ষিত এচাম যুৱকৰ উদ্যোগত অসমীয়া কাব্য সাহিত্যত 'সমাজবাদী বাস্তৱতা'ৰ যুগ আৰম্ভ হয় আৰু ইয়াত মুখ্য ভূমিকা গ্ৰহণ কৰে 'জয়ন্তী' আলোচনীয়ে। ৰূপান্তৰৰ সাধক জ্যোতিপ্ৰসাদ সাহিত্যৰ এই নতুন ধাৰাৰ প্ৰতি আকৰ্ষিত হয় আৰু 'জয়ন্তী'য়ে আৰম্ভ কৰা প্ৰগতিবাদী কাব্য ধাৰাত চামিল হয়। 'জয়ন্তী'ত প্ৰকাশিত 'চিৰ বিদ্ৰোহী' (১৯৪৩) কবিতাত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাৰ এক ন ৰূপ প্ৰতিভাত হয়, য'ত তেওঁ ঘোষণা কৰে 'ৰূপান্তৰেহে মাথোঁ জগত ধুনীয়া কৰে, এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ।' চিৰ বিদ্ৰোহী জ্যোতিপ্ৰসাদ আছিল সমাজৰ ৰূপান্তৰৰ সাধক। এই ৰূপান্তৰৰ সাধনাত তেওঁ জীৱনৰ আদি কালছোৱাত কংগ্ৰেছৰ মজিয়াত থাকি সাম্ৰাজ্যবাদ ৰূপী দুষ্কৃতিৰ বিৰুদ্ধে যুঁজিছিল। কিন্তু স্বাধীনতা আন্দোলনৰ শেষকালৰ কথা কাণ্ডসমূহ দেখি জ্যোতিপ্ৰসাদে উপলব্ধি কৰিলে যে বৃটিচৰ হাতৰ পৰা লাভ কৰা ৰাজনৈতিক স্বাধীনতাই শোষিত জনতাৰ মুক্তি আনিব নোৱাৰে। গণশিল্পী জ্যোতিপ্ৰসাদে সেয়েহে জনতাৰ মুক্তিৰ প্ৰকৃত পথৰ সন্ধানত ব্ৰতী হ'ল। সেই সময়তে, ১৯৪৫ চনত হেমাংগ বিশ্বাসৰ জৰিয়তে জ্যোতিপ্ৰসাদ ভাৰতীয় গণ নাট্য সংঘ(IPTA) ৰ সংস্পৰ্শলৈ আহে। IPTAৰ জৰিয়তে জ্যোতিয়ে গণমুক্তিৰ নতুন পথৰ সন্ধান পায় আৰু 'গণনাট্য'ই দেশ জুৰি আৰম্ভ কৰা নতুন সংস্কৃতিক আন্দোলনত চামিল হয়। ১৯৪৭ত গণনাট্যৰ সভাপতিৰ দায়িত্ব লৈ জ্যোতিপ্ৰসাদে গণ সংস্কৃতি আন্দোলনৰ গুৰি ব'ঠা হাতত তুলি সম্পূৰ্ণ ৰূপে এজন গণশিল্পী ৰূপে আত্মপ্ৰকাশ কৰে। ইতিমধ্যে ১৯৪৭ চনত দেশে স্বাধীনতা লাভ কৰে যদিও স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী নেতা, বিশিষ্ট গান্ধীবাদী ৰূপে পৰিচিত জ্যোতিপ্ৰসাদে ক্ষমতাৰ ৰাজনীতিৰ পৰা আঁতৰি গণ সংস্কৃতিৰ চৰ্চাৰে জনতাৰ মুক্তিৰ সন্ধানত নিজৰ আলোক যাত্ৰা অব্যাহত ৰাখে। এই সময়ছোৱাতে তেওঁ মাৰ্ক্সবাদী চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত হয় আৰু বহু পৰিমাণে বামপন্থী শিবিৰৰ কাষ চাপি আহে। গণনাট্যৰ সোণালী যুগতে জ্যোতিপ্ৰসাদৰ চিন্তাৰ উত্তৰণ ঘটে আৰু সেই সময়ছোৱাত ৰচিত তেওঁৰ আলোক সন্ধানী ৰচনাৰাজি (শিল্পীৰ পৃথিৱী, পোহৰলৈ, আইদেউৰ জোনাকী বাট, ভাবীকালৰ সংস্কৃতি, নালিয়া পুলৰ বিপদ সংকেত আদি) ৰ জৰিয়তে জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক, সাংস্কৃতিক চিন্তাধাৰাৰ পূৰ্ণ ৰূপত প্ৰতিফলন ঘটে। ১৯৪৬ ৰ পৰৱৰ্তী সময়ছোৱাৰ সকলো ৰচনাতে আমি দেখিবলৈ পাওঁ জ্যোতিপ্ৰসাদৰ সংস্কৃতি চিন্তাৰ এক ন-ৰূপ, য'ত তেওঁ স্পষ্ট ৰূপত এক গণ সংস্কৃতিৰ ভেটিত সংগঠিত গণ সংগ্ৰামৰ যোগেদিহে বৰ্তমানৰ সমাজ ব্যৱস্থা ভাঙি এক নতুন সমাজ গঢ়া সম্ভৱ হ'ব বুলি ভাবিছিল। জ্যোতিপ্ৰসাদে মাৰ্ক্সবাদী চিন্তাৰে প্ৰভাৱিত হৈ এখন সাম্যবাদী সমাজৰ সপোন দেখিছিল, যাক তেওঁ কল্পনা কৰিছিল এখন 'সুন্দৰ পৃথিৱী', 'শিল্পীৰ পৃথিৱী' হিচাপে।

জ্যোতিপ্ৰসাদে কৈছিল যে সমাজৰ ৰূপান্তৰৰ প্ৰক্ৰিয়াত মূল অনুঘটকৰ ভূমিকা ল'ব লাগিব শিল্পীসকলে। কাৰণ 'এই জনতাৰ হাতত পৃথিৱীখনে দিয়াই হ'ল শিল্পীৰ পলিটিক্স।'(শিল্পীৰ পৃথিৱী, ৰচনাৱলী, পৃ. ৪৭৪) জ্যোতিপ্ৰসাদে ৰাজনীতি, সমাজনীতি, অৰ্থনীতি আৰু সংস্কৃতিৰ মাজত থকা সম্পৰ্ক বুজি পাইছিল আৰু জীৱনৰ সকলো দিশতে সৌন্দৰ্যৰ পূৰ্ণ স্ফুৰণ ঘটাৰ কামনা কৰিছিল।জীৱনৰ সকলো দিশতে সৌন্দৰ্য বিচাৰি তেওঁ নিজেই এজন 'জীৱন শিল্পী'ত পৰিণত হৈছিল।

জ্যোতিপ্ৰসাদৰ চিন্তাত শিল্পী হ'ল সুন্দৰৰ সাধক, যাৰ

অধ্যাপক-অধ্যাপিকাসকলৰ শিতান —

## চ'ৰাঘৰৰ মেজত

নীলিমজ্যোতি সেনাপতি
সহযোগী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

আলোচনা-৩

# গণশিল্পী জ্যোতিপ্ৰসাদ ঃ সংস্কৃতিৰ ধাৰণা আৰু ৰূপান্তৰৰ সাধনা

জ্যোতিপ্ৰসাদ আগৰৱালা (১৯০৩-১৯৫১)অসমীয়া জনমানসত 'ৰূপকোঁৱৰ' হিচাপেই পৰিচিত আৰু সমাদৃত। কিন্তু এই 'ৰূপকোঁৱৰ' অভিধাই বহু সময়ত প্ৰকৃত জ্যোতিপ্ৰসাদ জনক ঢাকি ৰখা পৰিলক্ষিত হয়। বহুমুখী প্ৰতিভাৰ আকৰ, একেধাৰে গীতিকাৰ, সুৰকাৰ, কবি, সাহিত্যিক, চিত্ৰকৰ, নৰ্তক, বোলছবি নিৰ্মাতা, বিপ্লৱী গণনায়ক জ্যোতিপ্ৰসাদে কিন্তু নিজৰ পৰিচয় দিছিল এজন 'শিল্পী' বুলিহে। কিন্তু জ্যোতিপ্ৰসাদ অন্য বহুজনৰ দৰে মঞ্চ বা ষ্টুডিঅ'ৰ সুৰক্ষিত তথা আৰামদায়ক আৱেষ্টনীত গীত, নৃত্য প্ৰদৰ্শন কৰি ধন, বঁটা-বাহন ঘটা তথাকথিত শিল্পী নাছিল। তেওঁ আছিল প্ৰকৃতাৰ্থত এজন 'গণশিল্পী' – যি নিজৰ শিল্প প্ৰতিভাৰ ব্যৱহাৰ কৰিছিল জনতাৰ চেতনাৰ জাগৰণৰ বাবে আৰু 'সংস্কৃতি'ক গ্ৰহণ কৰিছিল সমাজৰ উত্তৰণৰ মাধ্যম হিচাপে।





বিংশ শতাব্দীৰ প্ৰথম দশকত অসমৰ এক প্ৰসিদ্ধ চহকী ব্যৱসায়ী পৰিয়ালত জন্ম গ্ৰহণ কৰা জ্যোতিপ্ৰসাদ সৰু কালৰেপৰা এখন 'সুন্দৰ পৃথিৱী'ৰ সপোন দেখিছিল। যি পৰৱৰ্তী সময়ত তেওঁৰ ৰচনাত 'শিল্পীৰ পৃথিৱী' হিচাপে পৰিস্ফুট হৈছিল। জ্যোতিপ্ৰসাদে সমাজৰ সকলো অশুভ শক্তিক 'দুস্কৃতি' বুলি অভিহিত কৰিছিল আৰু দুস্কৃতি নাশিবৰ বাবে 'সংস্কৃতি'ক অস্ত্ৰ ৰূপে তুলি লৈছিল। পৰাধীন ভাৰতত জন্ম গ্ৰহণ কৰা জ্যোতিপ্ৰসাদে বৃটিছ সাম্ৰাজ্যবাদৰ অশুভ ৰূপে দেখি তাৰ বিৰুদ্ধে দেশজুৰি আৰম্ভ হোৱা মুক্তি সংগ্ৰামত অতি কম বয়সতে যোগদান কৰিছিল। স্কুলত পঢ়ি থকা অৱস্থাতে 'অসম ছাত্ৰ সন্মিলন'ৰ সদস্য হিচাপে সক্ৰিয় সামাজিক, ৰাজনৈতিক জীৱন আৰম্ভ কৰা জ্যোতিপ্ৰসাদে পৰৱৰ্তী কালত আসাম এচোছিয়েচন আৰু জাতীয় কংগ্ৰেছৰ জৰিয়তে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এজন আগশাৰীৰ ৰণুৱা হৈ পৰে।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰধান পৰ্যায় সমূহত অসমত জ্যোতিপ্ৰসাদে সক্ৰিয় ভূমিকা পালন কৰিছিল। এফালে কংগ্ৰেছ কৰ্মী হিচাপে তেওঁ সংগ্ৰামৰ ৰাজনৈতিক নেতৃত্ব দি গাঁৱে ভূএে কংগ্ৰেছৰ সংগঠন কৰিছিল। আনহাতে শিল্পী হিচাপে গীত মাত লিখনীৰে জনতাক সাংস্কৃতিক ভাৱে জাগৰিত কৰি দেশৰ মুক্তি সংগ্ৰামত যোগ দিবলৈ তেওঁলোকক উদ্বুদ্ধ কৰিছিল। অসমত ভাৰতৰ স্বাধীনতা সংগ্ৰাম এক গণ আন্দোলনত পৰিণত হোৱাত জ্যোতিপ্ৰসাদৰ সাংগঠনিক কৰ্ম আৰু বিপ্লৱী গীত সমূহৰ ভূমিকা আছিল অনন্য। ১৯২৯ চনত অসম ছাত্ৰ সন্মিলনৰ তেজপুৰৰ অধিৱেশন উপলক্ষে জ্যোতিপ্ৰসাদে বিলাতত থাকোঁতেই ৰচনা কৰা 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই....' শীৰ্ষক গীতটো কেৱল স্বাধীনতা সংগ্ৰামৰ সময়তেই নহয় আজিকোপতি অসমীয়া যুৱ সমাজৰ বাবে অনুপ্ৰেৰণা আৰু উদ্দীপনাৰ উৎস হৈ অসমীয়া জাতীয় চেতনাৰ অংগত পৰিণত হৈছে। আনহাতে ৪২' ৰ ভাৰত ত্যাগ আন্দোলনৰ কালছোৱাত শিল্পী জ্যোতিপ্ৰসাদ এজন পূৰ্ণাংগ বিপ্লৱী স্বাধীনতা সংগ্ৰামী ৰূপে আত্মপ্ৰকাশ কৰিছিল। জ্যেষ্ঠ কংগ্ৰেছী নেতা সকলৰ অবৰ্তমানত জ্যোতিপ্ৰসাদে সমগ্ৰ অসমৰ নেতৃত্ব লৈ সেৱাদল আৰু শান্তিসেনাৰ নেতা হিচাপে অসুস্থ দেহাৰেই সংগঠনৰ কামত নানা অঞ্চল ঘূৰি নিজৰ জ্বালাময়ী ভাষণ আৰু তেজোদীপ্ত গীতেৰে (বিশ্ববিজয়ী ন জোৱান, সাজু হ সাজু হ ন জোৱান তই কৰিব লাগিব অগ্নিস্নান ইত্যাদি) জনতাৰ মাজত জাগৰণ তুলিছিল। ১৯৪৩ চনত কংগ্ৰেছ দলৰ সিদ্ধান্ত ক্ৰমে জ্যোতিপ্ৰসাদ কলিকতালৈ গৈ আত্মগোপন কৰে আৰু তাৰ পৰাই অসমৰ সংগ্ৰামৰ লগত সহযোগ অব্যাহত ৰাখে। এই সময়তে জ্যোতিপ্ৰসাদ জয়প্ৰকাশ নাৰায়ণ, অৰুণা, আছফ আলী আদি বিপ্লৱী সকলৰ সংস্পৰ্শত আহে। ইতিমধ্যে চৰকাৰে জ্যোতিপ্ৰসাদক 'পলাতক' ঘোষণা কৰে। অৱশ্যে গান্ধীজীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই তেওঁ চৰকাৰৰ ওচৰত শেষত আত্মসমৰ্পণ কৰে।

১৯৪৩ চনৰ পৰৱৰ্তী পৰ্যায়ত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাত এক পৰিৱৰ্তনৰ প্ৰক্ৰিয়া আৰম্ভ হয়। নিজকে 'আজীৱন কংগ্ৰেছী' আৰু গান্ধীবাদী বুলি পৰিচয় দিয়া জ্যোতিয়ে লাহে লাহে কংগ্ৰেছ দলৰ বহু নেতাৰ কৰ্ম আৰু আদৰ্শৰ ওপৰত বিশ্বাস হেৰুৱাই কংগ্ৰেছ সংগঠনৰ পৰা ধীৰে ধীৰে আঁতৰি আহে আৰু প্ৰগতিবাদ আৰু সাম্যবাদৰ নতুন ধাৰাক আঁকোৱালি লয়।

ইতিমধ্যে, ১৯৩০ ৰ দশকৰ মধ্যভাগৰ পৰা ভাৰত জুৰি আৰম্ভ হোৱা প্ৰগতিবাদী সাহিত্য ধাৰাই অসমতো প্ৰৱেশ কৰে। ভবানন্দ দত্ত, অমূল্য বৰুৱা, ধীৰেন্দ্ৰনাথ দত্ত, চক্ৰেশ্বৰ ভট্টাচাৰ্য আদি মাৰ্ক্সবাদী আদৰ্শৰে দীক্ষিত এচাম যুৱকৰ উদ্যোগত অসমীয়া কাব্য সাহিত্যত 'সমাজবাদী বাস্তৱতা'ৰ যুগ আৰম্ভ হয় আৰু ইয়াত মুখ্য ভূমিকা গ্ৰহণ কৰে 'জয়ন্তী' আলোচনীয়ে। ৰূপান্তৰৰ সাধক জ্যোতিপ্ৰসাদ সাহিত্যৰ এই নতুন ধাৰাৰ প্ৰতি আকৰ্ষিত হয় আৰু 'জয়ন্তী'য়ে আৰম্ভ কৰা প্ৰগতিবাদী কাব্য ধাৰাত চামিল হয়। 'জয়ন্তী'ত প্ৰকাশিত 'চিৰ বিদ্ৰোহী' (১৯৪৩) কবিতাত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাৰ এক ন ৰূপ প্ৰতিভাত হয়, য'ত তেওঁ ঘোষণা কৰে 'ৰূপান্তৰেহে মাথোঁ জগত ধুনীয়া কৰে, এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ।' চিৰ বিদ্ৰোহী জ্যোতিপ্ৰসাদ আছিল সমাজৰ ৰূপান্তৰৰ সাধক। এই ৰূপান্তৰৰ সাধনাত তেওঁ জীৱনৰ আদি কালছোৱাত কংগ্ৰেছৰ মজিয়াত থাকি সাম্ৰাজ্যবাদ ৰূপী দুস্কৃতিৰ বিৰুদ্ধে যুঁজিছিল। কিন্তু স্বাধীনতা আন্দোলনৰ শেষকালৰ কথা কাণ্ডসমূহ দেখি জ্যোতিপ্ৰসাদে উপলব্ধি কৰিলে যে বৃটিচৰ হাতৰ পৰা লাভ কৰা ৰাজনৈতিক স্বাধীনতাই শোষিত জনতাৰ মুক্তি আনিব নোৱাৰে। গণশিল্পী জ্যোতিপ্ৰসাদে সেয়েহে জনতাৰ মুক্তিৰ প্ৰকৃত পথৰ সন্ধানত ব্ৰতী হ'ল। সেই সময়তে, ১৯৪৫ চনত হেমাংগ বিশ্বাসৰ জৰিয়তে জ্যোতিপ্ৰসাদ ভাৰতীয় গণ নাট্য সংঘ(IPTA) ৰ সংস্পৰ্শলৈ আহে। IPTAৰ জৰিয়তে জ্যোতিয়ে গণমুক্তিৰ নতুন পথৰ সন্ধান পায় আৰু 'গণনাট্য'ই দেশ জুৰি আৰম্ভ কৰা নতুন সংস্কৃতিক আন্দোলনত চামিল হয়। ১৯৪৭ত গণনাট্যৰ সভাপতিৰ দায়িত্ব লৈ জ্যোতিপ্ৰসাদে গণ সংস্কৃতি আন্দোলনৰ গুৰি ব'ঠা হাতত তুলি সম্পূৰ্ণ ৰূপে এজন গণশিল্পী ৰূপে আত্মপ্ৰকাশ কৰে। ইতিমধ্যে ১৯৪৭ চনত দেশে স্বাধীনতা লাভ কৰে যদিও স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী নেতা, বিশিষ্ট গান্ধীবাদী ৰূপে পৰিচিত জ্যোতিপ্ৰসাদে ক্ষমতাৰ ৰাজনীতিৰ পৰা আঁতৰি গণ সংস্কৃতিৰ চৰ্চাৰে জনতাৰ মুক্তিৰ সন্ধানত নিজৰ আলোক যাত্ৰা অব্যাহত ৰাখে। এই সময়ছোৱাতে তেওঁ মাৰ্ক্সবাদী চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত হয় আৰু বহু পৰিমাণে বামপন্থী শিবিৰৰ কাষ চাপি আহে। গণনাট্যৰ সোণালী যুগতে জ্যোতিপ্ৰসাদৰ চিন্তাৰ উত্তৰণ ঘটে আৰু সেই সময়ছোৱাত ৰচিত তেওঁৰ আলোক সন্ধানী ৰচনাৰাজি (শিল্পীৰ পৃথিৱী, পোহৰলৈ, আইদেউৰ জোনাকী বাট, ভাবীকালৰ সংস্কৃতি, নালিয়া পুলৰ বিপদ সংকেত আদি) ৰ জৰিয়তে জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক, সাংস্কৃতিক চিন্তাধাৰাৰ পূৰ্ণ ৰূপত প্ৰতিফলন ঘটে। ১৯৪৬ ৰ পৰৱৰ্তী সময়ছোৱাৰ সকলো ৰচনাতে আমি দেখিবলৈ পাওঁ জ্যোতিপ্ৰসাদৰ সংস্কৃতি চিন্তাৰ এক ন-ৰূপ, য'ত তেওঁ স্পষ্ট ৰূপত এক গণ সংস্কৃতিৰ ভেটিত সংগঠিত গণ সংগ্ৰামৰ যোগেদিহে বৰ্তমানৰ সমাজ ব্যৱস্থা ভাঙি এক নতুন সমাজ গঢ়া সম্ভৱ হ'ব বুলি ভাবিছিল। জ্যোতিপ্ৰসাদে মাৰ্ক্সবাদী চিন্তাৰে প্ৰভাৱিত হৈ এখন সাম্যবাদী সমাজৰ সপোন দেখিছিল, যাক তেওঁ কল্পনা কৰিছিল এখন 'সুন্দৰ পৃথিৱী', 'শিল্পীৰ পৃথিৱী' হিচাপে।

জ্যোতিপ্ৰসাদে কৈছিল যে সমাজৰ ৰূপান্তৰৰ প্ৰক্ৰিয়াত মূল অনুঘটকৰ ভূমিকা ল'ব লাগিব শিল্পীসকলে। কাৰণ 'এই জনতাৰ হাতত পৃথিৱীখনে দিয়াই হ'ল শিল্পীৰ পলিটিক্স।'(শিল্পীৰ পৃথিৱী, ৰচনাৱলী, পৃ. ৪৭৪) জ্যোতিপ্ৰসাদে ৰাজনীতি, সমাজনীতি, অৰ্থনীতি আৰু সংস্কৃতিৰ মাজত থকা সম্পৰ্ক বুজি পাইছিল আৰু জীৱনৰ সকলো দিশতে সৌন্দৰ্যৰ পূৰ্ণ স্ফুৰণ ঘটাৰ কামনা কৰিছিল।জীৱনৰ সকলো দিশতে সৌন্দৰ্য বিচাৰি তেওঁ নিজেই এজন 'জীৱন শিল্পী'ত পৰিণত হৈছিল।

জ্যোতিপ্ৰসাদৰ চিন্তাত শিল্পী হ'ল সুন্দৰৰ সাধক, যাৰ

মূল লক্ষ্য হ'ল পৃথিৱীখনক অধিক সুন্দৰ কৰা। কিন্তু জ্যোতিৰ সুন্দৰৰ ধাৰণা আছিল সুকীয়া ধৰণৰ। আৰ্থ সামাজিক বৈষম্য, অন্যায়, অবিচাৰে ভৰি থকা সমাজ এখন বাহ্যিক দৃষ্টিত সুন্দৰ হ'লেও জ্যোতিয়ে তাক সুন্দৰ নহয় বুলি কৈছিল। শোষণ নিপীড়ন নথকা, আৰ্থ সামাজিক ন্যায়পূৰ্ণএখন সমাজহে জ্যোতিৰ দৃষ্টিত প্ৰকৃত সুন্দৰ সমাজ। এনে এখন সুন্দৰ সমাজ গঢ়াৰ বাবে শিল্পীয়ে জনতাক উদ্বুদ্ধ কৰিব লাগিব নিজৰ সৃষ্টিৰে। জ্যোতিয়ে লিখিছিল,

'শিল্পীৰ মই পালোঁ যে নতুন অৰ্থ
মানুহৰ মহাসত্য..
মানুহক মই ন ৰূপ দিম
পৃথিৱীখনকে পুনৰ গঢ়িম
মোৰ ই দৃষ্টিৰ নতুন সৃষ্টি
অৱশ্যে অব্যৰ্থ।'

জ্যোতিপ্ৰসাদে 'কৃষ্ণ' নিজৰ জীৱনৰ আদৰ্শ ৰূপে লৈছিল আৰু শিল্পী সকলক নতুন সমাজ গঢ়াৰ সংগ্ৰামত 'কৃষ্ণ'ৰ ভূমিকা ল'বলৈ আহ্বান জনাইছিল। অৱশ্যে প্ৰকৃতাৰ্থত আধুনিক আৰু বিজ্ঞানমনস্ক জ্যোতিয়ে 'কৃষ্ণ'ৰ নতুন ধৰ্ম নিৰপেক্ষ ব্যাখ্যা আগবঢ়াই 'কৃষ্ণ' শব্দৰ অৰ্থ সংস্কৃতি বুলি এক নতুন অৱধাৰণা আগবঢ়াইছিল। তেনেদৰে 'শিল্পী'ৰ সংজ্ঞাও নতুনকৈ দাঙি ধৰি সমাজৰ উত্তৰণৰ বাবে কাম কৰা সকলো মহান ব্যক্তিত্বকে শিল্পী বুলি অভিহিত কৰিছিল। সেয়েহে, তেওঁৰ দৃষ্টিত গান্ধী, লেনিন, হজৰত মহম্মদ আদিও শিল্পী। কৃষ্ণৰ পাছতেই জ্যোতিয়ে শংকৰদেৱৰ আদৰ্শ গ্ৰহণ কৰিছিল আৰু শংকৰদেৱক ধৰ্ম প্ৰচাৰকৰ পৰিৱৰ্তে সমাজৰ সংস্কাৰকামী বিপ্লৱী শিল্পী হিচাপে প্ৰতিষ্ঠা কৰিছিল। জ্যোতিপ্ৰসাদে লিখিছিল, 'সংস্কৃতি জীৱনৰ দুস্কৃতিৰ সৈতে চূড়ান্ত সংগ্ৰাম শিল্পীৰ অকল অহিংস নৈতিক অস্ত্ৰৰূপেই শিল্পীৰূপেই কৰিব নোৱাৰি কৃষ্ণাৰ্জুন হৈ সংগ্ৰামত প্ৰবৃত্ত হয়।' (শিঃপৃঃ, ৰচনাৱলী, পৃ ৪৬৩)

জ্যোতিপ্ৰসাদে স্বাধীনতাৰ দোকমোকালি পৰতেই উপলব্ধি কৰিছিল যে সাম্ৰাজ্যবাদ আৰু পুঁজিবাদ দুয়োটাই 'দুস্কৃতিৰ' দুই ৰূপ। পৰাধীন ভাৰতত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজ কৰা জ্যোতিয়ে সেয়েহে স্বাধীন ভাৰতত পুনৰাই এক নতুন মুক্তি যুঁজ আৰম্ভ কৰিছিল। পুঁজিবাদ ৰূপী দুস্কৃতিৰ বিৰুদ্ধে। সেই সময়তে সাম্যবাদী আদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈ জ্যোতিপ্ৰসাদে দ্ব্যৰ্থহীন ভাষাত লিখিছিল, 'মানুহৰ সমাজত যি অৰ্থনৈতিক অ-সামঞ্জস্যতাই সমাজৰ এভাগক সাংস্কৃতিক জীৱনৰ পৰা বঞ্চিত কৰি আপচুকৈ থৈছে–অসুন্দৰ কৰি থৈছে সেই ভাগতো সৌন্দৰ্য নমাবলৈ মানুহৰ নৱতম সামাজিক ক্ষেত্ৰত সৌন্দৰ্য প্ৰয়াস হৈছে সাম্যবাদ।' (পোহৰলৈ', ৰচনাৱলী, পৃঃ৪৮৩)। কেৱল লিখাতেই ক্ষান্ত নাথাকি জ্যোতিয়ে কমিউনিষ্ট আদৰ্শৰে পুষ্ট গণনাট্য সংঘৰ মজিয়াত থিয় হৈ দুস্কৃতি বিনাশী সাম্য সংস্কৃতি প্ৰতিষ্ঠাৰ জনতাৰ আলোক যাত্ৰাত চামিল হৈছিল, ব্যক্তিগত বিপৰ্যয়, ৰাজনৈতিক সমালোচনা সকলো নেওচি থৈ।

জ্যোতিপ্ৰসাদৰ সংস্কৃতি সম্পৰ্কীয় ধাৰণাটো যথেষ্ট পৰিমাণে মাৰ্ক্সীয় নন্দনতত্ত্বৰ সামঞ্জস্য বা প্ৰভাৱ দেখা যায়। মাৰ্ক্সবাদী সকলৰ দৰেই জ্যোতিয়েও সংস্কৃতি আৰু অৰ্থনীতিৰ মাজৰ সম্পৰ্ক বুজি পাইছিল আৰু লিখিছিল,–

'সংস্কৃতি ফুলত থাকে
অৰ্থনীতিৰ গুটি
বাস্তৱৰ মাটিত কৰে
গজে ফুটি ফুটি।' (ৰচনাৱলী, পৃঃ ৭৫৪)

মাৰ্ক্সবাদী নন্দনতত্ত্বৰ নীতিৰ লগত ৰজিতা খুৱাই জ্যোতিপ্ৰসাদেও শিল্পী সাহিত্যিকক কল্পনাৰ কাবেংঘৰৰ পৰা নামি বাস্তৱ সমাজৰ জীয়া ছবি নিজৰ সৃষ্টিৰ মাজেদি দাঙি ধৰি জনতাৰ মাজত বিপ্লৱী চেতনা জাগ্ৰত কৰাত ব্ৰতী হ'বলৈ আহ্বান জনাইছিল। সমাজ বিপ্লৱত শিল্পী সাহিত্যিকৰ ভূমিকা সম্পৰ্কে জ্যোতিৰ চিন্তাধাৰাৰ লগত মাৰ্ক্সবাদী সকলৰ, বিশেষকৈ মাৰ্ক্স, এংগেলচ, লেনিন, মাও আৰু গ্ৰামচীৰ চিন্তাধাৰাৰ গভীৰ সাদৃশ্য পৰিলক্ষিত হয়। লেনিনে লিখিছিল, "Literature must become part of the comon cause of the proletariate a lag and screw of one single great social democreatic mechanism set in motion by the entire politically consious vanguard of the entire working class."cparty organisation and party literature. collected Works , p. 45 চীনৰ সাম্যবাদী বিপ্লৱৰ নেতা মাওজে ডঙেও কৈছে, "China's revolutionary writers and artists, writers and artists of high promise must go among the masses of workers, peasants and soldiers, go into the heart of the struggle." (Literature and Art, selected works)

লেনিন আৰু মাওৰ চিন্তাৰ প্ৰতিধ্বনি আমি দেখা পাওঁ জ্যোতিপ্ৰসাদৰ বহু লিখনীত। এটা মাত্ৰ উদাহৰণেই যথেষ্ট – "শিল্পী সাহিত্যিক, কবি, দাৰ্শনিক হৈ আজি দেশৰ এই সাংস্কৃতিক ভ্ৰষ্টতাৰপৰা উদ্ধাৰ কৰিবলৈ যি নিজৰ কৰ্তব্যৰ আওহেলা কৰিব, নিজৰ ৰাইজৰ প্ৰতি কৰ্তব্য উপলব্ধি নকৰি মাথোন পলাতকৰ মনোবৃত্তিৰে সমাজৰ দেশৰ জীৱনৰ বেমেজালিৰ পৰা আঁতৰি সপোনৰ মায়াজালৰ বুলনি চ'ৰাতেই থাকিব খুজিব, সেইসকল নিশ্চয়েই আজি বিপদৰ সময়ত দেশৰ প্ৰতি কৰ্তব্য পালন নকৰাৰ দোষত পৰিবই লাগিব।"





('পোহৰলৈ', ৰচনাৱলী , পৃঃ ৪৮৫)। অৱশ্যে গ্ৰামচিৰ দৰেই জ্যোতিয়েও শিল্পীৰ ওপৰত 'পাৰ্টি'ৰ কঠোৰ নিয়ন্ত্ৰণৰ বিৰোধিতা কৰিছিল আৰু শিল্পীৰ সৃষ্টিৰ স্বাধীনতাৰ পোষকতা কৰিছিল।

'দুস্কৃতিৰ বিৰুদ্ধে শিল্পীৰ সংগ্ৰামত জ্যোতিপ্ৰসাদে 'সংস্কৃতি'ক প্ৰধান অস্ত্ৰ হিচাপে গণ্য কৰিছিল। জ্যোতিপ্ৰসাদে 'সংস্কৃতি'ৰ ধাৰণাটোৰে নৱ ব্যাখ্যা কৰি তাৰ বিকাশ ঘটাইছিল। জ্যোতিৰ সংস্কৃতিৰ ধাৰণা প্ৰতিষ্ঠিত আৰ্থ সামাজিক বিশ্লেষণৰ ভেটিত। জ্যোতিৰ সংস্কৃতি ধাৰণা জনতা কেন্দ্ৰিক। তেওঁ আছিল গণ–সংস্কৃতিৰ ধাৱক আৰু বাহক। সেয়েহে তেওঁ লিখিছিল , "যি সংস্কৃতি বিশ্ব শৃংগলৈ উঠিব তাৰ ভেটি বান্ধিব লাগিব বিশ্ব জনতাৰ ওপৰত – বিশ্ব জনতাৰ হৃদয়ত, মনত, দুখত, আনন্দত। তেতিয়া হ'লেই মানৱ সংস্কৃতিয়ে তাৰ স্বাভাৱিক বিশ্বৰূপত ওলাব। যি যিমান উচ্চ সংস্কৃতি সি সিমান বহল হৈ জনতাক সামৰিব লাগিব। (শিল্পীৰ পৃথিৱী, ৰচনাৱলী, পৃঃ ৪৭৩) সংস্কৃতি আৰু দুস্কৃতিৰ চিৰন্তন যুঁজত শিল্পী সদায় থিয় দিব লাগিব সংস্কৃতিৰ পথত। জ্যোতিপ্ৰসাদে বিশ্বৰ সকলো জাতি জনগোষ্ঠীৰ নিজস্ব সংস্কৃতিৰ স্বকীয়তা আৰু সৌন্দৰ্য অক্ষুণ্ণ ৰাখি এক সংমিশ্ৰিত বিশ্ব সংস্কৃতি গঢ়াৰ সপোন ৰচিছিল। সেয়েহে তেওঁ লিখিছিল, 'সংস্কৃতিয়ে সংস্কৃতিয়ে কেতিয়াও সংঘৰ্ষ নহয়, সংঘৰ্ষ হয় দুস্কৃতিৰ সৈতে।'



(পোহৰলৈ, ৰচনাৱলী, পৃঃ ৪৮৪)। বিশ্বশিল্পী জ্যোতিপ্ৰসাদে বিশ্বাস কৰিছিল বিশ্ব জনতাই সংস্কৃতিৰ অস্ত্ৰেৰে 'দুস্কৃতি'ৰ বিৰুদ্ধে যুঁজি এক 'শিল্পীৰ পৃথিৱী' নিৰ্মাণ কৰিব– যিখন হ'ব এখন্ 'সাম্য'ৰ পৃথিৱী। জ্যোতিৰ আছিল সাধাৰণ জনতাৰ শক্তিৰ ওপৰত গভীৰ বিশ্বাস আৰু সেয়েহে তেওঁ সদায় এক সৰ্বাত্মক গণ বিপ্লৱৰ জৰিয়তেহে সমাজৰ ৰূপান্তৰ সম্ভৱ বুলি ভাবিছিল। এই নতুন সমাজ গঢ়াৰ প্ৰক্ৰিয়াত শিল্পীৰ দায়িত্ব হ'ল জনতাৰ মাজত বিপ্লৱী চেতনাৰ বিকাশ ঘটাই বিপ্লৱৰ পৰিৱেশ ৰচনা কৰা। জ্যোতিয়ে ভাবিছিল মূক জনতা এদিন নিশ্চয় জাগি উঠিব আৰু সকলো অন্যায়, অবিচাৰ শোষণৰ প্ৰতীক পুঁজিবাদী 'দুস্কৃতি' ধ্বংস কৰি এখন সুন্দৰ নতুন পৃথিৱী গঢ়ি তুলিব। তেওঁৰ শেষ জীৱনৰ কবিতা আৰু গান সমূহত তেওঁৰ আশাবাদ গভীৰ ভাৱে ফুটি উঠিছে – "বিপ্লৱৰ মহাচক্ৰ ঘূৰে/নতুনৰ সৃষ্টিৰ অগ্নি বীজ/ দিশে দিশে উৰে/ নতুন পৃথিৱীখন উজলি উঠিছে দূৰে দূৰে।" (নতুন, ৰচনাৱলী, পৃঃ ৬১৬)

সম্প্ৰতি বিশ্বায়নৰ ঢৌৱে চৌদিশ ধুৱাই যোৱাৰ সময়ত চৌদিশে দুস্কৃতিৰ জয়–জয়কাৰৰ দুঃসময়ত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰা হৈ উঠিছে অতি প্ৰাসংগিক। আজি জনতাক বাট দেখুৱাবলৈ জ্যোতি –বিষ্ণু–ভূপেনৰ দৰে গণশিল্পীৰ অতি প্ৰয়োজন হৈছে। আজি বিশ্বায়নে 'বিশ্ব সংস্কৃতি' গঢ়াৰ নামত বিশ্বতে এক ধৰণৰ 'সংস্কৃতি' জাপি দিবলৈ বিচাৰিছে। যি বিভিন্ন জাতি জনজাতি সমূহৰ নিজস্ব 'সংস্কৃতি' গ্ৰাস কৰি সি সমূহৰ স্বকীয় পৰিচিতি আৰু অস্তিত্বৰ প্ৰতি ভাবুকি আনিছে। তেনে এক পৰিৱেশত জ্যোতিৰ 'সংস্কৃতি'ৰ ধাৰণা আমি মনত পেলাব লাগিব। জ্যোতিয়েও 'বিশ্ব সংস্কৃতি' গঢ়াৰ কথা কৈছিল। কিন্তু সেই 'বিশ্ব সংস্কৃতি' আজিৰ বিশ্বায়ন কথিত বিশ্ব সংস্কৃতিৰ দৰে 'এক ৰূপী' সংস্কৃতি নহয়–সি হ'ব সকলো জাতি জনগোষ্ঠীৰ সংস্কৃতিৰ এক বহুবৰ্ণী সমাহাৰ য'ত সকলোৰে নিজস্ব সংস্কৃতিৰ উপাদান সমূহ প্ৰতিফলিত হ'ব। জ্যোতি আছিল এজন আন্তৰ্জাতিক জাতীয়তাবাদী–যি দেখুৱাই গৈছে জাতীয়তাবাদী হৈ এজন শিল্পী কিদৰে আন্তৰ্জাতিক হ'ব পাৰে। লুইতৰ ৰূপালী বালিত ভৰি থৈ জ্যোতিয়ে বিশ্বলৈ চকু মেলি চাইছিল। 'লুইতৰ আকাশত তৰাৰ তৰাৱলী' চাই বিমুগ্ধ হোৱা জ্যোতিয়ে 'গাঁৱলীয়া বাটেৰে জান জুৰি নিজৰাৰে' বিশ্ব অভিমুখী আলোক যাত্ৰা আৰম্ভ কৰিছিল। 'পৃথিৱীখনকে পুনৰ গঢ়িব' খোজা জ্যোতিয়ে কিন্তু 'মন ধুনীয়া গাঁৱৰ ল'ৰা'ৰ মাজতে নতুন বিশ্ব গঢ়াৰ মন আৰু শক্তি চিনিব পাৰিছিল। আজি বিভিন্ন গণ মাধ্যম সমূহে মুনাফাৰ লোভত সস্তীয়া আৰু তৰল মনোৰঞ্জনেৰে জনসাধাৰণক বিভ্ৰান্ত কৰি তুলিছে। ৰংচঙীয়া পৃথিৱীৰ সপোন দেখুৱাই আধাপেটী জনতাক প্ৰকৃত সমস্যা

সমূহৰ পৰা আঁতৰাই ৰাখিছে। অধিকাংশ শিল্পীয়ে আজি বিশুদ্ধ Entertainer ৰ ভূমিকা পালন কৰি শিল্পীৰ দায়বদ্ধতাৰ পৰা, জনতাৰ পৰা দূৰত নিৰাপদ অৱস্থান গ্ৰহণ কৰিছে। বিশ্বায়ন কথিত নব্য উদাৰবাদৰ নামত এক নব্য ঔপনিৱেশবাদ আৰম্ভ হৈছে। সমগ্ৰ বিশ্বতে আজি মানৱতা সংকটৰ সন্মুখীন হৈছে। 'উত্তৰ আধুনিক' মানুহ আজি 'দিকভ্ৰান্ত'। ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান দিনে দিনে বৃদ্ধি পাইছে। তৃতীয় বিশ্বৰ দেশ সমূহত আজি বিশ্বায়নৰ কু-প্ৰভাৱ অধিক গভীৰ হৈ পৰিছে। মঙল গ্ৰহলৈ মানুহ যাবলৈ ওলোৱাৰ সময়তে সমগ্ৰ বিশ্বতে ধৰ্মীয় উন্মাদনা জনগোষ্ঠীয় সংঘাত বৃদ্ধি পাইছে। জনতা আজি দিশহাৰা। 'সংস্কৃতি' আৰু 'দুষ্কৃতি'ৰ মাজৰ পাৰ্থক্য ধৰিব নোৱাৰি 'সংস্কৃতি'ৰ মাজতে দ্বন্দ্ব চলিছে আৰু 'দুস্কৃতি'ক সংস্কৃতিৰ ৰূপ দিয়াৰ বাবে এচাম পণ্ডিত বুদ্ধিজীৱীয়ে 'ইতিহাসৰ অন্ত' (End of History) আৰু 'সভ্যতাৰ সংঘাত'(Class of Civilisations) ৰ দৰে ধাৰণাৰ সৃষ্টি কৰি 'নব্য উদাৰবাদী' 'নব্য বিশ্ব ব্যৱস্থা'ক এক শ্ৰেষ্ঠ ব্যৱস্থা বুলি মানি ল'বলৈ জনতাৰ 'সন্মতি নিৰ্মাণ' (Manufacture of Consent) কৰিছে।

এনে দুঃসময়ত আজি জনতাৰ বাবে প্ৰয়োজন হৈছে জ্যোতি-বিষ্ণু-মঘাই ওজা-হেমাংগ বিশ্বাসৰ দৰে প্ৰকৃত গণশিল্পীৰ। এক গণ আন্দোলনৰ জৰিয়তে জনতাৰ সুপ্ত চেতনা জগাই তুলি 'দুষ্কৃতি'ৰ স্বৰূপ প্ৰকাশ কৰাৰ সময় আহিছে। সমাজৰ ৰূপান্তৰ অনস্বীকাৰ্য। কিন্তু সেই ৰূপান্তৰৰ বাট কাটিবলৈ 'গণ শিল্পী' আজি ক'ত? আজি অতি প্ৰাসংগিক হৈ উঠিছে জ্যোতিৰ সেই অমোঘ বাণী ঃ 'সপোন দেখি ছবি আঁকি থকা শিল্পীৰে আজি আমাৰ কাম নহয়। আজি নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে।'(আইদেউৰ জোনাকী বাট', ৰচনাৱলী, পৃঃ ৬০৩)। জ্যোতি-বিষ্ণুৰ সাংস্কৃতিক উত্তৰসূৰী ভূপেন হাজৰিকাই গণনাট্যৰ গণ সাংস্কৃতিক আন্দোলনৰ মজিয়াৰ পৰাই তাহানিতে জনোৱা আহ্বান আজিৰ শিল্পীয়ে শুনিবনে -''নামি আহা সুন্দৰৰ সেনা শিল্পী দল/এৰা সপোন ধেমালি।'' ■




প্ৰসঙ্গ গ্ৰন্থ ঃ

১) গোহাঁই, ড° হীৰেণ, (সম্পা), জ্যোতি প্ৰসাদ ৰচনাৱলী (৭ম সংখ্যা), অঃ প্ৰঃ পঃ, গুৱাহাটী, ২০০৭.

২) Lenin, V.I. Collected works, Progress Publishers, Moscow, 1962.






অধ্যাপক-অধ্যাপিকাসকলৰ শিতান —

চ'ৰাঘৰৰ মেজত

আলোচনা-৪


দেৱানন্দ ভট্টাচাৰ্য
অধ্যাপক, দৰ্শন বিভাগ


# কবিতাৰ সংজ্ঞা আৰু সাম্প্ৰতিক অসমীয়া কবিতা

'কবিতা কি?' - এই বুলি প্ৰশ্ন কৰিলে তাৰ উত্তৰ দিয়াটো কঠিন। যুগ যুগ ধৰি বিভিন্নজনে কবিতাৰ সংজ্ঞা নিজৰ ধৰণে দিবলৈ যত্ন কৰিছে যদিও এই গোটেইবোৰ সংজ্ঞাই নিৰ্দিষ্ট ক্ষেত্ৰতহে অৰ্থৱহ। এক কথাত ক'বলৈ হ'লে কবিতাৰ কোনো নিৰ্দিষ্ট সংজ্ঞা দিব নোৱাৰি। ৱৰ্ডচৱৰ্থৰ মতে কবিতা হ'ল ''শান্ত প্ৰহৰত স্মৰণ কৰা আৱেগ অনুভূতি' - আনহাতে মেথু আৰ্নল্ডৰ মতে, কবিতা জীৱনৰ সমালোচনা। এলিয়টৰ মতে, কবিতা নৈব্যক্তিক। আমাৰ অসমীয়া কবি সমালোচক সকলেও কবিতাৰ নিৰ্দিষ্ট সংজ্ঞা দিবলৈ আজিও অপাৰগ। তথাপিও ক'ব পাৰি যে কবিতা হ'ল অনুভৱৰ শাব্দিক প্ৰকাশ। শব্দৰে প্ৰকাশ কৰাৰ মাজত লুকাই থকা 'অপ্ৰকাশিত' খিনিয়েই কবিতা। এইখিনিতে এই কথা উল্লেখযোগ্য যে সাহিত্যৰ বিভিন্ন শাখাৰ ভিতৰত আটাইতকৈ সূক্ষ্মতম কলা হিচাপে কবিতাৰ মূল কথা হ'ল ৰস। পাঠকে পঢ়ি উঠি যদি ৰসস্বাদন কৰিবলৈ সমল বিচাৰি নেপায়। তেনেহ'লে তেনেধৰণৰ সৃষ্টি কবিতা হ'ব নোৱাৰে। বৰং ই হৈ পৰিব কবিতাৰ নামত এক শব্দ সমষ্টি। গদ্য আৰু কবিতাৰ পাৰ্থক্য ইয়াতেই।

কবিতাৰ ব্যঞ্জনাইহে মূল কথা। ইঙ্গিতময়তা যদি নাথাকে, ব্যঞ্জনা যদি নাথাকে তেনেবোৰ বাক্যগাঁথনি কবিতা হ'বলৈ অপাৰগ। সৰ্বসাধাৰণে দেখি নোপোৱা কিবা এটা কবিয়ে দেখা পায়। কেতিয়াবা সাধাৰণভাৱে, কেতিয়াবা ৰহস্যধৰ্মিতাৰে প্ৰকাশ কৰে। অৱশ্যে কথ্য ভাষাৰ এই ৰহস্যময়তা কবিৰ বাবে ভাষাৰ, শব্দৰ খেল নহয়।

কবিতাৰ শৰীৰ হ'ল ত্ৰি-মাত্ৰিক। বক্তব্য হ'ল ইয়াৰ প্ৰথম মাত্ৰা। আঙ্গিক, লয়, ছন্দ, ধ্বনি, অলংকাৰ আদি হ'ল দ্বিতীয় মাত্ৰা আৰু দেশ কালৰ সীমা পাৰ





হৈ যাব পৰা সাৰ্বজনীনতা বা বাণী হ'ল তৃতীয় মাত্ৰা। এই তৃতীয় মাত্ৰাটোৰ পেশী যিমান উজ্জ্বল আৰু সবল, মননশীল -পাঠকে তাৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। তৃতীয় মাত্ৰাটো আকৌ দ্বিতীয় মাত্ৰাটোৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল। এটা আনটোৰ পৰিপূৰক।

যি কি নহওক কবিতাৰ উৎস হ'ল কবিৰ জাগতিক অভিজ্ঞতা আৰু কবিৰ মনত তাৰ প্ৰতিক্ৰিয়া। কবিৰ থাকে পৰম্পৰাৰ জ্ঞান আৰু সযতন দক্ষতা। বিশিষ্ট কবি-সমালোচক নলিনীধৰ ভট্টাচাৰ্যৰ মতে, ''কবিতাত ধ্বনি আৰু লয় থাকে। সেইবাবে কবিৰ মাতে ইয়াক জীৱন্ত কৰি তোলে। এই মাতৰ অভাৱত কবিতা নিষ্প্ৰাণ। কাম আৰু চকু উভয়ৰে সহায়ত কবিতা বুজিব পাৰি। পাঠকৰ সাঙ্গীতিক শ্ৰৱণ শক্তি আৰু শব্দ চিত্ৰ চোৱাৰ দৃষ্টি শক্তি নাথাকিলে কবিতাৰ ভিতৰলৈ সোমোৱা টান। কবিতাত ভাৱৰ বৈচিত্ৰ্য থাকিবও পাৰে, কিন্তু সেইবোৰৰ যোগসূত্ৰও থাকে। সেইবোৰ অৱশ্যে গদ্যৰ লেখীয়া নহয়।''

কবিতাৰ আধাৰ হ'ল প্ৰকৰণ। ইয়াত চিন্তা অনুভূতিয়ে ৰূপ লয়। ইয়াক প্ৰসঙ্গৰ পৰা পৃথক কৰিব নোৱাৰি। আচলতে প্ৰসঙ্গ আৰু প্ৰকৰণৰ সন্মিলীত ৰূপেই কবিতা। আচলতে কবিতাৰ শৈলীক প্ৰসঙ্গ আৰু প্ৰকৰণৰ পৰা পৃথক কৰা টান। শব্দ নিৰ্বাচন কৰোঁতে তাৰ সোৱাদ উপযোগিতা আৰু প্ৰকাশ ক্ষমতা এই আটাইবোৰ কথালৈ কবিয়ে চকু ৰাখিবলগীয়া হয়। শব্দচয়ন বাক্যগাঁথনিৰ লয় আৰু শ্ৰুতিমধুৰ ধ্বনিলৈকে - সকলোতে কবি এজন সতৰ্ক আৰু সংযত হ'ব লগীয়া হয়। কবিতাত কবিৰ দৃষ্টিভংগী, শৈলী ব্যঞ্জিত হৈ আনৰ কাৰণে মৌলিক আৰু দীপ্তিময় হৈ উঠে তাতেই কবিতাৰ সৌন্দৰ্য ফুটি উঠে। আৰু সিয়েই পাঠকক আনন্দ দিয়ে কবিসকলে লোকমানসৰ পৰা। লোকজীৱনৰ পৰা কবিতাৰ উপাদান সংগ্ৰহ কৰিব লাগিব আৰু তাক ন-ৰূপত সজাই পৰাই ল'ব লাগিব। পৰাপক্ষত কবিতাৰ ব্যক্তি সৰ্বস্বতাৰ পৰা মুক্ত কৰি বাস্তৱিক কৰাৰ প্ৰয়াস কবিয়ে কৰিব লাগিব। অন্তৰ্মুখিতাৰ মাজতো বস্তুনিষ্ঠতাৰ সন্ধান উৎকৃষ্ট কবিতাৰ বাবে প্ৰয়োজনীয়। কবিতাত মানুহ, দেশ-মাটি, জীৱনৰ গোন্ধ থাকিব লাগিব। এইবোৰৰ পৰাই সমল গোটাই লৈ ইঙ্গিতময়তাৰে ব্যঞ্জনাধৰ্মী কবিতা কবিয়ে লিখিব পাৰিব লাগিব। কোনো কোনো কবিয়ে ব্যঙ্গ মিহলি আৱেগপূৰ্ণ ভাষাৰেও কবিতাৰ চৰ্চাত ব্ৰতী হৈছে। বহু সময়ত ব্যঙ্গয়ো পাঠকক আকৃষ্ট কৰে। এচাম কবিয়ে কবিতাৰ ভাষাত 'লিৰিকেল সুৰ' প্ৰয়োগ কৰি পাঠকক মোহে। এনে কবিৰ কবিতাত শব্দৰ ঘৰুৱা ঠাঁচ, লোক ভাষাৰ ঐতিহ্য বিৰাজমান।

সুদূৰ জোনাকী, ৰামধেনু যুগৰ পৰা আৰম্ভ কৰি অসমীয়া কবিতাই কবিৰ হাতত বিভিন্ন পৰ্যায় অতিক্ৰমী এই সময়ত উপস্থিত হৈছে। ৰোমাণ্টিকতাৰ পৰা কিছু পৰিমাণে মুক্ত হৈ আমাৰ সাম্প্ৰতিক অসমীয়া কবিতাই উত্তৰ আধুনিকতো পৰৱৰ্তী পৰ্যায়লৈ গতি কৰিছে। সাম্প্ৰতিক অসমীয়া কবিতাত আমি ধ্যান-ধাৰণা - বিষয়বস্তু আৰু শৈলীৰ পৰিৱৰ্তনো লক্ষ্য কৰিছোঁ। এতিয়াৰ কবিতাই নিজস্ব বৈয়াকৰণিক ৰীতিৰ পৰা ফালৰি কাটি জীৱনৰ জিজ্ঞাসা কৰা যেন অনুভৱ হয়। সাম্প্ৰতিক কবিসকলৰ একাংশই বাস্তৱিক প্ৰয়োগৰ দিশটোক এফলীয়া কৰি কাব্য চৰ্চাত নিমগ্ন হৈছে। এচামে পৰম্পৰা আৰু লোকভাষাক সমল কৰি কাব্য চৰ্চা কৰিছে। আৰু এচামে কেৱল কল্পনা শক্তি আৰু ৰোমাণ্টিক ভাৱ বিলাসৰ মাজতেই কবিতাক কৰ্ষণ কৰিছে। আকৌ কবিতা সৃষ্টি নে নিৰ্মাণ - এই সন্দৰ্ভতো কবিসকলৰ মাজত সংশয় আজিও আছে। সাম্প্ৰতিক অসমীয়া কবিতাত আমি উভয় দিশৰে গুৰুত্ব দেখি আহিছোঁ। কোনোবাই যদি কবিতাৰ সৃষ্টিত গুৰুত্ব দিছে, অন্য কোনোবাই দিছে নিৰ্মাণত। কিছুমানে আকৌ কবিতাৰ সাহটোকে উপলব্ধি কৰিবলৈ অপাৰগ হৈ কবিতাক কেৱল শব্দৰ কাৰচাজি লৈ নমাই নিছে। সাম্প্ৰতিক অসমীয়া কবিতালৈ লক্ষ্য কৰিলে দেখা যায় যে এতিয়াৰ কবিতাৰ বিষয় বস্তু সীমাহীন। সন্মুখত দেখা-নেদেখা অলেখ বস্তুক সমল কৰি কবিয়ে কবিতা ৰচনা কৰি গৈছে। এক কথাত ক'ব পাৰি যে কবিতাৰ বিষয়বস্তু এতিয়া বহুত্বৰে ভৰা। অৱশ্যে খাপ নোখোৱা বিধৰ বিষয়বস্তুৱে পাঠকক সমানেই আমোদ দিব নোৱাৰে। ছন্দৰ ক্ষেত্ৰতো মানি চলা নহয় তাৰ ফলত কোনো কোনো কবিৰ কোনো কোনো কবিতাই একেবাৰে গদ্যৰ কাষো নচপাকৈ নাথাকে। আৰু এনেবোৰ কবিতা শেষ বিচাৰত কবিতাৰ শাৰীলৈ উন্নত হোৱাৰ সম্ভাৱনা কম।



সাম্প্ৰতিক অসমীয়া কবিসকলে লোকভাষাকে কবিতাৰ বাহন কৰিবলৈ যত্ন কৰিছে। অৱশ্যে কবিসকল ভাষাৰ ব্যৱহাৰৰ সম্পৰ্কে সিমান সজাগ আৰু সচেতন নহয়। বহুসময়ত উকা বিৱৰণ আৰু শব্দৰ বাহুল্যৰে কবিতা নিৰ্মাণ কৰি তেওঁলোক সন্তুষ্ট থকা দেখা যায়। বিভিন্ন পক্ষৰ সুবাদত আহি পৰা জনপ্ৰিয়তাই তেওঁলোকক অযথা অহংকাৰী কৰি তোলে। কবিক অহংকাৰ লাগে সঁচা, কিন্তু ই আত্ম ক্ষতিকৰ পৰ্যায়ৰ হ'ব নালাগে। নিজৰ সৃষ্টিৰ প্ৰতি কবিৰ কেতিয়াবা দ্বিধা আৰু সংশয়ো প্ৰয়োজনীয়। আমাৰ কবিসকলৰ মাজত আৰু এটা প্ৰৱণতা লক্ষ্য কৰা যায়। সেইটো হ'ল জ্ঞাতে-অজ্ঞাতে জনপ্ৰিয় জ্যেষ্ঠ কবিৰ কবিতাৰ অনুকৰণ। অনুকৰণে এজন মৌলিকতাৰ বাটত হেঙাৰ হৈ থিয় দিব পাৰে। সাম্প্ৰতিক অসমীয়া কবিসকলে এনে মানসিকতা বৰ্জন কৰাতো ভাল আৰু কবিতাৰ বাবেই গুৰুত্বপূৰ্ণ।

সাম্প্ৰতিক সময়ছোৱাত অসমীয়া ভাষাত কাব্য-চৰ্চা কৰা কবিৰ সংখ্যা বাঢ়িছে, কিন্তু সেই অনুপাতে মানবিশিষ্ট কবিতাৰ সংখ্যা বাঢ়িছে বুলি একে আষাৰে ক'ব নোৱাৰি। কোনোবাই গুৰুত্ব দিয়ে প্ৰতীকৰ ব্যৱহাৰত, কোনোবাই চিত্ৰশিল্পত, কোনোবাই বক্তব্যত, কোনোবাই বিৱৰণত। কিন্তু ব্যঞ্জনাময় ভাষা এটাৰ অবিহনে কবিতা এটা সাৰ্থক নহ'বও পাৰে।

এই আলোচনাৰ আৰম্ভণিতে কোৱা হৈছে যে আচলতে কবিতাৰ ভাষাই এটা মৃদু ৰহস্যৰ পোছাক পিন্ধি থাকিব লাগে। এই কথাই এইটো নুবুজায় যে কবিতা জটিল বা দুৰ্বোধ্য। এই ৰহস্যৰ পোছাক কিদৰে, কিমান পৰ্যায়ত পিন্ধিব লাগিব - সেই কথা কবিয়ে নিজেই জানিব লাগিব। পাঠকসকলে কবিতাৰ নামত বিৱৰণী আৰু বিবৃতি নিবিচাৰে - কিয়নো ইয়াৰ নান্দনিক মূল্য নাই। কবিতাত অনুভূতিময় ভাষা, বৈচিত্ৰ্য, লয়ৰ প্ৰয়োজন। সাম্প্ৰতিক কবিসকলে এই কথা ভালকৈ অনুধাৱন কৰা উচিত।

আজিকালি প্ৰায়েই এনে অভিযোগ শুনা যায় যে সাম্প্ৰতিক অসমীয়া কবিতা ভাৱ আৰু প্ৰকাশত দুৰ্বোধ্য যে সাধাৰণ পাঠকে বুজি নাপায় আৰু সাধাৰণ পাঠক আৰু কবিৰ মাজত এখন দুৰ্ভেদ্য প্ৰাচীৰ গঢ় লৈছে। কবিতা কেৱল এচাম কবি আৰু সমালোচকৰ মাজতে আবদ্ধ হৈ পৰিছে - সাধাৰণ পাঠক ইয়াৰ ৰসাস্বাদনৰ পৰা বঞ্চিত। এই অভিযোগ নোহোৱা কৰাৰ দায়িত্ব মূলতঃ কবিসকলৰেই। অৱশ্যে পাঠকসকলো কিছু দায়িত্বশীল হ'ব লাগিব। নহ'লে সাম্প্ৰতিক অসমীয়া কবিতাই উচিত মৰ্যাদা পোৱাত বাধাৰ সৃষ্টি হ'ব। ■


প্ৰসঙ্গ পুথি ঃ

১) *নিৰ্বাচিত অসমীয়া কবিতা - ১৯৪০-১৯৯৪/পাতনি সম্পাদনা - উদয় কুমাৰ শৰ্মা*

২) *কবিতাৰ কথা - নলিনীধৰ ভট্টাচাৰ্য*

৩) *কবিতাৰ সবিশেষ - ইমদাদ উল্লাহ।*


## বিশেষ —

''আইৰণ লেডি'' খ্যাত অসমৰ এগৰাকী মহিলা আই.পি.এচ. বিষয়া ''সংযুক্তা পৰাশৰ''। উগ্ৰপন্থী দমনৰ নামত হাতত মাৰানাস্ত্ৰ লৈ ঘন অৰণ্যলৈ যাবলৈকো ভয় নকৰা সৎ-সাহসী অসমীয়া।



অধ্যাপক-অধ্যাপিকাসকলৰ শিতান —

## চ'ৰাঘৰৰ মেজত

প্ৰাঞ্জল চাংকাকতি
অধ্যাপক, দৰ্শন বিভাগ

আলোচনা-৫

# মানসিক অশান্তিবোধ

আজিৰ বাস্তৱিক জগতখনে মানুহৰ পৰা কাঢ়ি নিয়া এটি বিষয় হ'ল সুখ বা সন্তুষ্টি। মানুহৰ জীৱন পৰিক্ৰমা যিমানেই জটিল হ'বলৈ ধৰিছে, যিমানেই বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতি হৈছে, যিমানেই বিকাশৰ পথত আগবাঢ়ি যাবলৈ খোজ মেলিছে সিমানেই মানুহৰ ক্ৰমাত অসন্তুষ্টি বাঢ়ি যোৱা দেখা যায়। কাৰোবাক যদি সোধা যায় যে কিয় গম্ভীৰ হৈ আছে বা কিবা হৈছে নেকি? সততেই উত্তৰ আহে যে 'মনটো ভাল লগা নাই।' এই মনটো ভাল নলগা কথাটো আজিকালি মানুহৰ বাস্তৱিক জীৱনত ছাঁৰ দৰে হৈ পৰিছে। মনোবিজ্ঞানীসকলে এই কথা স্পষ্টভাৱে প্ৰকাশ কৰিছে যে





এজন মনৰ দুৰ্বলতা থকা সু-স্বাস্থ্যৱান লোকে যিমানখিনি কাম কৰিব নোৱাৰে মানসিক জোৰ-বল থকা অথচ শাৰীৰিকভাৱে দুৰ্বল হোৱা এজন ব্যক্তিয়ে তাৰ দুগুণ কাম কৰিব পাৰে। সেয়ে মানসিক স্থিৰতা বা সবল মানসিকতা অত্যন্ত প্ৰয়োজনীয়। অৱশ্যে মানসিক স্থিৰতা কেৱল যে নিজৰ সুখ-সন্তুষ্টিৰ বাবেইহে যে প্ৰয়োজন এনে নহয়, এক সুস্থ স্থিৰ মানসিক চিন্তাই শুদ্ধ বিবেচনাৰে অগ্ৰসৰ হৈ এক নৱসমাজ গঢ়িব পাৰে য'ত সকলোৱে শান্তি বিচাৰি পাব, য'ত সকলোৱে সুখ আৰু সন্তুষ্টিৰে জীৱন কটাব পাৰিব আৰু এয়া যদি লক্ষ্য হয় বেয়া লাগি থকা মনটোক বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰয়োজন, এইবুলি যে মোৰ মনত দুখ লগা ভাৱনাটো কিমান যুক্তিযুক্ত বা মোৰ মনত বাহ লোৱা দু-চিন্তাবোৰ কিমান গ্ৰহণযোগ্য বা মই কিদৰে এইবোৰ চিন্তাক গ্ৰহণ কৰিম।

মানসিক অসন্তোষ্টিৰ কথা ক'বলৈ যাওঁতে বাস্তৱিক সমাজখনক পৰ্যৱেক্ষণ কৰি ক'ব পাৰি যে বহু সময়ত মানুহে নিজৰ আত্মবিশ্লেষণৰ অভাৱৰ বাবেই নিজকে অসুখী অনুভৱ কৰে। সাধাৰণতে এজন মানুহৰ যি মানসিকতা, যি আশা বা কামনা বা ইচ্ছা বাস্তৱিক পৰিস্থিতিবোৰ তাৰ বিৰোধী হ'লেই মানুহৰ মনলৈ অশান্তিবোধ আহে। বহুক্ষেত্ৰত কোৱা হয় যে মনৰ সুখ-শান্তি বাহ্যিক পৃথিৱীখনে দিব নোৱাৰে, কাৰণ বাহ্যিক পৰিস্থিতি বা সময় কেতিয়াও কাৰোবাৰ মনৰ অধীন নহয়। সেয়ে মানুহে নিজৰ চিন্তাৰেহে এই সুখ-শান্তি পাব পাৰে আৰু সেয়াই যদি সত্য হয় তেন্তে প্ৰতিজন ব্যক্তিৰ স্বকীয় চিন্তাৰ আত্মবিশ্লেষণ থকাটো প্ৰয়োজন; কিয়নো ইয়াৰদ্বাৰাহে বাহ্যিক পৰিস্থিতি বা পৰিৱেশৰ লগত নিজক বিচাৰ কৰি শুদ্ধতা বিচাৰি উলিয়াব পাৰিব।

মানুহৰ মনটো ইমানেই সূক্ষ্ম অনুভূতিৰ গৰাকী যে কি কথাত কেতিয়া মনটো দুঃখিত হৈ পৰে, তাক সততে বহুক্ষেত্ৰত তত ধৰিবই নোৱাৰি। কেতিয়াবা কাৰোবাৰ মন্তব্য, কেতিয়াবা অবাস্তৱ ঘটনা, অনাকাংক্ষিত কৰ্মৰ ফল, আকাংক্ষাত ব্যাঘাত, দুঃখদায়ক দৃশ্য, প্ৰিয়জনৰ বিয়োগ বা বিচ্ছেদ — ইত্যাদি ইত্যাদি বিভিন্ন কাৰণ হ'ব পাৰে। এই কাৰণবোৰ কেতিয়াও নোহোৱা কৰা সম্ভৱ নহয়। এই ঘটনাবোৰ বা বিষয়বোৰ সদায়েই থাকিব। সেয়ে এই ক্ষেত্ৰত বাস্তৱ পৃথিৱীখনৰ কঠোৰ সত্যবোৰক উপলব্ধি কৰি নিজৰ মানসিকতাকহে স্থিৰ আৰু সবল কৰা প্ৰয়োজন। মানুহৰ নিজস্ব সন্তুষ্টিৰ ক্ষেত্ৰত এটা কথা স্বীকাৰ কৰিব লাগিব যে কোনো এজন ব্যক্তি সঁচা অৰ্থত স্থিৰ মানসিকতাৰে এক সন্তুষ্টিপূৰ্ণ জীৱন কটাবলৈ হ'লে সেই ব্যক্তিজনে নিজৰ স্বকীয়তাক উপলব্ধি কৰা প্ৰয়োজন। এই স্বকীয় উপলব্ধি হ'ল যে 'মই আৰু মোৰ বাহিৰৰ পৃথিৱীখন বেলেগ।' আমি প্ৰতিজন ব্যক্তিয়েই এই পৃথিৱীখনৰ সৈতে মিলি আগবাঢ়িব লাগিব আৰু এই পৃথিৱীখন বস্তুবোৰৰ মাজতে, পৰিৱেশ পৰিস্থিতিৰ মাজতে আমি জীয়াই থাকোঁ। সেয়ে পৃথিৱীখনৰ বাবেও প্ৰতিজনৰ কৰণীয় কৰ্তব্য আছে আৰু সাধ্য অনুসৰি আমি ইয়াৰ পালন কৰা উচিত। এই কৰণীয় কৰ্তব্যকহে আধ্যাত্মিক বিচাৰত মানুহৰ ধৰ্ম আখ্যা দিয়া হৈছে।

আজিৰ এই বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাৰ একবিংশ শতিকাতো মানুহে শান্তিৰ সম্বল বিচাৰি হাবাথুৰি খায়। মঠ-মন্দিৰত প্ৰাৰ্থনা কৰে, গীতা, বাইবেল, কোৰাণ কিম্বা ধৰ্মীয় তত্ত্বক সাৰোগত কৰি জীৱনপথত আগুৱাই যাব বিচাৰে কিয়? আশ্চৰ্যকৰ কথা বুলি ক'লেও বহলাই কোৱা নহ'ব যে বৰ্তমান যুগত বিজ্ঞানে একোৰে অভাৱ ৰখা নাই। জ্ঞান আহৰণৰ বাবেও কোনো ধৰণৰ পুথিৰ অভাৱ নাই। তথাপিও মানুহৰ মানসিক অস্থিৰতা সততে দেখা যায়। এই মানসিক অস্থিৰতাই মানুহক সদায় কৰ্তব্যত বাধা দিয়ে আৰু ফলত শুদ্ধ চিন্তাৰ পৰা বঞ্চিত হয়।

অৱশ্যে এইক্ষেত্ৰত এটা প্ৰশ্ন উত্থাপিত হ'ব পাৰে যে যদি আমাৰ বাস্তৱ অবাঞ্ছিত পৰিস্থিতিক নোহোৱা কৰিব নোৱাৰে তেন্তে তাৰপৰা কি আশা কৰিব পাৰোঁ? তাৰপৰা আমি কি পাম? এইক্ষেত্ৰত মানুহৰ সদৰ্থক চিন্তাধাৰাক গ্ৰহণ কৰিব লাগিব। প্ৰকৃততে বাস্তৱিক প্ৰতিটো ঘটনাই একো একোটা পৰিস্থিতি য'ৰপৰা আমি জীৱনৰ জ্ঞান পাব পাৰোঁ। ই হ'ল এক সদৰ্থক মনোবৃত্তি আৰু এই সদৰ্থক মনোবৃত্তি জীৱনৰ জ্ঞানৰ এক ঘাইসুঁতি। সেয়ে বুদ্ধদেৱে জীৱনৰ দুঃখ-যাতনা দেখি দুঃখত ভাগি নপৰি তাৰ সত্যতাৰ সন্ধান কৰি জীৱনৰ প্ৰকৃত সত্য জ্ঞান লাভ কৰিছিল — ই সদৰ্থক মনোবৃত্তি আৰু উচ্চ চিন্তাৰ এক জ্বলন্ত উদাহৰণ। কোনো এটা ভাল বিষয়কো যদি হেয় বা নঞাৰ্থক দৃষ্টিভঙ্গীৰে চিন্তা কৰা হয় তেন্তে সেই ভাল বিষয়টোও বেয়া হোৱাটোৱেই নিশ্চিত। চিন্তাই সকলো। চিন্তাই মানুহক সুখ দিয়ে, চিন্তাই দুখ দিয়ে, চিন্তাই সোণৰ পৃথিৱী গঢ়িব পাৰে আৰু চিন্তাই সোণৰ পৃথিৱী গঢ়ি ছাইও কৰিব পাৰে। গতিকে কোনো বিষয়, ঘটনা, মন্তব্য বা পৰিস্থিতি আমি কেনেদৰে গ্ৰহণ কৰিব পাৰোঁ তাৰ ওপৰতহে মনৰ অৱস্থা (ভাল লগা বা বেয়া লগা) নিৰ্ভৰ কৰে। সেয়ে সদৰ্থক দৃষ্টিভঙ্গী গ্ৰহণ কৰিবলৈ সক্ষম হ'লেই মানুহে বহু সময়ত মানসিক অশান্তিবোধৰ পৰা হাত সাৰিব পাৰিব। ■

**অমৰ বাণী :**

- এজন প্ৰকৃত জ্ঞানীয়ে সুবিধা লোৱাতকৈ সুবিধা সৃষ্টিহে কৰে।
- মানৱ মনীষাৰ শ্ৰেষ্ঠ নিদৰ্শন হ'ব সাহিত্য।
- পঢ়াশলীয়া শিক্ষাৰ অন্ততহে বহল অৰ্থত শিক্ষাৰ আৰম্ভণি হয়।
- তুমি জনাতকৈ কম কথা ক'বা।
- অসৎ লোকৰ লগত ফুৰাতকৈ অকলে ফুৰাই ভাল।
- জীৱন দুটা শব্দৰ সমষ্টি। অতীতটো সপোন, ভৱিষ্যতটো আশা।
- এজন লেখক ইমান সবল হোৱা উচিত যাতে তেওঁৰ কোনো দোষ নাথাকে।

# The Republic Day Parade Camp 2015

## Held at Jawaharlal Nehru Stadium, New Delhi-003
## From 1st January to 31st January 2015
## *(A brief report)*

**Surjya Chutia**
Programme Officer
NSS unit, Tinsukia College &
Contingent Leader of the NE States

The Republic Day Parade Camp (RDPC) 2015 was held from 1st January to 31st January 2015 at Jawaharlal Nehru Stadium, New Delhi under the Ministry of Youth Affairs and Sports, Govt. of India. A total of 198 (100 male+98 female) selected volunteers from all the states and union Territories (29 States and 07 Union Territories) of India participated the camp successfully. Mr J.B.Singh was



the camp director and Mr. S.P Bhatanagar youth officer, NSS regional centre Rajasthan, was the camp coordinator. 15 officials and 15 Contingent's Leaders (programme officers) from different regional centres of the country were deputed to organize the camp successfully. All the programme officers had been given certain responsibilities to make the one month camp a grand success.

The officials were – Mr. J. B.Singh, the Deputy Programmme adviser, P. A. NSS Cell (Camp director), Mr. S.P. Bhatnagar, (Camp coordinator) youth officer, NSS regional centre, Jaipur, Mr. C. Samuel Chelliah, youth officer, NSS regional centre, Thiruvananthapuram, D. Carthigueane, youth officer, NSS regional centre, Benglore, Giridhat Upadhayaya, youth officer, NSS regional centre, Bhupal, R. Saida Naik, youth Asstt. Grade-1, NSS regional centre, Hydarabad, Ayodhya Prasad, youth Asstt. , NSS regional centre, Lucknow, Y. M. Uppim, youth Asstt. Grade-1, NSS regional centre, Benglore, Binoy Kumar, youth Asstt. Grade-1, NSS regional centre, Patna, Komal Singh, youth Asstt. Grade-1, NSS regional centre, Jaipur, Smt. Sunita, youth Asstt. Grade-1 , NSS regional centre, Chandigarh, Satish Toppo, UDC, NSS PA cell, New Delhi, Gajendra Rathore, Diver, NSS regional centre, Bhupal, Chand Kishore, PA NSS cell, New delhi, Ashok Soni, Peon, NSS regional centre, Bhupal.

The contingent's leaders were – Dr.Jyotiraj, from Delhi, Dr. Mamtha Narayan, from Benglore region, Smt. Mahendra Kaur, from Chandigarh region, Dr. Shajahan from Thiruvananthapuram region, Dr. Sanjoy Jain from Lucknow region. Dr. Bijoy Gupta from Jaipur region, Dr. Kulkarni Savitha Sunil from Pune, Sh.

Sailendra Kumar from Patna region, Sh. Birari Amit bhai from Ahmedabad region, Dr. Sushant Kumar Patnik from Odisha region, Dr. Pragati Swren, Selvaraj from Chennai region, Sh. Jogen Moktan From Culcutta region, Dr. Saujanya Santosh fron Hydarabad, Sh. Sunil Kumar Shivare, from Bhupal region, Sh. Surjya Chutia, North East Region.

All the 29 States and 7 Union Territories of India are divided into 5 zones namely – West Zone, South Zone, Central Zone, North Zone and East Zone. **West Zone** comprising of Maharashtra, Gua, Daman Due, Gujarat, Andhra Pradesh and Telengona. The **South Zone** consists of Kerala, Karnataka, Tamilnadu, Pondicherry, Lakshadweep and Andaman Nikubar Island. The **Central Zone** consists of Madhya Pradesh Chhattisgarh, Bihar, Jharkhand, Uttar Pradesh and Uttaranchal. The **North zone** consists of Rajasthan, Panjab, Hariana, Delhi, Chandigarh, Himachal Pradesh, and Jammu & Kashmir. The **East Zone** consists of Assam, Arunachal Pradesh, Manipur, Meghalaya, Mizoram, Tripura, Nagaland, Odisha, Sikkim and West Bengal.

Under the leadership of Sri Surjya Chutia, the contingent leader of the north east region as well as the Programme Officer, NSS unit, Tinsukia College, Tinsukia, Assam, 15 selected volunteers





from the seven states of the region participated the Republic Day Parade Camp 2015. The volunteers and the contingent leader were selected from the Pre- Republic Day Camp held at the Kalinga Stadium, Bhubaneswar in the month of October 2014. The name of the selected volunteers were - Krishna Borah, Madhabdev college, Lakhimpur, Assam, Monika Thapa, Tinsukia College, Tinsukia, Assam, Kailash Karmakar, Agricultural University, Jorhat, Assam, H. Allyang Chakma, Dimoria College, Kamrup, Assam, Nabam Yania, Arunachal Pradesh , Khiapgi Agi, Arunachal Pradesh, Yumnam Dhanashree, Monipur, Kansam Puinachandra, Monipur, Ishani D. Sangma, Meghalaya, Snedar N. Marak, Meghalaya, K. Vanlalnghahpuii, Mizoram, M.S. Zuala Ngente, Mizoram, Sarbanu Bibi, Tripura, Gourav Kanti Saha, Tripura and Kughavi, Nagaland. The north east region team arrived at Jawaharlal Nehru Stadium at 1-30 am on 1st January 2015.

By 2nd January, all the participants from different states had arrived in the Venue.While the registration work was done in the morning session and the rest of the programmes were followed as per the schedule provided by the camp organizing committee.

The Republic Day Parade camp 2015 was inaugurated by the chief guest Mr. Rajeev Gupta (senior IAS), secretary, the ministry of Youth

Affairs & Sports, Govt. of India, New Delhi, along with the joint secretary Mr. Lalit kumar Gupta (IAS). Dr. Girish Tuteja, Programme Adviser, NSS, New Delhi graced the occasion as the guest of honour in presence of the Camp Director Mr. J B Singh along with his team members, contingent leaders, programme officers and the volunteers from different parts of the country.

The day long programme witnessed Prabhat Pheri & morning prayer at 6.00 am followed by thoughts of the day, attendance, yoga, breakfast, parade practice for 3 hours, tea break, again parade, Lunch, volunteers' personal time. Then from 2.30 pm to 4.00 pm, we had "Academic Sessions" which were addressed by many renowned & eminent personnel from different fields every day on different topics like adolescence, time management, personality development, importance of yoga, drug addiction, social responsibilities, clean & green India etc. Volunteers were energized and deeply imbibed with their thoughts and speech in this session. There was also the competition among the five zones on extempore, skit on women empowerment, environment protection, drugs and alcoholism, communal harmony and national integration, youth for clean and green India etc. in the days, where there were no academic sessions.

Every evening we had a jubilant time with colorful cultural programmes of a particular zone.

On 13th January, we also had a time to visit some historical places in Delhi like Humayan Tomb, Raj Ghat, Lotus Temple and Qutub Minar initiated by the camp itself.

On 14th January, we also observed and celebrated the famous festivals called ' Maker Sankranti' and south Indian festival called ' Pongal' with delicious food prepared by the south zone volunteers.

There were many lucky volunteers among us whose birth days fall in the month of January, celebrated on the national stage in presence of the volunteers, contingent leaders and other officials as we called it 'Mini India'.

On the part of Medical, we had a very good facility provided by the camp, taking the seeks persons to the nearby hospitals like AIMS, Gangaram hospital etc. Moreover there was a medical team present in the camp side regularly.

During our stay in the camp, we had been provided a very sophisticated and well furnished accommodation with delicious food at the international Sports' hostel, inside the Jawaharlal Nehru Stadium.

To buildup confidence and accuracy, the volunteers were taken to Raj Path on 12th, 17th, 18th 20th & 21st January from 5.30 am to 11.30 am. As it was full dressed rehearsal days, we all went to the Raj Path on 23rd January with full uniform provided by the camp organizer. It was a brilliant performance by NSS volunteers there. On 24th and 25th January. we had our usual routine.

On 26th January, volunteers performed the parade gracefully. In the evening Shri Sarbananda Sonowal, the Minister of Youth Affairs and Sports, Govt. of India along with the secretary & joint secretary of the Ministry visited the camp at the Sports' hostel.

On 27th we visited the Rastrapati Bhawan, had a photo session with the Hon'ble President Mr. Pranab Mukherjee. We also performed a cultural programme there at. 11.30 am. After this we visited Tin Murthy Bhavan to meet our Hon'ble P.M. Mr.Narendra Modi . Hon'ble P.M. interacted with our team and also sat with every group for photo session. We were provided tea and snacks there.

On 28th we visited historical places like, Taj Mahal, one of the Seventh Wonders of the World and the Agra Fort as well.

29th January was a very exciting and busy day for everyone, as we had been given free time for shopping in some of the important shopping





complex like Sorojani market, Palika Bazar, Coral Bag, South Ex. etc.

We also got an opportunity to visit Vice-President house on 30th Jan. There was also an interaction session with hon'ble Vice President.

After completing almost one month long camp, on 30th Jan. evening we had our valedictory function, attended by Mr. Rajeev Gupta, secretary youth affairs govt. of India , as the chief guest.

Usually camp life ends with strong bonding and the memories are longstanding and heartening. Yes, meeting and departing, arrival and departure is always there in our life. So today on 31st January, we could see many happy faces as we are going back to home to meet our dear ones. But, at the same time most of us with heavy hearts, gloomy faces and tearful eyes had to say good bye to one another keeping hope of meeting again in days to come. Last but not the least, we cannot forget to all the members, organizers, volunteers who extended their help even after remaining behind the scene to make this RD parade camp 2015 a GRAND SUCCESS. We thank you all. ■

## বিশেষ —

**ষ্টিফেন হকিং এক বিৰল বিস্ময় ঃ**



অদম্য কৰ্মশক্তিৰ বিৰল উদাহৰণ এই মানুহজন। প্ৰতিভাৰ শিখৰত উপস্থিত হ'বলৈ যে শাৰীৰিক ক্ষেত্ৰত দুৰ্বল হ'লেও বৌদ্ধিক শক্তিৰ জৰিয়তে আগবাঢ়িব পাৰি তাৰেই চূড়ান্ত নিদৰ্শন মানুহজন। এখন হুইল চেয়াৰত পংগু অৱশ শৰীৰটো জাপি দি তেওঁ অসম্ভৱক সম্ভৱ কৰি তুলিছে। তেওঁক কোৱা হয় জীৱন্ত আইনষ্টাইন। তেওঁৰ শৰীৰটো ইমানেই অৱশ যে কোনো এটা অংশ তেওঁ ইচ্ছা মতে লৰচৰ কৰিব নোৱাৰে। বাকযন্ত্ৰ বিকল অৱস্থাৰেই তেওঁ বহু বিখ্যাত ভাষণ দিছে। সুদীৰ্ঘদিন ধৰি মটৰ নিউৰন (Motor neuron disease) ৰোগত আক্ৰান্ত এই মানুহজনে ডাক্তৰে বান্ধি দিয়া জীৱন কালৰ চৰম সীমা কেইবাবাৰো অতিক্ৰম কৰিছে। চিকিৎসা বিজ্ঞানৰ সকলো সূত্ৰ যেন তেওঁৰ ক্ষেত্ৰত অসাৰ। ক্ষীণকায় এই মানুহজনৰ নাম ষ্টিফেন হকিং। ১৯৪২ চনৰ ৮ জানুৱাৰীত অক্সফোৰ্ডত জন্ম হৈছিল। পিতৃ ড° ফ্ৰেংক হকিং আৰু মাতৃ ইছাবেল হকিং। হকিং হৈছে এজন সিদ্ধান্তগত পদাৰ্থবিদ আৰু অন্তৰীক্ষ বিজ্ঞানী। তেওঁৰ বৈজ্ঞানিক তথ্য সমৃদ্ধ গ্ৰন্থ সমূহে তেওঁক জীৱন্ত কালতেই এক অনন্য কিংবদন্তীত পৰিণত কৰিছে। তেওঁৰ 'ৰয়েল ছ'ছাইটি অফ আৰ্টছ'ৰ সন্মানীয় ফেল', 'পন্টিফিকেল একাডেমী'ৰ আজীৱন সদস্য। তদুপৰি তেওঁক ২০০৯ চনত আমেৰিকাত যুক্তৰাষ্ট্ৰ সৰ্বোচ্চ অসামৰিক সন্মান 'প্ৰেচিডেন্সিয়েল মেডেল অব ফ্ৰিডম' সন্মানেৰে ভূষিত কৰা হৈছে। ষ্টিফেন হকিঙৰ হুইল চেয়াৰখনো এটা বিজ্ঞানাগাৰ। তাত দিনটোৰ ১২ ঘণ্টাই বেটাৰীৰে সংযোজিত হৈ থাকে। চেয়াৰখনৰ সন্মুখত এটা অত্যাধুনিক কম্পিউটাৰ স্থাপন কৰা আছে য'ত তেওঁ সামান্য লৰচৰ কৰিব পৰা আঙুলিৰে প্ৰতি মিনিটত ১২ টা শব্দ টাইপ কৰিব পাৰে। কম্পিউটাৰটোত সংলগ্ন 'কম্পিউটাৰাইজদ ভইছ চিনথেছাইজাৰ' প্ৰযুক্তিৰে তেওঁ ভাষণো প্ৰদান কৰে।

## চ'ৰাঘৰৰ মেজত

# চিত্ৰকলা আৰু ভাস্কৰ্যত অসম

কলা-সংস্কৃতি

ভূপেন সন্দিকৈ
স্নাতক পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

হিন্দুসকলৰ মহাকাব্য মহাভৰতত প্ৰাচীন শোণিতপুৰৰ দানৱ বংশী ৰজা বানৰ জীয়াৰী ঊষা আৰু দ্বাৰকাৰ যদুকুলৰ শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ কুমাৰৰ প্ৰেম কাহিনী আমি পঢ়িবলৈ পাওঁ। এই প্ৰসংগত ঊষাই নিশা সপোনত অনিৰুদ্ধ দিব্যকুমাৰক দেখা পালে আৰু সখী চিত্ৰলেখাক সপোনৰ সকলো কথা বিৱৰি ক'লে। চিত্ৰলেখায়ো কল্পনাৰে ত্ৰিজগতৰ যক্ষ, ৰক্ষ, গন্ধৰ্ব দেৱতা, কিন্নৰ আৰু যদুবংশৰ সকলোকে আঁকি ঊষা সখীক দেখুৱালে। ইয়াৰ মাজত ঊষাই সপোনৰ দিব্যকুমাৰ অনিৰুদ্ধক দেখা পালে আৰু চিত্ৰসখীৰ সহায়ত তেওঁক লাভ কৰিলে। গতিকে ইয়াৰপৰাই ভালকৈ জানিব পাৰি যে সেই সময়ত সমগ্ৰ প্ৰাচীন কামৰূপতো চিত্ৰবিদ্যাৰ চৰ্চা আৰু প্ৰচলন আছিল।









চিত্ৰ-কলাৰ ক্ৰমবিকাশৰ লগে লগে অসমৰ চিত্ৰকলাতো আধ্যাত্মিক আৰু দাৰ্শনিক ভাৱ পৰিস্ফুট হোৱা দেখা যায়। কাৰণ প্ৰাচীন কামৰূপত দৰ্শনৰ চৰ্চা বহুলৰূপে হৈছিল। গতিকে ইয়াৰ চাপ কামৰূপী চিত্ৰকলাত পৰাটো একো স্বাভাৱিক নহয়। সপ্তম শতিকাৰ কবিগুৰু বানভট্টই ৰচিত হৰ্ষচৰিত যমপুৰীৰ চিত্ৰ আৰু উজ্জয়িনীৰ দেৱালচিত্ৰৰ বিষয়ে উল্লেখ আছে। সেই সময়ত কামৰূপৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰৰ ৰজা আছিল কুমাৰ ভাস্কৰ বৰ্মা। এওঁ থানেশ্বৰৰ ৰজা হৰ্ষবৰ্ধন শিলাদিত্যৰে সৈতে মিত্ৰতা পাতি পঠিওৱা লগতে কামৰূপী সংস্কৃতিৰ এখনি ৰঙীন চিত্ৰও দিয়াৰ কথা আমি পুথিত পাওঁ। ইয়াৰ বাহিৰেও ৰজা ভাস্কৰ বৰ্মাৰ ৰাজ্যৰ নিধানপুৰ আৰু অন্যান্য ঠাইত থকা তামৰ ফলিত ৰাজপ্ৰাসাদৰ বিতোপন দেৱাল-চিত্ৰৰ বিষয়ে উল্লেখ আছে। আনকি সেই সময়ত মুগা কাপোৰ আৰু তুলাপাততো ধৰ্ম সম্বন্ধীয় চিত্ৰ অঁকাৰ প্ৰচলন আছিল। কিন্তু কালৰ সোঁতত পুৰণি কামৰূপৰ চিত্ৰকলাৰ নিদৰ্শনবোৰ জাহ গ'ল। পুৰণি নিদৰ্শন আজি প্ৰায় নাইকিয়াই হ'ল।

বিশ্বৰ অৱতাৰী মহাপুৰুষসকলৰ ভিতৰত অসমৰ শ্ৰীমন্ত শংকৰদেৱ অন্যতম। এওঁ এজনা উচ্চ পৰ্যায়ৰ সুদক্ষ কলাকাৰ আছিল। তেখেতে মাধৱদেৱৰ সৈতে লগ লাগি চিহ্নযাত্ৰাৰ উদ্দেশ্যে সাত বৈকুণ্ঠৰ পট আঁকি অংকীয়া ভাওনাৰ জৰিয়তে জনসাধাৰণৰ মন ভগৱান্মুখী কৰিলে। মহাপুৰুষ শংকৰদেৱে কোঁচৰজা নৰনাৰায়ণক উপহাৰ দিয়া শ্ৰীকৃষ্ণ জীৱন চৰিত সন্নিৱিষ্ট ১৮০ ফুট দীঘল বৃন্দাৱনী বস্ত্ৰখনিয়ে বৈষ্ণৱ কলাৰ চৰম নিদৰ্শন দাঙি ধৰে।

শ্ৰীমন্ত শংকৰদেৱে অনেক শাস্ত্ৰ প্ৰণয়ন কৰে। তাৰ ভিতৰত পুৰণি সাঁচিপাতত লিখা কীৰ্তন-ঘোষা, সচিত্ৰ আদ্য দশম স্কন্ধ ভাগৱত বিশেষ ৰূপে উল্লেখযোগ্য। তুলসীদাসৰ ৰামচৰিত, গুজৰাটী বসন্ত বিলাস, জয়দেৱৰ গীত-গোবিন্দ আদি পুথি চিত্ৰৰ দৰে প্ৰাচীন কামৰূপৰ বৈষ্ণৱ যুগতো পুথি-চিত্ৰৰ প্ৰচলন হৈছিল। দক্ষিণ ভাৰতৰ তালপাত, উত্তৰ ভাৰতৰ ভূৰ্জপত্ৰৰ নিচিনাকৈ প্ৰাচীন কামৰূপতো সাঁচিপাতত চিত্ৰ অংকিত কৰা হৈছিল। পৰৱৰ্তী যুগত মুগাকাপোৰ আৰু তুলাপাতো চিত্ৰ অকাৰ মাধ্যম হিচাপে বাছি লোৱা হৈছিল।

নানা প্ৰাকৃতিক দুৰ্যোগ আৰু গৰাকীসকলৰ অৱহেলাৰ কাৰণেই এনেবোৰ সচিত্ৰ পুথি লাহে লাহে লোপ পালে। পুথি পাঁজিবোৰৰ গৰাকীহঁতে চৰকাৰে লৈ যাব বুলি ভাবি কোনো শুংসূত্ৰকেই আনক জানিবলৈ নিদিয়া হ'ল। কিছুমানে বিদেশী লোকৰ পৰা ধন লৈ বিক্ৰী কৰিলে। ইত্যাদি কাৰণত অসমৰ প্ৰাচীন পুথি-চিত্ৰ পাবলৈ নাইকিয়া হ'ল। মাথোন আজিলৈকে কেইখনমান মুষ্টিমেয় পুথিৰ উদ্ধাৰ কৰাৰ সংবাদ পোৱা যায়। এইবোৰৰ ভিতৰত আদ্য দশম স্কন্ধ ভাগৱত, ভক্তি ৰত্নাৱলী, একাদশ স্কন্ধ শ্ৰীমদ্ভাগৱত, কীৰ্তন-ঘোষা, মহাভাৰত, ৰামায়ণ, অজামিল উপাখ্যান, কুমৰহৰণ, নামঘোষা, ধৰ্মপুৰাণ, দৰঙী ৰজাৰ বংশাৱলী, হস্তীবিদ্যাৰ্ণৱ, আহোম-জ্যোতিষ, গীত-গোবিন্দ, শংখচূড়বধ, কল্কীপুৰাণ, বনমালীদেৱৰ ৰচিত আনন্দলহৰী, মহস্ম্য চৰিত, সমুদ্ৰ মন্থন ইত্যাদিয়েই প্ৰাচীন কামৰূপীয় চিত্ৰৰ উৎকৃষ্ট নিদৰ্শন। এই সচিত্ৰ পুথিসমূহৰ ভিতৰত তাহানিৰ শিল্পীসকলে মুগা কাপোৰত অংকিত কৰা আহোম জ্যোতিষ আৰু নামঘোষা। ইয়াৰ বাহিৰেও বাকীখিনি পুথি সাঁচিপাতৰ।

আহোম স্বৰ্গদেউ শিৱসিংহ আৰু তেওঁৰ দ্বিতীয়া ভাৰ্যা ৰাণী অম্বিকাদেৱীৰ পৃষ্ঠপোষকতা আৰু অশেষ যত্নৰ ফলত বিখ্যাত 'হস্তী বিদ্যাৰ্ণৱ' পুথিখনি শিল্পী দিলবৰ আৰু দোচাইৰ হতুৱাই চিত্ৰিত কৰোৱা হৈছিল। এই পুথিখনি ১৭৩৪ খ্ৰীষ্টাব্দত প্ৰাচীন অসমীয়া গদ্য ছন্দেৰে লিখা হৈছিল। গ্ৰন্থকাৰ আছিল সুকুমাৰ বৰকাইম। ইয়াৰ ৰচনাৱলীত দুই এটা টাই-আহোম আৰু পাচী শব্দ সন্নিৱিষ্ট কৰা আছে। পুথিখনিৰ মূল বিষয় প্ৰসংগ হ'ল হস্তীৰ বিভিন্ন বৰ্ণনা, হস্তীযুদ্ধ, হস্তী আৰু পাৰিষদ বৰ্গেৰে সৈতে স্বৰ্গদেউৰ সমদল যাত্ৰা, নৃত্য সংগীতৰ সমাৰোহ, আহোম ৰাজপ্ৰাসাদৰ বিৱৰণ, হস্তীৰ ব্যাধিৰ নানা চিকিৎসা ইত্যাদি।

মহাপুৰুষ মাধৱদেৱ বিৰচিত অমূল্য গ্ৰন্থ সচিত্ৰ ৰত্নাৱলী পুথিখনি ১৬৫৩ শকৰ মাঘ মাহৰ গুৰুবাৰৰ দিনা সমাপন কৰা কথা পুথিৰ শেষত সুন্দৰভাৱে লিখা আছে। পুথিখনি সাঁচিপাতৰ আৰু ১৪৫ পৃষ্ঠাৰ সমষ্টি। প্ৰথম পৃষ্ঠাৰপৰা ১৪১ পৃষ্ঠালৈকে ১৯৪ খনি অতি মনোমোহা আৰু বিতোপন উজ্জ্বল ৰঙৰ চিত্ৰৰে ৰূপায়িত কৰা। শেষৰ চাৰি পৃষ্ঠা চিত্ৰবিহীন। পুথিত লিখা আখৰবোৰ প্ৰাচীন অসমীয়া ভাষাৰ পূৰ্ণ নিদৰ্শন।

ভাগৱতৰ মূল তত্ত্ব এই ভক্তি ৰত্নাৱলী মূল সংস্কৃত পুথিখনি কাশীৰ পৰা আনি বিষ্ণুপুৰী সন্ন্যাসীয়ে মাধৱদেৱৰ হাতত অৰ্পণ কৰিছিল। মহাপুৰুষে এই অমূল্য গ্ৰন্থখনি পাই অসমীয়ালৈ পদ্য ছন্দত অনুবাদ কৰে। এই সচিত্ৰ পুথিখনিৰ মূল বিষয় প্ৰসংগ হ'ল ন-বিধ ভক্তি, প্ৰতিবিধ ভক্তিৰ লক্ষণ, বিশদ বিৱৰণ, প্ৰাকৃত, মাধ্যম আৰু উত্তম এই তিনিবিধ প্ৰকৃত ভক্তৰ বিশদ ব্যাখ্যা।

এই সচিত্ৰ পুথিসমূহৰ বাহিৰেও নগাঁৱৰ কুৰচুং সত্ৰত থকা শ্ৰীধৰৰ টীকাৰে সৈতে 'মূল পুৰাণ' পুথি, নগাঁৱৰ মায়ামৰা সত্ৰৰ নিত্যানন্দ কায়স্থে লিখা ''শ্ৰীমদ্ভাগৱত মৎস্য চৰিত'', দিনজয়ী সত্ৰৰ 'বিষ্ণুৰ দশাৱতাৰ'ৰ ছবি, বাৰেঘৰ সত্ৰৰ ৰামানন্দ কায়স্থৰ 'কুমৰ হৰণ', কামৰূপৰ শুৱালকুছিৰ শ্ৰীশ্ৰীঈশ্বৰহাটী সত্ৰত থকা 'সচিত্ৰ কীৰ্তন' আৰু অসমৰ চুকে-কোণে পৰি থকা সাঁচিপতীয়া সচিত্ৰ পুথিসমূহেই অসমৰ চিত্ৰকলাৰ পূৰ্ণ নিদৰ্শন দাঙি ধৰিছে।

চিত্ৰকলাতকৈ অসমত মূৰ্তিকলাত কিছু চহকী। ভাৰতৰ আন আন ঠাইৰ তুলনাত আমাৰ মূৰ্তিকলা কোনো গুণে কম নহয়। অসমীয়া শিল্পীয়ে প্ৰকৃতিক পূজা কৰে, অন্তৰেৰে সৈতে গ্ৰহণ কৰে। কল্পনা শক্তিৰে সৈতে অসমীয়া শিল্প নীতিৰে সংমিশ্ৰণে সৃষ্টি কৰিছে আমাৰ মূৰ্ত্তি আৰু চিত্ৰকলা-যাৰ প্ৰতিটো গুণাগুণ অসমৰ মূৰ্তিকলাত প্ৰকাশিত। অসমৰ মূৰ্তিকলা ধৰ্ম আৰু বৈষয়িক ভাৱেৰে ভাবাপন্ন যদিও ইয়াত আধ্যাত্মিক নৈপণ্য ফুটি উঠিছে। ধৰ্ম সম্বন্ধীয় মূৰ্ত্তি সমূহ হ'ল - দেৱ-দেৱীৰ মূৰ্তি - যাৰ চৰণত ঘটপট পাতি নৈবেদ্য দি পূজাপাতলৰ চিৰকলীয়া ব্যৱস্থা আছে। বৈষয়িক বিষয়ৰ স্মৃতিসমূহ জীৱজন্তু, চৰাই-চিৰিকটি, গছ-লতিকাযুক্ত, জ্যামিতিক অলংকৰণ ইত্যাদি।

প্ৰাচীন কালত শদিয়াৰ ওচৰৰ ঢল নদীৰ তীৰত তাম্ৰেশ্বৰী মন্দিৰ নিৰ্মাণ কৰা হৈছিল। মন্দিৰৰ চালখনি তামেৰে সজোৱা হৈছিল বাবে এই মন্দিৰৰ নাম তাম্ৰেশ্বৰী হয়। চুতীয়া ৰজাসকলৰ দিনতে মন্দিৰৰ দেউৰী পূজাৰীসকলে নৰবলি দি দেৱীক পূজা কৰিছিল বাবে উপাস্য দেৱীক কেঁচাইখাঁতী গোসাঁনীও বোলা হৈছিল। কালক্ৰমত মন্দিৰৰ বহুত অংশ ভাঙি চিঙি যায়। এই ভগ্নাৱশেষবোৰৰ ভিতৰত সপ্ত ঘোঁৰা সমন্বিত অৰুণেৰে সৈতে বিশ্বজ্যোতি শক্তিমান সূৰ্য দেৱতাৰ মূৰ্ত্তি, মহাদেৱৰ বক্ষস্থলত পদক্ষেপণ কৰি জিভা কামুৰি থকা অৱস্থাৰ চামুণ্ডা কালীমূৰ্ত্তি, ময়ূৰ-ময়ূৰী, পত্ৰ-পুষ্প পৰিপূৰ্ণ স্বৰ্ণঘট, বিকশিত শতপত্ৰ, ধৰ্মচক্ৰ সুসজ্জিত হাতী-ঘোঁৰা সাজপাৰ আৰু স্বৰ্ণালংকাৰে বিভূষিতা নৰ্তকী আৰু জ্যামিতিক অলংকৰণ পৰিদৃষ্ট হয়। ইয়াৰ পোৰামাটিৰ মূৰ্ত্তিসমূহত প্ৰাচীন শাক্ত ধৰ্মৰ অভাৱ পৰা যেন লাগে। এই প্ৰাচীন ফলকসমূহ উচ্চ পৰ্যায়ৰ হ'লেও মৃৎশিল্পীৰ সৃজনী শক্তিত ফুটি উঠিছে মানৱ আৰু প্ৰকৃতিৰ মাজত থকা নিবিড় সম্বন্ধৰ ব্যঞ্জনাখিনি।

১৩ শতিকাত নিৰ্মিত তিনিচুকীয়াৰ ব্ৰোঞ্জৰ মহিষ-মৰ্দিনী মূৰ্তি বিশেষ ৰূপে উল্লেখযোগ্য। এই মূৰ্তিখনিত অস্ত্ৰবিহীন আদ্যাশক্তি মহামায়া দশভুজা দুৰ্গাই সোঁভৰিখনি সিংহৰ পিঠিত আৰু বাওঁ ভৰিখনি মহিষাসুৰৰ সোঁকান্ধত ৰাখি ৰণচণ্ডীৰূপে দণ্ডায়মান।

ডিব্রুগড়ৰ লেজাই মিৰি পথাৰ গাঁৱত থকা ৰাইদেঙীয়া দ'ল দেৱালয়ত দৈত্যৰাজ বলিৰে সৈতে বামনৰূপী বিষ্ণু, ৰাজহংস বাহনৰ ওপৰত সৃষ্টিকৰ্তা ব্ৰহ্মা, নৰসিংহৰূপী বিষ্ণুৱে হিৰণ্য কশিপুৰ নিধন কৰা দৃশ্য, কুৰ্ম অৱতাৰ মৎসৰূপী বিষ্ণুমূৰ্তি, অনন্ত, বৰাহৰূপী বিষ্ণু আৰু অন্যান্য মূৰ্তি পৰিদৃষ্ট হয়। সম্ভৱতঃ আদিতে দ'ল নিৰ্মাণৰ সময়ত ভগৱান বিষ্ণুৰ দশাৱতাৰৰ মূৰ্তিসমূহ সুন্দৰৰূপে শিল্পীয়ে খোদিত কৰিছিল। কালক্ৰমত ইয়াৰ কিছুমান মূৰ্তি ভাঙি ছিঙি নাইকিয়া হৈ যায়। জনশ্ৰুতি আছে যে ৰাইদঙীয়া বৰুৱাই আহোম স্বৰ্গদেউ প্ৰমত্তসিংহৰ ভনীয়েকক বিয়া কৰায় আৰু যৌতুক চিনস্বৰূপে ৰজাই এই দ'ল সজাই দিয়ে।

শিৱসাগৰৰ ওচৰত থকা শিমলুগুৰি চৰাইদেউ পৰ্বতৰ প্ৰাচীন বিষ্ণুমন্দিৰত লক্ষ্মী, সৰস্বতী, স্বয়ং বিষ্ণু আৰু আন আন দেৱ-দেৱীৰ কিছুমান বিতোপন মূৰ্তি আছিল। মূৰ্তিসমূহৰ ভিতৰত বীণাবাদিনী সৰস্বতীৰ মূৰ্তি উল্লেখযোগ্য। সৰস্বতীয়ে ত্ৰিভঙ্গ ৰূপেৰে বীণা বাই আছে। এওঁৰ চুলি বন্ধাৰ কলা-কৌশলত এটি বিশেষত্ব থকা যেন অনুমান হয়। দেৱীয়ে চক্ৰাকাৰ কাণফুলি, অৰ্ধবৃত্তাকাৰ হেমহাৰ, মনোমোহা কঁকালী, হাতত আৰু ভৰিত বিতোপন নূপুৰ আৰু কলাফুললৈকে ওলমি পৰা বস্ত্ৰ এখনি পৰিধান কৰিছে। এই মন্দিৰৰ কেইটামান মূৰ্তি অসম ৰাজ্যিক সংগ্ৰাহালয়ত সংৰক্ষিত অৱস্থাত আছে।



নেঘেৰিটিঙৰ শিৱদ'ল পাঁচটা দ'লৰ সমষ্টি। ইয়াৰ মুখ্য দ'লৰ গৰ্ভগৃহৰ উপাসনাৰ বেদীত বানলিংগ বিদ্যমান। আন আন গৌণ দ'লৰ কেইটাৰ অন্তৰভাগত সুন্দৰভাৱে অধিষ্ঠিত কৰা সূৰ্যদেৱতা, গণেশ, দুৰ্গা আৰু বিষ্ণু মূৰ্তি বিৰাজিত। উৰ্ব ঋষিয়ে এই পাহাৰত দ্বিতীয় কাশী স্থাপন কৰিবৰ উদ্দেশ্যে দ'ল কেইটি বান্ধি শিৱলিংগ প্ৰতিষ্ঠা কৰে অতি প্ৰাচীন কালত। প্ৰবাদ আছে যে সেই কাৰ্য সম্পূৰ্ণ হৈ নুঠাত মুখ্য দ'লৰ উপাসনাৰ বেদীত থকা বানলিংগকেই তেওঁ নিতৌ পূজা কৰিছিল। আজিকালি যিবোৰ দ'ল তাত দেখিবলৈ পোৱা যায় সেইবোৰ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত পুনৰ নিৰ্মাণ কৰোৱা।

গোলাঘাটৰ নুমলীগড়ৰ দেও পৰ্বতত এটি প্ৰাচীন মন্দিৰ প্ৰায় ভগ্ন অৱস্থাত দেখিবলৈ পোৱা যায়। তাহানিৰ দিনত এই পৰ্বতত‌ে শিৱ মহাপ্ৰভুৱে বসবাস কৰিছিল হেতুকে এই ঠাইক দেওপৰ্বত বোলা হৈছিল। এই মন্দিৰৰ উল্লেখযোগ্য বিখ্যাত মূৰ্তি হ'ল ত্ৰিপুৰাৰী শিৱ। ইয়াত শিৱই দৈত্যানুসুৰ ত্ৰিপুৰক নিধন কৰিবৰ অভিপ্ৰায়েৰে যুদ্ধ কৰিছিল। শিৱৰ উজ্জ্বল মুখখনি আৰু শ্যাম কলেৱৰৰ অংগ প্ৰত্যঙ্গত ফুটি উঠিছে ৰুদ্ৰৰূপৰ পূৰ্ণ স্বভাৱ। দৃশ্যত দুয়ো ৰণসাজে সজ্জিত। ইয়াৰ উপৰিও মন্দিৰৰ গাত খোদিত কৰা দেৱ-দেৱীৰ মূৰ্তি, শিৱলিংগ, বেতাল, ঋষিৰ তপস্যাভংগ, পাত ফুলৰ বিচিত্ৰ কাৰুকাৰ্য আদিয়ে নুমলীগড়ৰ শিৱমন্দিৰৰ অতীত গৰিমা প্ৰকাশি আছে। মন্দিৰৰ মূৰ্তিসমূহৰ নিৰ্মাণ কাৰ্যৰ সময় অষ্টম-নৱম শতিকা আৰু গুপ্ত শিল্পৰ নিদৰ্শন বুলি পুৰাতত্ত্ববিদসকলে অনুমান কৰে।

দেওপানীৰ দুৰ্গামন্দিৰৰ বাছকবনীয়া মূৰ্তিসমূহত স্থানীয় জনজাতিসকলৰ শিল্পৰ প্ৰভাৱ পৰা যেন অনুমান হয়। কছাৰী আৰু গাৰো মহিলাসকলৰ ৰিহা মেখেলাত যিবোৰ ফুল বছা হয় সেইবোৰ ডিমাপুৰ আৰু কাছমাৰিৰ শৈলমূৰ্তিৰ অনুৰূপ অলংকৰণ মাত্ৰ। ডিমাপুৰৰ ৰাজকাৰেঙৰ স্তম্ভসমূহৰ ভগ্নাৱশেষত তিব্বত বৰ্মী লোকসকলৰ প্ৰাচীন শিল্পকলাৰ চৰম নিদৰ্শন ৰৈ আছে। মহেঞ্জোদাৰোৰ বিজয় স্তম্ভৰ লগত ইয়াৰ যথেষ্ট সাদৃশ্য আছে আৰু শিল্পকৰ্ম নৱম শতিকাৰ বুলি অনুমেয়।

নগাঁও জিলাৰ ডবকাৰ ওচৰ আকাশী গংগাৰ নিচেই কাষতে থকা শিৱমন্দিৰৰ ভগ্নাৱশেষবোৰৰ ভিতৰত নৃত্যৰত গণেশমূৰ্তি, নৰ্তকী, শিৱলিংগ, চোৱৰধাৰিণীৰ সৈতে শিৱমূৰ্তি, নন্দী আৰু অসংখ্য দেৱ-দেৱীৰ মূৰ্তি পৰিলক্ষিত হয়। ইয়াৰ উপৰিও ডবকাৰ গোসাঁইজুৰিত থকা বাসুদেৱমূৰ্তি, বুঢ়ী গোসাঁনী মন্দিৰৰ দুৱাৰৰ স্তম্ভত নিখুঁতভাৱে খোদিত কৰা বিষ্ণুৰ দশাৱতাৰৰ মূৰ্তি আৰু মিকিৰহাটৰ গজ, সিংহ মূৰ্তিয়েই প্ৰসিদ্ধ।

কামৰূপৰ নীলাচল পাহাৰৰ ওপৰত কামাখ্যা মন্দিৰ অৱস্থিত। মন্দিৰৰ গৰ্ভগৃহৰ পুণ্যস্থানৰ বেদীত কামাখ্যা দেৱীৰ পৱিত্ৰ যোনিপীঠ বিদ্যমান। পাহাৰৰ ওপৰত থকা এচটা শিলত বালভৈৰৱ মূৰ্তি অতি সুন্দৰভাৱে খোদিত কৰা আছে। বালভৈৰৱ চতুৰ্ভুজ ৰূপৰ। এওঁ ব্ৰজদণ্ড, ত্ৰিশূল, গদা আৰু এটি অস্পষ্ট ধৰণৰ পত্ৰ ধাৰণ কৰিছে। বালভৈৰৱে পৰিধান কৰাৰ জকমকীয়া পদুমৰ অলংকৰণৰ বিতোপন শিৰৰ মুকুট, চক্ৰাকাৰ ৰূপৰ কাণৰ কুণ্ডল, বুকুলৈ ওলমি পৰা বিচিত্ৰ কণ্ঠহাৰ, সুগোল হস্তকঙ্কণ, মনোমোহা কঁকালী ভাঁজবিহীন কটিবস্ত্ৰ আৰু সুদীৰ্ঘ মুণ্ডমালাই তেওঁৰ ৰূপৰ সঞ্চাৰ আনি দিছে। মেলি থকা বিকট মুখখনিৰ দুয়োফালে ওলাই অহা দীঘল দাঁত দুটিয়ে বালভৈৰৱৰ স্বৰূপ দাঙি ধৰিছে। দুয়োভৰিৰে অসুৰক গছকি ধৰি পাপ শক্তিক নিধন কৰা হৈছে।

ইয়াৰ বাহিৰেও অতুলনীয় সৌন্দৰ্যৰ বেণুগোপালৰ মূৰ্তি, মাতৃৰ কোলাত শিৱমূৰ্তি, ধনুধাৰী নৃত্যৰত গণেশমূৰ্তি, বড়ো ৰমণীয় মূৰ্তি, মহাপ্ৰতাপী ধৰ্মপৰাণ কোঁচৰজা নৰনাৰায়ণ আৰু তেওঁৰ স্নেহৰ ভ্ৰাতৃ যুৱৰাজ চিলাৰায়ৰ শৈলমূৰ্তি আকৰ্ষণীয় আৰু উল্লেখযোগ্য। গুৱাহাটী মহানগৰীৰ আশে-পাশে থকা উমানন্দ, উৰ্বশী, অশ্বক্লান্ত, শুক্ৰেশ্বৰ আদিত ঠাইৰ যিবোৰ মূৰ্তি দৃষ্টিগোচৰ হয় সেইবোৰ অতি মনোৰম আৰু প্ৰাচীন কামৰূপৰ কলা-কৃষ্টিৰ স্মৃতিচিহ্ন মাথোন।

গোৱালপাৰাৰ সূৰ্য পাহাৰ দুৰ্গতিনাশিনী দশভুজা দুৰ্গা, চন্দ্ৰ, সূৰ্য অন্যান্য দেৱ-দেৱী আৰু শত সহস্ৰ শিৱলিংগৰে পৰিপূৰ্ণ হৈ আছে। ইয়াৰে ভিতৰত পঞ্চ বিষ্ণুমূৰ্তি বিশেষ ৰূপে উল্লেখযোগ্য। কথিত আছে যে আদিতে এই মূৰ্তিসমূহ পঞ্চ বোধিসত্ত্বৰ আছিল। কালক্ৰমত বিষ্ণুমূৰ্তিলৈ ৰূপান্তৰিত হয়। গোৱালপাৰা জিলাৰ অন্যান্য নাম কৰা মূৰ্তিসমূহৰ ভিতৰত ভৈৰৱ পাহাৰৰ ভৈৰৱ-ভৈৰৱী, ৰাধা-কৃষ্ণৰ মূৰ্তি, মহাদেৱ পাহাৰৰ শিৱমন্দিৰৰ বিচিত্ৰ ভংগিমাৰ এঘাৰটা নটৰাজ শিৱৰ মূৰ্তি, লক্ষ্মী-সৰস্বতী আৰু পাৰ্বতীৰ সৈতে নানা নাৰীমূৰ্তি, শিৱৰ ধৰ্মচক্ৰ, যজ্ঞপাট, লালমাটি মন্দিৰৰ দ্বাৰপাল মূৰ্তি, আভংগ ৰূপৰ নৰ্তকী মূৰ্তি ইত্যাদি।

হাজোৰ হয়গ্ৰীৱ মাধৱৰ মন্দিৰ অতীজৰেপৰা বিখ্যাত। এই মন্দিৰ মণি পৰ্বত গামেৰে এটা টিলাৰ ওপৰত অৱস্থিত। প্ৰবাদ আছে যে এই মহান তীৰ্থস্থানখনি প্ৰতিষ্ঠা কৰিছিল তাহানি কালৰ উৰ্ব ঋষিয়ে। উৰ্ব ঋষি তাতেই সদাসৰ্বদা ভগৱানক তপস্যা কৰিছিল। ঋষিৰ এই মহান তপস্যাত বিভ্ৰাট ঘটাইছিল অসুৰবিলাকে। ভক্তৰ এই পৱিত্ৰ কাৰ্যত ব্যাঘাত জন্মোৱা কাৰণে স্বয়ং ভগৱান বিষ্ণুৱে অসুৰবিলাকক নিধন কৰি মণি পৰ্বততেই হয়গ্ৰীৱ মাধৱৰূপে থাকিবলৈ ল'লে আৰু তেতিয়াৰ পৰাই এই মন্দিৰৰ নাম হয় হয়গ্ৰীৱ মাধৱ মন্দিৰ। মন্দিৰৰ গৰ্ভগৃহত উপাস্য দেৱতা হয়গ্ৰীৱ মাধৱৰ মূৰ্তি অধিষ্ঠিত। মূৰ্তিৰ এফালে বাসুদেৱ আৰু গোবিন্দ মাধৱ আৰু আনফালে বাহনৰূপী গৰুড় পক্ষী আৰু দ্বিতীয় মাধৱ বিৰাজমান। হয়গ্ৰীৱ মূৰ্তিৰ ডিঙিৰ পৰা মূৰলৈকে ঘোঁৰাৰ আকৃতিৰ আৰু শৰীৰৰ বাকী অংশ বিষ্ণু ৰূপৰ বৌদ্ধ ধৰ্মৰ লোকসকলে এই মূৰ্তিখনি ভগৱান শাক্যমুনি বুদ্ধৰ বুলি বিশ্বাস কৰে।

তেজপুৰৰ বামুণী পাহাৰত চিত্ৰ-বিচিত্ৰ ফুল-পাত, বৃক্ষ-তৰু-লতাৰে সৈতে অসংখ্য দেৱ-দেৱী, নৰ-নাৰী, জীৱজন্তুৰ মূৰ্তি য'তে ত'তে পৰি থকা দেখা যায়। ইয়াৰ ভিতৰত ৰাম, পৰশুৰাম, বৰাহ, চতুৰ্ভুজ ৰূপৰ নৰসিংহ মূৰ্তি, দুৰ্গা, বাঘ, সিংহ, মকৰ আদিৰ বাছকবনীয়া মূৰ্তিয়েই প্ৰধান। উত্তৰ লক্ষ্মীমপুৰ বাসুদেৱ মন্দিৰত এটি মটীয়া বৰণৰ শিলৰ ওপৰত খোদিত কৰা বৃহৎ মূৰ্তি আছে। মূৰ্তিখনি বাসুদেৱ বিষ্ণুৰ নামেৰে জনাজাত। মূৰ্তিৰ দৈহিক ৰূপাংকৰ, ছন্দযুক্ত ৰেখাৰ গুণাগুণ, অলংকাৰ পাতি নিখুঁত কাৰ্য আৰু বিকাশভংগী অপৰূপ কাৰুকাৰ্যই দৰ্শকৰ মন সততে মোহিত কৰে।

অসমৰ নগৰে চহৰে, গাঁৱে-ভূঁয়ে সিঁচৰিত হৈ থকা শিৱ দুৰ্গা, কুবেৰ, নৰসিংহ, কাৰ্তিক, হস্তীৰ ওপৰত আৰোহণ কৰা ইন্দ্ৰ আৰু হিন্দু বৌদ্ধ ধৰ্মৰ বিতোপন মূৰ্তিয়ে অসমী আইৰ প্ৰাচীন গৌৰৱ অক্ষুণ্ণ ৰাখি বিজয় গৰিমা প্ৰকাশিছে। ■

বিশেষ



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

ছাত্ৰ-ছাত্ৰীসকলৰ শিতান —

**চ'ৰাঘৰৰ মেজত**

# মা

প্ৰেম

বনিশা শইকীয়া
স্নাতক তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

যাৰ কোলাত সৰগ বিচাৰি পাওঁ
যাৰ চকুত মোৰেই সপোন চাওঁ
যাৰ বুকুত মমতা ভৰি ভৰি আছে
দিনে নিশাই মোক আশিস যাচে
সেয়েতো মোৰ মা...

মা.... এক তুলনাহীন শব্দ। আটাইতকৈ সৰু এই শব্দটোৰ অৰ্থ যে ইমান বহল। এই শব্দটোত লুকাই আছে গভীৰ মমতা। আকাশৰ দৰে বিশাল, সাগৰৰ দৰে গভীৰ - মা শব্দৰ অৰ্থ। প্ৰতিটো পল, অনুপল আমাৰ হৃদয়ত থাকে মা।

আইৰ সমান হ'ব কোন, নৈৰ সমান বব কোন? সঁচাকৈ মা অতুলনীয়। সন্তানক ধাৰণ কৰি মমতাৰে আবৃত কৰি ৰাখে মাতৃয়ে। সকলো বাধা অতিক্ৰম কৰিব পৰা এক মানৱীয় শক্তিৰ প্ৰতীক। জন্ম হোৱাৰ পিছত সন্তানৰ মুখত প্ৰথম উচ্চাৰিত শব্দই হৈছে মা। সন্তানৰ সৈতে মাতৃৰ সম্পৰ্ক অতি গভীৰ। এগৰাকী মাতৃৰ সমান কোনেও সন্তানক মৰম কৰিব নোৱাৰে। এই শব্দটোত আছে এক গভীৰ প্ৰশান্তি। মাতৃৰ কোলাত দুখ-কষ্টৰ উপশম হয়। এগৰাকী মাতৃয়ে কেৱল নিজ সন্তানকহে মৰম কৰিব তেনে নহয়, প্ৰত্যেকটো শিশুৱে নিজৰ সন্তানতুল্য। কেৱল শিশুৱে নহয়, আনৰ সন্তানকো নিজৰ সন্তানৰ দৰে মৰম কৰিব পৰা গৰাকীহে মাতৃতুল্যা স্বাৰ্থহীন মৰম-চেনেহৰ প্ৰতীক মাতৃ। কেৱল জন্মদাত্ৰী মাতৃয়ে যে কেৱল মা, তেনে নহয়। মাতৃত্বৰ সুবিশাল ডেউকাৰে যি সহস্ৰ সন্তানক এক কৰি ৰাখিছে, যি নিজৰ বুকুত তাহানি দিনৰে পৰা আঁকোৱালি থৈছে, সেই প্ৰকৃতি, সেই পৃথিৱীও আমাৰ মাতৃতুল্যা। প্ৰকৃতিয়ে আমাক সম্পদৰ সম্ভাৰেৰে চহকী কৰিছে। এই প্ৰকৃতি আমাৰ মা। এই দেশ, ধৰিত্ৰী আমাৰ মাতৃ।

যেতিয়া অন্ধকাৰে পৃথিৱীখন গ্ৰাস কৰে, যেতিয়া দোভাগ নিশা হয়, যেতিয়া মেদিনী শুই পৰে - বৰ মনত পৰে তোমালৈ মা। অকলে অকলে বিছনাৰ এচুকত গাৰুত মূৰ গুজি তোমালৈ মনত পেলাই শুই থাকোঁ। তোমাৰ কোলাত মূৰ থৈ কিমান যে কথা পাতো ন! তু মি





কেৱল হাঁহি হাঁহি শুনি থাকা। একো নোকোৱা। মোৰ দুষ্টামিবোৰৰ বাবে গালিও নিদিয়া। তুমি কিয় ইমান ভাল মা। এনেকুৱা একোৱেই কথা নাই যি মই তোমাক কোৱা নাই। তুমি মোৰ প্ৰেৰণা মা। তোমাৰ পৰাই শিকিছোঁ মই ভালপোৱা, সকলোকে মৰমৰ চকুৰে চোৱা, সকলো পৰিস্থিতিৰ সৈতে সাহসেৰে মুখামুখি হ'বলৈ। তোমাৰ পৰাই লাভ কৰিছোঁ ধৈৰ্য আৰু সহ্য গুণ। তুমি যেনেকৈ যিকোনো পৰিস্থিতিত আৱেগিক নহৈ বিবেকেৰে চিন্তা কৰা ময়ো তেনে হ'বলৈ চেষ্টা কৰিছোঁ। মই তোমাৰ ছাঁ হ'ব খোজোঁ। সেয়ে তোমাৰ প্ৰত্যেকটো কথা আখৰে আখৰে পালন কৰি আহিছোঁ। কেৱল তোমাৰ বাবেই হয়তো মোৰ জীৱন সুন্দৰ গতিৰে আগবাঢ়ি গৈ আছে। আঘাত নোপোৱাকৈ, থমকি ৰোৱা নাই। প্ৰতিটো ক্ষেত্ৰতে প্ৰথমে তোমাৰ কথাই মনলৈ আহে। ক'ৰবাত উজুটি খাই পৰিব ল'লেও তোমাৰ নামেই মুখেৰে উচ্চাৰণ হয়। তোমাৰ সৈতে এক কঠিন শিকলিৰে বান্ধ খাই আছোঁ। মোৰ সৈতে তোমাৰ নিৰৱচ্ছিন্ন সম্পৰ্ক। মই বহুত ভাগ্যৱান তোমাৰ দৰে মৰমিয়াল মা পোৱা বাবে। ভগৱানক সদায় ধন্যবাদ জনাওঁ যে মোক তোমাৰ কোলাত আশ্ৰয় দিয়া বাবে। অ' মা আজিলৈকে তোমাৰ অন্তৰত আঘাত দিয়াকৈ একো কাম কৰা নাই আৰু ভৱিষ্যতেও নকৰোঁ।



তুমি মোৰ বিবেক, তুমি মোৰ সাহস। তোমাৰ প্ৰতি মোৰ অগাধ প্ৰেম, ভক্তি আৰু বিশ্বাস আছে। তোমাতকৈ অধিক কোনেও মোক বুজি নাপায়। তোমাৰ মুখত হাঁহি দেখিবলৈ মই সকলো কৰিম। তুমি সদায় সুখত থকাটো বিচাৰোঁ। তুমি মোৰ প্ৰিয় বান্ধৱী। সকলোতকৈ বেছি তোমাক ভাল পাওঁ মা.....। ■

*(পৃথিৱীৰ প্ৰত্যেক মাতৃৰ চৰণত অৰ্পিত)*

## বিশেষ ঃ

**এইয়া আকাশবাণী ডিব্ৰুগড় ঃ**

১৯৬৯ খ্ৰীষ্টাব্দৰ ১৫ ফেব্ৰুৱাৰী। সেইদিনাৰ পৰাই উজনি অসমৰ লেপেটকটাৰ পৰা শুভ যাত্ৰা কৰিছিল অসমৰ দ্বিতীয়টো আকাশবাণী কেন্দ্ৰই। সেইদিনাৰ পৰাই অসমৰ আকাশত উৰি ফুৰিছিল হীৰেণ গোহাঁইৰ কণ্ঠ ''এইয়া আকাশবাণী ডিব্ৰুগড়...।'' পিছৰ পৰ্যায়ত, ১৯৭৫ খ্ৰীষ্টাব্দত কেন্দ্ৰটো ডিব্ৰুগড় নগৰৰ কনভয় পথলৈ, মলখুবচাত থকা বৰ্তমানৰ স্থানডোখৰলৈ স্থায়ীভাৱে স্থানান্তৰিত হৈ আহিল। ১৯৯৭ খ্ৰীষ্টাব্দৰ ১১ জুন। সেইদিনা কেন্দ্ৰটোৰ পৰা ঠিক ছয় বজাৰ লগে লগেই ভাঁহি আহিছিল ছৈয়দ ছাদুল্লাৰ কণ্ঠস্বৰ, ''এইয়া আকাশবাণী ডিব্ৰুগড়। সন্ধিয়া ৬ বজাৰ আঞ্চলিক বাতৰি পঢ়িছোঁ ছৈয়দ ছাদুল্লাই।'' ঠিক সেইদিনাৰ পৰাই কেন্দ্ৰটোৱে নিয়মিতভাৱে বাতৰি পৰিৱেশন কৰি আহিছে। এই কেন্দ্ৰটোৱে বিগত বছৰবোৰত বহু কালজয়ী নাটক, গীত, কথিকা, আলোচনা চক্ৰ, ফোন ইন অনুষ্ঠান পৰিৱেশন কৰি আহিছে। নাটক, আলেখ্যৰে কেইবাটাও শ্ৰেষ্ঠতাৰ বঁটা আঁজুৰি অনা



এই কেন্দ্ৰটোৰ কিছুমান উল্লেখযোগ্য অনুষ্ঠান হ'ল — সুৰৰ পানচৈ, ফোন ইন সুৰৰ সাতসৰী, স্বাস্থ্য চৰ্চা, মন্দাকিনী, গঞা ৰাইজৰ অনুষ্ঠান, পুতাইলৈ চিঠি ইত্যাদি। শৈক্ষিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা ''আজিৰ দিনটো'' শীৰ্ষক অনুষ্ঠানটোৰ কথা নকলে আধৰুৱা হ'ব। গ্ৰাম্যাঞ্চলত বিদেশৰ বতৰা দিয়া এই ৰেডিঅ' অনুষ্ঠানবোৰ আধুনিকতাৰ প্ৰভাৱ পৰাৰ লগে লগে ক্ৰমাৎ থমকি ৰ'ব লগীয়া হৈছে। সুদীৰ্ঘ ৪৮ বছৰীয়া যাত্ৰাত ''আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰ''ই শ্ৰোতা ৰাইজক যি প্ৰভূত অৰিহণা আগবঢ়াই আহিছে তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

ছাত্ৰ-ছাত্ৰীসকলৰ শিতান —

**চ'ৰাঘৰৰ মেজত**

# সাফল্য জীৱনৰ মাপ-কাঠী

চাৰিত্ৰিক

ময়ূৰী ঠাকুৰ
স্নাতক ৫ম ষাণ্মাসিক
ভূগোল বিজ্ঞান বিভাগ

''বিফল নোহোৱাটোকেই সাফল্য নুবুজায়। সাফল্যৰ অৰ্থ হ'ল চূড়ান্ত লক্ষ্যত উপনীত হোৱা। ইয়াৰ অৰ্থ সৰু-সুৰা ৰণত জয় লাভ কৰা নহয়, মহাৰণতহে জয় লাভ কৰা।''

– এডৱিন চি ব্লিচ

আমি লক্ষ্যবিহীন জীৱন এটাৰে বিচৰণ কৰি ফুৰা বিভিন্ন ব্যক্তিক লগ পাইছোঁ। ভাগ্যই তেওঁলোকক যি দিছে, তাকেই তেওঁলোকে সহজভাৱে গ্ৰহণ কৰি আহিছে, দুই এক হয়তো আকস্মিকভাৱে সাফল্য লাভ কৰিছে। কিন্তু তেওঁলোকৰ অধিক সংখ্যকেই দুখ আৰু হতাশাৰ একোটা জীৱন অতিবাহিত কৰি আহিছে।

জীৱনত সাফল্য লাভ কৰিবলৈ আমাৰ অভ্যাসত কিছু পৰিৱৰ্তনৰ প্ৰয়োজন। তাৰে এটা হৈছে মনোভাৱ।



মনোভাৱে সকলো লোকৰ জীৱনলৈ সাফল্য কঢ়িয়াই আনে। 'মনোভাৱ'ৰ ইংৰাজী প্ৰতিশব্দ হৈছে। এইটো ইংৰাজী ভাষাৰ আটাইতকৈ প্ৰয়োজনীয় শব্দ। ব্যক্তিগত আৰু পেছাগত জীৱনকে ধৰি জীৱনৰ সকলো ক্ষেত্ৰতে শব্দটোৰ প্ৰয়োগ আছে। এজন বিষয়াই সজ মনোভাৱৰ অবিহনে ভাল বিষয়া হ'ব নোৱাৰে। এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে সজ মনোভাৱৰ অবিহনে ভাল ছাত্ৰ বা ছাত্ৰী হ'ব নোৱাৰে, কোনো ব্যক্তিয়েই সু-মনোভাৱ অবিহনে এজন সৎ ব্যক্তি হ'ব নোৱাৰে। সাফল্যৰ মূল আধাৰেই হ'ল সু-মনোভাৱ।

মানুহৰ জীৱনটো সফলতা-বিফলতা, জয়-পৰাজয়েৰে পৰিপূৰ্ণ। সকলো দিশ কেনেদৰে চাব লাগে সেইটো মানুহ এজনৰ মনোভাৱৰ ওপৰত নিৰ্ভৰ কৰে। এজন ইতিবাচক চিন্তা কৰিব পৰা ব্যক্তিৰ বাবে মনোভাৱ হ'ব পাৰে সাফল্যৰ সঁচাৰ কাঠী। নেতিবাচক চিন্তা কৰাজনৰ বাবে ইয়েই আকৌ সাফল্যৰ পথত হেঙাৰ হৈ উঠিব পাৰে।

আমাৰ মনোভাৱ নিৰূপণ কৰে তিনিটা মুখ্য দিশৰ ওপৰত। (১) পৰিৱেশ (২) অভিজ্ঞতা (৩) শিক্ষা।

পৰিৱেশে এজন ব্যক্তিৰ মনোভাৱৰ ওপৰত উল্লেখযোগ্য প্ৰভাৱ পেলায়। এখন ঘৰৰ পৰিৱেশ স্বাস্থ্যকৰ, সততাৰে পৰিপূৰ্ণ হ'লেহে ঘৰটোত বাস কৰা মানুহবোৰো সৎ হয়। যিখন দেশত চৰকাৰ আৰু ৰাজনৈতিক পৰিৱেশৰ এটা সততা আছে, সাধাৰণতে সেই দেশৰ মানুহবিলাকৰো সততা থাকে, সেইবাবে সৎ পৰিৱেশে এজন মানুহক ইতিবাচক চিন্তা কৰাত সহায় কৰে। নেতিবাচক পৰিৱেশত ইতিবাচক আচৰণ আশা কৰাটো টান।



ব্যক্তি আৰু আমাৰ জীৱনৰ ঘটনাবিলাকৰ পৰা লাভ কৰা অভিজ্ঞতাৰ জৰিয়তেও আমাৰ আচৰণ পৰিৱৰ্তন হয়। আমি আমাৰ জীৱনত মুখামুখি হোৱা অভিজ্ঞতা আৰু ঘটনাৱলীৰ পৰা আমি এনেকুৱা কিছুমান সিদ্ধান্ত লওঁ, যিবোৰে আমাৰ জীৱনৰ ভৱিষ্যতৰ পথ নিৰ্দেশ কৰে।

শিক্ষায়ো এজন ব্যক্তিৰ মনোভাৱ সলনি কৰিব পাৰে। শিক্ষা বুলি ক'লে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক উভয় প্ৰকাৰৰ শিক্ষাক বুজা যায়। এই দুয়োবিধ শিক্ষাই এজন ব্যক্তিক সৎ হিচাপে পৰিণত কৰাত সহায় কৰে। শিক্ষাৰ দ্বাৰা জীৱিকাৰ পথ ল'বলৈ শিকিলেই নহ'ব, তাৰ পৰা আমি কেনেকৈ জীয়াই থকা উচিত সেই বিষয়েও শিকিব লাগিব।

ল'ৰালি কালত আমি কিছুমান মনোভাৱ গঢ়োঁ, যি মনোভাৱ গোটেই জীৱন আমাৰ লগত থাকি যায়। নিঃসন্দেহে ল'ৰালি কালত আমি ইতিবাচক মনোভাৱ আহৰণ কৰা সহজসাধ্য আৰু ফলদায়ক।

ইতিবাচক মনোভাৱ গঢ়াৰ তিনিটা উপায় হৈছে - (১) ইতিবাচক মনোভাৱ গঢ়া নীতিসমূহৰ প্ৰতি সচেতন হোৱা, (২) ইতিবাচক হোৱাৰ আকাংক্ষা কৰা, (৩)এই নীতিসমূহ অনুশীলন কৰিবলৈ লগা শৃংখলা আৰু উৎসৰ্গাৰ মনোভাৱ গঢ়ি তোলা।

উপৰোক্ত উপায়সমূহৰ পৰা আমি নিজকে এজন ইতিবাচক মনোভাৱৰ ব্যক্তি হিচাপে নিজকে গঢ় দিব পাৰোঁ।

আমাৰ নিজা ব্যৱহাৰৰ ওপৰতো আমাৰ মনোভাৱ লুকাই থাকে। আমি সদায় আমাৰ চৰিত্ৰৰ ওপৰত বিশেষ ধ্যান দিয়া উচিত। সকলো কাম আমি নিষ্ঠা, দৃঢ়তা, শিষ্টাচাৰ, সাহস আদিক মাজত ৰাখি কৰা উচিত। প্ৰাথমিক শিক্ষাতে এনে চৰিত্ৰ গঠন কৰিবলৈ আমাক শিকোৱা হয়। আনৰ ওপৰত আমি সদায় কৃতজ্ঞতাবোধ ৰাখিবলৈ চেষ্টা কৰিব লাগে। প্ৰথমেই আমি আমাৰ পিতৃ-মাতৃৰ প্ৰতি কৃতজ্ঞ হ'ব লাগে, তাৰ পিছত আমি আমাৰ শিক্ষক-শিক্ষয়িত্ৰী, বন্ধু-বান্ধৱীৰ প্ৰতি কৃতজ্ঞতাবোধ ৰাখিব লাগে। আমি আমাৰ চৰিত্ৰত সদায় ধৈৰ্য্য, মনোবল ৰাখিব লাগে। আমাৰ বেয়া চিন্তা কৰাসকলৰ পৰা আঁতৰত থাকি তেওঁলোকক উচিত উপায়েৰে সৎ পথলৈ আনিবলৈ চেষ্টা কৰিব লাগে। আমি আমাৰ জীৱনত বিভিন্ন চৰিত্ৰৰ ব্যক্তিক লগ পাওঁ। কিন্তু তথাপি আমি আমাৰ সৎ চৰিত্ৰটোক কেতিয়াও আন ব্যক্তিৰ প্ৰৰোচনাত কু-চৰিত্ৰলৈ পৰিণত কৰাটো উচিত নহয়। আমাক বেয়া ব্যৱহাৰ কৰাসকলকো আমি হাঁহি ক্ষমাদানেৰে তেওঁলোকৰ মন জয় কৰিবলৈ চেষ্টা কৰিব লাগে। কাৰণ, পৃথিৱীত কোনো বেয়া মানুহ নাথাকে, বেয়া তেওঁলোকৰ কামহে থাকে। এই বেয়া কামবোৰক যদি আমি তেওঁলোকৰ মনৰ পৰা আঁতৰাই পেলাব পাৰোঁ, তেন্তে তেঁৱো এজন আমাৰ দৰে সৎ চৰিত্ৰৰ, সৎ মনোভাৱৰ ব্যক্তি হ'ব পাৰে। সকলো ব্যক্তিৰে কাম কৰাৰ পদ্ধতি বেলেগ বেলেগ। আমি তেওঁলোকৰ এই মনোভাৱক শ্ৰদ্ধা কৰিব লাগে।

সকলো ব্যক্তিৰে জীৱনৰ সাফল্য তেওঁলোকৰ নিজা চৰিত্ৰ আৰু নিজা মনোভাৱৰ ওপৰত নিৰ্ভৰ কৰে। সৎ চৰিত্ৰ, পৰিস্কাৰ অন্তৰ আৰু ইতিবাচক মনোভাৱেই হ'ল এজন ব্যক্তিৰ জীৱনৰ সাফল্যৰ মাপ-কাঠী।

''সফল ব্যক্তিয়ে বেলেগ বেলেগ
কাম নকৰে,
তেখেতসকলে কামবোৰ
বেলেগ ধৰণেৰে কৰে।'' – শিৱ খেৰা। ■



ছাত্ৰ-ছাত্ৰীসকলৰ শিতান —

**চ'ৰাঘৰৰ মেজত**

# গ্ৰীচ দেশৰ অৰ্থনৈতিক সংকট

## এক চমু পৰ্যালোচনা

**অৰ্থনীতিমূলক**

**ৰাজু বৰা**
স্নাতক তৃতীয় ষাণ্মাসিক
অৰ্থনীতি বিজ্ঞান বিভাগ

১৯৫১ চনৰ পৰা আৰম্ভ হোৱা অৰ্থনৈতিক সমন্বয়ৰ এক নতুন ধাৰাৰ ফলস্বৰূপে কেইবাখনো দেশ মিলি 'ইউৰোপীয় সংঘ' নামেৰে এক অৰ্থনৈতিক গোট গঠন কৰা হৈছিল। ইয়াৰ সদস্য ৰাষ্ট্ৰ ২৮ খন। ইয়াৰে ১৯ খন দেশ লগ হৈ ইউৰ' জ'ন গঠন হৈছে। ইউৰ' জ'নৰ সদস্য ৰাষ্ট্ৰকেইখন হৈছে -- অষ্ট্ৰিয়া, বেলজিয়াম, চাইপ্ৰাচ, এষ্ট'নিয়া, ফিনলেণ্ড, ফ্ৰান্স, জাৰ্মানী, গ্ৰীচ, আয়াৰলেণ্ড, ইটালী, লেটিভা, লিথ'নিয়া, লাক্জেমবাৰ্গ, মাল্টা, নেডাৰলেণ্ডছ, পৰ্টুগাল, শ্লভেকিয়া, শ্লভেনিয়া আৰু স্পেইন। এই সংঘ গঠনৰ উদ্দেশ্য হৈছে মুক্ত বৈদেশিক বাণিজ্যৰ যোগেদি উমৈহতীয়া লাভ আহৰণ কৰা আৰু বিদেশী মুদ্ৰাৰ নাটনি হ্ৰাস কৰা। সেয়ে এই ১৯ খন দেশে ইউৰ' নামৰ এবিধ উমৈহতীয়া কাৰেন্সি






প্ৰচলনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ভাৰতৰ মুদ্ৰাৰ লেখেৰে আজিৰ তাৰিখত এক ইউৰ'ৰ বিনিময় মূল্য হ'ল ৭২.৬৩৫৫ টকা। ১৯৮১ চনত গ্ৰীচে এই ইউৰোপীয় সংঘত যোগদান কৰে আৰু ২০০১ চনত গ্ৰীচ ইউৰ' জ'নৰ অন্তৰ্ভুক্ত হয়।

ইউৰ' জ'নত অন্তৰ্ভুক্ত হৈ বৈদেশিক বাণিজ্যত আনবোৰ সদস্য ৰাষ্ট্ৰৰ সমানে গ্ৰীচে সুবিধা কৰিব পৰা নাছিল। প্ৰতিযোগিতাৰ দৌৰত গ্ৰীচ পাছ পৰি ৰৈছিল। কাৰণ গ্ৰীচ আন সদস্য ৰাষ্ট্ৰ সমূহৰ তুলনাত দুখীয়া দেশ আছিল। গতিকে সংঘৰ অন্যান্য ৰাষ্ট্ৰই উন্নতি লাভ কৰি চৰকাৰী-বেচৰকাৰী মজুৰি বৃদ্ধি কৰিছিল; কিন্তু গ্ৰীচে ঋণ গ্ৰহণৰ যোগেদি চৰকাৰী ব্যয় বৃদ্ধি কৰিছিল। ফলত ইউৰোপীয় সংঘৰ আনবোৰ দেশৰ অৰ্থনীতি সম্প্ৰসাৰণ হোৱাৰ বিপৰীতে গ্ৰীচৰ অৰ্থনীতিৰ সংকোচনহে ঘটিল।

দেশ এখনৰ উন্নয়নৰ বাবে লগা পুঁজি সদায় কৰ-কাটলেৰে সংগ্ৰহ কৰাটো সম্ভৱ নহয়। গতিকে চৰকাৰে নতুন মুদ্ৰা ছপা কৰিবলগীয়া হয় নাইবা দেশীয় বিত্ত অনুষ্ঠান বা বিদেশী বেংক আৰু বিত্তীয় সংগঠনৰ পৰা ঋণ ল'বলগীয়া হ'ব পাৰে। এই ক্ষেত্ৰত বিদেশৰ পৰা ঋণ লোৱা কথাটো বেছি সুবিধাজনক। সেই ঋণেৰে ঋণ দিয়া দেশখনৰ পৰা যন্ত্ৰ পাতি, বিভিন্ন কেঁচা-সামগ্ৰী আদি কিনি আনি দেশৰ মাটিত উদ্যোগ স্থাপন কৰিব পাৰি আৰু উৎপাদিত সামগ্ৰী বিদেশলৈ ৰপ্তানি কৰিব পাৰি। এনে কৰিলে এহাতে বিদেশৰ ঋণে বিদেশৰ পৰা যন্ত্ৰ পাতি কিনিবলৈ প্ৰয়োজনীয় বিদেশী মুদ্ৰাৰ অভাৱ দূৰ কৰে আৰু আনহাতে ৰপ্তানি কৰি পোৱা বিদেশী মুদ্ৰাৰে বিদেশী ধাৰ মৰাটো সহজ হয়। কিন্তু গ্ৰীচ দেশে এই কাৰ্যসূচী গ্ৰহণ কৰা নাছিল। ফলত ২০০৯ চনৰ পৰাই গ্ৰীচে ঋণ ঘূৰাই দিব নোৱাৰা পৰিস্থিতিৰ উদ্ভৱ হৈছিল।

বাস্তৱৰ সৈতে মুখামুখি হৈ গ্ৰীচ চৰকাৰে ব্যয় কৰ্তন কৰি অৱস্থাৰ উন্নতি ঘটাব পাৰিলেহেঁতেন যদিও ইয়াকে নকৰি গ্ৰীচৰ চৰকাৰে চৰকাৰী নিযুক্তি আৰু চৰকাৰী দৰমহা বৃদ্ধি কৰিলে। চৰকাৰ গঠন কৰা দল পৰিৱৰ্তনৰ ফলত চৰকাৰী ব্যয়ৰ পৰিমাণো বাঢ়িব ধৰিলে। চৰকাৰী বিষয়া-কৰ্মচাৰী সকলৰ দৰমহা অৰ্থাৎ পাৰিশ্ৰমিক দিয়া প্ৰক্ৰিয়াটো চলাই নিয়াৰ খাতিৰত কালক্ৰমত গ্ৰীচে চুবুৰীয়া দেশত হাত পাতিব লগীয়া হ'ল। ইউৰ' জ'নৰ সদস্য হোৱাৰ সুবাদত গ্ৰীচে সহজে ঋণ লাভ কৰিলে। ঋণ প্ৰদান কৰা ৰাষ্ট্ৰসমূহে গ্ৰীচৰ অৰ্থনৈতিক অৱস্থা সম্পৰ্কে যিমানবোৰ দিশ চালি জাৰি চোৱাৰ প্ৰয়োজন আছিল বা যিবোৰ চৰ্তৰ অধীনত ঋণ দিয়াৰ প্ৰয়োজন আছিল সেইবোৰৰ ওপৰত বিশেষ গুৰুত্ব নিদিলে বা একো নকৰিলে। সদস্য ৰাষ্ট্ৰসমূহৰ মাজত বৈদেশিক ঋণ লাভ কৰাৰ এটা চৰ্ত আছিল যে বাজেট ঘাটি দেশখনৰ জাতীয় আয়ৰ তিনি শতাংশৰ অধিক হ'ব নোৱাৰিব। কিন্তু শেহতীয়াকৈ গঠন হোৱা নতুন চৰকাৰে পোহৰলৈ আনে যে প্ৰকৃততে গ্ৰীচৰ বাজেট ঘাটি আছিল জাতীয় আয়ৰ ১৫ শতাংশৰো অধিক। ইতিমধ্যে আমেৰিকাকে ধৰি বিশ্বৰ ভালেকেইখন দেশ অৰ্থনৈতিক মন্দা অৱস্থাৰ সংকটত ভুগিব লগীয়া হৈছিল। গতিকে গ্ৰীচক ঋণ দিয়া দেশবিলাকে নতুন ঋণ দিয়াৰ ক্ষেত্ৰত হাত ধৰিবলৈ ল'লে। নতুন ঋণৰ অভাৱত পুৰণা ঋণৰ ধাৰ মৰাটো অসম্ভৱ হৈ পৰিল।

অৱশেষত ২০১০ চনত ইউৰোপীয় সংঘ আৰু আন্তৰ্জাতিক মুদ্ৰানিধিয়ে এক কঠোৰ চৰ্ত সাপেক্ষে গ্ৰীচক ১১০ বিলিয়ন ইউৰ' ধাৰে দিবলৈ আগবাঢ়ি আহিছিল। চৰ্তটো আছিল যে চৰকাৰে নিজৰ ব্যয় কমাব লাগিব আৰু তাৰবাবে চৰকাৰী কৰ্মচাৰীৰ বেতন হ্ৰাস কৰিব লাগিব। কিন্তু হিতে বিপৰীতহে হ'ল। চৰকাৰী ব্যয় কম কৰা কাৰ্যই অৰ্থনৈতিক কাৰ্যকলাপ মন্থৰ কৰি তুলিলে। উল্লেখ্য যে আয় থাকিলেহে মানুহে বজাৰত বস্তু কিনিবলৈ যায় অৰ্থাৎ বস্তুৰ চাহিদা কৰে আৰু বজাৰত গ্ৰাহক থাকিলেহে ব্যৱসায়-বাণিজ্যৰ সম্প্ৰসাৰণ হয়। চৰকাৰী ব্যয় সংকোচনে বজাৰ প্ৰক্ৰিয়া নিস্তেজ কৰি পেলালে। বেহা-বেপাৰত লোকচানৰ উদ্ভৱ হোৱাৰ লগতে বেংকবোৰতো নগদ ধনৰ নাটনি হ'বলৈ ধৰিলে। আয় কমিলেই মানুহৰ জীৱন ধাৰণৰ মানদণ্ড সম্পূৰ্ণ সলনি নহয়, অৰ্থাৎ তললৈ নানামে। সাঁচতীয়া ধনেৰে জীৱন ধাৰণৰ মান অটুট ৰাখিবলৈ যত্নপৰ হয়। সেয়ে মানুহে বেংকৰ পৰা জমা ধন উঠোৱাৰ প্ৰকোপ বাঢ়িল। ইফালে এই লোকচানজনক পৰিস্থিতিত বেংকৰ নিজৰ উপাৰ্জন কমাৰ লগতে ঋণীৰ পৰা ঘূৰাই পাবলগীয়া কিস্তিও নোপোৱা হ'ল। বেংকবিলাকে নগদ ধনৰ সংকটত ভুগিব ধৰিলে। গ্ৰাহকে বিচৰা ধন ঘূৰাই দিব নোৱাৰা হ'ল। ফলত গ্ৰাহকক সন্তুষ্ট কৰিব নোৱাৰাৰ বাবে বেংক বন্ধ কৰি দিব লগীয়া হ'ল। ই বেংক ব্যৱস্থাৰ প্ৰতি জন-আস্থা অৱনমিত কৰিলে। এয়ে আছিল গ্ৰীচৰ অৰ্থ সংকটৰ মূল কথা।

গ্ৰীচক এই সংকটৰ পৰা উদ্ধাৰ কৰিবলৈ ইউৰোপীয় সংঘৰ সদস্য ৰাষ্ট্ৰ আৰু আন্তৰ্জাতিক মুদ্ৰানিধিয়ে অধিক কঠোৰ চৰ্ত সাপেক্ষে অতিৰিক্ত ১৩০ বিলিয়ন ঋণ দিয়াৰ কথাটো বিবেচনা কৰিছে। এই চৰ্ত মানি ল'বলৈ গ্ৰীচৰ জনগণ মান্তি নহয়। যোৱা ৫ জুনত গণভোটৰ জৰিয়তে এই কথা প্ৰকাশ পাইছে। গৰিষ্ঠসংখ্যক জনগণে বিচাৰিছে গ্ৰীচ ইউৰোপীয় সংঘৰ পৰা ওলাই আহক তেতিয়া গ্ৰীচে উমৈহতীয়া মুদ্ৰা ইউৰ' ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে নিজা মুদ্ৰা ড্ৰাকামা প্ৰচলন বৃদ্ধি কৰিব। সংকটৰ পৰা ৰেহাই পাবলৈ একাংশই বিচাৰিছে গ্ৰীচ চৰকাৰে ঘাটি বাজেট পূৰণ কৰিবলৈ ঋণ লোৱাৰ পৰিৱৰ্তে নতুন মুদ্ৰাৰ ছপা কৰক। তেনে কৰিলে গ্ৰীচৰ মুদ্ৰা কমিব অৰ্থাৎ দ্ৰব্য-সামগ্ৰীৰ দৰ বিদেশত কম হ'ব। তেতিয়া ৰপ্তানি বৃদ্ধি পাব আৰু ই দেশখনৰ সংকট ক্ৰমান্বয়ে দূৰ কৰিব। গ্ৰীচৰ বৰ্তমান বিদেশী ঋণ ইয়াৰ জাতীয় আয়ৰ ১৭৭ শতাংশ অৰ্থাৎ প্ৰায় ২২,৮৪,৬০০ টকা (নিযুত হিচাপত)। জনমুৰি বৈদেশিক ঋণ হ'ল ২,০৭,১২৬ টকা। গতিকে সু-পৰিকল্পিত আঁচনি অবিহনে এই ঋণ পৰিশোধ কৰা সম্ভৱ নহ'ব। এই সংকটৰ পৰা মুক্ত হ'বলৈ হয়তো গ্ৰীচক যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব।

গ্ৰীচৰ অৰ্থনৈতিক ঘটনাৱাজি যথেষ্ট গতিশীলতাৰে পৰিৱৰ্তন ঘটা দেখা গৈছে। যিহেতু ৰাজনৈতিক বাতাৱৰণ আৰু পৰিস্থিতিয়েও অৰ্থনৈতিক স্থিৰতাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। গতিকে সময়ে ইয়াৰ বিষয়ে আমাক আৰু অধিক জনাব। সময়েই ক'ব এই বিলাকৰ ফলাফলে কি ৰূপ লয়। সময়েই বিচাৰ কৰিব এই বিলাকৰ শুদ্ধতা-নিৰ্ভুলতা।■

ছাত্ৰ-ছাত্ৰীসকলৰ শিতান —

**চ'ৰাঘৰৰ মেজত**

# য়াকুব মেনন আৰু কিছু বিতৰ্ক

**সমালোচনামূলক**

সত্যজিৎ শইকীয়া
স্নাতক পঞ্চম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

য়াকুব আব্দুল ৰেজ্জাক মেনন। চমুকৈ যাকুব মেনন। পেছাত এজন উচ্চ শিক্ষিত চাৰ্টাত একাউণ্টেত। সমাজৰ চকুত এজন হত্যাকাৰী, এজন অপৰাধী। ১৯৯৩ চনৰ মুম্বাইৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ মূল অভিযুক্ত অপৰাধী। এই বিস্ফোৰণত নিহত হৈছিল ২৫৭ জন নিৰীহ লোকৰ। আৰু আহত হৈছিল ১,৪০০ জন লোকৰ। মুম্বাইবাসীৰ লগতে সমগ্ৰবিশ্বই গৰিহণা দিছিল এই ঘটনাৰ লগত জড়িত ব্যক্তিসকলক। তেওঁলোকক সকলোৱে এটাই প্ৰশ্ন কৰিছিল, কি স্বাৰ্থত হত্যা কৰা হ'ল এই নিৰীহ জীৱনৰ? সন্ত্ৰাসেৰে জানো আদায় কৰিব পাৰে নিজৰ প্ৰাপ্য?

আৰক্ষীৰ প্ৰাথমিক অনুসন্ধানৰ তথ্যত পোহৰলৈ অহা য়াকুব আব্দুল ৰেজ্জাক মেনন তেতিয়াও ঘূৰি ফুৰিছিল মুক্ত আকাশৰ তলত। এচাম লোকে প্ৰাৰ্থনা জনাইছিল ভগৱানৰ ওচৰত আন এচামে প্ৰতিবাদ জনাইছিল আৰক্ষী প্ৰশাসনৰ ওচৰত অতি সোনকালে গ্ৰেপ্তাৰ হওক য়াকুব মেনন আৰু বিস্ফোৰণৰ লগত জড়িত আন অপৰাধীসকল।





এয়া ভগৱানৰ ইচ্ছাই আছিল নে ভাৰতীয় প্ৰশাসনিক ব্যৱস্থাৰ দক্ষতা নাজানো তাৰ কিছুদিনৰ পাছত অৰ্থাৎ ১৯৯৪ চনত নেপালত গ্ৰেপ্তাৰ হয় মুম্বাই বিস্ফোৰণৰ অভিযুক্ত অপৰাধী যাকুব মেনন। যাকুব মেননক লৈ অনা হ'ল ভাৰতলৈ। লগে লগেই য়াকুব মেননৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। আনফাল য়াকুব মেননক লৈ আন অপৰাধী সকলক গ্ৰেপ্তাৰৰ বাবে চলিল আৰক্ষীৰ অভিযান। যাকুব মেননৰ সহযোগিতাত গ্ৰেপ্তাৰ হয় আন ১০ জন লোক।

য়াকুব মেননৰ শুভাকাংক্ষী সকলে দাবী কৰে যে মুম্বাই বিস্ফোৰণৰ লগত তেওঁ কোনোধৰণে জড়িত নহয়। কিয়নো তেওঁলোকৰ মতে য়াকুব মেননৰ বিৰুদ্ধে অনা সকলো অভিযোগ আছিল পৰোক্ষ। মুম্বাই বিস্ফোৰণৰ সৈতে প্ৰত্যক্ষ ভাৱে জড়িত আছিল তেওঁৰ ভ্ৰাতৃ মুস্তাক টাইগাৰ মেনন। তেনেহ'লে য়াকুব মেননক গ্ৰেপ্তাৰ কৰাৰ যুক্তি ক'ত? আনহাতে য়াকুব মেননেও দাবী কৰিছিল যে তেওঁ ভাৰতীয় অনুসন্ধানকাৰী সকলক সহায় কৰিবলৈহে পাকিস্তানৰ পৰা নেপাললৈ পলাই আহিছিল আৰু ভাৰতীয় আৰক্ষীৰ লগত যোগাযোগ কৰিছিল। কিন্তু ভাৰতীয় চোৰাংচোৱাৰ বিশ্বাসঘাতকতাৰ ফলত গ্ৰেপ্তাৰ হয় তেওঁ।

ভাৰত এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ। গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপেই ভাৰত আজি বিশ্বৰ চিনাকী নাম। ঠিক তেনেদৰে ভাৰতৰ ন্যায় পালিকাও সকলোৱে সন্মানীয়। কিন্তু ভাৰতীয় ন্যায়পালিকাও ১৯৯৩ চনৰ মুম্বাই ভয়াৱহ বিস্ফোৰণৰ লগত জড়িত য়াকুব মেননক মৃত্যুদণ্ডতকৈ কম শাস্তি দিয়াৰ কোনো উপাই বিচাৰি পোৱা নাছিল। অৱশেষত য়াকুব মেননৰ বাবে জীয়াই থকাৰ শেষ ভাৰসা হৈ পৰিল ভাৰতীয় ৰাষ্ট্ৰপতি। কিয়নো ন্যায়পালিকাৰ পৰিসীমাৰ বাহিৰতো ভাৰতীয় সংবিধানে ৰাষ্ট্ৰপতিক প্ৰদান কৰিছে ক্ষমাদানৰ চূড়ান্ত ক্ষমতা। কিন্তু ৰাষ্ট্ৰপতিয়েও জানো সহজতে ক্ষমা কৰি দিব পাৰে ২৯৪ জন নিৰীহ লোকৰ জীৱন কাঢ়ি নিয়া এজন অপৰাধীক? অৱশেষত ৰাষ্ট্ৰপতিয়েও নাকচ কৰিছিল য়াকুব মেননৰ ক্ষমা প্ৰাৰ্থনাৰ আবেদন পত্ৰ।

যি কি নহওক য়াকুব মেননৰ মৃত্যুদণ্ড নিশ্চিত হ'ল ৩০-৭-২০১৫ তাৰিখে, অৰ্থাৎ ওপজা দিনৰ দিনাই। অৱশেষত য়াকুব মেননৰ ফাঁচি হ'ল। কিন্তু সকলো জানো সন্তুষ্ট হ'ল? যিদৰে এজন অপৰাধীক শাস্তি দিলে সন্তুষ্ট হয়। য়াকুব মেননৰ শুভাকাংক্ষীসকল সন্তুষ্ট হোৱা নাছিল। তেওঁলোকে আনকি সকলোৱে মান্য, সন্মানীয় ভাৰতীয় ন্যায়পালিকাকো কাৰ্যপালিকাৰ অধীন আৰু ৰাষ্ট্ৰপতিক ভাৰতীয় কাৰ্যপালিকাৰ হাতৰ পুতলা বুলিবলৈ কুণ্ঠাবোধ কৰা নাছিল। সঁচাকৈয়ে ভাৰতীয় ন্যায়পালিকাই বাৰো য়াকুব মেননৰ বিচাৰত কৰবাত ভুল কৰিছিল নেকি? মৃত্যুদণ্ডৰ বিধান খ্ৰীষ্টপূৰ্বৰ সৃষ্ট কৌটিল্যৰ অৰ্থশাস্ত্ৰতো দেখা পোৱা যায়, কিন্তু হাতে-লোটে ধৰা পৰা কিছুমান বিশেষ অপৰাধীৰ ক্ষেত্ৰতহে। কিন্তু য়াকুব মেননৰ ওপৰত অনা সম্পূৰ্ণ অভিযোগ আছিল পৰোক্ষ। তেনেহ'লে ভাৰতীয় ন্যায়পালিকাই নাভাবিলেও ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিশ্চয় এবাৰ ভাবি চোৱাৰ প্ৰয়োজন আছিল। তাতে সমাজৰ সৃষ্টিত মুম্বাই বিস্ফোৰণৰ মূল হোতা য়াকুব মেননৰ ভাতৃ টাইগাৰ মেনন আৰু ডাউদ ইব্ৰাহিমে স্পষ্ট কৰি দিছিল যে মুম্বাই বিস্ফোৰণৰ লগত য়াকুব মেনন জড়িত নহয় তেওঁলোকহে জড়িত। যদি সেয়াই হয় মহাত্মাৰ অহিংসাৰ দেশৰ সন্মানীয় ন্যায়পালিকা আৰু সন্মানীয় ৰাষ্ট্ৰপতি মহোদয়ৰ আস্থা হেৰাই যাব আন হাজাৰজন ষড়যন্ত্ৰৰ বলি হোৱা অপৰাধীৰ। ■

## বিশেষ —

**'অৰণ্য মানৱ' যাদৱ পায়েং**



১৯৬৩ চনত যোৰহাটত ওপজা যাদৱ পায়েঙক 'মোলাই' নামেৰেও জনা যায়। ১৯৮০ চনৰ পৰা বৰ্তমানলৈ অৰণ্য নিৰ্মাণৰ কামত সক্ৰিয় হৈ থকা যাদৱ পায়েং এগৰাকী পৰিৱেশ কৰ্মী। তেওঁ অসমৰ যোৰহাট জিলাৰ ককিলামুখৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ অৰুণা চাপৰিৰ এক বৃহৎ এলেকাত গছ পুলি ৰোপণ কৰি এখন অৰণ্যলৈ ৰূপান্তৰ কৰিছিল। এই ৫৫০ হেক্টৰ অঞ্চল জুৰি থকা এই অৰণ্যখন যাদৱ পায়েঙৰ সন্মানাৰ্থে 'মোলাই কাথনি' নামেৰে নামাকৰণ কৰা হৈছে। অৰুণা চাপৰিতো ব্ৰহ্মপুত্ৰৰ এই বৃহৎ চৰটোৰ দৈৰ্ঘ্য প্ৰায় ২৭ কিঃ মোঃ আৰু বহলাই প্ৰায় ১৫ কিঃমিঃ। ১৯৮০ চনত তেখেতে অৰণ্য সৃষ্টিৰ অভিযান আৰম্ভ কৰে। আজি সেই অৰণ্যত বিভিন্ন প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণী দেখা যায়।

**তাঁৰৰ কিছু কথা ঃ** অৰণ্যতে প্ৰজাঘৰ সাজি পত্নী বিনীতা পায়েং, দুজন পুত্ৰ আৰু এগৰাকী কন্যাৰ সৈতে মিচিং জনগোষ্ঠীয় যাদৱ পায়েঙে বসবাস কৰে। গৰু আৰু ম'হৰ গাখীৰ বিক্ৰী কৰাই তেখেতৰ একমাত্ৰ জিৱীকা। শেহতীয়া সাক্ষাৎকাৰ এটাত তেওঁ কয় যে -- তেওঁৰ প্ৰায় ১০০ টা মান গৰু আৰু ম'হ বাঘে বধ কৰিছে। ইয়াৰ বাবে তেওঁ হাবি-বন ধ্বংস কৰা মানুহকে দোষাৰোপ কৰে।

**পায়েঙলৈ সামাজিক স্বীকৃতি ঃ** ২০১২ চনৰ ২২ এপ্ৰিলৰ দিনা ধৰিত্ৰী দিৱসৰ লগত সংগতি ৰাখি জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগে যাদৱ পায়েঙক সন্মান জনাবলৈ এখন জনসভাৰ আয়োজন কৰে। সেইদিনা তেখেতে বিশ্ববিদ্যালয় চৌহদত প্ৰতীকী ৰূপত পাঁচজোপা বৃক্ষ ৰোপণ কৰে। মেগচেচে বঁটা বিজয়ী, জলমানৱ ৰূপে খ্যাত ৰাজেন্দ্ৰ সিং আৰু জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য সুধীৰ কুমাৰ সোপোৰিয়ে অংশ লোৱা এটা প্ৰশ্নোত্তৰ অনুষ্ঠানত পায়েঙে তেখেতৰ অভিজ্ঞতা বৰ্ণনা কৰে। এই অনুষ্ঠানতে উপাচাৰ্য সোপোৰিয়ে তেখেতক "ভাৰতৰ অৰণ্য মানৱ" (Forest man of India) আখ্যা দিয়ে। ২০১৫ বৰ্ষৰ ৭ এপ্ৰিলত নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে পায়েঙক 'পদ্মশ্ৰী' সন্মান প্ৰদান কৰে।

## চ'ৰাঘৰৰ মেজত

ভ্ৰমণমূলক



# ঐতিহাসিক শিক্ষাৰ ভাণ্ডাৰ বিচাৰি ভ্ৰমণ

প্ৰণালী মৰাণ
স্নাতক প্ৰথম ষাণ্মাসিক (কলা শাখা)

"যদি চাব জানা এই সুন্দৰ জগৎ
শিক্ষাৰ বিষয় পাবা অনেক মহৎ।"

বৰ্তমান যুগত শিক্ষাৰ অবিহনে মানুহৰ জীৱন অৰ্থহীন। শিক্ষা নাথাকিলে আজি যুগত মানুহৰ জীয়াই থকা অস্তিত্বই নোহোৱা হৈ গৈছে। বৰ্তমান বিজ্ঞানৰ যুগৰ শিক্ষাই আগৰ দিনৰ শিক্ষাৰ লগত আকাশ-পাতাল প্ৰভেদৰ সৃষ্টি কৰিছে। আজিৰ দিনত মানুহৰ কেৱল শিক্ষাৰ প্ৰয়োজন হ'ব ধৰিছে। শিক্ষাই যে মানুহক জীয়াই থকা পথ মুকলি কৰি দিছে। এই শিক্ষা আহৰণ কৰিবলৈ আমাৰ বাবে শিক্ষামূলক ভ্ৰমণো খুব প্ৰয়োজন। সেইবাবে আমি বুৰঞ্জীমূলক শিক্ষা আহৰণ অৰ্থে ঐতিহাসিক প্ৰসিদ্ধ ঠাই শিৱসাগৰলৈ গৈছিলোঁ।



বহু আগৰ পৰাই শিৱসাগৰৰ ঐতিহাসিক কীৰ্তি চিহ্নবোৰৰ বিষয়ে জানিবলৈ মোৰ শিৱসাগৰৰ প্ৰতি এক বিশেষ আকৰ্ষণ আছিল। বুৰঞ্জীত পঢ়িবলৈ পাইছোঁ শিৱসাগৰৰ অতীত কাহিনী। তথাপিও নিজ চকুৰে শিৱসাগৰত থকা ৰংঘৰ, তলাতলঘৰ, কাৰেংঘৰ, শিৱদ'ল, জয়দ'ল, জয়সাগৰ, শিৱসাগৰৰ পুখুৰী, চৰাইদেউ আদি বিভিন্ন ঐতিহাসিক কীৰ্তি-চিহ্নবোৰ চোৱাৰ হেঁপাহে মোক বাৰুকৈয়ে আকৰ্ষণ কৰিছিল। এইবোৰৰ বিষয়ে কিতাপ আৰু ডাঙৰ মানুহৰ মুখে শুনিলেই যাবলৈ মন গৈছিল। সৌভাগ্যবশতঃ ২০১৪ চনত এনে এটা দিন আহি পৰিল। এই সুবিধাটো পাই মোৰ গা সাতখন আঠখন লাগিছিল। সদৌ মৰাণ ছাত্ৰ সন্থা, মাকুম শাখা সমিতি তৰফৰ পৰা এই সুবিধাটো পাইছিলোঁ।

শিৱসাগৰলৈ যোৱা আশাৰে আমি সকলোৱে ৭.১১.১৪ তাৰিখে ৰাতিপুৱা ৭.৪০ বজাত শুভ-মংগলে যাত্ৰা আৰম্ভ কৰিলোঁ। যাত্ৰা পথত অলপ সময় ৰৈছোঁ লঘু আহাৰ গ্ৰহণ কৰিছোঁ যদিও আমি শিৱসাগৰ পোৱালৈহে অপেক্ষা কৰিছিলোঁ। ১২.৩০ বজামানত আমি শিৱসাগৰৰ তলাতল ঘৰ গৈ পোৱা পাছত তলাতল ঘৰৰ আগফালে থকা পথাৰখনতেই আমাৰ লগত যোৱা ৰান্ধনি কেইটাই ৰন্ধা-বঢ়া কামত লাগিল আৰু আমি আন কীৰ্তি-চিহ্নবোৰ চাবলৈ গ'লোঁ। এই ১.২০ বজামানত আমি ৰংঘৰত সোমালোঁ। ১৭৪৪-আটক ধুনীয়া ৰংঘৰটো প্ৰমত্ত সিংহই ১৭৪৪-৫১ খ্ৰীষ্টাব্দত দুমহলীয়াকৈ জীৱ-জন্তু আৰু চৰাই-চিৰিকটিৰ যুঁজ লক্ষ্য কৰি আমোদ-প্ৰমোদ লভিবৰ বাবে বনাইছিল। ৰংঘৰৰ শীৰ্ষভাগ দুটা ঘঁৰিয়ালৰ শিল্পৰূপেৰে সুসজ্জিত এখন উভোতা নাওৰ আৰ্হিৰে শোভিত আছিল। এই ঘৰবোৰ আজিৰ দৰে নহয় আহোম ৰজা দিনত এই ঘৰবোৰ ৰঙা মাটি, হাঁহকণী, বৰাচাউল আদিৰে বনাইছিল। হয়তো সেইবাবে এইবোৰ আজিও আগৰদৰেই



আছে। এই সকলো চাই বিদায় লৈ শিৱদ'ল, শিৱসাগৰ পুখুৰী, দেৱী দৌল চাবলৈ ওলালোঁ। শিৱসাগৰ পুখুৰী বহুত ডাঙৰ। এই পুখুৰীটোৰ কাষতে শিৱদৌল আছে। ইয়াৰ পৰিৱেশটো খুব সুন্দৰ আৰু গহীন গম্ভীৰ। তাৰ পাছত জয়দৌল আৰু জয়সাগৰ পুখুৰীটো চাবলৈ গ'লোঁ। এই জয়দৌলটো ৰুদ্ৰ সিংহ ৰজাৰ দিনত ২ বছৰত বনাইছিল আৰু জয়সাগৰ পুখুৰীটো ৪৫ দিনত খান্দি শেষ কৰিছিল বুলি শুনা যায়। ৰুদ্ৰ সিংহ আৰু শিৱ সিংহই মাতৃ জয়মতী স্মৃতিত এই দৌল আৰু পুখুৰীটো খন্দাইছিল । জয়দৌলৰ চাৰিবেৰত বিভিন্ন চিত্ৰ শিল্প পোৱা গৈছে। যেনে বিষ্ণু, গণেশৰ মূৰ্তি, ঘোঁৰা, হাতীৰ যুদ্ধ। মন্দিৰৰ পৰা ইমানতে বিদায় লৈ গড়গাঁওত থকা আহোম বংশৰ ৰজা শুক্লেংমুংঙে ১৫৪০ খ্ৰীষ্টাব্দত শিল আৰু কাঠেৰে নিৰ্মাণ কৰা, কিন্তু পাছত ধ্বংস হোৱাত ৰাজেশ্বৰ সিংহই ১৭৫১-৬৯ চনত সম্পূৰ্ণ কৰা কাৰেংঘৰ চালোঁ। কাৰেংঘৰ চাৰিমহলীয়া আৰু তলৰ পৰা ওপৰলৈ ক্ৰমান্বয়ে সৰু হৈ যোৱা গঢ়ৰ। অতীজৰ প্ৰাসাদটি চৌদিশৰ চাৰি কোণত চাৰিটি প্ৰহৰী কোঠা আছিল। ভিতৰত পোহৰৰ বন্তি বিভিন্ন ধৰণৰ চিত্ৰ আছিল। কাৰেংঘৰৰ একেবাৰে ওপৰত থকা মহলাৰ পৰা চালে গড়গাঁওখন সম্পূৰ্ণভাৱে দেখে বুলি কোৱা হয়। ইমানতে কাৰেংঘৰৰ পৰা বিদায় লৈ অতীতৰ ৰজাদিনীয়া মৈদামবোৰ চোৱা হেঁপাহেৰে চৰাইদেউ পালোঁগৈ। এই মৈদামবোৰ মাটিৰে অৰ্দ্ধ গোলাকৃতিৰ ৰূপ দিয়া হৈছে। ৰাজকীয় ক্ষমতা আৰু মৰ্যাদাৰ ভিত্তিত মৈদামসমূহৰ আকাৰ ডাঙৰ সৰু। মৈদামবোৰ আহোম ৰজা আৰু ৰাজবিষয়া বৰ্গৰ শৱদেহ সৎকাৰ কৰা সমাধিক্ষেত্ৰ। মৈদামবোৰৰ শীৰ্ষ ভাগ ইটাৰে নিৰ্মিত আৰু ইয়াৰ ভেটি অষ্ট কোণীয়া পকীকোণ পদ দেশৰ অন্তৰ্ভুক্ত আৰু মূল প্ৰৱেশদ্বাৰ পশ্চিমলৈ মুকলি কৰা। মৃতদেহসমূহ কাঠৰ বাকচ সদৃশ ৰুঙাদাঙত ৰাজকীয় সন্মান, ধন সম্পত্তি আৰু মৰ্যাদাৰে সৎকাৰ কৰে। ইয়াৰ পিছত পুনৰ তলাতল ঘৰলৈ আহিলো। তলাতল ঘৰ ৰাজেশ্বৰ সিংহই ১৭৫১-৬৯ খ্ৰীষ্টাব্দত শত্ৰু আক্ৰমণৰ পৰা হাত সাৰি থাকিবলৈ বনাইছিল। এই ঘৰটো প্ৰথমে ৭ মহলা আছিল যদিও আমি ৩ মহলাহে দেখিলোঁ। কোৱামতে এই ঘৰটোৰ তলেৰে গৈ থাকিলে কাৰেংঘৰ আৰু দিখৌ নদী পায়। অৱশ্যে বৰ্তমান সেই দিশটো বিশেষ কাৰণত চৰকাৰে বন্ধ কৰি দিয়াৰ বাবে আমি সেয়া চোৱাৰ পৰা বঞ্চিত হ'লোঁ। ঘৰটোৰ ভিতৰখন আন্ধাৰ আৰু জেকা। সময়ৰ অভাৱ হোৱা বাবে চাবলগীয়া আৰু আছিল যদিও আমি উভতি আহিবলৈ সিদ্ধান্ত ল'লোঁ।

তথাপিও মোৰ দীৰ্ঘ দিনীয়া আশা পূৰ হোৱাত মই উৎফুল্লিত হৈ পৰিলোঁ। কেতিয়াও নেদেখা সেই বস্তুবোৰ দেখি মই সঁচাকৈয়ে খুব আনন্দ অনুভৱ কৰিলোঁ। চাবলৈ থাকি যোৱা চিহ্নবোৰ ভৱিষ্যতে চোৱাৰ আশা বুকুত বান্ধি আমি আমাৰ উভতনি যাত্ৰা আৰম্ভ কৰিলোঁ ৫ বজামানত। ৰাতি ৮.৩০ বজামানত আমি আমাৰ ঠাই পালোঁহি। পুনৰ এনেকুৱা এটা ভাল ভ্ৰমণৰ আশাৰে ইমানতে মোৰ শিক্ষামূলক ভ্ৰমণৰ কাহিনী সামৰিলোঁ।■



এইখন ঐতিহাসিক ৰংঘৰ ৰ
১৯০৫চনতে তোলা ফটো ।

চ'ৰাঘৰৰ মেজত

# পতনৰ দিশে গতি কৰা বৰ্তমানৰ যুৱ-প্ৰজন্ম

সামাজিক

ডলী বুঢ়াগোহাঁই
প্ৰাক্তন ছাত্ৰী

এটা জাতি গঠনত যুৱপ্ৰজন্মৰ নৈতিক চৰিত্ৰ বাৰুকৈয়ে গুৰুত্বপূৰ্ণ। যিহেতু আজিৰ যুৱপ্ৰজন্মক সমাজৰ মেৰুদণ্ড বুলি ক'ব পাৰি — কাৰণ এই যুৱ প্ৰজন্মৰ ওপৰতে ভৱিষ্যত সমাজখন অতি নিৰ্ভৰশীল।

এটি শিশু জনম হৈ সামাজিক ৰীতি-নীতি পৰম্পৰা আদিৰ মাজত আবদ্ধ হৈ পৰে। এজন কিশোৰৰ বা যুৱকৰ সমাজখনেই মানসিকতা গঢ় লৈ উঠে। সমাজৰ পৰম্পৰা নীতি আৰু নিজ জাতিৰ প্ৰতি জ্ঞান নথকা এজন কিশোৰে কেতিয়াও এখন দেশৰ নেতৃত্ব বহন কৰিব নোৱাৰে। বৰ্তমান যুগটোক যিহেতু প্ৰতিযোগিতাৰ যুগ বুলি কোৱা হয়। আৰু ইয়াৰ ফলত প্ৰতিযোগিতাত সফলতা লাভ কৰিবলৈ সৎ জ্ঞান বুদ্ধি আদিৰ অৱলম্বন কৰিবলগীয়া হয়। অন্যহাতে সময়ৰ সলনি লগেলগে বৰ্তমান মানুহৰ আশা-আকাংক্ষা, ভোগবিলাস বাঢ়ি আহিছে আৰু এইবোৰক আহৰণ



কৰিবলৈ ধনৰ প্ৰয়োজন আৰু ইয়াৰ ফলত মানুহে নানান ধৰণৰ কু-পন্থা অৱলম্বন কৰিবলৈ ধৰিছে। আৰু সেয়েহে বৰ্তমান সমাজত প্ৰকৃত মানুহৰ সংখ্যা কমি আহিছে। অন্যহাতে পৃথিৱীত সৰহ সংখ্যক মানুহৰ ধনৰ পিছত দৌৰা দেখা গৈছে। বৰ্তমান যুৱপ্ৰজন্মৰ ভৱিষ্যত জীৱন নিজেই ধ্বংসৰ পথলৈ সন্মুখীন হোৱা দেখা যায়। উদাহৰণস্বৰূপে — মাদকদ্ৰব্য সেৱন কৰি ৰাস্তাই-ঘাটে পৰি থকা, বেয়া ব্যৱহাৰ কৰা, য'তে ত'তে সামাজিক কামত লিপ্ত হোৱা। এনেদৰে তেওঁলোকৰ ভৱিষ্যত জীৱন ধ্বংস হৈছে। বৰ্তমান শ্ৰব্য মাধ্যম হিচাপে ব্যৱহাৰ কৰি থকা মবাইলটোৱে বৰ্তমান যুৱপ্ৰজন্মক গ্ৰাস কৰি পেলাইছে। আৰু বৰ্তমান যুৱপ্ৰজন্মই নিজৰ পিতৃ-মাতৃৰ বিৰুদ্ধে গৈ নিজৰ জীৱন ধ্বংস কৰা দেখা গৈছে। ইয়াৰ ফলত পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ বাবে দোমোজাত ভুগিবলগীয়া হৈছে। আৰু এনেদৰে পিতৃ-মাতৃয়ে ভুগিবলগীয়া হোৱা অৱস্থাটো সঁচাকৈ অতি বেদনাদায়ক সেয়ে হয়তো কেতিয়াবা প্ৰশ্ন হয় পিতৃ-মাতৃ, অভিভাৱকৰ প্ৰতি সামান্যতম দায়বদ্ধতা নথকা যুৱকসকলে নিজকে চিনি পাবনে?

সেয়ে আজিৰ যুৱপ্ৰজন্মক এই সমস্যাবোৰৰ পৰা পৰিত্ৰাণ পাবৰ বাবে কিছুমান সংগঠন গঠন কৰা হৈছে, যেনে — মহিলা সমিতি, ছাত্ৰ-সন্থা ইত্যাদি। এই সকলোবোৰ সংগঠন গঠন কৰাৰ লগে লগে তেওঁলোকৰ ওপৰত এই সকলোবোৰ দায়িত্ব আহি পৰে। আৰু এই সংগঠনবোৰ গঠন কৰাৰ ফলত পিতৃ-মাতৃ তথা অভিভাৱকসকলো সমূহীয়া প্ৰচেষ্টা গ্ৰহণ কৰি তেওঁলোকে বিপদে গতি কৰা নিজৰ পুত্ৰ সন্তানক ঘূৰাই আনিবলৈ সক্ষম হ'ব।

অন্যহাতে বৰ্তমান যুৱপ্ৰজন্মৰ ভৱিষ্যত সুন্দৰ হোৱা দেখা যাব আৰু তেওঁলোকৰ লগতে শিশু সকলৰ ভৱিষ্যতো উজ্জ্বল হোৱা দেখা যাব।

সামৰণিত ক'ব পাৰি যে, যিদৰে এটা ঘৰ সাজোঁতে ভেটিটো মজবুত নকৰিলে ঘৰটো খহি পৰা সম্ভাৱনা থাকে ঠিক সেইদৰে দেশৰ ভৱিষ্যতস্বৰূপ যুৱপ্ৰজন্মক আদৰ্শৱান ব্যক্তি হিচাপে গঢ়িব নোৱাৰিলে সমগ্ৰ দেশৰ লগতে সমগ্ৰ সমাজখনো পতনৰ অভিমুখে ধাৱিত হোৱা দেখা যাব। ■







চ'ৰাঘৰৰ মেজত

# অসমৰ লোক-সংস্কৃতিত-'বিশ্বাস'

লোক-সংস্কৃতি

নিবন ডেকা
স্নাতক পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

এইবোৰ বিশ্বাস পৰম্পৰাগত, এইবোৰ বিশ্বাস দৈনন্দিন জীৱনৰ ধূলিৰে ধূসৰিত। অসমৰ লোক-সংস্কৃতিত সৰু-সুৰা অজস্ৰ বিশ্বাসৰ নিজাকৈ মৰ্যাদা আছে, সুকীয়াকৈ সেই বিশ্বাসক ওলগ জনোৱা হয়।

জাতিৰ লোকবিশ্বাসবোৰ প্ৰথমে অন্ধবিশ্বাসৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল যদিও লোক বিশ্বাসবোৰৰ মাজেদিয়েই জাতিটোৰ ধ্যান-ধাৰণা, মানসিকতা, ৰুচি-অভিৰুচি আৰু জাতীয় সংস্কৃতিৰ আভাস পোৱা যায়। সাধাৰণতে বিভিন্ন জনগোষ্ঠীৰ মনত যুগ যুগ ধৰি সঞ্চিত হোৱা অন্ধবিশ্বাস কিছুমানৰ দ্বাৰাই লোকবিশ্বাস কিছুমানৰ জন্ম দিওৱা হয় আৰু অৱশেষত এই লোকবিশ্বাসবোৰেই এটা জাতিৰ এটা সভ্যতাৰ বুৰঞ্জী স্বৰূপ হৈ পৰে।

প্ৰাচীন কালৰ পৰাই অসমীয়া সভ্যতাৰ স'তে বিভিন্ন ধৰ্মবিশ্বাস, ভূত-প্ৰেত, যখ-যখিনী, পিশাচ, বুঢ়া-ডাঙৰীয়া আদিৰ বিশ্বাস জড়িত হৈ আছে। সেয়ে অসমীয়া লোক-সংস্কৃতিৰ প্ৰধান উপাদানসমূহৰ বিশ্লেষণ কৰিবলৈ যাওঁতে জনসাধাৰণৰ ধৰ্ম সম্বন্ধীয় বিশ্বাস আৰু পূজা-পাতল অনুষ্ঠানসমূহৰ বিষয়েও বিচাৰ কৰিব লাগিব। উল্লেখযোগ্য যে গছ, পৰ্বত-পাহাৰ, নদ-নদী, জীৱ-জন্তুৰ পূজা আজিও বিভিন্ন সম্প্ৰদায়ৰ মাজত বহুলভাৱে প্ৰচলিত। অসমীয়া সমাজত অশৰীৰী দেৱ-দেৱীক বিশ্বাস কৰাৰ লগতে জড় বস্তুকো কোনো কোনোৱে দেৱতাৰ প্ৰতীকস্বৰূপে বিশ্বাস কৰি পূজা উপাসনা কৰিছিল। উদাহৰণ স্বৰূপে শিলকো পৱিত্ৰ জ্ঞান কৰি পূজা কৰাৰ কথা উল্লেখ কৰিব পাৰি। আজিও শ খৰি দি বাহিৰে বাহিৰে গা-ধুই চোতালৰ মূৰৰ জুই একুৰাত ভৰি দুখন সেকি শিল এটাৰ ওপৰত ভৰি থোৱা হয়। অৰ্থাৎ শিলত ভৰি দুখন থোৱাৰ লগে লগে মৰাশৰ লগত থকা অশৌচ দূৰ হোৱা বুলি বিশ্বাস কৰা হয়। এই লোকবিশ্বাস প্ৰথম অষ্ট্ৰিকসকলৰ পৰা অহা।

আনহাতে সন্তান জন্ম হোৱাৰ পাছত বাজ ওলোৱা অনুষ্ঠানত পটাগুটি যুঁজোৱা হয়। বিশ্বাস অনুসৰি পটাগুটি যুঁজালে সন্তানসকল অধিক কাৰ্যক্ষম হয়। আঘোণমহীয়া ন-ধানৰ পতান অলপ তিনিমুঠি ন-ধানৰ খেৰেৰে পদূলিমুখত শিলগুটি এটাৰে পতানী দেৱীক পূজা এভাগ দিয়া হয়। পতানী দেৱীক পূজা কৰিলে পাছৰ বছৰ পতান কম হয় বুলি বিশ্বাস। মৃতকক পোতা ঠাইৰ ওপৰত বহুতো জনজাতীয় লোকে থিয় শিল পোতে। অসমীয়া বিবাহ, মৃত্যু, আৰু শপত খোৱা অনুষ্ঠানত শিলৰ ব্যৱহাৰ আছে। এই সকলো বিশ্বাস অষ্ট্ৰিকসকলৰ পৰা অহা।

অসমীয়া সমাজত জীৱ-জন্তু সম্বন্ধীয় বহুবোৰ লোকবিশ্বাস গঢ় লৈ উঠিছিল। প্ৰাচীন যুগৰে পৰা ইজিপ্ত আৰু ভাৰতৰ সকলোতে গৰুক যথেষ্ট সন্মান দিয়া হৈছিল। অসমীয়া সমাজতো বিশেষকৈ





জীৱ-জন্তু, চৰাই-চিৰিকটি, দিন, বাৰ যাত্ৰা গছ-গছনি আৰু অলৌকিক বস্তু সম্পৰ্কীয় ইত্যাদি লোকবিশ্বাসৰ কথা উল্লেখ কৰিছে।

ড° নাৰায়ণ দাসদেৱেও লোকবিশ্বাসক দহটা ভাগত ভগাইছে। তেওঁৰ বিভাগসমূহ হ'ল নিষেধ সম্পৰ্কীয়, আলহী অতিথি আগমন সম্পৰ্কীয়, যাত্ৰা সম্পৰ্কীয়, বৃষ্টি সম্পৰ্কীয়, কৃষি সম্পৰ্কীয়, জন্ম সম্পৰ্কীয়, বিবাহ সম্পৰ্কীয়, মৃত্যু সম্পৰ্কীয়, অংগ-প্ৰত্যংগ সম্পৰ্কীয়।

এনে ধৰণৰ লোকবিশ্বাসবোৰৰ বাস্তৱিক বা বৈজ্ঞানিক সত্যতা আছে নে নাই আজিও জনা হোৱা নাই যদিও এনে বিশ্বাসবোৰেই সামাজিক বান্ধোন কটকটীয়া কৰে আৰু সাংস্কৃতিক বুনিয়াদ এটা গঢ়ি তোলাত সহায় কৰে।

সদৌ শেষত ক'ব পাৰি যে অসমত লোক-সংস্কৃতি এতিয়াও প্ৰাণময় আৰু জীৱন্ত হৈ আছে। প্ৰাচীন সামাজিক প্ৰথা, বিশ্বাস আৰু পূজা-পাতল, ক্ৰিয়া কলাপৰ অজস্ৰ তথ্যপাতি অসমত আজিও আছে। অষ্ট্ৰিক, তিব্বতবৰ্মী আৰু আৰ্য আদি ভাষা ভাষী মানুহৰ সংমিশ্ৰণৰ ফলত ই অধিক জটিল আৰু ৰহস্যময় হৈ পৰিছে। ■


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) বৰদলৈ, নিৰ্মলপ্ৰভা ঃ অসমৰ লোকসংস্কৃতি প্ৰকাশক ঃ বীণা লাইব্ৰেৰী, গুৱাহাটী, পুনঃমুদ্ৰণ ঃ ২০১১, আগষ্ট মাহ।

২) বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমৰ লোক-সংস্কৃতি প্ৰকাশক ঃ বীণা লাইব্ৰেৰী, গুৱাহাটী, অষ্টম প্ৰকাশ ঃ ২০০৫ ছেপ্তেম্বৰ।

৩) শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোক সংস্কৃতিৰ আভাস, প্ৰকাশক ঃ বাণী প্ৰকাশ, পাণবজাৰ, গুৱাহাটী, পঞ্চম প্ৰকাশঃ ২০১১।

৪) মিশ্ৰ, দুলাল (সম্পাদক) ঃ অসম ইয়াৰবুক ২০১১ প্ৰকাশক ঃ শৰাইঘাট প্ৰকাশন, গুৱাহাটী। দশম প্ৰকাশ ঃ জানুৱাৰী ২০১১।

৫) বৰবৰা দাস, ৰূপলেখা (সম্পাদক) ঃ সংস্কৃতি অধ্যয়ন।
সোণোৱাল, পাৰুল (সহযোগী সম্পাঃ) ঃ প্ৰকাশন ঃ কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়। প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১৪।


## বিশেষ ঃ



যশস্বী ঔপন্যাসিক, গল্পকাৰ, নাট্যকাৰ আৰু বোলছবি পৰিচালক ড° ভবেন্দ্ৰ নাথ শইকীয়াদেৱে মৃত্যুৰ কোলাত শুই পৰিছিল ২০০৩ চনত। তেখেতে আঠখন অসমীয়া বোলছবি পৰিচালনা কৰিছিল। ইয়াৰে সাতখন বোলছবিৰ কাৰণে ভাৰত চৰকাৰৰ পৰা তেওঁ 'ৰজত কমল বঁটা' লাভ কৰিছিল। এইজনা মহীৰুহে ১৯৭৬ চনত 'সাহিত্য অকাডেমী বঁটা' আৰু ১৯৯০ চনত 'অসম উপত্যকা সাহিত্য বঁটা'ৰ লগতে 'পদ্মশ্ৰী' সন্মান লাভ কৰিছিল। তেখেতে শিশুসকলৰ মঙ্গলৰ বাবে লোৱা আৰোহণ শীৰ্ষক আঁচনি, শংকৰদেৱৰ কলাক্ষেত্ৰ প্ৰতিষ্ঠাৰ বাবে তেখেতে লোৱা ভূমিকা আদি অসমৰ বাবে গৌৰৱৰ বিষয়। তেখেতৰ সৃষ্টিৰাজিত চকু ফুৰালে পাওঁ (ক) উপন্যাস — আতঙ্কৰ শেষত (১৯৫২), অন্তৰীপ (১৯৮৬), ৰম্যভূমি (১৯৯১)। (খ) নাটক — নীলকণ্ঠ, মহা অৰণ্য, দিনবন্ধু, গহ্বৰ, পাণ্ডুলিপি, আম্ৰপালি, অৰণ্যত গধূলি ইত্যাদি। (গ) চুটিগল্প — প্ৰহৰী (১৯৬৩), সেন্দূৰ (১৯৭১), শৃংখল (১৯৭৫), উপকণ্ঠ (১৯৯১) ইত্যাদি। (ঘ) শিশু সাহিত্য — মৰমৰ দেউতা (১৯৯১), শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট (১৯৯৭), তোমালোকৰ ভাল হওঁক (১৯৯৮) ইত্যাদি। (ঙ) বোলছবি — সন্ধ্যাৰাগ (১৯৭৭), অনিৰ্বাণ (১৯৮১), অগ্নিস্নান (১৯৮৫), কোলাহল (১৯৮৮), সাৰথি (১৯৯২), আৱৰ্তন (১৯৯৪), ইতিহাস (১৯৯৬), কালসন্ধ্যা (হিন্দী)। এইজনা মহান কৰ্মযোগী আলোচনী ফালৰ পৰা শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ।



# ৰৰঘৰৰ মজিয়াত

People talking without speaking
People hearing without listening
People writing songs that
Voices never sing
No wonder they speak of
Sounds of silence...

মানুহে কিবাকিবি কৈ আছে শব্দ নকৰাকৈ।
মানুহে শুনি আছে একো নুবুজাকৈ।
এনে গান লিখি আছে যিবোৰ কেতিয়াও কোনেও নাগায়।
তেওঁলোকে খুব সম্ভৱ নিস্তব্ধতাৰ শব্দৰে কথা কৈ আছে।



বৰঘৰৰ মজিয়াত

# মোৰ মৰমৰ সুবাস তোমাৰ হাঁয়াত..

গল্প–১

চুইটী বৰুৱা
স্নাতক পঞ্চম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

''ৰহিম পেপাৰখন দিলেনে?

নাই ছাৰ, এতিয়ালৈকে অহা নাই। আপোনাৰ চাহ ৰুমলৈকে লৈ আনোনে?

''নাই নালাগে.... হ'ব তুমি যোৱা।''

বিছনাৰ পৰা পামি আহি নীলে আগফালৰ ফুলনিখনৰ ফুলবোৰ হাতেৰে চুই এক মিচিকিয়া হাঁহি মাৰিলে। শীতৰ নিয়ৰৰ টোপালবোৰ ফুলবোৰৰ পাহিত এনেদৰে পৰি আছে যেন হীৰাৰ মুকুতাৰ দৰে জিলিকি আছে। নীলে ফুলনিখনৰ ওচৰতে থকা চকীখনতে বহি পৰিল। খুব ভাল পায় সি এই ফুলবোৰ। কাৰণ এই ফুলবোৰৰ মাজত সি কাৰোবাৰ স্পৰ্শ পায়। এই ফুলবোৰৰ মাজতে সি কাৰোবাৰ এক ছায়া বিচাৰি পায়। কাৰোবাৰ সুবাস বিচাৰি পায় যি সুবাসে তাৰ মনত প্ৰাণৰ সঞ্চাৰ কৰে। সি দুহাত মেলি মাত্ৰ অনুভৱ কৰে কাৰোবাৰ ছায়া, কাৰোবাৰ পৰশ, কাৰোবাৰ স্পৰ্শ.......।



''নীল কাশ্যপ সমাজৰ এক প্ৰতিষ্ঠিত ব্যক্তি। তেওঁ শ্বিলঙৰ এক প্ৰতিষ্ঠিত ব্যৱসায়ী, যাৰ জীৱনত টকা পইচাৰ অভাৱ নাই।'' জীৱনৰ বহু ঘাত–প্ৰতিঘাতৰ পিছত নীলে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

ৰাতিপুৱা নীলে এইদৰে সদায় ফুলনিখনত ক্ষন্তেক সময়ৰ বাবে অকলশৰীয়াকৈ বহে, এইকণ সময় নীলৰ বাবে বৰ প্ৰিয়।

কিন্তু আজি নীলৰ মনত কাৰোবাৰ প্ৰতিচ্ছবিয়ে বাৰে বাৰে আহি খুন্দা মাৰিছে। যাৰ প্ৰতিচ্ছবি সি বহু বছৰৰ পৰাই মনত সাঁচি ৰাখি আহিছে...... এক চঞ্চলা হাঁহিৰ, নীলা দুচকুৰ কাৰোবাৰ ছবি।

সি চকুহাল মুদি দিলে আৰু তাৰ গালত চকুপানীৰ টোপাল পৰি আহিল। কাৰোবাৰ স্পৰ্শ সি অনুভৱ কৰিলে তাৰ কাষত..... সি জানে তাই বিৰিণা........ তাৰ মৰম, ভালপোৱা, তাৰ জীৱন বিৰিণা ......।

কলেজত পঢ়ি থাকোঁতেই লগ পাইছিল সি তাইক। কিন্তু নীলে প্ৰথম বিৰিণাক দেখিছিল যেতিয়া তাই হাই স্কুলত পঢ়ি আছিল। এদিন নীলে লগৰ কেইটাৰ লগত স্কুলৰ পৰা আহোঁতে তাৰ চকুত পৰিছিল সেই চঞ্চলা হাঁহি, নীলা চকুযুৰি। তাৰ কাষেৰে যেতিয়া বিৰিণা আঁতৰি গৈছিল সি এক সুবাস অনুভৱ কৰিছিল। যি সুবাস এতিয়া সি অনুভৱ কৰে, সেই সুবাস মাত্ৰ তাৰ বিৰিণাৰ....।

যেতিয়া নীলে প্ৰথম কলেজত নাম লগালে আৰু প্ৰথম কলেজ যোৱা দিনা সি পুনৰ কলেজত দেখা পালে সেই নীলা চকুযুৰিৰ গৰাকীক। তাৰ মনত এক অনুভূতি জাগ্ৰত হ'ল। এক অচিনাকী অনুভূতি। তিনিচুকীয়া কলেজখনত ইমানবোৰ ছোৱালীৰ মাজত সি মাত্ৰ বিচাৰি ফুৰে সেই নীলা চকুযুৰি চঞ্চলা



মিঠা হাঁহি.... কোন তাই আচলতে...? বহুত জানিবৰ, চিনাকি হ'বৰ মন গ'ল তাৰ। এদিন সি বহুত সাহস গোটাই বিৰিণাক মতাৰ বাবে ৰাতিপুৱাৰ পৰা কলেজৰ গে'টৰ মুখত ৰৈ থাকিল... নাই দহ বাজিবৰ হ'লে তাই অহাই নাই এতিয়ালৈকে।

তেনেতে সি দেখা পালে তাইক। নীল অ'...তাই আহিছে। যেনেকৈ হ'লেও আজি মই তাইৰ নামটো সুধিমেই।......

"শুনাচোন"

পিছফালে ঘূৰি তাই নীলৰ ফালে চাই ক'লে....

বিৰিণা ঃ হয়, মোক মাতিছা?

নীল ঃ মই নীল কাশ্যপ। তোমাৰ নামটো জানিব পাৰোঁনে? মই মানে.....

"মোৰ নাম বিৰিণা বৰুৱা"....

নীল ঃ Thank You...... ক্লাছত তোমাক দেখিছোঁ, চিনাকিহে হোৱা নাছিলোঁ, ভাল লাগিল তোমাক লগ পায়।

বিৰিণা ঃ মোৰো ভাল লাগিল লগ পায়। ক্লাছ আছে নকৰা নেকি? ব'লা যাওঁ।

নীল ঃ কৰিম..... ব'লা....।

এয়াই সিহঁতৰ প্ৰথম চিনাকি। লাহে লাহে সিহঁতৰ মাজত এক গভীৰ বন্ধুত্ব গঢ়ি উঠিল। বিৰিণাৰ বাবে নীল তাইৰ আটাইতকৈ ভাল বন্ধু হৈ পৰিল। সুখ-দুখৰ প্ৰতিটো কথাই তাই নীলৰ লগত চেয়াৰ কৰে। নীলয়ে তাইৰ বন্ধু হিচাপে বিৰিণাক সদায় লগ দি আহিছে সুখ-দুখ প্ৰতিটো মুহূৰ্তত। নীলৰ অন্তৰত বন্ধুত্বৰ উপৰিও বিৰিণাৰ প্ৰতি এক অনুভূতি আছিল। সঁচা প্ৰেমৰ অনুভূতি। যি অনুভূতি সি তাইক প্ৰথম দেখোঁতেই অনুভৱ কৰিছিল। তাইৰ মিঠা হাঁহি। তাইৰ কেতিয়াও শেষ নোহোৱা ফিল্মী দুনিয়াৰ কথাবোৰ, তাইৰ ধেমালী, তাইৰ চকুপানী, তাই খাই ভালপোৱা পোচকা, তাই ভালপোৱা ফুল আৰু সৰু ল'ৰা ছোৱালীবোৰ এই সকলোবোৰৰ প্ৰেমত পৰিছিল নীল। এক বুজাব নোৱাৰা ভাষা, বুজিব নোৱাৰা অনুভূতি আছিল বিৰিণাৰ প্ৰতি নীলৰ মনত।

আৰু এদিন সি তাইক তাৰ মনৰ কথাবোৰ খুলি কৈছিল যে সি বিৰিণাক কিমান ভাল পায়। কিন্তু বিৰিণাই তাক মাথোঁ এটা কথাই কৈছিল "নীল মই নাজানো তোমাৰ প্ৰতি মোৰ প্ৰেমৰ অনুভূতি আছে নে আন কিবা, মই তোমাক মোৰ বন্ধু বুলি ভাবোঁ, মোৰ বহুত ভাল বন্ধু যাক মই হেৰুৱাব নোখোজোঁ। নীল মই মোৰ জীৱনত সপোনত সদায় এজন এনেকুৱা পুৰুষৰ কথা ভাবোঁ যিয়ে মোক বহুত ভাল পোৱাৰ লগতে মোৰ সপোনবোৰ পূৰা কৰিব, মোক একো অভাৱ হ'বলৈ নিদিব।"

নীলই মাত্ৰ তাইৰ ফালে চাই এটা হাঁহি মাৰি ক'লে - "একো নাই বিৰিণা, তুমি মোক কেতিয়াও হেৰুৱাই নিদিবা, যিদিনা বুজিবা মোৰ প্ৰতি তোমাৰ অনুভূতি কি মোক ক'বা, মই শুনিম"....

বহুত দুখ পাইছিল সেইদিনা সি, নীৰৱে চকুপানীও টুকিছিল। তথাপিও আশা কৰিছিল সি এদিন তাই ঘূৰি আহিব।

এনেদৰে দিনবোৰ পাৰ হৈছিল। সিহঁতৰ কলেজৰ দিনবোৰো শেষ হৈছিল, কিন্তু তাৰ আৰু বিৰিণাৰ মাজৰ বন্ধুত্ব আগৰ দৰেই আছিল আৰু তেতিয়াও নীলৰ মনত জীয়াই আছিল বিৰিণাৰ প্ৰতি থকা প্ৰেম। সি সদায় প্ৰতিটো পুৱা এয়াই আশা কৰিছিল যে বিৰিণাই বুজিব তাৰ ভালপোৱাক। কিন্তু কোনোদিন সি বিৰিণাক সোধা নাছিল যে তাই তাক বুজি পালেনে? তাইৰ অনুভৱ কৰিলেনে নীলৰ প্ৰতি তাইৰ কি অনুভূতি? নাই সি নুসুধিলে।

কিন্তু এদিন তাৰ আশাক মোহাৰি গ'ল-যেতিয়া সি বিৰিণাৰ মুখৰ পৰা শুনিবলৈ পালে যে তাইৰ গুৱাহাটীৰ অভিশেষ দত্ত নামৰ ল'ৰাজনৰ লগত বিয়া ঠিক হ'ল।

বিৰিণাৰ মুখৰ পৰা কথাষাৰ শুনাৰ লগে লগে নীলই জীৱনৰ সকলো সুখ হেৰুৱাই পেলাইছিল। সি হেৰুৱাই পেলাইছিল সেই মিঠা, চঞ্চলা হাঁহি, নীলা চকুযুৰিক। বহুত কান্দিছিল তাৰ অন্তৰে। চিঞৰি চিঞৰি তাৰ ক'ব মন গৈছিল বিৰিণাক.... "বিৰিণা, এবাৰ মোৰ দুচকুলৈ চোৱা, এবাৰ মোক সাৱটি ধৰা, এবাৰ তোমাৰ সকলো দুখ মোক দি দিয়া আৰু এবাৰ নিজৰ অন্তৰক সুধি চোৱা তোমাৰ প্ৰতি মোৰ ভালপোৱা কিমান গভীৰ, এবাৰ মোৰ দুবাহুৰ মাজত আহি মোৰ ভালপোৱা অনুভৱ কৰি চোৱা, মোৰ মন, অন্তৰ, মোৰ জীৱন সকলো তোমাৰ বিৰিণা। মোৰ ভালপোৱাই তোমাক সকলো সুখ দিব। মোক এৰি নাযাবা বিৰিণা। মোৰ উশাহবোৰো তোমাৰ নামত"

বহুত ক'বলৈ মন গৈছিল তাৰ, কিন্তু সি একো নক'লে। যেতিয়া সি বিৰিণাৰ মুখত মিঠা হাঁহি দেখা পালে,যেতিয়া অভিশেষৰ বাবে সুখত দেখা পালে ... মাত্ৰ সি বিৰিণাৰ দুহাতত ধৰি ক'লে .... 'তুমি সুখী হোৱা বিৰিণা ..... আৰু তোমাৰ সকলো দুখ মোৰ হওক।"

ইমানে কৈ সি গুছি গ'ল তাৰ পৰা, বিৰিণাৰ জীৱনৰ পৰা, বিৰিণাৰ স্মৃতি বুকুত সামৰি সি তিনিচুকীয়াৰ পৰা শ্বিলঙলৈ গুছি আহিল নিজকে প্ৰতিষ্ঠিত কৰাৰ বাবে।

দুবছৰৰ পিছত সি এদিন ঘৰলৈ আহিল নিজকে মানুহ হিচাপে বিখ্যাত নীল কাশ্যপ নামে প্ৰতিষ্ঠিত কৰি।

এদিন তাৰ ব্যৱসায়িক কামত গুৱাহাটীলৈ যাব লগীয়া হ'ল। নিজৰ ড্ৰাইভাৰক লৈ সি গাড়ীত গুৱাহাটীলৈ গ'ল। সি ভাবিছিল বিৰিণাক এবাৰ যদি লগ পোৱা হ'লে তাই চাগে বহুত সুখত আছে অভিশেষৰ লগত। সি গাড়ীৰ চিটতে মূৰটো আউজি দুচকু মুদি দিলে। বিৰিণাৰ স্মৃতিয়ে আহি তাৰ মনত খেলা কৰিলেহি।

তেনেতে এক প্ৰচণ্ড শব্দত সি সাৰ পাই উঠিল। তাৰ ড্ৰাইভাৰে কাৰোবাক Accident কৰালে ...... লগে লগে সি গাড়ীৰ পৰা নামি গ'ল....... সি আচৰিত হৈ বিৰিণা...বিৰিণা .... বুলি মাতিবলৈ ধৰিলে।

"ড্ৰাইভাৰে এয়া তুমি কি কৰিলা? বিৰিণা উঠা, চকু মেলা"

সি লগে লগে বিৰিণাক হস্পিটেললৈ লৈ আহিল। অলপ সময়ৰ পিছত ডাক্তৰে আহি তাক ক'লে যে "বিৰিণা এতিয়া সংকটমুক্ত আৰু তাইৰ সন্তানটো ঠিকে আছে।"

নীলৰ মনত ভাল লাগিল যে তাই অন্তঃসত্ত্বা। সি ভগৱানক ধন্যবাদ জনালে বিৰিণা আৰু তাইৰ সন্তানক ভালে ৰখাৰ বাবে।

কিছু সময়ৰ পিছত বিৰিণাই চকু মেলি নীলক দেখা পায় আচৰিত হৈ পৰে।

"নীল তুমি? ইয়াত? তাইৰ দুচকুৰে চকুপানী বৈ আহে।

নীল ঃ অ' মই, তুমিহে মোৰ খবৰ নাৰাখা, বিয়া হৈ একেবাৰে মাক হ'বলৈ ওলাইছা, ইমান ভাল খবৰ এটা শুনা পালোঁ, তাৰমানে চঞ্চলা সৰু বিৰিণাজনী এতিয়া বহুত ডাঙৰ হ'ল"...... সি হাঁহি হাঁহি কথাষাৰ ক'লে।

বিৰিণা ঃ কিয়? মই এতিয়াও সৰু হৈ আছিলোঁ বুলি ভাবিছিলা নেকি? এটা মিচিকিয়া হাঁহি মাৰি তাই কথাষাৰ ক'লে ....... সেই একে মিঠা হাঁহি, কিন্তু আজি হাঁহিত চঞ্চলা নাই।

নীল ঃ বিৰিণা ব'লা মই তোমাক ঘৰত থৈ আহোঁগৈ। ডাক্তৰে কৈছে তুমি যাব পাৰিবা।

বিৰিণা ঃ কাৰ ঘৰলৈ যাম? মোৰ কোনো নাই। এইবুলি তাই কান্দিবলৈ ধৰিলে।

নীল আচৰিত হৈ পৰিল.... সি বিৰিণাৰ ওচৰলৈ গৈ সুধিলে..... "বিৰিণা এইবোৰ তুমি কি কৈছা?"

বিৰিণা ঃ সঁচা কথাই কৈছোঁ নীল, মই বৰ অকলশৰীয়া হৈ পৰিলোঁ। জীৱনটোৱে মোৰ লগত বৰ ডাঙৰ প্ৰতাৰণা কৰিলে। ৰঙীন চচমাযোৰে পৃথিৱীখন বৰ ধুনীয়া দেখি নীল, কিন্তু আচলতে..." তাই পুনৰ কান্দি উঠিল.......

মই ভাবিছিলোঁ অভিশেষকৰ লগত মই সুখত থাকিম। মোৰ ৰঙীন সপোনবোৰ মই অভিৰ লগত পূৰা কৰিম বুলি ভাবিছিলোঁ। বহুত আশা সপোন বুকুত বান্ধি তাৰ লগত বিয়াত বহিছিলোঁ, ভাবিছিলোঁ জীৱনৰ প্ৰতিটো মুহূৰ্ত দিন অভিৰ লগত সুখেৰে কটাম, আমাৰ ধুনীয়া সংসাৰ গঢ়িম, কিন্তু......বিয়াৰ কেইমাহমানৰ পিছতে মই অভিৰ আচল ৰূপ দেখা পালোঁ। মোৰ সপোন, আশাবোৰ ভাঙি চূ ৰমাৰ হৈ গৈছিল যেতিয়া মোৰ ওপৰত তাৰ প্ৰতি দিন শাৰীৰিক মানসিক নিৰ্যাতন হ'বলৈ ধৰিল, ৰাতি বহু পৰলৈ যেতিয়া মই অকলে তাৰ বাবে ঘৰত ৰৈ থাকোঁ তেতিয়া সি কোনো আন সুন্দৰী তিৰোতাৰ লগত। দিনত ভদ্ৰতাৰ মুখা পিন্ধা অভিশেষৰ দৰে মানুহবোৰে ৰাতি হ'লে নিজৰ পৰিচয় হেৰুৱাই পেলায়, তথাপি মই সহ্য কৰিছিলোঁ এইবোৰ নীল। তাক ভাল পথত অনাৰ বাবে বহু চেষ্টা কৰিছিলোঁ টকা পইচাৰ মূল্যতকৈ মই তাক প্ৰেম ভালপোৱাৰ মূল্যবোৰ বুজাবলৈ বহুত চেষ্টা কৰিছিলোঁ..... কিন্তু মই হাৰি গ'লোঁ, মই ভাগৰি গ'লোঁ।

"আৰু এদিন সি মই সপোনতো ভাবিব নোৱাৰা কামটো কৰি পেলালে। মোৰ শিৰৰ সেন্দুৰকণ সি আন কাৰোবাৰ শিৰত আঁকি দিলে আৰু তাৰ জীৱনত মোৰ কোনো ঠাই নাই বুলি মোৰ বাবে ঘৰৰ দুৱাৰ চিৰদিনৰ বাবে সি বন্ধ কৰি দিলে। সি এবাৰো নাভাবিলে মোৰ গৰ্ভত থকা তাৰ সন্তানটিৰ কথা"... তাই পুনৰ উচুপি উঠিল।

নীলৰ দুচকুৰে দুধাৰি লোতক বৈ আহিল। কি বুলি সি তাইক সান্ত্বনা দিব। কি বুলি তাইক বুজাব। সি তাইৰ দুচকুৰে বৈ অহা চকুপানীখিনি মুচি ক'লে ..... "তোমাৰ বন্ধু জীয়াই আছে বিৰিণা।"

বিৰিণাই তাৰ দুহাতত ধৰি কান্দি কান্দি ক'লে .... "মোক ক্ষমা কৰি দিবা নীল ... বিলাসিতাৰ মোহত মই কাৰোবাৰ অন্তৰৰ সঁচা অনুভূতিক বুজি নোপোৱাৰ বাবে আজি মোৰ জীৱনটোৱে মোৰ লগত বিশ্বাসঘাতকতা কৰিলে, মই ইয়াৰ যোগ্য নীল .....মই ইয়াৰ যোগ্য।"

"এয়া তুমি কি কৈছা বিৰিণা....। মোক ক্ষমা খোজাৰ কোনো প্ৰয়োজন নাই, তুমি একো ভুল কৰা নাছিলা। তুমিতো কেতিয়াও মোক কোৱাই নাছিলা যে তুমি মোক ভাল পোৱা নে নোপোৱা" ..... গতিকে তুমি নিজক দোষ নিদিবা আৰু দুখ নকৰিবা তুমি মোৰ লগত শ্বিলঙলৈকে ব'লা। মই তোমাক এনেদৰে অকলে এৰিব নোৱাৰোঁ।

বিৰিণা ঃ "নাই নাই নীল মই আৰু কাকো অশান্তি কৰিবলৈ নাযাওঁ, মই পাৰিম জীয়াই থাকিবলৈ অকলে।"

নীল ঃ তুমি নিজৰ বাবে নালাগে বিৰিণা কমচেকম তোমাৰ সন্তানটোৰ কথা ভাবি ব'লা।

গাড়ীৰ পৰা নামি বিৰিণাই দেখে এটা ধুনীয়া বগা অট্টালিকা। সন্মুখত বিভিন্ন ৰঙীন ধুনীয়া ফুলবোৰ..... ফুলবোৰ তাই হাতেৰে চুই এটা মিঠা হাঁহি মাৰে নীলৰ ফালে চাই।

"ব'লা ভিতৰলৈ বিৰিণা।"

বৰঘৰৰ মজিয়াত

# ইউকেলিপটাছৰ আঁৰৰ কথা

গল্প–৩

সুৰম্য গগৈ
স্নাতক পঞ্চম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

অংকিতৰ ভাল টোপনি আহিছিল লগে লগে এটা ভয় লগা সপোনো। সপোনটোৱে যি টোপনি ভাঙিল আৰু নাহিল। ইকাটি–সিকাটি কৰি টোপনি অহাৰ আশাত থাকোঁতেই নামঘৰত বৰকাঁহৰ তালঘোৰ বাজি উঠিল। ৰাতি যে পুৱাল অংকিতৰ বুজিবলৈ বাকী নাথাকিল।

মুখ ধুই বহু দিনৰ মূৰত নিজকে বিচাৰি চালে দাপোণ খনৰ সন্মুখত। মুখখনত এটা কলা আৱৰণ হৈছে। বেলিটো মূৰতে লৈ দুপৰীয়ালৈকে পথাৰত থকা বাবেই কলা পৰিছে মুখখন। খিৰিকীবোৰ খুলি শুকুলা মেঘেৰে আৱৰি থকা আকাশ খনলৈ চালে। অংকিতৰ অন্যতম প্ৰিয় ইউকেলিপটাছ জোপাত এজাক চৰাই পৰিছেহি। শুকান পাতবোৰ সৰি তল ভৰিছে, দৃশ্যটো ভাল লগা বাবেই বহু সময় ৰ' লাগি চাই থাকিল সি...



কালি গ্ৰীষ্ম বন্ধৰ শেষ দিন। সেয়ে ছাত্ৰ ছাত্ৰীবোৰ দূৰণিৰ ঘৰখনৰ পৰা হেঁপাহৰ কলেজখনলৈ উভতি আহিছে, এটা মাহৰ অন্তত কলেজৰ পোছাক যোৱে অংকিতকো ভাল লগা অনুভৱ এটাই আৱৰি ধৰিলে, বেগটো পিঠিত লৈ কলেজৰ সন্মুখত বৈ গ'ল অংকিত, কলেজৰ দেৱালত অঁকা ছবিবোৰে কলেজলৈ নতুনত্ব আনিছে। শ্ৰমিকৰ কাম কৰা সৌন্দৰ্য, মাতৃৰ গৰ্ভত নিভৃত শিশুটি আদিৰে পূৰ্ণ হোৱা দেৱালৰ সকলো ছবিয়ে আপ্লুত কৰিলে অংকিতক। অংকিতৰ প্ৰেমিক বন্ধুবোৰ সোণালী উদ্যানত অনেক আনন্দত মচগুল হৈ আছে।

আন কোনোবাই কলেজৰ চৌহদত এপাক ঘূৰি ছাত্ৰী আৱাসলৈ চকু নিদিয়া নহয়, তাতে নামো নানামোকৈ এজাক কিনকিনীয়া বৰষুণো নামিছে।

ঃ ক্লাছ কৰিবি নে ইয়াত আড্ডাই পাতি থাকিবি।

ঃ ৰ'চোন ইমান দিনৰ মূৰত তাই টোলপৰা গালৰ ধুনীয়া মুখখনি চকু ফুৰাই নগ'লে দিনটোৱেই আধৰুৱা হৈ ৰ'ব।

ঃ হ'ব হ'ব সংলাপ মাতিব নেলাগে, ক্লাছলৈ দেৰি হ'ব। ক্লাছৰ শেষত হেঁপাহ পলোৱাই চাবি।

ঃ এটা কথা কি জান নে? ধুনীয়া ছোৱালীবোৰে এষাৰ মাত নিদিলেওঁ, নেচালেও তথাপি সিহঁতৰ সৌন্দৰ্যতাই জীয়াই থাকিবলৈ উৎসাহ দিয়ে অ'।

ঃ সেয়া নাৰীক দিয়া ভগৱানৰ এক উপহাৰ মোৰ কিন্তু বেছিকৈ মেকআপ



দাঠ কৈ ওঁঠত লিপিষ্টিক লগাই মুখৰ সৌন্দৰ্য হেৰুৱা আৰু প্ৰয়োজনকৈ ওপৰত চুলি বান্ধি অহা ছোৱালীবোৰ চৰিত্ৰহীন যেন লাগে।

কলেজৰ গে'টৰ মুখৰ পৰা ৰাজনীতি বিজ্ঞান বিভাগৰ কোঠাত সুমুৱালৈকে শুনা কথাবোৰ অংকিতৰ মনত খেলি মেলি কৰি থাকিলে ক্লাছতো। ক্লাছৰ শেষত কলেজৰ বাৰাণ্ডাৰ ইমূৰৰ পৰা সিমূৰলৈ নিসংগতাৰে খোজ দিলে, ঘৰলৈ আহি নিশা টোপনি পূৰ্ণ কৰিবলৈ বিছনাত বাগৰি পৰিল।

দুপৰীয়া গুছি আবেলি হ'ল খুলি অংকিতৰ শোৱাৰ কোঠাৰ দুৱাৰ খুলি ঋতুস্মীন সুমাই আহিল। অলপ আগতে অংকিতো টোপনিৰ পৰা জাগিছিল। যদিও টোপনি শেষ হোৱা নাই। সি ফুটা নুফুটাকৈ বহিবলৈ অনুমতি দিলে।

শুনিও নুশুনাৰ দৰে আওকাণ কৰি ধপাত এমলা কোবালে ঋতুস্মীনে, অংকিতো উঠিবলৈ বাধ্য হ'ল।

ঃ ধপাত খাবলৈ শিকা বয়সটো পাৰে কৰিলি। কোনো দিনে নিশিকিলি খাবলৈ, ভৱিষ্যতে শ্ৰম কৰা দেহটোৰ ভাগৰবোৰ দূৰ কৰিবলৈ এই পালিয়েই দৰৱৰ দৰে কাম কৰিব।

ঃ হ'ব দে ধপাত খোৱাবলৈ জ্ঞান দিব নালাগে। কলেজলৈ নাহিলি, ঘৰৰ পৰা কেতিয়া আহিলি?

উত্তৰ শুনিবলৈ বৈ নাথাকিল অংকিত। জলক তভককৈ বাৰ্থ ৰুম পালেগৈ।

পুৱাতে ৰান্ধি থোৱা দালি আৰু মাছৰ আঞ্জাৰে ভাত বাঢ়িল, ঋতুস্মীনৰ খাবলৈ মন নাছিল আৰু অসন্মতো নহয়। অৱশেষত দুয়ো খাবলৈ বহিল।

ঃ বা বঢ়িয়া! ভাল ৰান্ধিছ তোৰ জুতি এবাৰ পালে নেৰিব দেই হঠাতে।

ঃ ইস, কামুৰি থাকিব নেলাগে হ'ব। কাঁহীখন তাতে থ মই ধুম। এইখন ল'....বুলি অংকিতে গামোচাখন আগবঢ়াই দিলে, হাত মুখ মুচি ঋতুস্মীনে ক'লে।

ঃ চাওঁতে চাওঁতে কলেজীয়া দিনবোৰ শেষেই হ'ব এতিয়া।

ঃ মোৰ বাবে নাহক বুলিয়ে ভাৱো কলেজৰ শেষ দিনটো। ব'ল সেই ইউকেলিপটাছ জোপাৰ তলতে বহিম।

ঃ কি কৰিম তাত।

ঃ সেয়া মোৰ অন্যতম প্ৰিয় ঠাই মই কবিতাৰ শব্দ বিচাৰিম।

ঃ আৰু মই কি কৰিম?

ঃ তোৰ তাত কাম নাই বুলিয়েই ভাবিছ যদি ব'ল তই সৰা পাত বোৰকে বোটলিবি।

আমি কি পাতি আছিলোঁ? অংকিতে মনত আওঁৰালে কথাবোৰ পুনৰ।

এৰি অহা দিনবোৰ উপহাৰ দিয়া প্ৰতিটো দিনৰ আৰম্ভণিতে মূলবোৰ আবৃত্তি কৰা কলেজীয়া দিনৰ কথা ঋতুস্মীনে মনত পেলাবলৈ সহজ কৰি দিলে অংকিতক।

ঃ ভুল বুলি জানিও ভুল কৰা বয়সেই এইটো। এই বয়সটো হেৰুৱালেই আমাৰ জীৱনলৈ এটা গধুৰ বোজা আহি পৰিব। সেয়ে মই যে অলপ আগতে কৈছিলোঁ মোৰ বাবে নাহক কলেজৰ শেষ দিনটো।

ঃ কথাবোৰে মোকো ভৱাই নোতোলা নহয়। পাৰোঁ মানে বিদেশী ভাষাৰ দৰে উচ্চাৰণ কৰিছো। জীৱনৰ দিনবোৰ।

ঃ সঁচাই অ', মাৰ কোলাত দোপতদোপে ভৰি হাত মাৰি তলপেটৰ সহিব নোৱাৰা বিষ কৰি দিয়াৰ পাছতো মৰমেৰে বুকুৰ মাজলৈ টানি লোৱা দিনৰ পৰা আইতাৰ হুমুনিয়াহ বোৰ আঙুলিৰ মূৰত মুখ মেলি মেলি গণি থকাবোৰ আকৌ পাবলৈ মন যাই।

ঃ মন গ'লেই সকলো পাব নোৱাৰি, ই অসম্ভৱ আৰু পাব নোৱাৰাবোৰ পাবলৈ চেষ্টা কৰা মানেই সমাজত কলংক অনা। দেখা নাই জানো মন গৈছে বুলিয়ে কিছুমান মানুহে অসামাজিক কাৰ্য কৰি সমাজ ধ্বংস কৰে। মন গ'ল বুলি বন্দুক হাতত লৈ দাদাগিৰি কৰিব। কাম বন নথকা অসভ্যবোৰৰ বাবে ই সম্ভৱ। সিহঁতৰ বাবে অসম্ভৱ বুলি একোৱেই নাই। যিকোনো সম্ভৱ হয়। নকৰিবলগীয়া কামবোৰহে সিহঁতৰ কাম।

সৌ মানুহটো দেখিছ নহয়। কি ভদ্ৰ দেখাত! প্ৰথমতেটো ময়ো ভাবিছিলোঁ ভাল মানুহেই হ'ব। তেখেতৰ বডি লেংগোৱেজেও তেনেকৈ কয়। পিছতহে জানিছোঁ চৰিত্ৰহীন। পেহীৰ ছোৱালী, খুৰাৰ ছোৱালী বুলি কিমানৰ সৈতে যে ঘৰলৈ আনি অবৈধ সম্পৰ্ক কৰে। কিমান যোড়শী গাভৰুৰ বুকুৰ উম লৈ মাজ নিশা দুৱাৰ টুকুৰিয়াই ঘৰত সোমাই। সেইজনেই নে অকল, কিমানৰ মন যায়। বা দিনত সভ্যতাৰ মুখা পিন্ধি ৰাতি....

মই মৰিব নোখোজোঁ বোলা নাৰীয়ে মৰি মৰি বেশ্যা ৰূপ ধাৰণ কৰে, কিন্তু চহৰৰ বদনামী ছোৱালীবোৰৰ গাত কিহৰ ৰাগি আছে।

কথাবোৰ গল্প পঢ়াৰ দৰে কৈ গ'ল ঋতুস্মীনে। অংকিতে বৃদ্ধৰ দৰে হুমুনিয়াহ এটা কাঢ়ি লাহে কৈ কথাষাৰত আন এটা কথা যোৱা দিলে।

সমাজত সমাজৰ সমস্যা বুলি বিশেষ নাই। সকলো ব্যক্তিগত। নিজক নিজে সলনি কৰি শুধৰাই ল'লেই সমাজখন ধুনীয়া হ'ব।

বেলিটো লহিয়াইছে। ইউকেলিপটাছৰ ছাঁটো মাটিত স্পষ্টকৈ পৰিছে। ক্ষন্তেক পিছতে ৰং সলনি হ'ব লগা বেলিটোৰ কিৰণ আহি ঋতুস্মীনৰ মুখত পৰিছেহি।

কথাবোৰ অংকিতক আমনি কৰি থাকিব বুলি কথাৰ সুৰ সলাবলৈ হাঁহি মুখেৰে ঋতুস্মীনে ক'লে।

ঃ মই যাওঁ, এটা কথা মনত ৰাখিবি–জীৱনত যৌৱন বুলি এষাৰ কথা আছে। যৌৱন কিন্তু এবাৰ গ'লে আৰু নেপাবি। থাকোঁতে গাভৰু হৃদয়ৰ আঁৰত জিৰাই ল'।

ঃ হিঃহিঃ শিশু সুলভ মনটোৱে কেতিয়াবাই যৌৱনত ভৰি দিলে। কাৰোবাক ভাল নলগা নহয়। মনটোৱেই আমনি কৰে। তথাপি এইবোৰ কথা বৰ বেছি আশ্ৰয় নিদিওঁ।

মোৰ ঘৰখন গাঁওখন আৰু আপোন আপোন লগা মোৰ সুখত সুখী হোৱা, দুখত দুখী হোৱা মানুহক কিবা এটা দিব পাৰিলেই মই সুখী আৰু একো নেলাগে। কেতিয়াবা নকৰা কামৰ হিচাপ কৰিলে নিজকে বাঘে খোৱাৰ যোগ্য যেনেই লাগে।

ঠিক আছে যা, কাইলৈ কলেজলৈ নহাকৈ নেথাকিবি। ঋতুস্মীন গ'লগৈ। অংকিতে ঋতুস্মীন যোৱাৰ ফালে চাই ৰ'ল আৰু এখোজ দুখোজকৈ নিজৰ কোঠাৰ ফালে আগবাঢ়িল। ■

# প্ৰতিজ্ঞা

গল্প–৪



কাঞ্চন মণি শইকীয়
স্নাতক পঞ্চম ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভা

স্নিগ্ধ জোনাকত নিশা খিৰিকীৰে জিলিকি থকা জোনটিলৈ মেঘ্নাই বৰ আগ্ৰহেৰে চাই আছে। কিজানিবা তাই এটি প্ৰশ্নৰ উত্তৰৰ সঁহাৰি পাবৰ বাবে বৈ আছে। তাই হয়তো ভাবিছে বি.এ. ফৰ্থ চেমিষ্টাৰ পৰীক্ষাৰ ৰিজাল্ট বাৰু কেনেকুৱা হ'ব! এইবাৰো তাই ৭০% পাবনে!!! নে তাইৰ ৰিজাল্ট আৰু ভাল হ'ব। নাই তাই সেইবোৰ একো ভবা নাই। তাই হয়তো বেলেগ কিবাহে ভাবিছে। হঠাৎ তাই অনুভৱ কৰিলে তাইৰ যেন চকুপানী ওলাইছে। কোনোবাই দেখিব বুলি ওচৰতে থকা ফটা কাপোৰখনেৰে লৰালৰিকৈ চকুপানীখিনি মচি দিলে। কিন্তু নাই, তাইৰ আৰু হে দুখ লাগিল।

জীৱনত কেতিয়াও হাৰ নামানো বুলি প্ৰতিজ্ঞা কৰা মেঘ্নাই হয়তো আজি জীৱনৰ ওচৰত হাৰ মানিবলৈ বাধ্য।



তাইৰ এটাই সপোন আছিল যে ৮০% লৈ ভালদৰে ডিগ্ৰী লৈ, এম এ কৰি এগৰাকী সফল আই, এছ, অফিচাৰ হোৱা। তাই বাস কৰা উৰুখা পঁজাটো ভাঙি বিধৱা মাকক এটি দুমহলীয়া ঘৰ উপহাৰ হিচাপে দিয়া। চিৰদিন মাকৰ লগত থাকি মাকক শুশ্ৰূষা কৰা। মাথোঁ এয়াই আছিল এটি সুন্দৰ সপোন। কিন্তু অজানিতে এয়া কি হৈ গ'ল তাই গমকে নাপালে। হয়, তাইৰ বিয়া ঠিক হৈছে। ফৰ্থ ছেমিষ্টাৰ ফাইনেল দি উঠিয়ে আহিল তাইলৈ এই প্ৰস্তাৱ।

তাই বাৰু এতিয়া কি কৰিব ভাবিয়ে পোৱা নাই। তাই মাথোঁ এটি উত্তৰ বিচাৰে।

তাই দেখিলে এটি চাকিৰ পোহৰ তাইৰ কাষলৈ ক্ৰমে আগবাঢ়ি আহি আছে। অ' মা.... তুমি হে। মই আকৌ ধৰিবই পৰা নাছিলোঁ আন্ধাৰত।

মা ঃ- আই তই কি ভাবি আছ' অ' ইমান শান্ত মনে।

মেঘ্না ঃ- (থোকা থুকি মাতেৰে) মা, মই বাৰু সঁচাকৈ তোমাক এৰি গুছি যাব লাগিব নেকি?? তোমাক এৰি মই কেনেকৈ থাকিম মা।

মা ঃ- আই, প্ৰত্যেকজনীৰ ছোৱালীৰ জীৱনত এনে এটা দিন আহে অ'। সেইটোৱে নিয়তিৰ বিধান। ময়ো এদিন মোৰ মাৰ ঘৰখন এৰি তোৰ দেউতাৰ ঘৰত ভৰি দিছিলোঁহি। তয়ো তেনেকৈ এদিন আন এখন ঘৰত বোৱাৰী হিচাপে গৈ সকলোকে আপোন কৰি ল'বই লাগিব।

মোৰ কথা চিন্তা নকৰিবি আই মোৰ নো কি! মইতো এদিন মৰিমেই কিন্তু তোক যদি যতীনৰ দৰে ভাল ল'ৰা এটালৈ বিয়া দিব পাৰোঁ তেন্তে মোৰ বৰ উপকাৰ হ'ব আই।

মাকৰ কথাবিলাক শুনি মেঘ্নাৰ বৰ এটা ভাল নালাগিল। তাইৰ দুখে নালাগিল। বৰঞ্চ তাইৰ মনত কিবা এটা বিস্ফোৰণ হ'বলৈ ধৰিল। তাই ভাবি ধৰিলে কিয় প্ৰত্যেকজনী ছোৱালীয়ে নিজৰ জীৱনটো দান দিবলগীয়া হয়। ছোৱালী এজনীৰ সপোন কিয় নিৰৰ্থক। এজনী ছোৱলী কি অকল সংসাৰৰ বংশ বৃদ্ধি কৰাৰ এটি উৎস নেকি?

এনেবোৰ বহু প্ৰশ্নই তাইৰ মনত উত্তৰ হ'ল। তাইৰ মন অশান্ত হৈ পৰিল। তাই মনতে এটি প্ৰতিজ্ঞা পৰিলে যে আনৰ দৰে তাই কেতিয়াও নিজৰ স্বাধীনতা আন এজন পুৰুষৰ হাতত সঁপি নিদিয়ে। তাই নিজৰ সপোন বাস্তৱত পৰিণত কৰিবই। তাই ভাবিলে যে এই বিয়াত তাই কেতিয়াও সন্মতি নিদিয়ে।

তাই শেষত জোনটিলৈ চাই মিচিকিয়াই হাঁহিলে আৰু ক'লে মই মোৰ প্ৰশ্নৰ উত্তৰটি পালোঁ। ■





# জীৱন দান

গল্প–৫

শুভ্ৰতা দত্ত
স্নাতক পঞ্চম ষাণ্মাসিক
ৰাসায়ন বিজ্ঞান বিভাগ



"বহুত দিনৰ মূৰত এনেদৰে হাতত সময় লৈ বজাৰলৈ বুলি ওলাই অহা হৈছে নহয়নে? ঐ আজি ৰাতিৰ সাঁজ ৰেষ্টোৰাতে খাই যাওঁ ব'ল।"

"সেইবুলি আজিও বিলৰ পইচা আপোনাক ভৰিবলৈ দিয়া নহয় কিন্তু, আগেই কৈ থ'লোঁ।"

কেৰাহিকৈ অঙ্গনালৈ চাই শেৱালিয়ে তাইৰ কথাষাৰৰ সহমত এইবুলি দিলে।

দুয়ো হাঁহি ৰেষ্টোৰাত সোমাই দেখে টেবুল এখনো খালী নাই। দুয়ো ওলাই যাব লওঁতেই মেনেজাৰজনে তেওঁলোকক টেবুল খালী হোৱাৰ কথা জনাবলৈ মাত লগালে আৰু টেবুলখনৰ ওচৰলৈ আগবঢ়াই দিলে। তেনেতে খৰখেদাকৈ টেবুল চাফা কৰি থকা ল'ৰাটোৰ হাতৰ পৰা এটা গিলাচ তলত পৰি টুকুৰা টুকুৰ হ'ল। মেনেজাৰে তাক টানি নি খুব বেয়াকৈ গালি শপনি পাৰিলে। 'ক্ষমা কৰি দিয়ক মোক ছাৰ' –বুলি হাতযোৰ কৰা শান্ত, সৰল যেন লগা সেই কণমানি ল'ৰাটিৰ মুখখন ৰ' লাগি চাই ৰ'ল শেৱালিয়ে আৰু দুচকুত ভাহি আহিল তাইৰ অতীত ........



"নালাগে বুলি কৈছোঁ নহয়, ক'লে বুজি নাপাওঁ মই কি মৰি গৈছোঁ?"

শেৱালিৰ মাকে বাৰে পতি শেৱালিক কৰি থকা প্ৰতিবাদৰ উত্তৰত এইবাৰ অলপ টানকৈয়ে ক'লে।

কিন্তু শেৱালিৰ কি দোষ! বিদ্যালয়ৰ পৰীক্ষাৰ বাবে মাচুল দিব নোৱাৰাত এইবাৰ তাইক পৰীক্ষাত বহিবলৈ দিয়া নহ'ব বুলি কাৰ্যালয়লৈ মাতি প্ৰধান শিক্ষকে সকীয়াই দিছে। বাপেক ঢুকোৱাৰ পিছৰে পৰা ঘৰ–বাৰী খুৰাকহঁতে হাত কৰিলে। মাকে আনৰ ঘৰে ঘৰে কাম কৰি যি দুপইচা পাই, সেয়াৰে দুবেলা দুমুঠি খাবলৈকে কেতিয়াবা নাটে। তেনে ক্ষেত্ৰত মাকক পৰীক্ষাৰ মাচুল দিয়াৰ সময় হোৱাৰ কথা মনত পেলাই দিয়াৰ ইচ্ছা তাইৰ নাই। গতিকে তাই পুনৰ মাকক ক'লে,–

"মা, মই ইতিমধ্যে আমাৰ লগৰ জিলমিলক এই বিষয়ে সুধিছোঁ। তাইৰ দূৰ সম্পৰ্কীয় মামাক মামীয়েক হয়, কিন্তু বৰ মৰমিয়াল। কামৰ বিনিময়ত তেওঁলোকে মোক তেওঁলোকৰ লগতে ৰাখিব আৰু বিদ্যালয়ৰ মাচুলো ভৰিব।"

"বিদ্যালয়ৰ মাচুলো ভৰিব" – যেন এই তিনিটা শব্দহে কেৱল মাকৰ কাণত পৰিল। আৰু হয়তো এই তিনিটা শব্দৰ মিছা কথাৰ আশ্ৰয় ল'বলগীয়া হোৱাত তাই মাকৰ ফালে চাব নোৱাৰা হৈ পৰিছিল। চকুত স্পষ্ট হৈ জিলিকি থকা সেই অসত্যক মচিবলৈকে যেন তাইৰ দুচকু চকুলোৰে ভৰি পৰিছিল।

দিনৰ পিছত দিন পাৰ হ'ল। প্ৰথমে পোৱা মৰমৰ মাতষাৰো তাই সেই ঘৰত যিমান কাম কৰিলেও নোপোৱা হ'ল।

গৰম বন্ধৰ মাহটো তাই ৰাতিটো মাকৰ লগতে থাকিব বুলি জনালে। হঠাৎ মাকৰ টান জ্বৰ হোৱাত বিছনাৰপৰা উঠিব নোৱাৰা হ'ল। গোটেই দিনটো মাকৰ

লগতে পাব হ'ল। পিছদিনা দৰৱ শেষ হোৱা দেখি তাই বন কৰা ঘৰত কিছু পইচা বিচাৰিলে, কিন্তু দুপইচাৰ বাবদ এদিন নহাৰ বাবে কথা শুনিবলগীয়া হ'ল। প্ৰয়োজনৰ মূল বুজি নোপোৱাত তাই খঙত কৰা তৰ্কৰ পৰিণতি হ'ল গালি-শপনি আৰু এষাৰ শেষ কথা – 'তোৰ আৰু কামত অহাৰ দৰকাৰ নাই। তোৰ দৰে আৰু বহুত বন কৰা ছোৱালী পাম।'

হঠাতে যেন সকলো শেষ হৈ গ'ল। অজ্ঞাত ভাৱে আহি পৰি ৰ'ল মাকৰ কাষতে, বিছনাত। ক'ব নোৱাৰাকৈয়ে তাই ইমান দিনে মিছা হাঁহিৰ আশ্ৰয় লৈ কৰি থকা সকলো অভিনয়ৰ কথা মুখৰপৰা ওলাই গ'ল। মাকক সাৱটি এইবাৰ তাই ইমান দিনে চেপি ধৰি থকা সমস্ত ক্ৰন্দন যেন বাহিৰ কৰি পেলালে।

কি হ'ল এয়া ?????

মাকৰ ধপধপনি !!!!!!!!

ক'তা! মাকৰ উশাহৰ উঠা নমাবোৰ তাই অনুভৱ কৰিব পৰা নাই দেখোন! "নাই এয়া হ'ব নোৱাৰে। হ'ব নোৱাৰে এয়া।

মা...............!!!!!!

এক ভয়ানক কান্দোনৰ আৰ্তনাদ!

"শেৱালি, কি চিন্তা কৰি আছ? নক'লি যে কি ল'বি?"

অঙ্গনাই কৰা প্ৰশ্নত তাই যেন বৰ্তমান সময়লৈ ঘূৰি আহিল। খাই বৈ দুয়ো ঘৰলৈ বুলি খোজ ল'লে।

"এতিয়া শোৱাহে কাম।"

অঙ্গনাই ধেমালিৰ সুৰত কথাটো কৈ বিছনাত বাগৰ দিলে। শেৱালিয়ে ইতিমধ্যে অতীতলৈ পুনৰ ঘূৰি গৈছিল। অঙ্গনাৰ কথাষাৰ কাণত পৰাত তাই একো নকৈ কেৱল ভাবিলে, অঙ্গনাক বাইদেউ হিচাপে পাই সঁচাই কি ভাগ্য তাইৰ। অঙ্গনাৰ গাড়ীৰ সন্মুখত পৰি তাইৰ দুৰ্ঘটনাটো নোহোৱা হ'লে তাই হয়তো অঙ্গনাৰ নিচিনা এগৰাকী বাইদেউ কেতিয়াও নাপালেহেঁতেন। নিজৰ ঘৰতে ৰাখি মেট্ৰিক পাছ কৰাৰ পিছত কলেজত নাম লগাই দিয়াৰ পৰা ঘৰৰ ওচৰৰে বিদ্যালয়ত শিক্ষকতাৰ চাকৰিটোত সোমোৱাই দিয়ালৈকে .... কি কৰা নাই তেখেতে? হয়তো ঘৰৰ পৰা দূৰত থাকি কৰিবলগা হোৱা চাকৰিটোৱে অঙ্গনাক সৰুতেই মাক দেউতাকক হেৰুওৱা ছোৱালীজনীৰ দুখ হৃদয়ঙ্গম কৰাইছে। কেনেদৰে শুজিব বাৰু তাই, তেজৰ একো সম্পৰ্ক নথকা সত্বেও তেজৰ সম্পৰ্কতকৈও বহুত বেছি মূল্যৱান এই বায়েক ভনীয়েকৰ সম্পৰ্কই তাইক দিয়া এক নতুন জীৱনৰ দান? ■

## বিশেষ ঃ



**মালালা ইউচুফাজাই ঃ** শান্তিৰ ন'বেল বঁটা প্ৰাপ্তিৰে মালালা ইউচুফাজাই হ'ল বৰ্তমানলৈ বিশ্বৰ কণিষ্ঠতম 'ন'বেল বঁটা' প্ৰাপক। এই কিশোৰী গৰাকীৰ বৰ্তমান বয়স মাত্ৰ ১৮ বছৰ। মাত্ৰ ১১ বছৰ বয়সৰ পৰা মালালাই কন্যা সন্তানৰ শিক্ষা, মহিলাৰ অধিকাৰ আৰু উগ্ৰবাদৰ বিৰুদ্ধে মাত মাতি আহিছে। পাকিস্তানৰ দৰে এখন দেশ য'ত ধৰ্মই প্ৰধান ভূমিকা লয়, য'ত স্ত্ৰী শিক্ষাৰ ওপৰত বাধা আৰোপ কৰা হয়, ধৰ্মৰ দোহাই দি মহিলা-যুৱতীসকলক ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ কৰি ৰখা হয়, তেনে এখন দেশতেই যেন সমাজ-সংস্কাৰৰ বাবেই মালালাৰ জন্ম হয়। প্ৰতি মুহূৰ্ততে সন্ত্ৰাসবাদ আৰু হিংসাই আৱৰি ৰখা দেশখনত এঘাৰ বছৰ বয়সতে ছোৱালীৰ শিক্ষাৰ অধিকাৰকো আৰম্ভ কৰি সমাজৰ বিভিন্ন কথাত মাত মতা কাৰ্যটো সঁচাই বিস্ময়কৰ। মালালাৰ কৰ্মৰ জনপ্ৰিয়তাৰ বাবে তালিবানে হত্যাৰ ভাবুকি দিলে। ২০১২ চনৰ ৯ অক্টোবৰত বিদ্যালয়ত পৰীক্ষা দি স্কুল বাছত উভতি অহাৰ সময়ত সন্ত্ৰাসবাদীয়ে মালালাৰ ওপৰত গুলীবৰ্ষণ কৰে। মূৰত গুলী লগা মালালাৰ প্ৰাথমিক চিকিৎসাৰ অন্তত লণ্ডনলৈ নি তাতে জটিল অস্ত্ৰোপচাৰ কৰা হয়। মালালা জীৱন যুদ্ধত যেন জয়ী হৈ পৰিল। বিশ্বই মালালাক চিনি পালে। মালালাৰ ভাষাত, মালালা আগতকৈয়ো ভয়হীন আৰু শক্তিশালী হ'ল।



বৰঘৰৰ মজিয়াত

গল্প-৬

# গোপনে

TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM

পূজা গগৈ
স্নাতক তৃতীয় ষাণ্মাসিক
দৰ্শন বিভাগ

নিয়ৰৰে ফুল
এপাহ ফুলিল
এপাহ সৰিল কেনি?

ৰেডিঅ'ত বাজি থকা এই গানটো শুনি অনুৰাধা থমকি ৰ'ল। হয় ....... এই গানটোৱে এদিন তাইক মতলীয়া কৰিছিল। তাই কাপোৰ জপা আধাতে এৰি বাৰাণ্ডাত থকা চকীখনত বহি পৰিল। পদূলি মুখত থকা সোণাৰু জোপালৈ চাই চাই তাইৰ মনটো কলেজীয়া দিনবোৰলৈ উৰা মাৰিলে। লাহে লাহে খুলি গ'ল ইখনৰ পিছত সিখন স্মৃতিৰ দুৱাৰ।

সেই দিনা আছিল ১৬ জুলাই। অনুৰাধাৰ কলেজত প্ৰথম দিন। তাই উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ স্নাতক প্ৰথম বৰ্ষত নামভৰ্ত্তি কৰিছিল। কান্ধত বেগটো লৈ এখোজ দুখোজকৈ তাই কলেজলৈ সোমাই আহিল। তাই লাজ লাজ কৈ শ্ৰেণীকোঠাত প্ৰৱেশ কৰিলে। তাই শেষৰ ফালে থকা খালী চিটটোত বহি পৰিল। সকলো ল'ৰা-ছোৱালী নতুন পৰিৱেশত নতুন নতুন বন্ধুৰ সৈতে কথাত মচগুল। তাই নীৰৱে সকলো নিৰীক্ষণ কৰি থাকিল। অনুৰাধা এজনী শান্ত, নম্ৰ আৰু ভদ্ৰ ছোৱালী। তাই সকলোকে মৰম কৰে। তাই কেতিয়াও আনক দুখলগাকৈ কথা নকয়, তাই আনৰ দুখত দুখী আৰু আনৰ সুখত সুখী হ'ব পাৰে। মাক-দেউতাকৰ অতি মৰমৰ। অনুৰাধা দেখিবলৈ বহুত ধুনীয়া। তাইৰ ডালিম গুটীয়া দাঁতৰ মাজৰ হাঁহিটো দেখি বহুতো ল'ৰাই তাইক প্ৰেমৰ প্ৰস্তাৱ দিয়ে। কিন্তু তাই এই ক্ষেত্ৰত নিৰ্বিকাৰ। অতি কৌশলেৰে কোনেও বেয়া নোপোৱাকৈ তাই প্ৰেমৰ প্ৰস্তাৱবোৰ প্ৰত্যাখ্যান কৰে।



এটা ক্লাছ তেনেকৈয়ে পাৰ হৈ গ'ল। আজি আৰু ক্লাছ নহ'ব বুলি ছোৱালী এজনীয়ে তাইক ক'লে। তাইৰ নাম মেঘালী। মেঘালী অনুৰাধাৰ একেবাৰে বিপৰীত। খুব স্ফূৰ্তি কৰা ছোৱালী তাই। প্ৰথম লগ পাওঁতেই অনুৰাধাৰ তাইক ভাল লাগিল। লাহে লাহে দুয়োজনী ভাল বান্ধৱী হৈ পৰিল।

নৱাগত আদৰণি সভাৰ দিনাখন অনুৰাধা আৰু মেঘালী খৰখেদাকৈ কলেজলৈ আহিল। দুয়োৰে খুব আনন্দ। ইতিমধ্যে সভা আৰম্ভ হৈছিল তেওঁলোকে কলেজৰ প্ৰেক্ষাগৃহলৈ আহি থাকোঁতে কোনোবাই মাইকত নিয়ৰৰে ফুল ....... এই গানটো গোৱা সিহঁতে শুনিবলৈ পালে। কোনে গাইছে বুলি ভাবি ভিৰ ফালি দুয়োজনী আগবাঢ়ি আহিল। ল'ৰাজনে গীটাৰ এখন লৈ গানটো গাই আছে। গানটো শুনি অনুৰাধা ভাবুক হৈ পৰিল। ইতিমধ্যে ল'ৰাজনে গানটো গাই শেষ কৰিলে। কিন্তু অনুৰাধা থমকি ৰ'ল। সময়বোৰ যেন ৰৈ যাওক -এয়ে তাইৰ কামনা। প্ৰথম দৃষ্টিতে ল'ৰাটোৰ শিশুসুলভ কমনীয়তাই তাইক মোহিত কৰিছিল। সেইদিনাৰ পৰা তাই সদায় আনন্দ মনে কলেজলৈ আহিছিল। কেৱল তাক চাবলৈ তাই গোটেই কলেজখনত ঘূৰি ফুৰিছিল। তাইৰ লগত ঘূৰি ঘূৰি মেঘালী ভাগৰি গৈছিল। কিন্তু ল'ৰাটোৰ নাম অনুৰাধাই জনা নাছিল। সি কোন শ্ৰেণীত পঢ়ে সেয়াও নাজানে। মাথোঁ



তাক এপলক দৃষ্টিৰে চাই থাকে।

অৰ্ণৱ.... নামটো মেঘালীয়ে কেনেবাকৈ গম পাই অনুৰাধাক ক'লে। অনুৰাধাৰ অৰ্ণৱ। মেঘালীয়ে তাইক জোকালে। লাহে লাহে তাই তাৰ বিষয়ে সকলো গম পালে। তাৰ এইবছৰ শেষ বছৰ অৰ্থাৎ এইবাৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ। তাই ক্লাছৰ পৰা ওলাই আহোঁতে বাটত তাক লগ পাই আৰু তাৰ কাষেদি পাৰ হৈ যাওঁতে তাইৰ মনত এক অবুজ শিহৰণৰ সৃষ্টি হয়। এই অনুভূতি এই শিহৰণ তাইৰ বাবে নতুন। এয়াই নেকি প্ৰেম? হয়, অনু এয়াই প্ৰেম বুলি মেঘালীয়ে হাঁহি হাঁহি ক'লে।

এনেদৰে দিন, মাহ, বছৰ পাৰ হৈ গ'ল। তাই কিন্তু মনৰ কথা কেতিয়াও তাক খুলি নক'লে। কেৱল তাক চাই চাই সময় পাৰ কৰিলে। ইতিমধ্যে বছৰটোৰ শেষ হওঁ হওঁ। মেঘালীয়ে অনুৰাধাক বুজাইছে যে এতিয়াচোন সি যাবগৈ। কলেজ এৰি আন ক'ৰবালৈ। তুমি তাক নোকোৱা নেকি মনৰ কথা। চাই থাকোঁতেই বছৰটো পাৰ হৈ গ'ল। পিছলৈ অনুতাপ কৰাতকৈ এতিয়াই কৈ দিয়া। কিন্তু অনুৰাধাই নক'লে। তাই নীৰৱে থাকিল। সি এদিন গুছি গ'ল। তাই থাকি গ'ল। সৰা পাতখিলাৰ দৰে। তাই অন্তৰত বেজাৰ লৈ এদিন কলেজীয়া দিন শেষ কৰি গুছি গ'ল। কলেজীয়া দিনৰ স্মৃতিবোৰ লৈ তাই জীৱনত আগবাঢ়ি গ'ল।

অনু ক'লৈ গ'লি। কাপোৰ আধা জপাতে থাকিল যে। গৈছোঁ মা। মাকৰ মাতত তাইৰ সম্বিত ঘূৰি আহিল। প্ৰথম প্ৰেমৰ অনুভৱেৰে জীপাল হৈ পৰিল তাইৰ মন। সোণাৰু জোপাত দুটা ভাটৌ চৰাইক দেখি তাইৰ মন আনন্দত ভৰি পৰিল। ৰেডিঅ'ত তেতিয়াও বাজি আছিল তাইৰ নীৰৱ প্ৰেমৰ সাক্ষী সেই গীতটো - নিয়ৰৰে ফুল.......... ■

## বিশেষ —

**পৃথিৱীৰ হাওঁফাওঁ —আমাজান বৰ্ষাৰণ্য**

পৃথিৱীৰ বৃহৎ নদী আমাজানৰ অৱবাহিকাত অৱস্থিত এই বৰ্ষাৰণ্য দক্ষিণ আমেৰিকা মহাদেশৰ ব্ৰাজিলৰ ৬০ শতাংশ অঞ্চল, পেৰুৰ ১৩ শতাংশ, ক'ল'ম্বিয়াৰ ১০ শতাংশ আৰু ইকুৱেডৰ, ভেনিজুৱেলা, ব'লিভিয়া, গুৱেনা, চুৰিনাম আদি দেশৰ কিছু অংশ সামৰি সৃষ্টি হৈছে। আমাজান বৰ্ষাৰণ্যক ধৰিত্ৰীৰ হাওঁফাওঁ বুলি কোৱাৰ কাৰণ হ'ল, বিশ্বৰ প্ৰাণীকূলৰ বাবে প্ৰয়োজনীয় সৰ্বমুঠ অক্সিজেনৰ প্ৰায় ১০ শতাংশই এই আমাজান বৰ্ষাৰণ্যই অকলে যোগান ধৰি আহিছে। আমাজান বৰ্ষাৰণ্যক অনুভূমিকভাৱে চাৰিটা অংশত ভাগ কৰা হৈছে।

১। উত্থিত বা উদিত অঞ্চল ঃ এইটো হৈছে আমাজান বৰ্ষাৰণ্যৰ সৰ্ব্বোচ্চ অঞ্চল আৰু এই অংশত কমেও ২০০ ফুট ওখ গছবোৰ অন্যতম। উদাহৰণ হ'ল কেপক গছ, যাৰ প্ৰচুৰ অৰ্থনৈতিক চাহিদা আছে। ঈগল আৰু ভাটৌকে ধৰি বিভিন্ন প্ৰকাৰৰ চৰাইৰ আবাসস্থলী ইয়াত দেখিবলৈ পোৱা যায়।

২। কেন'পি অঞ্চল বা দ্বিতীয় অঞ্চল ঃ কেন'পি অঞ্চল আমাজান বৰ্ষাৰণ্যৰ দ্বিতীয় তৰপ আৰু ই এটি প্ৰাথমিক তৰপ যিয়ে বৰ্ষাৰণ্যখনৰ ওপৰত চন্দ্ৰতাপৰ দৰে কাম কৰি আহিছে। বৰ্ষাৰণ্যখনৰ জীৱ-জগতৰ ৭০ ৰ পৰা ৯০ শতাংশ জীৱৰ আৱাসস্থল এই অঞ্চলত বিদ্যমান। এই অঞ্চলতেই বিভিন্ন ভাটৌজাতীয় চৰাই আৰু বিভিন্ন প্ৰজাতিৰ বান্দৰৰ লগতে ভিন ভিন প্ৰজাতিৰ চৰাই তথা আন জীৱৰ আবাসস্থল দেখিবলৈ পোৱা যায়। তাৰোপৰি এই অঞ্চলৰ গছ-গছনিৰ ঘন গছ পাতবোৰে অৰণ্যখনিত এখন চন্দ্ৰতাপৰ দৰে কাম কৰি অহাৰ লগতে সালোক সংশ্লেষণৰ দ্বাৰা সূৰ্যৰ ৰশ্মিক শক্তিলৈ পৰিৱৰ্তন ঘটাই এই বৰ্ষাৰণ্যখনিৰ বাবে প্ৰয়োজনীয় শক্তিৰ চাহিদা পূৰাই আহিছে।

৩। আণ্ডাৰষ্টৰি বা তৃতীয় তৰপ ঃ মাত্ৰ ২ ৰ পৰা ১৫ শতাংশ সূৰ্য্যৰ পোহৰে চুম্বন যাঁচা এইটো অংশৰ গছ-পাতবোৰে সূৰ্য্যৰ পোহৰ পৰ্যাপ্ত পৰিমাণে পাবলৈ যথেষ্ট ডাঙৰ আকাৰ লয়। এই তৰপটো বিভিন্ন প্ৰকাৰৰ শেলাই, ভেঁকুৰ, অৰ্কিড আদিৰ অন্যতম আবাসস্থল।

৪। বৰ্ষাৰণ্যৰ মজিয়া তথা চতুৰ্থ তৰপ ঃ মাত্ৰ দুই শতাংশতকৈও কম সূৰ্য্যৰ পোহৰে স্পৰ্শ কৰা এইয়া যেন অন্ধকাৰ অঞ্চল। সূৰ্য্যৰ পোহৰৰ পৰিমাণ নিচেই কম হোৱাৰ হেতুকে এই অংশত মৃত জীৱ-জন্তু তথা গছ-পাত, ফল-মূল আদিৰ পচন যথেষ্ট দ্ৰুতগতিত সম্পন্ন হয়।

আমাজান বৰ্ষাৰণ্যৰ বিষয়ে কৈ যেন অন্ত কৰিব নোৱাৰি। এই বৰ্ষাৰণ্যৰ প্ৰকৃতিৰ নৈসৰ্গিক শোভা তথা ঘন বনাঞ্চলৰ সৈতে বিভিন্ন ৰহস্যময় জীৱ-জন্তুক লৈ যেন আজিও আধুনিক বিশ্বত ৰহস্যৰ অৱসান নাই। আজিও যেন আমাজান বৰ্ষাৰণ্যৰ বুকুত আৱদ্ধ ৰহস্যৰ কুঁহেলিকা ভাঙিবলৈ অদ্যপী বহুদূৰ বাকী। ৰহস্যময় জীৱ-জন্তু তথা ইয়াৰ আদিবাসীসকলক লৈ হলিউডে ইতিপূৰ্ব কেইবাখনো জনপ্ৰিয় কথাছবি নিৰ্মাণ কৰি উলিয়াইছে। আনাকোণ্ডা, কিং কং আদি কেইখনমান উদাহৰণহে মাত্ৰ। ভবা হৈছে যে ইয়াৰ অনাবিস্কৃত বহুতো উদ্ভিদৰ মাজতেই যেন লুকাই আছে আজিৰ মানৱ সমাজৰ বাবে প্ৰয়োজনীয় বহুতো মূল্যৱান দৰবৰ প্ৰয়োজনীয় উপাদান।





**বৰঘৰৰ মজিয়াত**

পৰিস্মিতা মৰাণ
স্নাতক প্ৰথম বৰ্ষ

গল্প-৭



# প্ৰেম বিচ্ছেদ

চাৰিওফালে গভীৰতাৰে ভৰা নিজান নিস্তব্ধ এটা সেউজীয়া পৰিৱেশ। এটা শান্তিৰ সুস্থিৰ পৰিৱেশ। তেনে এটা পৰিৱেশতেই প্ৰিয়াঙ্কীৰ ঘৰ। হেমন্ত গোহাঁই আৰু ৰূপৱতী গোহাঁইৰ একমাত্ৰ জীয়ৰী প্ৰিয়াঙ্কী। প্ৰিয়াঙ্কীহঁতৰ গাওঁখনৰ নাম আছিল তৰানি পথাৰ। প্ৰিয়াঙ্কীৰ ঘৰত মাক-দেউতাক তিনিজন ককায়েক আৰু তাই। তাই সকলোৰে অতি মৰমৰ আছিল। সকলোৱে অতি মৰমিয়াল আছিল। তাইৰ ককায়েকহঁতে অতি সুখ্যাতিৰে সকলোবোৰ পৰীক্ষাত উত্তীৰ্ণ হৈ গৈছিল। এদিন দুদিন কৰি তায়ো এটা সময়ত ককায়েকহঁতৰ দৰে হাইস্কুল



শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ল। কেইদিনমানৰ পাছত ৰিজাল্ট আহিল। তাইৰ ঘৰখনে যিমান আশা কৰিছিল আৰু নিজেও যিমান আশা কৰিছিল সিমান ভাল ফলাফল দেখুৱাব নোৱাৰিলে। দ্বিতীয় বিভাগত অসমীয়া বিষয়টোত লেটাৰসহ উত্তীৰ্ণ হ'ল। তাই পঢ়িবলৈ বুলি মহাবিদ্যালয়লৈ ৰাওনা হ'ল। উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষ ভালদৰেই পাৰ হ'ল লগৰ বন্ধু-বান্ধৱীৰ সৈতে। পৰীক্ষাতো ভালদৰেই উত্তীৰ্ণ হ'ল। দ্বিতীয় বৰ্ষটোত তাই পঢ়ি থকা অৱস্থাত এজন ল'ৰাৰ সৈতে চিনাকি হ'ল। তাই আনৰ মুখত ডাঙৰসকলৰ মুখত শুনিছে মোবাইলে কিছু মানক ভাল পথ দেখুৱাই আৰু কিছুমানক অসৎ পথ দেখুৱায়। সেইটো ব্যৱহাৰ কৰোঁতাৰ ওপৰত নিৰ্ভৰ কৰিব। তাইৰ ক্ষেত্ৰতো ঠিক তেনেকুৱাই হ'ল। তাই সৎ পথটো বাদ দি অসৎ পথটো বাছি ল'লে। তাই ল'ৰাজনৰ সৈতে বন্ধুত্ব স্থাপন কৰিলে। আৰু বন্ধুত্বৰ কিছুদিনৰ পিছত ঘনিষ্ঠ হ'বলৈ ধৰিলে। বন্ধুত্বৰ সম্পৰ্কই প্ৰেমলৈ সলনি হ'ল। মাকহঁতেও লক্ষ্য কৰিলে প্ৰিয়াঙ্কী সলনি হোৱাটো। তাই প্ৰেমিকজনৰ প্ৰতি অত্যন্ত আকৰ্ষিত হ'বলৈ ধৰিলে। আৰু এনেদৰে দিনবোৰ গৈ কেতিয়ানো হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা আহি হাজিৰ হ'লহি তাই গমকে নাপালে। পৰীক্ষাত অৱতীৰ্ণ হ'ল আৰু ফলাফলো ওলাল। তাৰ পিছত তাইৰ জীৱনলৈ সম্পূৰ্ণ পৰিৱৰ্তন আহিল। তাই সেই সময়ত প্ৰেমিকজনৰ সৈতে বিচ্ছেদ ঘটিল। আৰু এই বিচ্ছেদে তাইৰ জীৱনৰ সকলোবোৰ কল্পনা, লক্ষ্য সকলোবোৰ চূৰমাৰ কৰি পেলালে। কেতিয়াবা ভাব হয় তাইৰ এটা অৰ্থহীন জীৱন লৈ জীয়াই থাকিনো কি লাভ? আৰু কিমান যে কল্পনা কৰিছিল। তাই এবাৰলৈও ভাবিবলৈ আহৰি পোৱা নাছিল যে কেতিয়াবা তাই তেওঁক হেৰুৱাব লাগিব। তাই উপলব্ধি কৰিব পাৰে হেৰুৱাৰ দুখ কিমান? তাই হাইস্কুলত পঢ়ি থকা অৱস্থাতে দেউতাকক হেৰুৱাইছিল। সেই সময়ত তাই ভাঙি পৰিছিল যদিও মাক ককায়েকৰ উপস্থিতিয়ে সেই অভাৱ পূৰণ কৰিছিল। আকৌ দ্বিতীয়বাৰৰ বাবে তাই আঘাত পাব কল্পনাৰো অতীত আছিল আৰু তাই সেই বেদনা সহ্য কৰিব পৰা নাছিল। তাই একোতে মন নবহা হ'ল। অনবৰতে হকে-বিহকে চিন্তা কৰিবলৈ ধৰিলে। তাই ভাৱে মানুহ মানুহৰ প্ৰতি

ইমান নিৰ্দয় কিয়? তাই লগত যদি তেওঁ আগুৱাবই ইচ্ছা কৰা নাছিল কিয় তেওঁ মিছা আশা দি ভুৱা প্ৰেমৰ অভিনয় কৰিছিল। তাই জীৱনটোক লৈ হেতালি খেলিছিল। এই কথাটোৱে তাইৰ মনত দকৈ আঘাত হানিছিল। এনেদৰেই তাই মনত অনবৰতে দুখৰ বোজা লৈ দিনবোৰ পাৰ কৰিলে আৰু এটা কথাকে ভাবি ভাবি ভাগৰি পৰিল। প্ৰিয়াক্ষী বৰ্তমান স্নাতক মহলাৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী। তাই পঢ়াৰ সজাগতা আছে যদিও কিছুমান অদৰকাৰী চিন্তা ভাৱনাই তাইক দোমোজাত পেলাইছিল। তাই কেতিয়াবা অনুভৱ হয় যি সপোন কেতিয়াও বাস্তৱতাৰ সন্মুখীন নহয় তেনেকুৱা সপোন কিয় আহে? যাক পাবই নোৱাৰি ভগৱানে তাৰ স'তে কিয় লগ লগাই দিয়ে? ইমান নিষ্ঠুৰ হ'ব পাৰেনে ভগৱান তাইৰ প্ৰতি? তাই কেতিয়াবা এই সংসাৰৰ পৰা আঁতৰি যোৱাৰ প্ৰবল হেঁপাহ জাগে। সকলোবোৰ এফালৰ পৰা হেৰাই গৈছে তাইৰ। ভাঙি চুৰমাৰ হৈ গ'ল তাইৰ কল্পনাৰ কাৰেং। আৰু যেতিয়া তাই লগৰ লগৰীয়াৰ সৈতে সময়বোৰ পাৰ কৰিলে তাই সকলোবোৰ দুখ প্ৰকাশ কৰিলে ঠিক তেনেদৰে সিহঁতেও নিজৰ বিষয়ে জনালে তাইক। তেতিয়াহে তাই উপলব্ধি কৰিলে দুখ অকল তাইৰে নহয়। বহুতৰে আছে বেদনা। এটা সময়ত তাই দুখ দিওঁতাক অভিশাপ দিছিলে যদিও এতিয়া তাই তেওঁৰ মংগল কামনা কৰে। কাৰণ তেওঁৰ প্ৰতি তাই ভালপোৱা গভীৰ আৰু স্বচ্ছ আছিল। আৰু ভালপোৱা জনৰ প্ৰতি সদায় ভালপোৱা থাকিব লাগে যি ভালপোৱাৰ কেতিয়াও অন্তিম পৰ্যায় নাথাকে বুলি তাই উপলব্ধি কৰিলে। কাৰণ ভালপোৱাজনৰ সুখেই তাইৰ সুখ। তেওঁৰ আনন্দ দেখি তায়ো আনন্দিত হ'ব পাৰিব। তাই নিজকে এতিয়া দুখী অনুভৱ নকৰে। অকলশৰীয়া হ'লেও তাই এতিয়া বহুত সুখী। শেষত তাইৰ মনত এক নতুন চিন্তা ভাৱনাৰ উদয় হ'ব ধৰিলে। কাৰোৰে প্ৰতি মনত ভেদ ভাব নাৰাখি পুনৰ সুন্দৰকৈ নতুন জীৱন গঢ়াৰ সিদ্ধান্ত ল'লে আৰু বৰ্তমানৰ সময়ত তাই বেয়া ভাৱনাবোৰ বাদ দি নতুনৰ উন্মেষ ঘটোৱাৰ বাবে প্ৰাণভৰি চেষ্টা কৰিলে। আৰু সকলোবোৰ কৰ্ম নিয়াৰিকৈ কৰি গ'ল। বৰ্তমান যথেষ্ট পৰিৱৰ্তনেৰে তাই নিজকে সুখী আৰু সলনি হোৱা যেন অনুভৱ হ'ল। আৰু তাই ভবামতে সকলোবোৰ কাম সফলতাৰ দিশে আগুৱাই গ'ল। ■

## বিশেষ ঃ

"যেতিয়াই দুখ বা বিপদত পৰা, তেতিয়া এটা কথা মনত পেলাবা যে দুখ বা বিপদ কেৱল তোমালৈকে অহা নাই। তোমাতকৈ বহু বেছি দুৰ্ভগীয়া কোটি কোটি মানুহ আছে যিবোৰে দুখৰ সাগৰত কক্‌বকাই পাৰ পোৱা নাই। সিহঁতৰ দুখৰ লগত নিজৰ দুখ বিজাই চালেই তুমি নিজকে খুব ভাগ্যবান বুলি ভাবিব পাৰিবা আৰু মনত শান্তি পাবা। কেৱল নিজৰ দুখৰ কথাকে চিন্তা কঞ্জট্ৰিৰ থকাটো পাপা। লোকৰ দুখ-কষ্ট দেখিও তাক দূৰ কৰিবলৈ চেষ্টা নকৰাটো আৰু বেছি ডাঙৰ পাপ। কোনোবা এখন পুৰাণত গুলিখা আছে যেন পৰোপকাৰতকৈ ডাঙৰ ধৰ্ম আন একো নাই। পৃথিৱীৰ প্ৰত্যেকজন মানুহেই যদি নিজৰ কথা অলপ কমকৈ ভাৱি আনৰ কথা বেছিকৈ ভাৱে আৰু আনৰ মুখত হাঁহি এটা ফুটাব পাৰিলেই পৰম সন্তোষ পায়, তেন্তে মানুহে স্বৰ্গ লাভৰ কথা চিন্তা কৰিবই নালাগে — এই পৃথিৱীখনেই হ'ব স্বৰ্গ।"





**বৰঘৰৰ মজিয়াত**

# অতীতৰ স্মৃতিবোৰ

গল্প–৮

প্ৰিয়া আগৰৱাল
স্নাতক পঞ্চম যাণ্মাসিক
কলা শাখা



পুৱা ৫ বাজিল। সূৰুযৰ বঙালী কিৰণ আহি মূৰ মুখত পৰিছেহি। উঠিবলৈ অলপো মন যোৱা নাই। যেনে তেনে উঠি গৈ খিৰিকীৰ ওচৰতে থকা চকীখনত বহিলোঁ। তেনেতে এজাক কোমল বতাহ আহি মোৰ গাত স্পৰ্শ কৰিলে। বতাহ জাকে মনটো অলপ মুকলি কৰি দিলে। তেনেতে মাৰ কাণত ধৰা চিঞৰটো মোৰ কাণত পৰিলেহি। মাজনী উঠিলি নাই! ময়ো গালি খোৱাৰ আগেয়ে জাঁপ মাৰি শোৱা কোঠাটোৰ পৰা বাহিৰলৈ উলাই গ'লোঁ। আজি এপ্ৰিল মাহৰ ৫ তাৰিখ। প্ৰতিবছৰৰ দৰে আজিও মই এই দিনটো পাহৰা নাই। সোনকালে গা পা ধুই নামঘৰলৈ বুলি ওলাই গ'লোঁ। নামঘৰত চাকি এগজ জ্বলাই



ঘৰলৈ উভতিলোঁ। ঘৰ পোৱাত প্ৰায় ১১ বাজিল। আজি মনটো কিন্তু বৰ ভাল নহয় অতীতৰ কিছুমান স্মৃতিয়ে মোৰ বুকুখন গধুৰ কৰি তুলিছে। আজিৰ দিনটো কেতিয়া পাৰ হয় যেন লাগিছে। মনৰ অস্থিৰতাৰ পৰা মনটো ভালকে একো কামত বহুৱাব পৰা নাই। আজি কেইবাটাও বছৰ পাৰ হ'ল যদিও এই দিনটোৱে মোৰ মন দুখিত কৰি তুলে। আজিও সেই সময়ৰ দুখ সতেজ হৈ মোৰ মনত এক বুজা পেলাই থৈছে। এজন ভাল বন্ধুৰ অভাৱত মই মোৰ এই দুখসমূহ কাৰো আগত প্ৰকাশ কৰিব পৰা নাছিলোঁ। বন্ধুত্ব কৰিবলৈয়ো হয়তো মোৰ অলপ ভয় লাগে। তেনেতে মাৰ মাততো আকৌ শুনি পোৱাত মাৰ ওচৰলৈ গ'লোঁ। মায়ে বাঢ়ি খোৱা ভাতকেইটা খাই অলপ ফুলনিৰ বাৰীখনৰ পিনে আগুৱাই গ'লোঁ। এতিয়াও মোৰ মনত আগৰ কথাবোৰ মনত পৰি আছিল আৰু মোক হতাশ কৰি পেলাইছে। তেনেকৈ ভাবি ভাবি বহি থাকোঁতে এষাৰ কথা মনত পৰিল। বৃদ্ধলোকে কোৱা শুনিছিলোঁ যে কিতাপ আৰু কলমৰ দৰে ভাল বন্ধু পৃথিৱীত নাই। তাকে ভাবি মই মোৰ বুকুৰ বুজাটো পাতল কৰিব পাৰিম বুলি কাগজ আৰু কলমৰ সহায় ল'লোঁ।

কোঠাটোৰ ভিতৰলৈ সোমাই গৈ খিৰিকীৰ কাষত থকা টেবুলখনত বহি মই মোৰ অতীতৰ স্মৃতিবোৰ বগা কাগজত তুলিবলৈ ল'লোঁ।

সৌৰভ। জীৱনৰ প্ৰথম চকু মেলাৰ পাছৰ আৰু বন্ধুত্ব কি নো সেই কথাষাৰ বুজাৰ পাছত মোৰ প্ৰথম আৰু বন্ধু। মোৰ আৰু সৌৰভৰ ঘৰ প্ৰায় আধা কিলোমিটাৰমান দূৰত্ব আছিল। আমাৰ ঘৰত মই অকলশৰীয়া এজনী ছোৱালী আৰু সৌৰভ আছিল তাৰ ঘৰৰ একমাত্ৰ ল'ৰা। তাৰ আৰু মোৰ ঘৰৰ মাজত আগৰে পৰা ভাল বন্ধুত্ব আছিল বাবে দুয়োখন ঘৰৰ মাজত মিলা-প্ৰীতি বেছি আছিল। আমি প্ৰায় একে বয়সৰে আছিলোঁ। সৰুৰে পৰা একেলগে খেলা-ধূলা কৰিছিলোঁ আৰু এনেখন স্কুলতে পঢ়াৰ বাবে একেলগে স্কুল গৈছিলোঁ। মই আৰু সৌৰভ ঘৰৰ একমাত্ৰ ল'ৰা-ছোৱালী হোৱা বাবে আমাক ককা-

আইতা সকলোৱে বহুত মৰম কৰিছিল। সদায় স্কুলৰ পৰা আহি ঘৰৰ ওচৰতে থকা এখন সৰু ফিল্ডত আমি খেলিছিলোঁ। মোক ঘৰত মৰমতে সকলোৱে পাহি বুলি মাতিছিলে। সৌৰভে মোক সৰুতে এটা প্ৰশ্ন বৰকৈ সুধিছিল যে পাহি... তোমাৰ চকুযুৰি ইমান ধুনীয়া আৰু মোৰ যে নহয় কিয়? তেতিয়া মই কৈছিলোঁ যে সৌৰভ ময়ে ছোৱালী তুমি যে ল'ৰা। তেনেকৈ হাঁহি-ধেমালিৰ মাজেৰে জীৱনটো পাৰ হৈ গৈছিল। সৌৰভৰ এটা কথাই মোক কেতিয়াবা ভয় খোৱাই দিছিল। সি খেলি থাকোঁতে কেতিয়াবা পতককৈ পৰি যায় আৰু কম সময়ৰ ভিতৰতে ভাগৰি পৰে। এইবাৰ আমি দুয়োটা ক্লাছ ফাইভৰ ছাত্ৰ-ছাত্ৰী। বছৰটো আৰম্ভণিৰ পৰা আমি সদায়ে ভালকৈ পঢ়িব লাগিব বুলি স্কুল যাওঁ। খেলা-ধূলা আগতকৈ অলপ কম হৈছিল। কাৰণ সৌৰভৰ শৰীৰটো অতি দুৰ্বল আছিল। তাক কেতিয়াবা স্কুল ছুটী হোৱাৰ পাছত লগো নাপাওঁ। কাৰণ সি বোলে ডাক্তৰৰ ওচৰলৈ যায়। তেনেকৈ নতুন বছৰৰ তিনিটা মাহ পাৰ হ'ল। সেইদিনা আছিল এপ্ৰিল মাহৰ ৫ তাৰিখ। প্ৰতিদিনাৰ দৰে সৌৰভলৈ মই ফোন কৰিলোঁ। স্কুল যাবা নাই বুলি সুধাত সৌৰভৰ মাকে মাত মাতিলে যে পাহী আজি সৌৰভ নাযায় আমি এঠাইলৈ যাম আজি। মই ঠিক আছে বুলি কৈ ফোনটো ৰাখিলোঁ। সৌৰভ নাযায় বুলি গম পাই ময়ো নাযাওঁ বুলি মাক কৈছিলোঁ। মায়ে মোক কিন্তু যাবলৈ জোৰ কৰিছিল। মই মাক গাতো ভাল লগা নাই আজি বুলি কৈ স্কুল নাযাওঁ বুলি কৈছিলোঁ। মায়ে গম পাইছিল যে মোৰ একো হোৱা নাই স্কুল যাব মন নথকাৰ কাৰণে বাহানা বনাইছিল। শেষত মাও মান্তি হ'ল। মোৰ মনটো সেইদিনা ৰাতিপুৱাৰে পৰা কথা-বতৰা নোহোৱাৰ কাৰণে মনটো মৰি গৈছিল। দিনৰ ১১ মান বাজিল। মোৰ সৌৰভৰ ওচৰলৈ যাব মন গৈছিল; কিন্তু খুৰীয়ে আজি এঠাইলৈ যাম বুলি কোৱাত গধূলিহে লগ পাম বুলি গম পাইছিলোঁ। তেনেদৰে টি.ভি.ৰ আগত বহি সময়তো পাৰ কৰি আছিলোঁ। তেনেতে মায়ে 'ভাত খাবি আহ মাজনী' বুলি মতাত ভাতৰ পাতত বহিলোঁগৈ। ভাত খাবলৈ অলপো মন যোৱা নাছিল; বৰঞ্চ এটা ভয় লগা ভাবে মোক কঁপাই তুলিছিল সেই সময়ত। ভাতখিনি সানি থাকোঁতেই ফোনটো বাজি উঠিল মই সৌৰভৰ ফোন হ'ব বুলি উঠি যাওঁতেই মায়ে মোক বাধা দি মই তুলিছোঁ বুলি কৈয়ে ফোনটোৰ ফালে আগুৱাই গ'ল। মই মাৰ মুখৰ ফালে চাই ৰ'লোঁ আৰু সৌৰভ হ'লে মোৰ লগত কথা পতোৱাই দিবা বুলি কৈছিলোঁ। তেনেতে মাৰ মুখৰ পৰা কি... বুলি শব্দ ওলাল আৰু মই ওচপ খাই উঠিলোঁ। মায়ে লৰালৰিকৈ মোক ককা-আইতাৰ স'তে কিছু সময় থাকিবি বুলি কয় ওলাই গ'ল। মোৰ মনটো নানা ধৰণৰ বেয়া চিন্তাই ভয় খোৱাই তুলিছিল। মই চিন্তা কৰিছিলোঁ সৌৰভৰ একো হোৱা নাইতো। আকৌ নিজকে ধেৎ কি যে ভাবি থাকোঁ বুলিও সান্ত্বনা দিছিলোঁ। গধূলি হ'ল মা আহি পোৱাই নাছিল তেনেতে দুৱাৰৰ বে'লটো বাজি উঠিল আৰু মই দৌৰ মাৰি গৈ দুৱাৰখন খুলিলোঁ। মায়ে মোক মাজনী বুলি কৈ সাৱটি ধৰিছিল মই 'কি হ'ল মা' বুলি কঁপি থকা মাতত সুধিলোঁ। মায়ে মোক কৈছিল যে তোৰ বন্ধু সৌৰভ আৰু নাই। মই স্তব্ধ হৈ বহি পৰিছিলোঁ। মোৰ বিশ্বাস হোৱা নাছিল। অলপ সময়ৰ কাৰণেও মোৰ পৰা সি দূৰত থাকিব নোৱাৰে আৰু মোক এৰি থৈ সি ক' লৈ যাব বুলি ভাবি মোৰ অলপো বিশ্বাস কৰিব মন যোৱা নাছিল। অলপ সময়ৰ পাছতে মই মাক কৈছিলোঁ যে মোক লৈ যোৱা তাৰ ওচৰলৈ মা... মোক লৈ যোৱা। মায়ে মোক সাৱটি সান্ত্বনা দিছিল মই কান্দি কান্দি বাগৰি পৰিছিলোঁ। সেই দিনটো পাৰ হ'ল। মই মোৰ সৌৰভক শেষবাৰৰ বাবেও লগ নাপালোঁ হয়তো সিয়ো মোক লগ পাবলৈ মোৰ সমানে উৎসাহিত আছিল। কিন্তু জীৱনত অন্তিম ক্ষণত মই তাক দেখা দিব নোৱাৰিলোঁ। আজি প্ৰায় ১০ টা বছৰ পাৰ হ'ল। মই এতিয়া বি.এ. চতুৰ্থ ষাণ্মাসিক ছাত্ৰী। কিন্তু আজি মই অলকশৰীয়া। নিষ্ঠুৰ ভগৱানে মোৰ সৌৰভক কিয় লৈ গ'ল বুলি মোৰ মনত আজিও প্ৰশ্ন উঠে। কিন্তু সময়ৰ লগত আগুৱাই গৈ আছোঁ। সৰুতে দেখা সপোনবোৰ দিঠকত পূৰণ কৰাৰ আশাৰে বিদ্যাকে নিজৰ লগৰী হিচাপে ভাবি আগবাঢ়ি গৈছোঁ। মই ভাবিছিলোঁ যে সৌৰভ নাই; কিন্তু তাৰ প্ৰতিটো কথা এতিয়াও মোৰ জীৱনত অতি মূল্যৱান। আমি হয়তো এতিয়া একেলগে নাই; কিন্তু আমাৰ সপোনবোৰ মই মোৰ মানস পথত জিলিকাই তুলিম বুলি প্ৰতিশ্ৰুতি দি ঘড়ীটোৰ সৈতে আগুৱাই গৈছোঁ।

তুমি দি যোৱা সংঘাতবোৰকে
মোৰ জীৱনৰ অন্তিম ক্ষণত
ৰোমন্থন কৰিম
হাঁহি আৰু স্মৃতিবোৰ মোৰ
মানসপটত জিলিকি উঠিব,
হয়তো, জীৱনৰ বিয়লি বেলাত
সিয়ে মোৰ অতিকৈ আপোন
বুকুৰ পুঞ্জীভুক্ত বেদনাবোৰ
আঁতৰি যাব
চকুৰ পতা জাপ খাব চিৰদিনলৈ।। ■



## বৰঘৰৰ মজিয়াত

উপন্যাসিকা

# জীৱনলৈ বলা ধুমুহা

চিনু বুঢ়াগোহাঁই
স্নাতক পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

আনদিনাৰ দৰে সেইদিনাও বাস্তৱে কলেজৰ পৰা আহি কাপোৰ যোৰ সলাই মুখ হাতবোৰ ধুই লৈ ক্ষন্তেক সময় বিছনাখনত বাগৰি পৰিল। অতীত, বৰ্তমানৰ সকলোবোৰ স্মৃতিয়ে কল্পনা জগতৰ মাজেদি তাৰ মনৰ কোঠালিটোত অহা যোৱা কৰিবলৈ আৰম্ভ কৰি দিলে। সি চাইলেণ্ট কৰি থোৱা ফ'নটোলৈ এবাৰ চাই পঠিয়ালে, নাই, কাৰোৰে এটাও মিছকল নাই, আন নালাগে মৰমীৰো মিছকল পোৱা নাই। বাস্তৱে এটা স্বস্তিৰ নিশ্বাস এৰি ওচৰতে থকা গাৰুটো গাৰ ফালে টানি আনিলে, আৰু গাৰুটো দুয়োহাতে সাৱটি লৈ মৰমীৰ কথা মনতে ভাবিব ধৰিলে। তাৰ মনৰ কোঠালিটোত মৰমীৰ প্ৰতিচ্ছবিয়ে স্থান পাব ধৰিলে।

মৰমী সৰুৰে পৰা অৰ্থাৎ বাল্যকালৰে পৰা বাস্তৱৰ নলে গলে লগা বান্ধৱী। বাস্তৱতকৈ মৰমীৰ বয়স প্ৰায় তিনি বছৰ মানৰ কম হ'ব যদিও দুয়োয়ে শিশুকালৰ সোণালী দিনবোৰত একেলগে খেলা ধূলা কৰি পাৰ কৰাই আহিছে। এতিয়াও দুয়োৰে মাজত ঘনিষ্ঠতা কমি যোৱা নাই। ল'ৰালিৰ সেই লগৰীয়া পদটো এৰি এতিয়া দুয়োয়ে প্ৰেমিক-প্ৰেমিকালৈ ৰূপান্তৰ হ'ল। মৰমীৰ দেউতাক এজন উচ্চ খাপৰ পুলিচ বিষয়া। তেওঁ আজিলৈকে জীয়েকক অভাৱ অনুভৱ কৰিবলৈ দিয়া নাই, আনহে নালাগে বাস্তৱকো অভাৱত পৰিলে ওচৰ চুবুৰীয়া হিচাপে সহায় কৰে। মৰমী আৰু বাস্তৱক দুয়োৰে মাক-দেউতাকে দুয়োকে সমানে আদৰ-সাদৰ কৰে। যদিও মৰমীৰ ঘৰৰ তুলনাত বাস্তৱহঁতৰ ঘৰৰ অৱস্থা বৰ ভাল নহয় তথাপিও তেওঁলোকৰ মাক-দেউতাকহঁতে এই বিষয়টো লৈ দুয়ো ঘৰৰ মাজত বিভেদ সৃষ্টি হোৱা কোনো কথাই উপস্থাপন নকৰে। বাস্তৱে মৰমীৰ ৰূপ সৌন্দৰ্যৰ কথা ভাবিব ধৰিলে -এপাহি ৰঙা গোলাপৰ দৰে তেজ ওলাই ফুটো ফুটো হৈ থকা গোলপীয়া গাল দুখন হৰিণী চকুহালৰ দৰে সুন্দৰ নয়নজুৰি, ডালিম গুটি যেন দাঁতকেইটা উলিয়াই তালৈ চাই মৰা মিচিকিয়া হাঁহিটি, মৃদু বতাহত হালি পৰা মেঘালী চুলি কোচাই বাস্তৱৰ মনোজগতত আহি আমনি কৰিব ধৰিলে। ক'ব নোৱাৰাকৈ



বাস্তৱে ফোনটো কাণৰ ওচৰলৈ নি লাহেকৈ মাত লগালে, "হেল্ল' ছাৰ!" সিফালৰ পৰা শব্দবোৰ আহি বাস্তৱৰ কাণৰ পৰ্দাত ঠেকা খাব ধৰিলেহি, "শুনা বাস্তৱ, কালিলৈ সভাখনলৈ অধ্যক্ষ মহোদয়ৰ কলেজীয়া দিনৰ বন্ধু তথা বহুকেইখন অসমীয়া বোলছবিৰ ডাইৰেক্টৰ হিচাপে অসমৰ প্ৰায়বোৰ ঠাইতে জনাজাত শিল্পী মানস বৰুৱা ছাৰ-আহিব। আমাৰ বাইদেউসকলৰ এটাই আশা, তোমাৰ গানে তেওঁক মুগ্ধ কৰি তোলা। গতিকে যিমানটো সম্ভৱ তুমি গানটো সুৱলাকৈ গাবলৈ চেষ্টা কৰা।" প্ৰত্যুত্তৰত বাস্তৱে ক'লে, মই যিমান পাৰোঁ চেষ্টা কৰিম ছাৰ।"

বাস্তৱে মুখৰ ভিতৰতে কেইটামান শব্দ কৈ উঠিল, ‘‘মৰমীজনী গাভৰু হৈ অহাৰ পৰাই দেখিবলৈ সঁচাকৈ ধুনীয়া হৈ পৰিছে।’’ এনেদৰে কথাবোৰ ভাবি ভাবি বাস্তৱে কল্পনা জগতৰ ভিতৰলৈ এখোজ দুখোজকৈ আগুৱাই গৈ থাকিল। কিন্তু সি বেছি দেৰিলৈকে কল্পনা জগত উপভোগ কৰিব নাপালে। ওচৰতে থৈ দিয়া ফ’নটোত সৃষ্টি হোৱা ধ্বনিয়ে তাক বাস্তৱ জগতলৈ ঘূৰাই লৈ আহিল। সি ফ’নটোলৈ চাই পঠিয়ালে, কলেজৰ শিক্ষক এজনে ফ’ন কৰিছে। বাস্তৱে ফোনটো কাণৰ ওচৰলৈ নি লাহেকৈ মাত লগালে, ‘‘হেল্ল’ ছাৰ!’’ সিফালৰ পৰা শব্দবোৰ আহি বাস্তৱৰ কাণৰ পৰ্দাত ঠেকা খাব ধৰিলেহি, ‘‘শুনা বাস্তৱ, কালিলৈ সভাখনলৈ অধ্যক্ষ মহোদয়ৰ কলেজীয়া দিনৰ বন্ধু তথা বহুকেইখন অসমীয়া বোলছবিৰ ডাইৰেক্টৰ হিচাপে অসমৰ প্ৰায়বোৰ ঠাইতে জনাজাত শিল্পী মানস বৰুৱা আহিব। আমাৰ ছাৰ–বাইদেউসকলৰ এটাই আশা, তোমাৰ গানে তেওঁক মুগ্ধ কৰি তোলা। গতিকে যিমানটো সম্ভৱ তুমি গানটো সুৱলাকৈ গাবলৈ চেষ্টা কৰা।’’ প্ৰত্যুত্তৰত বাস্তৱে ক’লে, মই যিমান পাৰোঁ চেষ্টা কৰিম ছাৰ।’’ ফোনটো ৰাখি বিছনাৰ পৰা নামি গৈ গীটাৰখন হাতত তুলি ল’লে। গীটাৰত তাল মিলাই মিলাই গানটো গাবৰ আৰম্ভ কৰি দিলে। গীটাৰ আৰু গানৰ ধ্বনি মিশ্ৰণ ঘটি তাৰ ঠেক কোঠাটোত প্ৰতিধ্বনিৰ সৃষ্টি কৰিব ধৰিলে।

পিছদিনা পুৱা বাস্তৱে সোনকালে টোপনিৰ পৰা সাৰ পালে। বিছনাৰ পৰা উঠি গৈ সি খিৰিকীখন খুলি দিলেগৈ। এজাক চেঁচা বতাহে খিৰিকী ফাকেদি ভিতৰলৈ সোমাই আহি তাৰ শৰীৰটোত স্পৰ্শ কৰিলেহি। তাৰ চকুযুৰিয়ে অকণমান সময়ৰ বাবে পুৱাৰ বিশাল আকাশখনৰ ৰূপটো চাবলৈ ইচ্ছা কৰিলে। কুঁৱলীয়ে নীলা আকাশখনক ঢাকি ধৰি ধূসৰ ধূসৰ যেন লগা পৰিৱেশৰ সৃষ্টি কৰি থৈছে। বাস্তৱে গামোচাখন লৈ খৰ ধৰকৈ বাথৰুম তথা গা ধোৱা কোঠালীটোৰ ফালে অগ্ৰসৰ হ’ল। সেইদিনা তাৰ বাবে সময় নামেৰে পৰিচিত পখিলাজনী বৰ গুৰুত্বপূৰ্ণ হৈ পৰিছে, কাৰণ সিহঁতৰ কলেজত সপ্তাহজুৰি চলি থকা যুৱ মহোৎসৱৰ সেই শেষৰ দিনা বঁটা বিতৰণী সভাত আদৰণি তথা আৰম্ভণী গীতটো বাস্তৱে গাব লাগে। বৰগীত, জ্যোতিসংগীত, ৰাভা সংগীত, আধুনিক গীত আদিৰ কেইবাটাও প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হোৱাৰ বাবে বাস্তৱে এই গীতটি পৰিৱেশন কৰিবলৈ সুবিধা পাইছে। বাস্তৱে মূৰৰ চুলিত লাগি থকা পানীবোৰ গামোচাখনেৰে মোহাৰি মোহাৰি বাথৰুমৰ পৰা ওলাই আহিল। ধূসৰিত কুঁৱলীৰ ফাকেৰে দূৰ দিগন্তৰ পৰা সূৰ্যৰ হেঙুলীয়া কিৰণ আহি বাস্তৱৰ গাত পৰিলহি। সি পঢ়া তথা শুৱা কোঠালীটোলৈ সোমাই আহি সদায় কৰাৰ দৰে সেইদিনাও এক ঈশ্বৰৰ নামত ভক্তিৰে সেৱা জনাই ধূপকাঠী এডাল জ্বলাই দিলে। সুগন্ধী ধূপৰ গোন্ধই ৰুমটো বিয়পি পৰিল। বাস্তৱে কাপোৰ কেইটা পিন্ধি লৈ গীটাৰখন হাতত তুলি ল’লে। সেইদিনা তাৰ কিতাপখন মেলি চাবৰ সময় নাই, যিমান পাৰে গানটো শুৱলাকৈ গাবৰ বাবে চেষ্টা অব্যাহত ৰাখিলে। ঘড়ীৰ কাটাই আঠ বজাৰ নিৰ্দেশ দিয়াৰ লগে লগে গীটাৰখন থৈ পেটত খুদকণ দুটামান দি কলেজৰ অভিমুখে ৰাওনা হ’ল। কিছুসময় যোৱাৰ পিছত সি কলেজৰ মূল তোৰণখনৰ সন্মুখত থিয় দিলেগৈ। আন দিনাৰ দৰে সেইদিনাও সি মূৰতো ওপৰলৈ কৰি পকীকৈ সাজি থোৱা মূল তোৰণখনৰ ফালে এবাৰ চালে, নীলা ৰঙ বুলোৱা আখৰেৰে ডাঙৰকৈ লিখা আছে – ‘তিনিচুকীয়া মহাবিদ্যালয়’ তোৰণখনৰ কাষতে লাগি থকা কৃষ্ণচূড়াজোপা সদায় বৈ থকা দৰে সেইদিনাও সেই একে ঠাইতে বৈ আছে। বাস্তৱে কলেজৰ চৌহদৰ ভিতৰফালে আগবাঢ়ি গ’ল। কলেজৰ ছাত্ৰ–ছাত্ৰীৰ লগতে বিভিন্ন কলেজৰ পৰা আহি যুৱ মহোৎসৱৰ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা ছাত্ৰ–ছাত্ৰীসকলে কলেজৰ চৌহদত কোলাহলৰ সৃষ্টি কৰিছে। সেইদিনা কাৰোৰে মনত আহৰি নাই বিভিন্ন গছ–গছনিৰে







> মানস বৰুৱাই অধ্যক্ষ মহোদয়ৰ কথাখিনি শলাগ লৈ ক’বলৈ ধৰিলে ‘‘বাস্তৱৰ মাত, কণ্ঠ, সুৰ সকলোবোৰ সুন্দৰ ৰূপে প্ৰদৰ্শন কৰিব পৰা দক্ষতা আছে। মই ভাবিছোঁ এবাৰ যদি তাক মোৰ নতুনকৈ মুক্তি পাবলগীয়া বোলছবি এখনত গান এটা গোৱাব বিচাৰোঁ তেন্তে আপোনালোকে নিশ্চয় অনুমতি প্ৰদান কৰিব আৰু অসমৰ সংগীত প্ৰিয় ৰাইজে নিশ্চয় সেই গানটো আদৰি ল’ব।’’

ভৰি থকা কলেজৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য নিৰীক্ষণ কৰিবলৈ। আন নালাগে উপাধ্যক্ষৰ ৰুমৰ সন্মুখত স্বাগতম জনোৱাৰ উদ্দেশ্যে থিয় দি থকা সেউজীয়া পাতেৰে পৰিপূৰ্ণ গছবেল কেইজোপালৈ চাবলৈও সময় নাপালে। বাস্তৱে পোনে পোনে গৈ গানৰ ৰিৰ্হাচেল কৰি থকা কক্ষটোত প্ৰৱেশ কৰিলেগৈ। বাদ্য যন্ত্ৰৰ লগত মিলাই মিলাই সি গানটো পুনৰ গাবলৈ ধৰিলে। কলেজৰ পুথিভঁৰালৰ সন্মুখতে থকা সাংস্কৃতিক অনুষ্ঠান পাতিবৰ বাবে ব্যৱহাৰ কৰা প্ৰেক্ষা গৃহটো জাক জমকতাৰে সজাই তুলিলে। বিভিন্ন কলেজৰ পৰা অহা ছাত্ৰ–ছাত্ৰীবোৰৰ লগতে তিনিচুকীয়া কলেজৰ ছাত্ৰ-ছাত্ৰীবোৰে লগ হৈ প্ৰেক্ষাগৃহটো ভৰাই তুলিলে। নিৰ্দিষ্ট সময়ত আমন্ত্ৰিত অতিথিবোৰ আহি উপস্থিত হ’লহি। অধ্যক্ষ মহোদয়ৰ বন্ধু মানস বৰুৱাইও আহি উপস্থিত হ’লহি। অধ্যক্ষৰ লগতে তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যসকলে তেওঁক আগবঢ়াই আনি নিৰ্দিষ্টকৈ পাৰি থোৱা আসনখনত বহুৱালেহি। অধ্যক্ষ মহোদয়েও তেওঁৰ ওচৰতে বহিল। তেনে সময়তে ঘোষণাস্থলীৰ পৰা ঘোষকে ক’ব ধৰিলে, ‘‘অসমৰ উজনিত অৱস্থিত তিনিচুকীয়া মহাবিদ্যালয়ত অনুষ্ঠিত হৈ থকা ‘যুৱ মহোৎসৱ’ৰ আজি অন্তিম দিনৰ প্ৰথম কাৰ্যসূচী বঁটা বিতৰণী সভা আমি ক্ষন্তেক সময়ৰ পিছতে অনুষ্ঠিত কৰিবৰ বাবে অগ্ৰসৰ হৈছোঁ। গতিকে উক্ত সভাখনি আৰম্ভণিতে এটি গীত পৰিৱেশন কৰি সভাখনৰ আৰম্ভণি সাফল্য মণ্ডিত কৰি তুলিবৰ বাবে আমাৰ তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ বাস্তৱ বৰাক মঞ্চলৈ উঠি গৈ আমন্ত্ৰণ জনালোঁ।’’ বাস্তৱৰ লগৰ কেইজনে মঞ্চলৈ উঠি গৈ নিজে নিজে বজাবলগীয়া বাদ্যযন্ত্ৰবোৰ নিৰ্দিষ্ট স্থানত ৰাখি সুকলমে বজাব পৰাকৈ প্ৰস্তুত কৰি ল’লে। কিছুসময়ৰ পিছতে বাস্তৱে গীটাৰখন লৈ মুখত এটি মিঠা হাঁহি মাৰি মঞ্চত প্ৰৱেশ কৰিলে। স্পীকাৰটো সন্মুখলৈ গৈ সকলোকে নমস্কাৰ জনাই গীটাৰখনত আঙুলি বোলাই তাৰ স্বৰচিত গীতটোৰ প্ৰথমৰ কলিটো দীঘলকৈ সুৰ টানি গাব ধৰিলে। প্ৰেক্ষাগৃহত থকা দৰ্শকে বাস্তৱৰ গানত মুগ্ধ হৈ চিঞৰি উঠিল। সকলোৱে গানটোৰ তালে তালে হাত মিলাই নাচিব ধৰিলে। গানটো শেষ কৰি বাস্তৱে ধন্যবাদ বুলি কোৱাৰ লগে লগেই দৰ্শকবোৰে বা দৰ্শকসকলে পুনৰ চিঞৰি উঠিল। শ্ৰোতাৰ মাজৰ কিছুমান শব্দ আহি বাস্তৱৰ কাণৰ পৰ্দাত খুন্দা খাব ধৰিলে – বাস্তৱ আৰু এবাৰ...., বাস্তৱ বহুত ভাল লাগিল, বাস্তৱ ভাল গালা, কিন্তু ... ইত্যাদি ইত্যাদি। বাস্তৱে কেতিয়াও ভবা নাছিল তাৰ গানেৰে ইমান সমাদৰ লাভ কৰিবলৈ সক্ষম হ’ব। আনকি অসমৰ বিখ্যাত বোলছবি জগতৰ ডাইৰেক্টৰ তথা পৰিচালক মানস বৰুৱাইও হাত চাপৰি বজাই বজাই মঞ্চলৈ উঠি গ’ল আৰু বাস্তৱক প্ৰশংসা কৰি দৰ্শকলৈ চাই ক’লে, ‘‘ৰাইজ বাস্তৱৰ গান ভালপোৱা প্ৰকাশৰ বাবে আপোনালোকে আৰু এবাৰ হাত চাপৰি বজায় তেওঁক কৃতাৰ্থ কৰিবনে....।’’ মানস বৰুৱাই কথাষাৰ কৈ শেষ কৰিব পালেহে প্ৰেক্ষাগৃহটো হাত চাপৰি আৰু কিৰিলিৰে ভৰি পৰিল। বাস্তৱৰ ক’ব নোৱাৰাকৈ চকুৰ পৰা পানী নিগৰি পৰিব ধৰিলে। সি মনতে ভাবিলে, ‘‘আজি যদি মোৰ দুখত জৰ্জৰিত হৈ থকা মা–দেউতাই মোক এনে অৱস্থাত দেখিলেহেঁতেন, তেওঁলোকৰ জীৱনত ক্ষন্তেক সময়ৰ বাবে হ’লেও মুখত হাঁহি বিৰিঙিলেহেঁতেন।’’ সকলোকে পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰি বাস্তৱে মঞ্চৰ পৰা নামি আহিল। মানস বৰুৱায়ো গৈ নিজৰ স্থানত বহিলগৈ। তেওঁ অধ্যক্ষ মহোদয়ৰ পৰা বাস্তৱৰ বিষয়ে কিছুকথা জানিব বিচাৰিলে। অধ্যক্ষ মহোদয়ে বাস্তৱৰ বিষয়ে যিমানবোৰ জানে মানস বৰুৱাৰ আগত কৈ যাব ধৰিলে, ‘‘বাস্তৱৰ ঘৰ শদিয়াত। মই শুনামতে তাৰ ঘৰৰ অৱস্থা বৰ সন্তোষজনক নহয়। দেউতাকে দিন হাজিৰা কৰি কৰি কোনোমতে ল’ৰাটোক উচ্চ শিক্ষা ল’বৰ বাবে তিনিচুকীয়ালৈ উলিয়াই পঠিয়াইছে। ল’ৰাটো পঢ়াতো ভালেই তথাপিও গানৰ জগতখনত তাৰ এখন সুকীয়া আসন গঢ়ি উঠিছে। তাক কেইবাবাৰো আগতে কলেজৰ ফালৰ পৰা গান গাবলৈ বাহিৰলৈ পঠিয়াইছোঁ, সি নিজৰ নামৰ লগতে কলেজৰ নাম উজলাবলৈ গানৰ জৰিয়তে কেইবাবাৰো সক্ষম হৈছে। আমি কেইজনমান শিক্ষক–শিক্ষয়িত্ৰী লগ হৈ বাস্তৱৰ অৰ্থনৈতিক অৱস্থাত গুৰুত্ব প্ৰদান কৰি সহায় কৰি আহিছোঁ, যাতে সি কোনো ক্ষেত্ৰতে অসুবিধা সন্মুখীন নহয়।’’ মানস বৰুৱাই অধ্যক্ষ মহোদয়ৰ কথাখিনি শলাগ লৈ ক’বলৈ ধৰিলে ‘‘বাস্তৱৰ মাত, কণ্ঠ, সুৰ সকলোবোৰ সুন্দৰ ৰূপে প্ৰদৰ্শন কৰিব পৰা দক্ষতা আছে। মই ভাবিছোঁ এবাৰ যদি তাক মোৰ নতুনকৈ মুক্তি পাবলগীয়া বোলছবি এখনত

ক'লে। তেওঁ খৰধৰকৈ এচ. পি লৈ ফোন কৰিলে। অপহৰণকাৰীসকলে পতা কথাবোৰ তেওঁৰ আগত ব্যক্ত কৰিলে। এচ. পি. জনে ফোনটো ৰাখিয়েই অৰুণাচল প্ৰদেশৰ আৰক্ষী বিষয়াজনলৈ পুনৰ ফোন কৰি কেইজনমান আৰক্ষী বিচাৰিলে অপহৰণকাৰীক বাধা দিবলৈ। এচ. পি জনে কোৱাৰ মতে, অৰুণাচল প্ৰদেশৰ বিষয়াজনে উচ্চ পৰ্যায়ৰ বিষয়াসকলৰ লগত আলোচনা কৰি ১২ জনীয়া আৰক্ষী দল এটা আলুবাৰী ঘাটলৈ পঠিয়াই দিলে, যাতে তেওঁলোকে আগতীয়াকৈ ঘাটত উপস্থিত থাকি অপহৰণকাৰী দলটোক আগভেটি ধৰিব পাৰে। এচ. পি জনে মৰমীৰ দেউতাকলৈ ফোন কৰি ক'লে, "তোমালোকে অতি সোনকালে আলুবাৰী ঘাটলৈ যোৱা পথটোৰেদি নগৈ তেজু যোৱা ৰাস্তাটোত ৰৈ থকাগৈ যাতে অপহৰণকাৰীয়ে আলুবাৰী ঘাটলৈ নগৈ তেজুলৈ যাব নোৱাৰে। মই আলুবাৰী ঘাটত তেজুৰ আৰক্ষী ৰখা ব্যৱস্থা কৰিছোঁ, সেইফালেদি অপহৰণকাৰী সকলে আগুৱাই যাব নোৱাৰে।" মৰমী দেউতাকহঁতে যিমান পাৰে দ্ৰুত গতিত যাব ধৰিলে, কাৰণ অপহৰণকাৰী সকলে হাবিতলীয়া ৰাস্তাটোৰেদি গৈ থাকোঁতে তেওঁলোকে আগবাঢ়ি যাব পাৰিব লাগিব। কথামতে কাম হ'ল – তেজুৰ আৰক্ষী দলটো গৈ আলুবাৰী ঘাটত উপস্থিত হ'লগৈ, মৰমীৰ দেউতাকহঁতে প্ৰায় এঘণ্টা ডেৰঘণ্টা ভিতৰতে গৈ নিৰ্দিষ্ট স্থানত উপস্থিত হ'লগৈ। তেওঁলোকে আলুবাৰী যোৱা পথেদি সোমাই নগৈ এচ. পি জনে কোৱা মতে সেই পথটোৰ পৰা কিছুদূৰ আগত গৈ তেজুলৈ যোৱা পথটোতে ৰৈ থাকিল। তেওঁলোকে এনেকুৱা ঠাইত ৰ'লগৈ, যাতে আলুবাৰী ঘাটৰ ফালে যোৱা অপহৰণকাৰীৰ গাড়ীখন দেখি থাকে। মৰমীৰ ফোনটোৰ পৰা প্ৰায় এঘণ্টা ডেৰঘণ্টা আগৰ পৰাই অপহৰণকাৰীসকলৰ সম্ভেদ নোপোৱা হৈ পৰিল। কাৰণ বাস্তৱৰ ফোনটোৰ ফালৰ পৰা সংযোগ বিচ্ছিন্ন কৰি দিলে। মৰমীৰ দেউতাকে ফোনটো কাটি দিলে নে নেটৱৰ্ক নোপোৱাৰ বাবে সংযোগ নোপোৱা হ'ল সেই বিষয়ে ভালকৈ অনুমান কৰিব নোৱাৰিলে। তেওঁ আকৌ ঘূৰাই ফোন নকৰিলে কাৰণ ফোন কৰিলে বাস্তৱৰ ওপৰত সন্দেহ প্ৰকাশ কৰি অপহৰণকাৰীয়ে

> **তেওঁলোকে গাড়ীৰ লাইটৰ পোহৰত কেৱল ডাঙৰ ডাঙৰ গছ-গছনিৰ মাজেৰে গৈ থকা দেখা পালে। ৰাস্তাটোৰ দুয়োফালে গছ-গছনিৰে ভৰপূৰ হৈ আছে। তেওঁলোকৰ গাড়ীয়ে স্পীড যাব নোৱাৰা হ'ল কাৰণ গোটেই ৰাস্তাটো সৰু ডাঙৰ গাঁতেৰে পৰিপূৰ্ণ হৈ আছে। তেওঁলোকে কিছুসময় যোৱাৰ পিছত বিপৰীত দিশৰ পৰা গাড়ীৰ পোহৰ এটা পৰা যেন অনুমান কৰিলে সকলো নিজৰ নিজৰ মৰণাস্ত্ৰবোৰ সাজু কৰি লৈ গাড়ীখনৰ পৰা নামি কাষৰ হাবিত লুকাই লুকাই থাকিব ধৰিলে।**

বেলেগ সিদ্ধান্তও লৈ ল'ব পাৰে। অপহৰণকাৰীসকলে যিটো সময়ত আলুবাৰী ঘাটত পোৱাগৈ কথা কৈছিল মৰমীৰ দেউতাকহঁতে প্ৰায় আধা ঘণ্টা মানৰ আগতে গন্তব্য স্থানত উপস্থিত হ'বলৈ সুবিধা লাভ কৰিছিল। কাৰণ হাবিতলীয়া ৰাস্তাটোতকৈ তেওঁলোকে যোৱা ৰাস্তাটো ভাল আছিল আৰু সম্ভৱত অকণমান ওচৰ আছিল। পূবৰ বেলি পশ্চিমত পৰিবৰ সময় হ'ল, পৃথিৱীলৈ বৰণ সলাবলৈ আৰম্ভ কৰি দিলে। দূৰৰ পাহাৰ স্পষ্ট হৈ থকা সেউজীয়া গছ-গছনিবোৰ চকুৰে মণিব নোৱাৰা হৈ পৰিল, জিকমিকাই থকা অৰুণাচল প্ৰদেশৰ পাহাৰবোৰক শুকুলা ডাৱৰবোৰে আৱৰি ধৰিলে। মৰমীৰ দেউতাকহঁতে একেথিৰে আলুবাৰী ফালে যোৱা পথটোৰ ফালে চকু দি থাকিল। কিছুসময়ৰ পিছতে তেওঁলোকে দেখিব পালে এখন বগা স্কৰপিঅ' গাড়ী তীব্ৰ বেগত আহি আলুবাৰী যোৱা ৰাস্তাটোত পাই জোৰেৰে ব্ৰেক মাৰিছে। মৰমীৰ দেউতাকহঁতে গাড়ীৰপৰা লৰালৰিকৈ উঠি আহিবৰ বাবে সাজু হ'ল। কিন্তু স্কৰপিঅ' গাড়ীখনে আলুবাৰীলৈ যোৱা ৰাস্তাটোৰেদি নগৈ তাৰ বিপৰীত ফালে যোৱা ৰাস্তাটোৰেদি তীব্ৰ বেগেৰে যাব ধৰিলে। মৰমী দেউতাকহঁতৰ গাড়ীখনেও স্কৰপিঅ'খনৰ পিছ ল'লে। প্ৰায় এক কিঃমিঃ দূৰত্ব তেওঁলোকে অনুসন্ধান কৰি কৰি স্কৰপিঅ'খনৰ পিছে পিছে যাব ধৰিলে। প্ৰায় দহ মিনিট মান যোৱাৰ পিছত তেওঁলোকে গৈ এটা নলা পালেগৈ। নলাটো পানী থাকিলেও গাড়ী পাৰ কৰাই নিব পাৰি। মৰমীৰ দেউতাকহঁতে নলাটো ওচৰ চাপোঁতেই অপহৰণকাৰীসকলে নলাটো পাৰ হৈ বহুত দূৰ আগবাঢ়ি গ'ল। ড্ৰাইভাৰজনে এই ৰাস্তাটোৰেদি আগতে আহি পোৱা নাই। তেওঁ গাড়ীখন নি ? অংশ এটাতে ভৰাই দিলেগৈ। গোটেই কেইজন ঠেলি মেলি গাড়ীখন উলিয়াই থাকোঁতে অপহৰণকাৰীৰ গাড়ীখন অদৃশ্য হৈ পৰিল। মৰমীৰ দেউতাকহঁতে তথাপিও হতাশ নহ'ল। অপহৰণকাৰী সকলক বিচাৰি আগুৱাই গৈ থাকিল। পথটোত গাড়ী মটৰ বুলিবলৈ তেওঁলোকে এখনো লগ নাই পোৱা। আন নালাগে মানুহৰ ঘৰ এটাও নাই, পথৰ দুয়োকাষে কেৱল গছ-গছনিয়ে ভৰি আছে। তেওঁলোকে কিছুদূৰ যোৱাৰ পিছত এটা কেঁচা অৰ্থাৎ মাটিৰ আলি পালে। তেওঁলোকে গাড়ীখন ৰখাই নামি আহি আলিটো লক্ষ্য কৰিলে। তেওঁলোকৰ মনত ভাৱ হ'ল অপহৰণকাৰীসকলে যদি সেই আলিটোৰ ফালে সোমাই গৈছে। তেওঁলোকৰ সন্দেহৰ ভাৱটোৱে কামত দিলে, সঁচাকৈয়ে আলিটোৰ ওপৰত অপহৰণকাৰীৰ গাড়ীখনৰ চকাৰ চাপ পৰি আছে। তেওঁলোকে আলিটোৰ ফালে আগবাঢ়ি যাব ধৰিলে। পশ্চিমৰ আকাশত বেলিৰ অস্তিত্ব নোহোৱা হ'ল, অন্ধকাৰে গোটেই অঞ্চলটোকে আৱৰি ধৰিলে। তেওঁলোকে গাড়ীৰ লাইটৰ পোহৰত কেৱল ডাঙৰ ডাঙৰ গছ-গছনিৰ মাজেৰে গৈ থকা দেখা পালে। ৰাস্তাটোৰ দুয়োফালে গছ-গছনিৰে ভৰপূৰ হৈ আছে। তেওঁলোকৰ গাড়ীয়ে স্পীড যাব নোৱাৰা হ'ল কাৰণ গোটেই ৰাস্তাটো সৰু ডাঙৰ গাঁতেৰে পৰিপূৰ্ণ হৈ আছে। তেওঁলোকে কিছুসময় যোৱাৰ পিছত বিপৰীত দিশৰ পৰা গাড়ীৰ পোহৰ এটা পৰা যেন অনুমান কৰিলে সকলো নিজৰ নিজৰ মৰণাস্ত্ৰবোৰ সাজু কৰি লৈ গাড়ীখনৰ পৰা নামি কাষৰ হাবিত লুকাই লুকাই থাকিব ধৰিলে। গাড়ীখন ৰাস্তাৰ সোঁমাজতে লাইটতো জ্বলাই ৰাখি থলে। তেওঁলোকে দেখিলে যে এখন ট্ৰাক আহি তেওঁলোকৰ গাড়ীখনৰ সন্মুখত ৰ'লহি। তেওঁলোকৰ গাড়ীখনৰ পোহৰত ট্ৰাকখন অনা বস্তুবোৰ ধৰিব পাৰিলে। ট্ৰাকখনত গোটেই গছৰ কাটি থোৱা একো একোটা বৃহৎ অংশৰে পৰিপূৰ্ণ হৈ আছিল যিবোৰক কুন্দা বুলি কোৱা হয়। ট্ৰাকখনত ড্ৰাইভাৰজনৰ বাহিৰে আন কোনোৱে নাছিল। ভয়ে ভয়ে ড্ৰাইভাৰজন গাড়ীৰ পৰা নামি আহিল। দুজন মনে মনে গৈ তাৰ মূৰৰ ওচৰত বন্ধুককেইটা গুঁজি দিলেগৈ, সি ভয়ত কঁপিব ধৰিলে। মৰমীৰ দেউতাকে লাহেগৈ ওলাই আহিল। পুলিচ দেখি মানুহজনৰ কপালৰ পৰা ঘাম বৰলৈ ধৰিলে। মৰমী দেউতাকে মানুহজনক নিৰ্ভয় দি ৰাস্তাটো বিষয়ে অপহৰণকাৰীৰ গাড়ীখনৰ বিষয়ে জানিব বিচাৰিলে। মানুহজনে ভঙা ভঙা অসমীয়াৰে ক'লে, "ছাৰ এইফালেটো কোনো ঘৰ নাহি হে, এইবিলাক চবটো জংঘল আছে, কুন্দা অনা গাড়ীটোহে এই ৰডতে চলে, এই ৰডটো গ'লে পাহাৰতে পাবগে।" মৰমীৰ দেউতাক স্ক'ৰপিঅ' গাড়ীখন দেখিছ নেকি সোধাত ড্ৰাইভাৰটোৱে ক'লে "অ' ছাৰ পাঁচ কিঃমি আগতে একটা সৰু গাড়ী আমি বিলাকে লগ পাইছে, গাড়ীটো পাহাৰটো ফালে গৈ আছে।" মৰমী দেউতাকে পাহাৰটো নাম জানিব বিচাৰিলে, ড্ৰাইভাৰটোৱে ক'লে "ছাৰ আমিলোকে এইটো লাল পাহাৰ বুলি কওঁ"। মৰমী দেউতাকহঁতে জানিবলৈ বাকী নাথাকিল আচলতে তেওঁলোকে বৰ্তমান লাল পাহাৰলৈ গৈ আছে যি ডোখৰ ঠাইত উগ্ৰপন্থীসকল বাস কৰিছিল। তেওঁলোকে আগুৱাই গৈ থাকিল। প্ৰায় আধা ঘণ্টামান বাট যোৱাৰ পিছত দেখিবলৈ পালে এখন গাড়ী, যিখন গাড়ী বিচাৰি তেওঁলোকে এই ঠাইত উপস্থিত হৈছেহি। তেওঁলোকে চলি থকা গাড়ীখনৰ লাইটটো অফ কৰি দিলে আৰু ষ্টাৰ্ট বন্ধ কৰিয়েই দুয়োফালে দৰ্জা খুলি জাঁপ মাৰি মাৰি নামি হাবিত সোমাই পৰিল। গাড়ীখন তাতে ৰাখি আন্ধাৰে মোন্ধাৰে বন্দুকবোৰ স্কৰপিঅ'খনলৈ আগবঢ়াই লৈ এখোজ দুখোজকৈ আগবাঢ়ি গৈ থাকিল। গাড়ীখন পাই এজনে টৰ্চ এটা মাৰি লাহেকৈ গাড়ীখনৰ ভিতৰৰ ফালে চালে। গাড়ীখনত কোনো নাই এজন এজনকৈ আহি গাড়ীখনৰ ওচৰ পালেহি। তেওঁলোকে ওচৰ গছ বন বোৰলৈ লক্ষ্য কৰিলে, সকলোবোৰ গছৰ পাততে নিয়ৰ পৰি বগা আৱৰণ এটাৰ সৃষ্টি হৈ আছে। তেওঁলোকে চাৰিওফালে পাতবোৰ ভালদৰে লক্ষ্য পৰিলে। দেখিলে কেইখিলা মান পাতত বগা আৱৰণটো নাই মানুহে মোহাৰি থোৱাৰ দৰে পাতকেইখন স্পষ্ট হৈ পৰিছে। তেওঁলোকে তলত থকা বনবোৰলৈ মন কৰিলে, মানুহ বা অন্য জীৱ জন্তুৱে ওপৰেদি পাৰ হৈ গ'লে যেনেকুৱা হৈ থাকে তেনে অৱস্থা হৈ আছে। তেওঁলোকৰ বুজিব বাকী নাথাকিল যে সেইফালেদিয়েই মানুহকেইজন আগুৱাই গৈছে। তেওঁলোকে এনেদৰে অনুসন্ধান কৰি কৰি পাহাৰৰ ফালে খোজকাঢ়ি আগুৱাই গৈ থাকিল। হাবিত শিয়াল, বনৰীয়া হাতী আদিৰ মাত শুনিবলৈ পালে, তথাপিও মনত সাহস গোটাই আগুৱাই গৈ থাকিল। ঠিক পাহাৰ ওচৰ পাওঁ পাওঁ হৈছে, এনেতে তেওঁলোকে এটা ডাঙৰ শব্দ শুনিবলৈ পালে, শব্দটো হোৱাৰ পিছতেই এটা চিঞৰৰ শব্দ শুনিবলৈ পালে, "মৰিলোঁ ঐ।" ইয়াৰ পিছতে পাহাৰৰ ওপৰৰ পৰা বস্তু এটা খহি পৰিলে যেনেকুৱা শব্দৰ সৃষ্টি হয় তেনেকুৱা শব্দ কৰিলে। মৰমীৰ দেউতাকহঁতে শব্দটো চিনি পালে, বন্ধুকৰ পৰা গুলী ওলাই গ'লে এনেদৰে শব্দ কৰে। তেওঁলোকে টৰ্চ লাইটবোৰ অফ কৰিলৈ শব্দটো যিফালৰ পৰা আহিছে সেইফালে আগুৱাই যাব ধৰিছে। ঠাণ্ডাত তেওঁলোকৰ হাতবোৰ কোঙা হ'ব ধৰিছে, গছৰ ডালবোৰ লাগি কাৰ গাত কিমান আঘাত পাইছে তাৰ কোনো হিচাপ নাই। তেওঁলোকে গৈ পাহাৰটোত পালেগৈ, অশেষ কষ্ট কৰি তেওঁলোকে পাহাৰটোৰ টিঙত উঠিলে। তেওঁলোকে দেখিলে আনটো পাহাৰৰ টিঙটোৰ অকণমান তলতে একুৰা জুই জ্বলি আছে আৰু পাহাৰটোৰ তলৰ ফালে এখন নদীৰ পানীৰ খলখলনি শুনিবলৈ পোৱা গৈছে। তেওঁলোকে লাহে লাহে সেই পাহাৰটোৰ ফালে আগুৱাই গৈ থাকিল। তেওঁলোকে যেতিয়া পাহাৰটোৰ আধা অংশ পালেগৈ। তেতিয়া কেইজনমান মানুহে সেই জুইৰ ওচৰত কথা পাতি থকা শুনিব পালে। এজনে ক'লে, "আমাৰ পিছত আহি থকা গাড়ীখন পুলিচৰ গাড়ী নহয়টো।" আন এজনে ক'লে, "হ'লে কি হ'ব আমি পাৰ হৈ অহা নলাটোৰপৰা ঘূৰি যাব লাগিব, নলাটো পাৰ হৈ অহাৰ পিছত আৰু অহা দেখিছিলি



জানো।'' আৰু এজনে ক'লে ''সেই ডোখৰ আহিব পাৰিলেও এই গভীৰ অৰণ্যত সোমাবৰ বাবে সাতবাৰ ভাবিব লাগিব।'' মৰমীৰ দেউতাকহঁতে সেইকেইজনেই অপহৰণকাৰী বুলি বুজিব পাৰিলে। তেওঁলোকে পাহাৰটোত বগাই বগাই মানুহ কেইটাক আটক কৰিবৰ বাবে আগবাঢ়ি গৈ থাকিল। এনেতে এজনে শিল এটাত খোপনি পুতি আগুৰাবলৈ লওঁতে শিলটো খহি পৰিল। অপহৰণকাৰী কেইজনে কিবা এটা বিপদৰ সংকেত পাই পিষ্টল পিষ্টল বুলি চিঞৰিবলৈ লওঁতে মৰমীৰ দেউতাকহঁতে গুলী চালনা কৰিবলৈ আৰম্ভ কৰি দিলে। জুই পোহৰত ওলাই থকাৰ বাবে অপহৰণকাৰীকেইটাক গুলীয়াবলৈ সুবিধা হ'ল। বুকুত, মূৰত আৰু পেটত কেইবাটাও গুলী লাগি তিনিটা অপহৰণকাৰী গছৰ পৰা আম পৰাৰ দৰে পাহাৰ পৰা পৰি গৈ নদীখনত পৰিলগৈ। এজনৰ ভৰিত গুলী লাগিল। শিল এটা ওচৰত থকা বাবে তেওঁ কোনোমতে বাচিল। সেইজনে হাত দাঙি আত্ম সমৰ্পণ কৰিলে। গোটেই কেইজনে গৈ মানুহটোক আগুৰি ধৰিলে। মৰমীৰ দেউতাকে খঙেৰে সুধিলে, ''ল'ৰাটো ক'ত?'' মানুহটোৱে কান্দি উত্তৰ দিলে, ''ছাৰ মোক ক্ষমা কৰি দিব মোৰ বহুত ডাঙৰ ভুল হৈ গ'ল।'' মৰমীৰ দেউতাকে এইবাৰ আগতকৈ উগ্ৰমূৰ্তি ধৰি ক'লে, ''তোক যি সুধিছোঁ নকৰ কেলেই?'' মানুহটোৱে লাহেকৈ ক'লে, ''আচলতে আমিও ইমানটো কৰিম বুলি ভবা নাছিলোঁ, ভাবিছিলোঁ গাড়ীখন লৈ আমি তাক এৰি দিম।'' মৰমীৰ দেউতাকে ক'লে, ''এতিয়া কি কৰিলি ল'ৰাটোক?'' মানুহটোৱে পুনৰ কৈ যাব ধৰিলে, ''আমি প্ৰথম তাক আটক কৰিবৰ সময়ত তাৰ হাতত থকা ফোনটোলৈ চাবৰ সময় নহ'ল। আমি মুঠৰ ওপৰত এডোখৰ নিৰাপদ ঠাইলৈ যাবৰ বাবে চেষ্টা কৰিছিলোঁ। কিন্তু যেতিয়া আমি এডোখৰ হাবিত গাড়ীখন ৰখাই কাপোৰ সলাই ল'বলৈ লওঁ তেতিয়া তাৰ হাতত থকা ফোনটোলৈ চাই দেখোঁ যে কাৰোবাৰ স'তে সম্পৰ্ক স্থাপন কৰি থৈছে। আমি তাৰ পৰা ফোনটো লৈ ভাঙি পেলালোঁ আৰু হাত ভৰি কেইখন বান্ধি পিছফালৰ চিটটোত বহুৱাই দিলোঁ। আমাৰ সন্দেহ হ'ল যদি আমি আলুবাৰী ঘাটলৈ যাওঁ বুলি কোনোবাই গম পাইছে তেন্তে আমাক ধৰিবৰ বাবে মানুহ পঠিয়াব পাৰে। গতিকে আমি আলুবাৰী ঘাটৰ ফালে যোৱা ৰাস্তাটোৱেদি নগৈ এইফালে আহিলোঁ। ভাবিছিলোঁ এই গভীৰ অৰণ্যত আমাক কোনেও ধৰিব আহিব নোৱাৰে। সেয়েহে আমি আহিয়েই একুৰা জুই ধৰিছিলোঁ আৰু ল'ৰাটোক এৰি দিছিলোঁ। কিন্তু কিছুদূৰ সি আমাৰ পৰা আঁতৰি যোৱাৰ পিছত কৈছিল তহঁতৰ দৰে ধ্বংসকাৰীক মই পৃথিৱীৰ পৰা আঁতৰাই পঠিয়াব পাৰিলে শান্তি পাম বুলি কয়, আমি লৈ থকা পিষ্টল এটা আমি ক'ব নোৱাৰাকৈ লৈ গৈ আমাৰ এজনক মাৰিবৰ বাবে টোঁৱাই লৈছিল। লগৰ জনে এইটো সুবিধা তাক নিদিলে সি গুলী চলোৱাৰ আগতে লগৰ জনৰ পিষ্টলৰ পৰা গুলী ওলাই গ'ল।'' গুলী লগা পিছত সি পাহাৰৰপৰা বাগৰি গৈ তলত পৰিলগৈ।'' সাহসেৰে আগুৱাই আহি ইমান দুৰ্গম ঠাইত থিয় হ'বলৈ কুণ্ঠাবোধ নকৰা মৰমীৰ দেউতাকে কথাটো শুনি এটা সৰু ল'ৰাৰ দৰে হুকহুকাই কান্দি উঠিল। খং আৰু দুখত তেওঁৰ কি কৰোঁ নকৰোঁ অৱস্থাৰ দৰে হৈ পৰিল। তেওঁ কান্দিয়েই চিঞৰি চিঞৰি ক'লে ''নিজৰ দেউতাকৰ দৰে ভাবিছিল সি মোক। তহঁতি কুকুৰ কেইটাই লগ হৈ মোৰ ল'ৰাটোক আঁতৰাই লৈ গ'লি মোৰ পৰা। মই এতিয়া ঘৰত কাৰ মুখখন লৈ যাম। কি কমগৈ তাৰ মৰমৰ মাক-দেউতাকক। কুকুৰ তাতকৈ তোকো মাৰো আৰু নিজেও মৰি যাওঁ।'' এইবুলি কৈ তেওঁ হাতত ৰিভলভাৰটো তুলি ল'লে ওচৰতে থকা আৰক্ষী এজনে তেওঁক খামুচি ধৰিলে। যিমান পাৰে তেওঁ চিঞৰি চিঞৰি কান্দিব ধৰিলে। তেতিয়া ৰাতি ন মান বাজি পাৰ হ'বৰে হ'ল। গোটেই কেইজনে এটি শোকাকুল মন লৈ উভতি ঘূৰি আহিল। অপহৰণকাৰী মানুহজনৰ হতুৱাই বাস্তৱৰ গাড়ী চাবিটো বিচাৰি ল'লে। তেওঁলোক অপহৰণকৰীজনকো ধৰি লৈ আহিল। ৰাতি ১২ মান বজাত মৰমীৰ-দেউতাকে গৈ বাস্তৱহঁতৰ ঘৰত ওলালগৈ। মৰমী, তাইৰ মাক আৰু বাস্তৱৰ মাক-দেউতাকে বাৰাণ্ডাখনতে বহি আছিল। কাৰোৱে মুখত টোপনি নাই। মৰমীৰ দেউতাক অহাৰ গম পাই সকলোৱে উঠি আহিল। মৰমী দেউতাকৰ চকুযুৰি চলচলীয়া হৈ পৰিল, তেওঁ বাস্তৱৰ দেউতাকৰ হাতত ধৰি কান্দি কান্দি ক'লে, ''ককাইদেউ আমাৰ ল'ৰাটোক মই আৰু ঘূৰাই আনিব নোৱাৰিলোঁ। সি আমাক এৰি থৈ বহুত দূৰলৈ....।'' কথাখিনি শেষ কৰিব নোৱাৰিলে। দুয়োজনে কান্দিবলৈ আৰম্ভ কৰি দিলে। কথাটো শুনাৰ লগে লগে বাস্তৱৰ মাকে বৈ থাকিব নোৱাৰিলে। তেওঁ হাতখনেৰে নিজৰে বুকুখনত খুন্দিয়াই খুন্দিয়াই কান্দি কান্দি চিঞৰি উঠিল, তাক লৈ যোৱাত কৈ মোকে লৈ নগ'লনো কিয় প্ৰভু।'' মৰমী মাকেও চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। মৰমীয়ে বাস্তৱৰ কোঠাটোলৈ দৌৰি গ'ল দৰ্জা খন জপাই লৈ বিছনাখনত পৰি হিয়া উজাৰি কান্দিবলৈ ধৰিলে। সময় গৈ গৈ অন্ধকাৰ জগতখন পোহৰ হৈ আহিব ধৰিলে। ৰাতিপুৱা ওচৰ চুবুৰীয়া মানুহবোৰে সান্ত্বনা দিবলৈ আহিল তথাপিও বাস্তৱৰ ঘৰত কান্দোনৰ টৌ কমি নাহিল। এচ. পি য়ে ৰাতিপুৱাতে আৰক্ষী দল এটাক বাস্তৱৰ অচেতন হৈ থকা নিথৰ শৰীৰটোক তুলি আনিবলৈ পঠিয়ালে। ৰাতিপুৱা ৮ মান বজাৰ পৰা বাস্তৱৰ ঘৰত সান্ত্বনা দিবলৈ অহা মানুহে নধৰা হ'ল। সকলোৱে গৃহস্থৰ লগতে এটোপালকৈ চকুলো উলিয়াবলৈ বাধ্য হ'ল। মৰমীজনী কান্দি কান্দি অৱস্থা নাইকিয়া হৈ পৰিল। বাস্তৱৰ মাকৰ মাজে মাজে উশাহ-নিশাহ লোৱা বন্ধ হৈ যাব ধৰিলে। দেউতাকেও মানুহ আহে প্ৰতি বাস্তৱৰ ৰূপ গুণৰ কথা কৈ কান্দিব ধৰিলে। মৰমীৰ মাক-দেউতাকৰ অৱস্থা শোচনীয় হৈ পৰিল। এনেদৰে দিনটো যাবৰে হ'ল এচ. পি. জনে গৈ মৰমীৰ দেউতাকক কওঁ নকওঁকৈ ক'লেগৈ, ''বাস্তৱৰ মৃতদেহটো বিচাৰি হাবিখন গোটেই ঘূৰিলে যদিও আমাৰ দলটোৱে সন্ধান বিচাৰি নাপালে, শুনামতে বহুতো হিংস্ৰ জীৱ জন্তুৱে হাবিখন ভৰি আছে মোৰ সন্দেহ.....।'' তেওঁ কথাটো ক'বলৈ ইচ্ছা প্ৰকাশ নকৰিলে। মৰমী দেউতাকে কান্দি কান্দি ক'লে, ''ল'ৰাটোৱে কি ইমান দুখ কৰিলে বাৰু? মৰাৰ পিছতো মৃতদেহটোকো হিংস্ৰ প্ৰাণীয়ে খাবলৈ ধৰিলে।'' এচ. পি. জনে বুজাবলৈ চেষ্টা কৰিলে ''এইবোৰ কপালৰ কথা অ'.. কাৰ কেতিয়া কি হয় কোনেও নাজানে।'' এচ. পি. ৰ কথাটো শুনি ঘৰখনত পুনৰ কান্দোনৰ ৰোল উঠিল। কোনোৱে কাৰোৰে ফালে চাবৰ সময় নাই। সকলোৱে হিয়া উজাৰি কান্দিছে। সময়ৰ পখিলাজনী উৰি উৰি সন্ধিয়াৰ বাটত পালেহি। মৰমীয়ে বাস্তৱৰ নামত এগছি চাকি জ্বলাই লৈ পদূলি মুখত থকা তুলসী জোপাৰ তলত দিলেগৈ। তাই আঁঠুকাঢ়ি চকু দুটা মুদি লৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাব চেষ্টা কৰিলে। এনেতে তাইৰ ওচৰত কিবা এটা বস্তু আহি ৰোৱা যেন অনুমান কৰিলে। তাই চকু হাল মেলি দিলে। তাই দেখিলে পদূলিৰ মজিয়াখনত কাৰোবাৰ দেহৰ পৰা তেজ ওলাই টোপ টোপকৈ পৰিব ধৰিছে। মৰমীয়ে ওপৰলৈ চাই দেখিলে এজন মানুহ তাইৰ ওচৰত থিয় দি আছে। তাই থিয় হৈ মানুহজনৰ অৱয়বটো দেখি ভয়তে দুখোজমান পিছুকি গ'ল। মানুহজনৰ শৰীৰটো গোটেই ধূলিৰে পৰিপূৰ্ণ। বাওঁফালৰ হাতখনৰ ওচৰত থকা মাংস পেশীৰ পৰা তেজ একেৰাহে ওলাই থাকিব ধৰিছে। মৰমীৰ এনে লাগিল কোনোবাই মানুহজনৰ সেই ঠাইডোখৰ চোকা অস্ত্ৰৰে খুচিলে। মানুহজনে মৰমীক উদ্দেশ্যি মাত লগালে, ''মৰমী পানী এগিলাচ দিয়াচোন।'' মানুহজনৰ মাতটোৱে মৰমীৰ অন্তৰত এজাক ধুমুহাৰ সৃষ্টি কৰিলে। তাই চিঞৰি উঠিল, ''বৰমা, বাস্তৱ আহিল।'' বাস্তৱ জীৱনলৈ ক্ষন্তেক সময়ৰ বাবে এজাক কালৰ ধুমুহা বলি গ'ল। ইয়াৰ পিছতে তাৰ জীৱনলৈ কিহৰ ধুমুহা আহিব সেইটো অদৃশ্যজনৰ ওপৰতে নিৰ্ভৰশীল। ■

মৰমীজনী কান্দি কান্দি অৱস্থা নাইকিয়া হৈ পৰিল। বাস্তৱৰ মাকৰ মাজে মাজে উশাহ-নিশাহ লোৱা বন্ধ হৈ যাব ধৰিলে। দেউতাকেও মানুহ আহে প্ৰতি বাস্তৱৰ ৰূপ গুণৰ কথা কৈ কান্দিব ধৰিলে। মৰমীৰ মাক-দেউতাকৰ অৱস্থা শোচনীয় হৈ পৰিল।

বৰঘৰৰ মজিয়াত

# অসম-গণতন্ত্ৰ-সংগঠন আৰু কিছু হাঁহি উঠা কথা

অনুভৱ-১

নয়নমণি চাংমাই
স্নাতক পঞ্চম ষাণ্মাসিক
ইংৰাজী বিভাগ

কোৱা হয় গণতন্ত্ৰ ৰাষ্ট্ৰ পৰিচালনাৰ এটি উত্তম উপায়। জনসাধাৰণৰ দাবী, ইচ্ছা, প্ৰতিবাদ, সমৰ্থন আদি সকলো ক্ষেত্ৰতে গণতন্ত্ৰই সাধাৰণ জনগণক বিপুল স্বাধীনতা প্ৰদান কৰিছে। আমাৰ দেশ ভাৰতবৰ্ষই স্বাধীনতা পোৱা আজি ৬৯ টা বছৰ অতিক্ৰম কৰিলে ঔপনিৱেশিক শক্তি পাৰ। বিগত ৬ টা বছৰে ভাৰতত গণতান্ত্ৰিক চৰকাৰে ৰাষ্ট্ৰ পৰিচালনা কৰি আছে। বহুতে ক'ব খোজে গণতন্ত্ৰই ভাৰতত সফল ৰূপে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ভাৰতৰ দৰে বিশাল দেশ এখন পৰিচালনা কৰিবলৈ গণতন্ত্ৰতকৈ উত্তম উপায় নাই। গণতন্ত্ৰই নাগৰিকক সুৰক্ষা দিছে, স্বাধীনতা দিছে। কিন্তু সমান্তৰালভাৱে দেখা যায় যে বহু সময়ত গণতন্ত্ৰৰ বিৰূপ প্ৰয়োগ চলি আছে। এক শ্ৰেণীৰ ক্ষমতালোভী বা অদূৰদৰ্শী লোকৰ



প্ৰভাৱত। যাৰ ফলত জন্ম হৈছে গোষ্ঠী সংঘৰ্ষ, সন্ত্ৰাসবাদ ইত্যাদি।

মোৰ এটা ব্যক্তিগত অভিজ্ঞতা উনুকিয়াব বিচাৰিছোঁ। যোৱা বছৰ জানুৱাৰী মাহত বিশেষ কাম এটাত গুৱাহাটীলৈ যাব লগা হৈছিল। হঠাৎ যাব লগা হোৱাত নৈশ বাছত গুৱাহাটীলৈ ওলালোঁ। খোৱা-বোৱা কৰা নহ'ল। ভাবিলোঁ ৰাতি বাছ ৰখালে হোটেলত খাই ল'ম। ৰাতি প্ৰায় ১০ মান বজাত ডিমৌ পালোঁগৈ। হঠাৎ বাছখন ৰৈ গ'ল। আগে পিছে ৫০-৬০ খনমান গাড়ীৰ এটা দীঘলীয়া শাৰী। খবৰ কৰাত গম পালোঁ যে স্থানীয় কোনোবা ব্যক্তি এজন ঘাই পথত মটৰ চাইকেলৰ পৰা পৰি মৃত্যু হ'ল। ট্ৰাক এখনে মহতিয়ালে। ব্যক্তিজন এটা বিশেষ ছাত্ৰ সংগঠনৰ সদস্য আছিল। মৃতদেহটো ঘাইপথত পেলাই সেই সংগঠনৰ লগতে সমূহ স্থানীয় লোকে ঘাইপথটো অৱৰোধ কৰি থৈছে। মোৰ ভীষণ ভোক লাগিছিল ওচৰে-পাঁজৰে দোকান এখনো নাই। পিছ নিশা ১.৩০ মানত ৰাস্তা এৰি দিছে। প্ৰায় ২.৩০ মান বজাত জাঁজীৰ এখন হোটেলত ভাত কেইটা খালোঁ।

এবাৰ ৰে'লেৰে গুৱাহাটীৰ পৰা বৰপেটা ৰোডলৈ গৈছিলোঁ। চিফুং নামৰ সেই পেচেঞ্জাৰ ৰে'লখন সাধাৰণতে গুৱাহাটীৰ পৰা বৰপেটা ৰোড পাবলৈ অধিকতম ২.৩০ ঘণ্টা সময় লাগে। কিন্তু সেইদিনা প্ৰায় সাত ঘণ্টা সময় লাগিল। কাৰণ, একেটাই। কোনোবা ৰে'লগে'টত ৰে'লে কাৰোবাক মহতিয়ালে। সংগঠন এটা আহি ৰে'লপথতে শুই পৰিলহি। আৰু মাধমাৰটো পৰিল মোৰ দৰে সাধাৰণলোকসকলৰ ওপৰত। বিশ্বাস কৰক সেইদিনা ৰাতি পলম হোৱাৰ বাবে হোটেল এখনো নাপালোঁ ট্ৰেইন ষ্টেচনৰ ওচৰে-পাঁজৰে। গোটেই ৰাতিটো এখন অচিনাকি ঠাইত মহ ডাঁহৰ কামুৰণি খাই খাই ৰাতিপুৱালৈ অপেক্ষা কৰিলোঁ।

ওপৰৰ অভিজ্ঞতা কেইটা কেৱল মোৰ ওপৰতেই প্ৰযোজ্য তেনে নহয়। এয়া আপোনালোকৰ সকলোৰে ক্ষেত্ৰত ক'ৰবাত প্ৰযোজ্য।

এই কথাখিনিৰ জৰিয়তে মই কোনো সংগঠনৰ বিপক্ষে থিয় হোৱাৰ প্ৰয়াস নাই কৰা। মাত্ৰ কিছুসংখ্যক অদূৰদৰ্শী মানুহক কেইটামান গালি দিবলৈ লৈছোঁ, সেয়েহে লিখিব লগা হৈছে।

গণতন্ত্ৰই আমাক প্ৰতিবাদ কৰাৰ অধিকাৰ দিছে। সেয়েহে আজিকালি আমি হকে নহকে এসোপা মান সংগঠন খুলি য'তে ত'তে অপ্ৰয়োজনীয়, অপ্ৰাসংগিক কথাত অৱৰোধ কৰি নিজৰ লগতে আন দহজনৰ মূল্যৱান সময়বোৰ নষ্ট কৰোঁ। গণতন্ত্ৰই আমাক অধিকাৰ দিছে নিজৰ কথাত মাত মাতিবলৈ। সেয়েহে আমি এসোপামান মানুহ গোটাই (শিক্ষিত, অশিক্ষিত, গুণী, ভণ্ড সকলোৰে লগ হৈ) মাত মাতিবলৈ যাওঁ যিকোনো বিষয়ত, লাগিলে সেয়া আমাৰ প্ৰাসংগিক হয়েই বা নহয়েই। সেয়েহে ছাত্ৰ সংগঠনে মাত মাতে কয়লাৰ ক'লা বেপাৰীৰ বিৰুদ্ধে যদিওবা আমি আজিলৈকে SEBA ৰ ভণ্ডামি বন্ধ কৰিব নোৱাৰিলোঁ। কৃষকৰ দলে মাত মাতে সংগীতৰ গীতৰ বিৰুদ্ধে যদিওবা আমাৰ কৃষি বিভাগৰ বিনামূলীয়া ট্ৰেক্টৰ মামৰে ধৰি পৰি আছে। আমাৰ দেশত ৰাজনীতিকে আমাক ভাগ কৰে, বিভেদ আনে, কিন্তু সন্ত্ৰাসবাদীয়ে এক কৰে। আমাৰ গণতান্ত্ৰিক দেশত এজন IAS পৰীক্ষাৰ্থীয়ে ১৫০০ শব্দৰ ৰচনা প্ৰতিযোগিতাত 'যৌতুক -সমাজৰ এক ব্যাধি' শীৰ্ষক এখন ৰচনা লিখি শ্ৰেষ্ঠ IAS হয়, কিন্তু সেইজনেই আকৌ নিজৰ বিয়াত কইনা ঘৰক ১ কোটি টকাৰ যৌতুক বিচাৰে - কাৰণ তেওঁ এজন IAS বিষয়া। বহিৰাগত এটা বিখ্যাত কোম্পানীৰ নাম Hindustan Uniliver Limited হ'ব পাৰে, কিন্তু আমাৰ দেশীয় কোম্পানীৰ নাম 'Peter England' থৈ হে ভাল পাওঁ - কাৰণ আমাৰ বিদেশলৈ বৰ ধাউতি।

আমাৰ নাৰী সংগঠনে চিঞৰি বাখৰি হুলস্থূল লগাই দিব যদি আপুনি গুৱাহাটীৰ City bus ৰ মহিলাৰ বাবে সংৰক্ষিত ৮ টা আসনৰ এটাতো বহে। কিন্তু ডাইনী হত্যাৰ দৰে দুখলগা ঘৃণনীয় কাৰ্যৰ বিৰুদ্ধে আজি পৰ্যন্ত সবল নাৰী শক্তি গা কৰি নুঠিল। গণতন্ত্ৰৰ লাইখুঁটাত ভেঁজা দি ছাত্ৰ সকলৰ মাজত আজি মোৰ অসমত বিভিন্ন সাম্প্ৰদায়িক ছাত্ৰ সংগঠন গঢ়ি নুঠিল। বড়ো ছাত্ৰ পৰিষদ, মটক ছাত্ৰ সন্থা, মৰাণ ছাত্ৰ সন্থা, কাৰ্বি ছাত্ৰ সন্থা মানে ডালে পাতে কেৱল ভিন্ন ভিন্ন ছাত্ৰ সন্থা। কিন্তু নিজকে খিলঞ্জীয়া বুলি দাবী কৰি এটা ছাত্ৰ সংগঠনে সুকীয়া ৰাজ্যৰ দাবী কৰাৰ প্ৰাসংগিকতা ক'ত আছে।

সকলো জাতিয়েই আজি জনজাতিকৰণৰ বাবে দাবী কৰি আছে। নানান আন্দোলন, বন্ধ হাই-হুলস্থূল এক প্ৰকাৰৰ বিত্তৰ জাতীয় সময়পঞ্জীৰ লোকচান, শৈক্ষিক পৰিৱেশত বাধা অৰ্থনীতিত ক্ষতি। লাহেকৈ কেন্দ্ৰীয় চৰকাৰেও ৬ টা জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ প্ৰক্ৰিয়াৰ যো-জা কৰিছে। কিন্তু মই ক'ব বিচাৰোঁ যদি সকলোৱেই জনজাতি হৈ পৰে তেন্তে সকলোৱেই Reservation ৰ সুবিধা পাব। একপ্ৰকাৰে চাবলৈ গ'লে ইয়াতো সেই আগৰ দৰেই প্ৰতিযোগিতা চলিব। ইয়াৰ ফলত বিশেষকৈ প্ৰভাৱান্বিত হ'ব পূৰ্বৰ জনজাতিসমূহ। কাৰণ নব্য জনজাতি কৰণ প্ৰক্ৰিয়াই জনজাতিৰ সংখ্যা বঢ়াই দিব। ফলত তেওঁলোক প্ৰতিযোগিতাৰ সন্মুখীন হ'ব। সেই পূৰ্বৰ জনজাতিবোৰে আৰু উচ্চ পৰ্যায়ৰ সংৰক্ষণৰ দাবী কৰিব। মুঠতে ছাত্ৰ সমাজ বলি হ'ব।

সদৌ অসম ছাত্ৰ সন্থাৰ অসম আন্দোলনে অসম চুক্তি কৰালে। কিন্তু সেই চুক্তিৰ বিনিময়ত কিমান ছাত্ৰই অকালতে প্ৰাণ দিলে আজিলৈকে তাৰ সঠিক হিচাপ নাই। আজি সেই চুক্তি সম্পাদনাৰ ইমান বছৰৰ পিছত NRC উন্নীত কৰা হৈছে। কিন্তু এজন NRC কৰ্মী হিচাপে মোৰ থকা ব্যক্তিগত অভিজ্ঞতাৰ পৰা মই কওঁ যে এই সমূহ NRC উন্নীতকৰণ প্ৰক্ৰিয়া এটা ডাঙৰ শূন্য, মানে সম্পূৰ্ণ অৰ্থহীন। অবৈধ নাগৰিকে যাৰে তাৰে নাম কৈ নিজৰ আত্মীয় বুলি আনৰ Legacy Data কে নিজৰ বুলি কৈ বৈধ নাগৰিক হৈ পৰিব। এতিয়া যেন অসম এখন ডাঙৰ চৰণীয়া পথাৰ। যিমানবোৰ গৰু আছে ৩১ আগষ্ট ২০১৫ ৰ আগতে এই চৰণীয়া পথাৰত চৰিবলৈ ৰাস্তা খুলি দিয়া হৈছে।

বাহঃ মোৰ দেশ, মোৰ আই, মোৰ জনতা। প্ৰণাম কৰিছোঁ আপোনালোকক। আজি মোৰ দেশত টেমী কটাৰী নাবাজে - বাজে হাঁচতি। আমি সকলোবোৰ অৱতৰৰ কুলি, তাকো চকু মুদা কুলি। শুই থাকোঁ আহক আমি সকলো। ইংৰাজ বেয়া কাৰণ তেওঁলোক আমাক শিক্ষা দিলে, Cotton College দিলে, চাহ দিলে, ৰে'ল দিলে, মান বেয়া - কাৰণ মানে পূৰ্ণানন্দৰ দৰে স্বেচ্ছাচাৰীক উচ্ছেদ কৰিবলৈ আহিছিল। আমি অসমীয়াহে ভাল কাৰণ আমি বাংলাদেশলৈ ৩০০ টকা দামত চৰি থকা গৰু বেচি দিওঁ।

আমি ভাল কাৰণ আমাৰ নামঘৰ আছে-যাৰ ভকতে মুছলমানৰ ঘৰত নাখায়। কিন্তু চিকিৎসালয়ত তেজৰ প্ৰয়োজন হ'লে সেই ভকতে কেতিয়াও নুশুধে - সেয়া হিন্দুৰ তেজ নে মুছলমানৰ তেজ।

হয়তো আজিলৈ বহুত হৈছে। আৰু নকওঁ। এটা ডাঙৰ প্ৰশ্নবোধক চিন ৰাখি থৈ গৈছোঁ। নিজকে সঁচা অসমীয়া বুলি ভাবিলে বিচাৰ কৰিব। নহ'লে নিঃসন্দেহে আৱৰ্জনাৰ দ'মত মোৰ আৱেগবোৰ পেলাই দিব। ■

> "অসমীয়া তুমি য'তেই নাথাকা, শদিয়া সীমান্ততে হওঁক, ভৈয়ামতে হওঁক, তুমি নৈপৰীয়াই হোৱা বা খিলঞ্জীয়া আদিবাসীয়েই হোৱা তোমাৰ এটাই পৰিচয়, তুমি অসমীয়া, শত বাধা-বিঘিনিৰ মাজতো যেন তোমাৰ অসমীয়া পৰিচয় জিলিকি থাকে।"
>
> — অতুলচন্দ্ৰ বৰুৱা

বৰঘৰৰ মজিয়াত

# অসমীয়াত মেজৰ কিয় ল'লি?

অনুভৱ-২




ঐশ্বৰ্য্য বৰুৱা
স্নাতক পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

অসমীয়াত মেজৰ কিয় ল'লি? অৰ্থবিজ্ঞান, ৰাজনীতি বিজ্ঞান, ভূগোল, ইংৰাজী আদিৰ কোনোবা এটাত ল'ব নোৱাৰিলি নেকি? অসমীয়াত একো Scope নাই। একোডাল নহ'ব তোৰ জীৱনত'' অসমীয়া বিষয়টো সন্মান বিষয় ৰূপে বাছি লোৱা প্ৰায়ভাগ ল'ৰা-ছোৱালীয়ে এইষাৰ কথা হয়তো শুনিছে। তাৰে কিছুমানে হয়তো এই কথাত পতিয়ন গৈ অন্য বিষয়ত মেজৰ লৈছে। অন্য কিছুৱে হয়তো 'উপায় নাই'! যি হয় দেখা যাব বুলি পঢ়ি আছে। অসমীয়া মানুহ এজনে অসমীয়া বিষয় লৈ পঢ়িবলৈ আশা কৰা এজন ছাত্ৰ বা ছাত্ৰীক এইষাৰ কথা কোৱা উচিতনে? অৱশ্যে কথাতো নোহোৱাও নহয়,



বৰ্তমানৰ যান্ত্ৰিক যুগত ভাল পদৰ চাকৰি এটা পাবলৈ হয়তো অসমীয়া বিষয়ৰ প্ৰয়োজন প্ৰায় কমি আহিছে। কিন্তু সেই বুলিয়েই আমি, আপুনি, সকলোৱে অসমীয়া বিষয়টো বাদ দিম নেকি? কেতিয়াবা অসমীয়া ল'ৰা-ছোৱালীৰ মুখত শুনো ''এই Assamese Subject টো যে একদম ভাল নালাগে, its boring খং উঠে মোৰ, লাজ লাগে। আৰু ২০ বছৰ পিছত হয়তো অসমীয়া বিষয়টো সম্পূৰ্ণ ৰূপে নাইকিয়া হৈ যাব। হাঃ হাঃ কেতিয়াবা হাঁহি উঠে। অসমীয়া মানুহ হৈ অসমত থাকি অসমীয়া বিষয়ৰ নিৰাপত্তাক লৈ চিন্তা কৰিছোঁ। সঁচাকৈয়ে বাৰু অসমীয়া বিষয়টোৰ গুৰুত্ব কমি আহিছে নেকি? সম্পূৰ্ণ অসমীয়াত (শুদ্ধ ৰূপত) কথা কোৱা মানুহ আজিকালি এপাচি শাকত এটা জালুকৰ দৰে। হয়তো নোলাবও পাৰে। লোকক ক'লে কি ডাল হ'ব মই নিজেও নোৱাৰোঁ সম্পূৰ্ণ শুদ্ধ অসমীয়াত কথা ক'বলৈ। বাক্যৰ মাজত আনৰ দৰে মোৰো ইংৰাজী শব্দৰ প্ৰয়োগ হয়। কিছুমান শব্দৰ অসমীয়া ৰূপটো নাজানোৱেই। লাজৰ কথা। এতিয়া আহিছোঁ মেজৰৰ কথালৈ ''মই এজন অসমীয়া ল'ৰা। মই অসমীয়া বিষয়ত মেজৰ লৈয়েই পঢ়িম। বিষয়টো শিকিবলৈ যত্ন কৰিম পুংখানুপুংখ ভাৱে।'' এই পণ লৈ মই অসমীয়া বিষয়ত মেজৰ লৈছিলোঁ। বহুতে হয়তো এই পণকে কৰিছে। 3 idiot's নামৰ হিন্দী বোলছবিত এটা সাৰ কথা আছে। ''শিকিবলৈ পঢ়া নম্বৰ পাবলৈ নহয়'' এই কথাষাৰ সাৰমৰ্ম হিচাপে লৈ সকলো অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি যোৱা উচিত। তেতিয়াহে অসমীয়া বিষয়টো বাচি থাকিব। দুই এদিনৰ কথা-ল'ৰা এটাই মোক প্ৰশ্ন কৰিলে অসমীয়াত মেজৰ ল'লে লাভ কি হ'ব? তাৰ উত্তৰ দিবলৈ খন্তেক ৰবলগীয়া হ'ল। মই ক'লোঁ - এটা ভাষাৰ অস্তিত্ব অক্ষুণ্ণ হ'ব। নিজৰ ভাষাটোক আঁতি-গুৰি মাৰি জানিব পাৰিবা। অসমীয়া জাতিত এক বিপন্ন অৱস্থাত সৃষ্টি হৈছে। আজিকালিৰ মাক-দেউতাকে অসমীয়া স্কুলত পঢ়োৱাবলৈ কুণ্ঠাবোধ কৰে। ''Status Maintain'' কৰিবলৈ ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰয়োজন বুলি বুকু ফিন্দাই কয়। লাজৰ কথা!!! মই নিজে এজন অসমীয়া বিভাগৰ ছাত্ৰ। অসমীয়া বিষয়ত মেজৰ লৈ পঢ়িম বুলি আশা কৰা ভাইটি ভণ্টীসকলক ক'ব খোজোঁ - তোমালোক আহা, অসমীয়া ভাষাটো শিকিবলৈ যত্ন কৰা, সমাজক ৰক্ষা কৰা, অসমীয়া ভাষাক উদ্ধাৰ কৰা। ■





বৰঘৰৰ মজিয়াত

# তিনিচুকীয়া মহাবিদ্যালয় আৰু মোৰ স্মৃতিবোৰ...

অনুভৱ-৩

তৃষা শইকীয়া
স্নাতক তৃতীয় ষাণ্মাসিক
বিজ্ঞান শাখা

ৰৌদ্যোজ্জ্বল কোমল পুৱা। চাৰিওফালে বিৰাজমান শীতৰ আগমনৰ এটি মিঠা আভাস। খিৰিকীখন খুলি দিয়াত এছাটি চেঁচা বতাহে কোবাই গ'ল। তেনেতে মনত পৰিল দুদিনমান আগত মোৰ বন্ধুসম হেমচন্দ্ৰই মহাবিদ্যালয়ৰ আলোচনী ''মনীষা''ৰ বাবে এটি লেখা বিচাৰাৰ কথা। কিন্তু কি লিখোঁ?? লিখা-মেলাৰ ক্ষেত্ৰখনত মই বিশেষভাৱে জড়িত নহয়, সেয়ে বহু ভাবি-গুণি মহাবিদ্যালয়ৰ সৈতে মোৰ অনুভৱকে লিখাটো থিৰাং কৰিলোঁ।

মোৰ আজিও স্পষ্টকৈ মনত আছে, ২০১২ চনৰ ১৭ জুলাইৰ দিনটো। মোৰ কলেজীয়া জীৱনৰ প্ৰথম দিন। কিছু ভয়, কিছু আনন্দ, কিছু লাজ-আৱেশমিশ্ৰিত ক্ষণ। জনা-নজনাকৈ প্ৰৱেশদ্বাৰেদি মহাবিদ্যালয়ৰ চৌহদত ভৰি দিছিলোঁ। সোমায়ে হাতৰ ঘড়ীটো চালোঁ। ৯ বাজিল। ''ছেহঃ!! প্ৰথম ক্লাছটোৱে মিছ হ'ল।'' প্ৰথমবাৰৰ বাবে নিজৰ এলেহুৱা স্বভাৱটোৰ ওপৰত খং উঠিছিল।



এয়াই আৰম্ভণি। তেতিয়াৰে পৰা মই তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰী। পৃথিৱীত হয়তো কিছু সংখ্যক মানুহহে থাকে যাৰ হায়াৰ ছেকেণ্ডাৰী আৰু স্নাতক একেখন মহাবিদ্যালয়ত সমাপ্ত কৰাৰ সৌভাগ্য হয়। মোৰ জীৱনতো এই সৌভাগ্য ঘটাৰ বাবে নিজকে গৌৰৱ অনুভৱ কৰোঁ।

কোৱা হয় ''অতীত সদায় সুন্দৰ''। আমি সদায় পাৰ হৈ যোৱা সময়ক অৰ্থাৎ স্মৃতিক ৰোমন্থন কৰি ভালপাওঁ। ময়ো আজি মহাবিদ্যালয়ৰ লগত মোৰ অনুভৱৰ কথা লিখিবলৈ লোৱাত বহু টুকুৰা-টুকুৰ স্মৃতিয়ে মন মগজুত অগা-ডেৱা কৰিছেহি। কোনটো মুহূৰ্তক প্ৰথম সুযোগ দিওঁ এইটো ঠিক কৰাটো মোৰ বাবে প্ৰত্যাহ্বান হৈ পৰিছে। যিকি নহওক এটা কথা স্বীকাৰ কৰিবই লাগিব যে মহাবিদ্যালয়ৰ চৌহদৰ এক যাদুকৰী শক্তি (উপযুক্ত শব্দৰ অভাৱ) আছে। বাহ্যিক ভাৱে নানা জনে ভাল-বেয়াৰ মন্তব্য কৰে। কিন্তু, যিয়ে এবাৰ প্ৰৱেশ কৰিছে, তেওঁ নিশ্চয়কৈ ইয়াৰ মোহ এৰিব নোৱাৰে। মহাবিদ্যালয়ৰ ক্লাছৰুম, প্ৰেক্টিকেল ৰুম, লাইব্ৰেৰী, প্ৰেক্ষাগৃহ, Golden Park, কেণ্টিন সকলোবোৰৰে নিজা নিজা বৈশিষ্ট্য আছে যাৰ বিৱৰণ দুটামান শব্দত সীমাবদ্ধ কৰিব পৰা নাযায়। হ'লেও সকলোবোৰ ক্লাছ শেষ কৰি নাইবা অফ টাইমত Golden Park ত আমাৰ প্ৰায়ে আড্ডা বহিছিল। নানান ধৰণৰ আলোচনা, যুক্তি-তৰ্ক, কেতিয়াবা শেষ হৈছিল, কেতিয়াবা ৰৈ গৈছিল অন্যদিনৰ অপেক্ষাত। এতিয়াও অৱশ্যে এই ধাৰা অক্ষুণ্ণ আছে।

মহাবিদ্যালয়ৰ আৰু মোৰ মাজত বহুকেইটা সম্বন্ধই সোমাই পৰিছিলহি ক্ৰমাগতভাৱে। দাদা-বাইদেউ, বন্ধু-বান্ধৱ, ভাইটি-ভণ্টী সকলোৱে ভৰা এক পৰিয়াল পালোঁ এই মহাবিদ্যালয়ৰ জৰিয়তে। তেওঁলোকৰ অকৃত্ৰিম মৰম-ভালপোৱা, সহায়-সহযোগৰ কিছু অংশ পাই নিজকে বহুত সৌভাগ্যৱান অনুভৱ হয়। লগতে আমাৰ ছাৰ-বাইদেউসকলে অকণো কৃপণালি নকৰাকৈ আমাৰ জীৱন গঢ়াত সহায় কৰি আহিছে। সেয়ে ভাবোঁ, প্ৰয়োজনীয় সকলো সুবিধা ইয়াত পাইছোঁ। ইয়াৰ বাবে চিৰদিন তিনিচুকীয়া মহাবিদ্যালয়ৰ ওচৰত কৃতজ্ঞ হৈ ৰম। এই ছেগতে ক'ব লাগিব আমাৰ বন্ধুত্বৰ

সম্বন্ধবোৰ কেতিয়াও নিজৰ শাখাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আবদ্ধ নাছিল আৰু আজিও নহয়। আমাৰ পৰিচয় আমি তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী। সেয়ে, কেতিয়াবা নিজকে নিজে কওঁ — "Science ৰ ল'ৰা-ছোৱালীবোৰ মাতিবলে ভয় লাগে নিচিনা পৰিস্থিতি এটা নাপালোঁ।

এই মুহূৰ্তত ক্লাছৰুমৰ এটা ঘটনা মনত পৰিছে। হায়াৰ ছেকেণ্ডাৰী 2nd ইয়েৰত আছিলোঁ তেতিয়া, অসমীয়া ক্লাছ, আমাৰ শ্ৰদ্ধাৰ তুলিকা বাইদেউৰ। বাইদেউৱে আমাক কিছুমান খণ্ডবাক্যৰ অৰ্থ সুধি আছিল। এবাৰত আমাৰ ঘনিষ্ট বন্ধু এজনক সুধিলে যে হাঁহেৰেও ৰাজী, মাহেৰেও ৰাজীৰ অৰ্থ ব্যাখ্যা কৰা। তাৰ মুখৰ পৰাও ঘপহকৰে ওলাই গ'ল যে মই হাঁহেৰেও খাম, মাহেৰেও খাম। লগে লগে গোটেই ক্লাছৰুমত হাঁহিৰ ৰোল উঠিল। তেতিয়া বাইদেৱে লাহেকৈয়ে ক'লে — "তুমি বৰ খকুৱা দেই।" সেই দিন ধৰি ক'ৰবাত খণ্ডবাক্য এটা পালেই মোৰ এই ঘটনাটো লৈয়ে মনত পৰে। আৰু বহুতো হাঁহি উঠা, ভয় লগা, তিতা-মিঠা পাহৰিব নোৱাৰা মুহূৰ্ত আছে। ইয়াৰ ভিতৰত Physics Department ত কাণত ধৰা, Chemistry laboratory ৰ উৎকট $H_2S$ ৰ গোন্ধ, Biology laboratory ৰ experiment বোৰ, এডমিচন, ৰেজিষ্ট্ৰেচনৰ কাৰণে দীঘলীয়া শাৰী পতা, নৱাগত আদৰণী সভা, College Week ত দৰ্শকৰ শেষৰ শাৰীত বহি নচা, ভলীবল খেলা ইত্যাদি ইত্যাদি। এবাৰ যে College Week ত 1500 metre দৌৰ মাৰি ভৰিৰ বিষত দুদিন পৰি থকা কথাটো মনত পৰিলে হাঁহি উঠে আজিও।

সম্পূৰ্ণ তিনিটা বছৰৰ স্মৃতি ঠাহ খাই আছে মগজুত। ন-পুৰণি বহু অনুভৱ। সময়ৰ লগে লগে সলনি হ'ল বহুবোৰ। হায়াৰ ছেকেণ্ডাৰীৰ দেওনা পাৰ হৈ ডিগ্ৰী পালোঁহি, বহু বন্ধুৰ সৈতে এৰাএৰি হ'ল জীৱন গঢ়াৰ স্বাৰ্থত। নতুনত্ব আহিল, পৰিৱৰ্তন হ'ল। জীৱন সম্পৰ্কে জ্ঞানো বাঢ়িল। হায়াৰ ছেকেণ্ডাৰীত থাকোঁতে ছাৰ-বাইদেউহঁতে দেখুৱাই দিয়া ভুলবোৰ বুজি পোৱা নাছিলোঁ, এতিয়া মৰ্মে মৰ্মে উপলব্ধি কৰোঁ। হয়তো জীৱনৰ প্ৰকৃত সংগ্ৰামথলীত ভৰি দিছোঁহি অজ্ঞাতে। সকলোবোৰ যেতিয়া সামৰি-সুঁতৰি ৰাখিব খুজোঁ, তেতিয়া এটা কথাই মনত জোকাৰি যায় যে আমিও এদিন তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী হ'ম। কলেজখন যে এদিন এৰিব লাগিব এই কথাষাৰে হৃদয়ৰ কোনোবা কোণত এটা বিষ অনুভৱ কৰায়। কিন্তু কথাতে কয়, সময় যে নাথাকে ৰয়। আগুৱাই যাব জীৱন। 'স্মৃতি' নামৰ কিতাপখনৰ পৃষ্ঠাৰ সংখ্যা বাঢ়ি যাব। কেতিয়াবা হয়তো পোৱা-নোপোৱাৰ ভাৰখন মিলাই চাম। পাঁচ বছৰীয়া কলেজীয়া জীৱনৰ ভাৰখনেই হয়তো অধিক ওজনৰ হ'ব। যেতিয়া পুনৰ আমাৰ ছাৰ-বাইদেউসকলক লগ পাম তেতিয়া মনত পৰিব তেওঁলোক আমাৰ সোণালী দিনবোৰৰ সাক্ষী আছিল। ক'ব নোৱাৰাকৈয়ে চকুলো নিগৰিব।

সঁচাকৈয়ে কলেজত প্ৰথম ভৰি দিয়াৰ দিনা ভবাই নাছিলোঁ ইমান আপোনত্ব পাম বুলি। আশা কৰোঁ অনাগত দিনবোৰতো এই আপোনত্ব অক্ষুণ্ণ থাকক। সৃষ্টি হওক এই মহাবিদ্যালয়ৰ পৰাই হাজাৰ হাজাৰ জন প্ৰকৃত মানুহ। বৰ্তি থাকক তিনিচুকীয়া মহাবিদ্যালয়ৰ ঐতিহ্য, জিলিকি ৰওক চিৰযুগমীয়া হৈ। শেষত, সকলোলৈকে কৃতজ্ঞতা জনাই মোৰ স্মৃতিৰ লেখা, অনুভৱৰ লেখা সামৰিলোঁ।

জয় জয়তু তিনিচুকীয়া মহাবিদ্যালয়। ■

## বিশেষ ঃ

"আমি দুহাত মেলি বিচাৰিছোঁ জীৱন
আমি শূন্য পাত্ৰত বহন কৰোঁ
যন্ত্ৰণা আৰু তিৰস্কাৰৰ ঘৰ
আমি পাতালৰ পৰা আপোনালোকলৈ আনিছোঁ
শুভ-ইচ্ছাৰ তগৰ।"







বৰঘৰৰ মজিয়াত

# চিৰ চেনেহী মোৰ ....



অনুভৱ-৪

লজিনা গগৈ
স্নাতক পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

গোলাপৰ পাপৰিত পৰি যিদৰে জিকমিকাই উঠে ৰাতিপুৱাৰ ৰ'দৰ কাঁচলিত নিয়ৰৰ টোপাল, ঠিক সেইদৰেই এটি উজ্জল আশা-উদ্দীপনা, জ্ঞান পিয়াসী মন এটা লৈ মহাবিদ্যালয়খনিৰ আঁচলত খোজ পেলাইছিলোঁ। বুজা-নুবুজা এক অবুজ শিহৰণে অন্তৰাত্মা কঁপাই তুলিছিল, বুকুত ভাটা তুলি কেনেকৈ নতুন পৰিৱেশ নতুন পৰিয়ালটিৰ লগত খাপ খাই পৰিম বুলি!

প্ৰথম দিনা কলেজলৈ বুলি খোজ দিছিলোঁ। কলেজৰ গে'টত প্ৰৱেশ কৰাৰ আগতে কলেজখনৰ চৌপাশে মোক ব্যাকুল কৰি তুলিছিল। বিশেষকৈ গে'টৰ সন্মুখত থকা কৃষ্ণচূড়া গছজোপাই। বতাহত হালি-জালি থকা সেই কৃষ্ণচূড়া গছজোপাৰ চিৰিলি পাতবোৰে মোৰ মনটো উৎফুল্লিত কৰি তুলিছিল। সেই সময়ত মোৰ মনটো এনেকুৱা অনুভৱ হৈছিল যেন কৃষ্ণচূড়া গছজোপাৰ চিৰিলি পাতবোৰে মোক স্বাগতম জনাবৰ বাবে অপেক্ষা কৰি আছে। সেউজীয়া গছ-গছনিৰে ভৰা এই মহাবিদ্যালয়খনি সঁচাকৈয়ে অতি মনোমোহা। কলেজত ভৰি দিয়াৰ লগে লগে দেখিছিলোঁ জাক জাক ল'ৰা-ছোৱালী ঘূৰি ফুৰিছে। কেণ্টিন, লাইব্ৰেৰী, জিৰণী-কোঠাত ঠাই নাই বুলি কিছুমানে উভতি আহিছে। প্ৰতিটো মুহূৰ্ততে মাথোঁ সকলোৰে বাবে ব্যস্ততাপূৰ্ণ।



ই যেন বঢ়া নহয়। ই চিৰ যৌৱনা। ইয়াৰ প্ৰতি চপৰা ইটাই মাথোঁ বৰ্ণনা কৰিছে অসমৰ কলেজীয়া যুৱক-যুৱতীৰ যৌৱন বৰ্ণনা। এই যৌৱনৰ যেন অন্ত নাই।

অসমীয়া ছোৱালী হোৱা হেতু এক দুৰ্বাৰ আকৰ্ষণ আছিল অসমীয়া বিষয়টি সন্মান সহকাৰে লোৱাটো আৰু মই অসমীয়া বিষয়টোক উচ্চমান বিষয় হিচাপে বাছি লৈছিলোঁ।

প্ৰথমে মই কাকোৱে চিনিব পৰা নাছিলোঁ। শ্ৰেণী কোঠালৈ সোমাইছিলোঁ, সকলো মোৰ অচিনাকি। মোৰ মনটো সেমেকি উঠিছিল। মই সহপাঠীসকলৰ লগত মিলিব পৰা নাছিলোঁ। অচিনাকিৰ পৰা বন্ধুত্বৰ মাজলৈ আহিবলৈ মোৰ অলপ অসুবিধা আহি পৰিছিল। কাৰণ অচিনাকিয়ে মোৰ হেঙাৰ হৈ পৰিছিল। সকলোৱে হয়তো মোক অহংকাৰী বুলিয়ে ভাবিছিল। এনেকৈয়ে এদিন দুদিন অহাৰ পিছত অচিনাকি মোৰ সহপাঠী সকলৰ লগত চিনাকি হ'লোঁ। ফলত মোৰ মনটো অলপ পাতল লাগিল। দুই এদিন অতিক্ৰম কৰাৰ পিছত সাধাৰণ বিষয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগত বন্ধুত্বৰ সম্পৰ্ক গঢ় লৈ উঠিছিল যদিও মোৰ মনটো উচ্চমান বিষয়লৈহে উৰা মাৰিছিল। যথা সময়ত বিভাগৰ বাছনি পৰীক্ষা অনুষ্ঠিত হৈছিল। ময়ো এই পৰীক্ষাত অৱতীৰ্ণ হ'লোঁ, আসনখনো দখল কৰিলোঁ। কিন্তু এটা কথা দেখি আচৰিত হ'লোঁ যে অসমত যেনেকৈ ভিন্ন ভাষা-ভাষীয়ে বাস কৰে ঠিক তেনেকৈ আমাৰ বিভাগতো বিভিন্ন সম্প্ৰদায়ৰ বন্ধু-বান্ধৱী লগ পালোঁ।

তিনিচুকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সাহিত্য চ'ৰা প্ৰতিবছৰে গঠন কৰা হয়। কাৰ্যসূচীখন গঠন কৰাৰ লগতে নৱাগত আদৰণী-সভাত সকলো সহপাঠী বন্ধু-বান্ধৱৰ লগত চিনাকি হ'বলৈ সঁহাৰি জনায়। যাৰ ফলত আমাৰ মাজত বন্ধুত্বৰ সম্পৰ্ক গঢ়ি উঠে। সেইদিনা মই বিভাগীয় সাজ পাৰবোৰ পৰিধান কৰি আহোঁতে মোৰ যেন এগৰাকী অসমীয়া গাভৰু হিচাপে নিজৰ ওপৰতে গৌৰৱ অনুভৱ হৈছিল। মই কাপোৰযোৰ মিলাই

মিলাই ৰাংঢালী পখিলাৰ দৰে সভাগৃহলৈ আগবাঢ়িছিলোঁ। সভাগৃহত উপস্থিত থকা মোৰ অচিনাকি জ্যেষ্ঠ দাদা বাইদেউসকলক দেখি মোৰ ভৰি দুখন থৰক বৰককৈ কঁপিবলৈ ধৰিছিল আৰু মোৰ ভূতৰ ওপৰত দানহ পৰা যেন অৱস্থা হৈছিল। মোৰ কাৰোৰে লগত চিনাকি নাছিল। সেই কাৰণে মনতে অলপ সংকোচ অনুভৱ হৈছিল। মোৰ শৈশৱৰ বান্ধৱী দীপশিখা দেউৰী এগৰাকী সাধাৰণ বিষয়ৰ ছাত্ৰী আছিল। মই তাইৰ লগত গোলডেন পাৰ্কত বহি আছিলোঁ। তাই মোৰ অসুবিধা বুজি তাইৰ চিনাকি অসমীয়া বিভাগৰ ছাত্ৰী এগৰাকীক মোৰ লগত চিনাকি কৰি দিয়ে। তাইৰ দীঘল চুলিকোচাই গোটেই ছোৱালীজনীক খুব সুন্দৰ দেখাইছিল। চিনাকি হোৱাৰ পিছত জানিব পাৰিলোঁ তায়ো অসমীয়া বিভাগৰ নৱাগতা ছাত্ৰী। আৰু আমাৰ বন্ধুত্বৰ সম্পৰ্ক গঢ়লৈ উঠিছিল। দুয়োজনীয়ে এখোজ-দুখোজকৈ সভাগৃহলৈ বুলি আগবাঢ়িলোঁ। যথাসময়ত নিৰ্দিষ্ট আসনত বহিলোঁ। মোৰ দৰেই অন্যান্য নৱাগত ছাত্ৰ-ছাত্ৰীৰ মুখত ভয়, লাজ, উৎকণ্ঠা ভাহি আহিছিল আৰু সকলোৱে নিবুকা চামোনৰ দৰে বহি আছিল। সভাখনত যথাসময়ত কাৰ্যসূচী শেষ হৈ অন্তৰংগ আলাপ অনুষ্ঠান আৰম্ভ হয়। অন্তৰংগ আলাপ অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীয়ে নিজা নিজা পৰিচয় দিয়াৰ উপৰিও সুপ্ত প্ৰতিভাখিনি আগবঢ়াই দিয়ে। সকলোৰে হাঁহি স্পন্দনবোৰ ফুটি উঠিছিল আৰু মোৰ মুখত মনটো অলপ পাতল লাগিবলৈ ধৰিছিল। অৱশেষত মোৰ যেতিয়া পাল পৰিল ভয়তে ভৰি দুখনেৰে নিৰ্দিষ্ট থলীলৈ আগবাঢ়িব পৰা নাছিলোঁ। সময়ত আগবাঢ়ি গৈ মই মোক বাছি দিয়া অভিনয়, নাচ-গান হোৱাই নোহোৱাই প্ৰদৰ্শন কৰিলোঁ, তেতিয়া মোৰ এনেকুৱা অনুভৱ হৈছিল যেন মোৰ মনৰ মাজত থকা ভয়, লাজ, শংকা সকলো আঁতৰি যেন মণিকাঞ্চন সংযোগহে ঘটিছে এনে লাগিল। সঁচাকৈয়ে সেই দিনটো খুবেই আনন্দদায়ক আৰু অতুলনীয়। মোৰ বাবে সেই দিনটো কলেজীয়া জীৱনৰ এটা স্মৰণীয় দিন হৈ ৰ'ব।

সময়বোৰ অতিক্ৰম কৰাৰ ফলত আমাৰ উচ্চমান বিষয়ৰ শ্ৰেণীসমূহ আৰম্ভ হ'বলৈ ধৰিলে। প্ৰথমে, মই শ্ৰেণীত মন বহুৱাব পৰা নাছিলোঁ, কাৰণ প্ৰতিটো অধ্যায় মোৰ বাবে খুব কঠিন হৈ পৰিছিল। লাহে লাহে শিক্ষাগুৰুসকলে শিক্ষাদান দিয়া সেই বিষয় বস্তুবোৰ ঘৰত বাৰে বাৰে পঢ়ি শিকিবলৈ বুজিবলৈ চেষ্টা কৰিলোঁ। যথা সময়ত মোৰ বুজিবলৈ অলপ সহজ হৈ পৰিল। আমাৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ মাজত যিটো মিলা-প্ৰীতি, একতা, মৰম-স্নেহ, হাঁহি-ধেমালি আমাৰ মাজত ভাহি থাকে এতিয়া আপুনিৰে পৰা আৰম্ভ হোৱা সম্বন্ধটো তুমি হ'ল, শেষত তই হ'ল। বিভাগটোত থকা ছাত্ৰ-ছাত্ৰীৰ মাজত চিনিয়ৰ-জুনিয়ৰ (জ্যেষ্ঠ-কনিষ্ঠ) হিচাপে সন্মান কৰাৰ উপৰিও মৰম, দয়া-মমতাবোৰ ভাহি থাকে। আমি সদায় একতাৰ ডোলেৰে বান্ধ খাই থকাটো বিচাৰোঁ। প্ৰতিটো কামত, প্ৰতিটো খোজত সমানে আগভাগ লোৱাটো বিচাৰোঁ।

আমাৰ বিভাগৰে মোৰ সহপাঠিনী এজনী অতি মৰমলগা নেপালী সম্প্ৰদায়ৰ ছাত্ৰী। তাই খোলা মনেৰে হাঁহি ভাল পায়। প্ৰতিটো সময়ত তাইৰ মুখত হাঁহি বিৰিঙি উঠে। তাইৰ সেই খোলা মনৰ হাঁহিটোৱে মোক জীৱনৰ প্ৰতিটো খোজত সকলোৰে লগত হাঁহি স্ফূৰ্তিৰে দিন কটাবলৈ উৎসাহ যোগাইছিল। আমাৰ জীৱনত ঘটি যোৱা প্ৰতিটো ঘটনা একো একোটা স্মৃতি স্বৰূপ হৈ পৰিছিল। স্মৃতি সদায় অতীত। অতীত আছে বাবেই আমি বৰ্তমানত উপনীত হৈছোঁ। বৰ্তমান আছে বাবেই কেনেকৈ ভৱিষ্যতৰ গতিত আগবাঢ়ি যাব পাৰি তাৰ সঠিক পথ বিচাৰি পোৱা যায়। বান্ধৱীজনীৰ সেই খোলা মনৰ হাঁহিটোৱে মোৰ অন্তৰত থকা ভয়, শংকাবোৰ মোকলাই তুলিছিল। হাঁহিৰ লগতে তাইৰ বক বকবোৰে শ্ৰেণী কোঠাটোত উখল-মাখল পৰিৱেশৰ সৃষ্টি কৰিছিল। তাই এদিন কলেজলৈ নাহিলে বিভাগটো কাঁহ পৰি জিন যোৱাৰ দৰে অৱস্থা হৈছিল। বান্ধৱী ছম্পীকা, লভলী, বন্ধু নিবন, চিনু, দিব্যজ্যোতি, সূৰয, নাৰায়ণ, ঐশ্বৰ্য, ঋতুৰাজ, দীপান্তৰ, ভূপেন সকলোৰে হৃদয় খোলা অন্তৰে ভৰা। সকলো বন্ধু-বান্ধৱী বৰ মৰমিয়াল। শ্ৰেণী কোঠাত আমি যদি সকলোৱে লগ হওঁ, পাহৰি যাওঁ আমি নিজকে একোজন ছাত্ৰ-ছাত্ৰী বুলি। অচিন জগতলৈ সকলোৱে ঢাপলি মেলোঁ। নিজৰ নিজৰ লগতে কথা পাতোঁ। কোন ক'ত যাব, কোনে ক'ত পঢ়িব। উহঃ কিযে মজা, দিনবোৰ কেনেকৈ যে পাৰ হৈ গৈছে সময়বোৰ ধৰি ৰাখিব পৰা হ'লে কিমান ভাল আছিল!! সময় গতিশীল। সময় কাৰো বাবে ৰৈ নাথাকে, অথচ সময়বোৰ ৰৈ যোৱা হ'লে। আমি সকলোৱে এই মহাবিদ্যালয়খন এৰি নিজৰ নিজৰ বাটত গুছি যাব লাগিব, কিমান যে দুখৰ দিন হ'ব সেই দিনটো, ভাবিলে মনটো উচুপি উঠে।

বিভাগীয় প্ৰধান কনক কলিতা ছাৰ, টংকেশ্বৰ দাস ছাৰ, মুক্তিনাথ শইকীয়া ছাৰ, তুলিকা দাস বাইদেউ, মানসী ৰাজখোৱা বাইদেউ, মমী শ্যাম বাইদেউ, ৰূপা বাইদেউৰ পাঠদান কৰাৰ যিটো ধৰণ মোৰ খুবেই ভাল লাগে। পঢ়াৰ লগতে জীৱনত আমি কেনেদৰে আগবাঢ়ি জীৱন যুঁজৰ বাটত সফল হ'ব পাৰিম তাৰ প্ৰতিও আমাক সজাগতাৰ লগতে বিভিন্ন দিশত উৎসাহ যোগায়। সঁচা কথা ক'বলৈ গ'লে টংকেশ্বৰ ছাৰক প্ৰথমে মোৰ খুব ভয় লাগিছিল। ছাৰক দেখিলেই মোৰ বুকু কঁপি উঠিছিল। শ্ৰেণীত ছাৰে যদি মোক প্ৰশ্ন সোধে মোৰ ভয়ত উত্তৰটো মুখৰ ভিতৰতে থাকি গৈছিল। মই উত্তৰটো জানিও নজনাৰ দৰে হৈ পৰিছিলোঁ। ছাৰে মোক হঠাৎ কিবা প্ৰশ্ন সুধি দিলে মই থৰক-বৰক হৈ পৰিছিলোঁ। ছাৰে মোক ধেমালিতে জোকাইছিল মই শ্ৰেণীত মুখ বন্ধ কৰি থাকোঁ কাৰণে। মোৰ ভিতৰি ভিতৰি খুব খং উঠিছিল আৰু মই অলপ লাজো পাইছিলোঁ। মই বুজিব পৰা নাছিলো বাহিৰৰ পৰা যিটো দেখা যায় বা বুজা যায় সেইটো মুঠেই ভুল ধাৰণা। টংকেশ্বৰ ছাৰক বৰ খঙাল বুলি ভাবিছিলোঁ, কিন্তু ছাৰ মানুহজন বৰ মৰমিয়াল। ছাত্ৰ-ছাত্ৰীৰ লগত ধেমালি, হাঁহি-স্ফূৰ্তি কৰি ছাৰে আমাৰ লগত বন্ধুত্ব সুলভ সম্পৰ্ক গঢ়ি তুলিছিল আৰু অতি সহজে নুবুজা বিষয়বস্তু এটা সহজে বুজাই দিছিল। আমি বিষয়বস্তুটো গুৰুত্ব দি আঁকোৱালি লৈছিলোঁ। তুলিকা দাস বাইদেউৰ পাঠদান কৰাৰ সময়ত বাইদেউৰ মাজত আমি এক সহানুভূতিশীল মৰম আৰু ৰস বিচাৰি পাইছিলোঁ। বাইদেউ খুব মৰমিয়াল। বাইদেউৰ পাঠদানত এক আমোদজনক মৰম সোমাই আছিল। লগতে মানসী ৰাজখোৱা বাইদেউৰ সেই মৰমিয়াল মাতষাৰত আমি বিভোৰ হৈ পৰিছিলোঁ। মমী শ্যাম বাইদেউ আৰু ৰূপা বাইদেউৰ মিচিকিয়া হাঁহিয়ে আমাক ব্যাকুল কৰি তুলিছিল। মমী বাইদেউ আৰু ৰূপা বাইদেউ খুব সহজ সৰল। বাইদেউ দুগৰাকীৰ মুখত অনবৰতে হাঁহি বিৰিঙি উঠে। মই (আমি) ছাৰ বাইদেউসকলৰ ওচৰত চিৰ কৃতজ্ঞ। প্ৰতিজন ছাৰ বাইদেউ ৰসিক আৰু মৰমিয়াল, কাৰণ অসমীয়া বিষয়টোৱে ৰসাল। অসমীয়া বিভাগৰ ছাত্ৰী হোৱা হেতু মই যথেষ্টখিনি অভিজ্ঞতা লাভ কৰিছোঁ। সকলোৱে আমাৰ বিভাগটোক পিছপৰা বুলি ভাবি থাকে, কিন্তু বিভাগটোৰ পৰা প্ৰতিবছৰে ৫ ৰ পৰা ৮ জনকৈ ছাত্ৰ-ছাত্ৰী চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হৈ আহিছে। আমি (মই) তিনিচুকীয়া মহাবিদ্যালয় অসমীয়া বিভাগটোক উন্নত কৰিবলৈ আৰু লগতে ভাল ছাত্ৰ-ছাত্ৰী হওঁ বুলি ভালদৰে পঢ়ি ভাল ফলাফল কৰি আপোনালোকৰ, মোৰ মা-দেউতাৰ আশা পূৰণ কৰিম বুলি আশা দিলোঁ। মাথোঁ মোক প্ৰয়োজন আপোনালোকৰ আশীৰ্বাদ।

শেষত মই ক'ব খোজোঁ যে তিনিচুকীয়া মহাবিদ্যালয় অসমীয়া বিভাগৰ পৰা এটা বিশেষ অভিজ্ঞতা লাভ কৰিছোঁ। লিখা পঢ়া শিকি নিজেই শিক্ষিত হ'লেই নহ'ব, নিজে পোৱা শিক্ষা মহান আদৰ্শ আনকো বিলাই দিব পাৰিব লাগিব। নহ'লে শিক্ষাৰ কোনো মূল্য নাই। তেনে শিক্ষা ব্যক্তিকেন্দ্ৰিক যি সমাজত হিত সাধন কৰিব নোৱাৰে। ■

## বিশেষ ঃ





**চিৰযুগমীয়া শিল্পী...**

*বাওঁফালৰ পৰা বহি থকা ক্ৰমে দ্বিতীয় গৰাকীৰ পৰা -* 'সুধাকণ্ঠ' ড° ভূপেন হাজৰিকা (শিশু গৰাকী), 'ৰূপকোঁৱৰ' জ্যোতিপ্ৰসাদ আগৰৱালা, 'কলাগুৰু' বিষ্ণুপ্ৰসাদ ৰাভা। *বিষ্ণুপ্ৰসাদ ৰাভাৰ পিছফালে থিয় হৈ থকাজন* 'নটসূৰ্য' ফণী শৰ্মা। *সোঁফালৰ পৰা থিয় হৈ থকা দ্বিতীয় মহিলাগৰাকী* জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' বোলছবিখনৰ 'ডালিমী'।

বৰঘৰৰ মজিয়াত

## সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত সাহিত্যিক

সাক্ষাৎকাৰ

# পূৰৱী বৰমুদৈ বাইদেউৰ সৈতে



আমাৰ পৰম সৌভাগ্য যে অসমীয়াৰ হিয়াৰ আমঠু সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত সাহিত্যিক শ্ৰদ্ধাৰ পূৰৱী বৰমুদৈ বাইদেউক লগ পালোঁ। শক্তিশালী কলমেৰে শব্দৰ মায়াজালেৰে অসমীয়া সাহিত্য জগতৰ ভঁৰালত অৱদান আগবঢ়াই থকা বাইদেউ বৰ্তমান নতুন এখন উপন্যাস লিখাত ব্যস্ত। ব্যস্ততাৰ মাজতো তেখেতে আমাক বহু মূল্যৱান সময় দিছিল। সেই ছেগতেই আমি তেখেতৰ মনৰ তথা স্বাস্থ্যৰ বতৰা বুজ লোৱাৰ লগতে দুটিমান প্ৰশ্ন যুগুতাইছিলোঁ মহাবিদ্যালয়ৰ আলোচনী 'মনীষা'ৰ বাবে। তেখেতে আমাৰ প্ৰশ্নৰ উত্তৰ আন্তৰিকতাৰে দিয়াৰ লগতে উৎসাহিতো কৰিছিল। মহাবিদ্যালয়লৈ আন্তৰিক শুভেচ্ছা জনাইছিল। সম্পূৰ্ণ জীৱনৰ অভিজ্ঞতাৰে তেখেতৰ লগত হোৱা কথোপকথন আমাৰ বাবে সদায় চিৰস্মৰণীয় হৈ ৰ'ব। আমাৰ প্ৰত্যাশা-অনাগত দিনতো তেখেতৰ লেখনীয়ে জ্ঞানৰ পথ দেখুৱাওক, ছাত্ৰ-ছাত্ৰী সকলক আশাৰ বতৰা কঢ়িয়াই আনক। (আমাৰ সৈতে হোৱা কথোপকথনৰ সম্পাদিত ৰূপ পঢ়ুৱৈ সমাজলৈ আগবঢ়োৱা হ'ল) -

প্ৰশ্ন ১ ঃ নমস্কাৰ, পোনপ্ৰথমে ইংৰাজী নৱবৰ্ষ আৰু আগন্তুক ভোগালী বিহুৰ ওলগ যাচি এই সাক্ষাৎকাৰটি আগবঢ়াবলৈ বিচাৰিছোঁ।

উত্তৰ ঃ নমস্কাৰ, তোমালোকক মই নতুন বছৰৰ শুভ ইচ্ছা জনাইছোঁ।

প্ৰশ্ন ২ ঃ আপুনি কিদৰে সাহিত্য জগতত প্ৰথম খোজ দিছিল?

উত্তৰ ঃ পঞ্চম মান শ্ৰেণীত পঢ়ি থাকোঁতেই বহী এখনত পদ্য আৰু গল্প লিখা আৰম্ভ কৰিছিলোঁ। কাকো দেখুৱাও নাছিলোঁ আৰু প্ৰকাশৰ বাবে ক'লৈকো পঠোৱাও নাছিলোঁ। তাক জানো সাহিত্য জগতত প্ৰথম খোজ বুলিব পাৰি? সপ্তমমান শ্ৰেণীত থাকোঁতে আকাশবাণীৰ চেমনীয়া চ'ৰাৰ পৰা মোৰ কিবা গল্প সম্প্ৰচাৰ কৰিছিল। তাক জানো সাহিত্য জগতত প্ৰৱেশ বুলিব পাৰি? ১৯৬৯ চনত ''দৈনিক অসম'' কাকতে সদৌ অসম ভিত্তিত আয়োজন কৰা গল্প প্ৰতিযোগিতাত মোৰ ''এটা সাপৰ পলায়ন'' গল্পটোৱে দ্বিতীয় পুৰস্কাৰ লাভ কৰিছিল। তাক পাৰিনে? তোমালোকেই উত্তৰটো ঠিক কৰি ল'বা। মোৰ প্ৰথম গল্প সংকলন 'শীতৰ কুঁৱলী' প্ৰথম ১৯৭৬চনত প্ৰকাশ পাইছিল। পাণ্ডুলিপিটোৱে অসম চৰকাৰে আয়োজন কৰা পাণ্ডুলিপি প্ৰতিযোগিতাত পুৰস্কাৰ পাইছিল আৰু ছহেজাৰ টকাৰ পুৰস্কাৰৰ ধনেৰে কিতাপখন প্ৰকাশ কৰা হৈছিল। তাকেই সাহিত্য জগতত প্ৰৱেশ বুলি ধৰাতো অসুবিধা। সংকলনখনৰ গল্পকেইটা বেছি আৱেগিক বুলি ভাবি মই প্ৰায় বাৰ বছৰ সময় একো নেলেখি কেৱল পঢ়া শুনাহে কৰিছিলোঁ। শ্ৰদ্ধেয় চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱে সম্পাদনা কৰা গৰীয়সীৰ পাততে মোৰ নিয়মীয়া গল্প-উপন্যাস প্ৰকাশ হৈছিল।

প্ৰশ্ন ৩ ঃ উঠি অহা প্ৰজন্মৰ মাজত পুথি অধ্যয়ন তথা সাহিত্য-চৰ্চাৰ প্ৰতি ধাউতি চকুত লগাকৈ কম। এই সম্পৰ্কে আপোনৰ মতামত?

উত্তৰ ঃ নতুন প্ৰজন্মৰ মাজত কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ কম বুলি মই নাভাবোঁ। হয়তো কিতাপৰ বাহিৰেও আন মাধ্যমৰ পৰা তেওঁলোকে কথা শিকি আছে। কথা শিকাটো মূল কথা।





প্ৰশ্ন ৪ ঃ আপোনাৰ জীৱনৰ এটি অন্যতম অভিজ্ঞতা সম্পৰ্কে অনুগ্ৰহ কৰি আমাক জনাবনে?

উত্তৰ ঃ সৰুতে এবাৰ মামাহঁতৰ ঘৰলৈ যাওঁতে ফান্দত বন্দী হোৱা বাঘ এটা দেখিছিলোঁ। সুন্দৰ জন্তু এটাৰ দুৰ্দশা দেখি বৰ দুখ পাইছিলোঁ। বহুত বছৰৰ পিছত লিখা বাঘশাল বাঘজাল আৰু মানুহ উপন্যাসত বাঘিনী এজনী বন্দী নাৰীৰ ৰূপক হৈছে।

প্ৰশ্ন ৫ ঃ নৱপ্ৰজন্ম তথা ছাত্ৰ-সমাজলৈ আপোনাৰ বহুমূলীয়া পৰামৰ্শ?

উত্তৰ ঃ নৱপ্ৰজন্মক মই একো পৰামৰ্শ নিদিওঁ। মই নতুনৰ সৃষ্টিশীলতাক বিশ্বাস কৰোঁ আৰু সন্মান কৰোঁ।

প্ৰশ্ন ৬ ঃ আপোনাৰ দৃষ্টিত অসমৰ তিনিটা প্ৰধান সমস্যা আৰু তাৰ সমাধান?

উত্তৰ ঃ অসমৰ প্ৰধান সমস্যা তিনিটাতকৈ বহুত বেছি আছে আৰু সিবিলাকৰ সমাধানৰ উপায় এটাই - শিক্ষা, শিক্ষা আৰু শিক্ষা।

প্ৰশ্ন ৭ ঃ সচৰাচৰ বহুলোকৰ মুখত আমি শুনিবলৈ পাওঁ যে বৰ্তমানৰ যি শিক্ষা ব্যৱস্থা ''কেৰিয়াৰ অৰিয়েণ্টেড'' অৰ্থাৎ বৃত্তিমুখী। এই ধৰণৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশত কিদৰে প্ৰভাৱ পেলাব পাৰে? এই ক্ষেত্ৰত অগ্ৰজ সকলৰ কৰণীয় কেনে হোৱা উচিত?

উত্তৰ ঃ শিক্ষা বৃত্তিমুখী হ'লে আপত্তি কৰিবলগীয়া একো নাই। আমাৰ শিক্ষিত ল'ৰা-ছোৱালীয়ে চাকৰি পাবই লাগে। তেওঁলোকক শিক্ষাই স্বাৱলম্বী কৰিলে ভাল। শিক্ষা বৃত্তিমুখী হ'লেই গৱেষণাৰ অন্ত নপৰে।

প্ৰশ্ন ৮ ঃ সাম্প্ৰতিক পৰিস্থিতিত এটা শব্দই সমগ্ৰ ভাৰতবৰ্ষত যথেষ্ট প্ৰভাৱ পেলোৱা দেখা গৈছে। সেয়া হ'ল ধৰ্মীয় অসহিষ্ণুতা। এই ক্ষেত্ৰত সমগ্ৰ দেশজুৰি প্ৰতিবাদৰ জোৱাৰ উঠিছে। যথেষ্ট সংখ্যক গণ্য-মান্য ব্যক্তিয়ে সাহিত্য অকাডেমীৰ দৰে সন্মানীয় বঁটা প্ৰতিবাদস্বৰূপে চৰকাৰক ঘূৰাই দিছে। প্ৰাপ্ত খবৰমতে অসমৰ স্বনামধন্য সাহিত্যিক আৰু সকলোৰে শ্ৰদ্ধাৰ হোমেন বৰগোহাঁই ডাঙৰীয়াইও তেওঁৰ সাহিত্য অকাডেমী বঁটা ঘূৰাই দিছিল। এই সমগ্ৰ ঘটনাৰাজিৰ সম্পৰ্কত আপোনাৰ দৃষ্টিভংগী জানিব পাৰিম নে?

উত্তৰ ঃ আমাৰ দেশৰ ঐতিহ্য পৰম্পৰাত ধৰ্মীয় অসহিষ্ণুতাৰ ঠাই নাই। তাৰ প্ৰতিবাদ কৰিবলৈ অকাডেমী বঁটা ঘূৰাই নিদিলেও হয়।

প্ৰশ্ন ৯ ঃ শেষত আপোনাৰ বহুমূলীয়া সময়ৰ কিছু আমাক দিয়াৰ বাবে ধন্যবাদ। আপোনাৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

উত্তৰ ঃ ধন্যবাদ।

সাক্ষাৎ গ্ৰহণ
সেউজ দহোটীয়া আৰু
আলোচনী সম্পাদক হেমচন্দ্ৰ গগৈ



শ্ৰদ্ধাৰ আনন্দ বৰমুদৈ ছাৰ আৰু পূৰৱী বৰমুদৈ বাইদেউৰ সৈতে সেউজ আৰু হেমচন্দ্ৰ।

# বৰঘৰৰ মজিয়াত

ড° অপূৰ্ব ভাস্কৰ গগৈ
উপাধ্যক্ষ

## প্ৰশ্নোত্তৰ-১

**আলোচনী সম্পাদক ঃ** ছটা শিক্ষা সম্বন্ধীয় প্ৰশ্ন –

**অপূৰ্ব ভাস্কৰ গগৈ ঃ** শিক্ষা সম্বন্ধীয় যি কোনো কথাই ক'বলৈ এটা ভেটিৰ ওপৰত ক'ব লাগিব। সেই ভেটিটো সকলো লোকৰ একেই নহয়। গতিকে এটা 'প্ৰস্তাৱনা' হিচাপে প্ৰথমেই সেই কথাখিনি কৈ লোৱা দৰকাৰ হ'ব ঃ

যোৱা ১৫-১৮ ডিচেম্বৰ ২০১৫ত কেনিয়াৰ নাইৰোবিত General Agrement on Trade and Services চমুকৈ GATS ৰ সৰ্বশেষ অধিবেশন অনুষ্ঠিত হয়। ১৯৯৫ তে GATS গঠন হয় আৰু তাত যোল্লটা পৰিসেৱা খণ্ড মান্যৰূপে বিশ্বপুঁজিবাদৰ বজাৰৰ বাবে উন্মুক্ত কৰি দিয়াৰ সিদ্ধান্ত লৈছিল। যদিও পৰ্যায়ক্ৰমে তেতিয়াৰে পৰা উন্মুক্ত কৰি দি থকা হৈছিল এতিয়া তাক চূড়ান্ত কৰা হয়। বছৰি ১.৫ ত্ৰিলিয়ন ডলাৰ বিনিয়োজন হোৱা শিক্ষা খণ্ড স্বাভাবিকতেই বিশ্বপুঁজিবাদৰ বাবে লোভনীয় ক্ষেত্ৰ। ভাৰত GATS ৰ সদস্য আৰু স্বাক্ষৰকাৰী।

বিশ্বপুঁজিবাদলৈ অহা তীব্ৰ সংকটৰ ফলত দুখনকৈ বিশ্ব যুদ্ধ হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত যোগান আৰু চাহিদাৰ সংকট নিৰীক্ষণৰ বাবে জে. এম. কেইন্সৰ তত্ত্বক সাৰোগত কৰি বিশ্বৰ পুঁজিবাদী দেশসমূহে অৰ্থনীতিক কল্যাণকামী (Welfare) কৈ গঢ় দিয়ে। যোৱা শতিকাৰ ষাঠিৰ দশকলৈ বিশ্বপুঁজিবাদলৈ সুস্থিৰতা অহাৰ ফলত পুনৰ 'বজাৰ অৰ্থনীতি' লৈ ঘূৰি যায়।

পুঁজি আৰু যোগানৰ সৰবৰাহৰ সুবিধাৰ বাবে ১৯৪৮ চনতে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নেতৃত্বত কেইখনমান দেশে General Agreement on Tariffs and Trade (GATT) গঠন কৰিছিল। পৰিৱৰ্তিত পৰিস্থিতিত বিশ্বত 'মুক্তবজাৰ অৰ্থনীতি' ৰ বাবে GATT ক নতুনকৈ গঢ় দিয়া হয়। মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু অন্যান্য ধনী কেইখন মান দেশৰ সুবিধাৰ ব্যৱস্থা কৰি পুনগঠিত কৰা GATT ৰ নিৰ্দেশিত মুক্তবজাৰ অৰ্থনীতি ১৯৯১ চনৰ পৰা সক্ৰিয় হয়। ইতিমধ্যে চোভিয়েট ইউনিয়ন আৰু পূব ইউৰোপৰ সমাজ তান্ত্ৰিক দেশসমূহৰ পতন ঘটাত বিশ্ব পুঁজিবাদ এক মেৰু বিশিষ্ট আৰু আগ্ৰাসী হৈ পৰে। ১৯৯৪ চনত ভাৰতকে ধৰি ১১৭ খন দেশে 'ডাংকেল প্ৰস্তাৱ'ত স্বাক্ষৰৰ মাধ্যমেৰে 'মুক্তবজাৰ অৰ্থনীতি' অৰ্থাৎ অৰ্থনৈতিক বিশ্বায়ন (Globlaization) ৰ নীতি গ্ৰহণ কৰে। নিজ অৰ্থনীতিক উদাৰীকৰণ কৰি বিশ্বপুঁজিবাদৰ বাবে ঠাই এৰি দিয়া, ৰাজহুৱা খণ্ডক ব্যক্তিগত কৰণ কৰা ব্যক্তিগত খণ্ডক আগস্থান দিয়া আৰু অৰ্থনৈতিক বিশ্বায়নত নিজ অংশ গ্ৰহণৰ বাবে ভাৰতো সাজু হ'ব লগীয়াত পৰিল। GATT ক পিছলৈ World Trade Organization (WTO) বুলি জনা যায়। GATS গঠন হ'লত স্বাস্থ্য শিক্ষা আদি সেৱা খণ্ডত ব্যক্তিগতখণ্ডৰ পুঁজি বিনিয়োগৰ বাবে মোকলাই দিবলৈ ভাৰত বাধ্য হ'ল।

ভাৰতে নিজ অৰ্থনৈতিক নীতি সমূহক ঢিলাই দি বিশ্বপুঁজিবাদৰ বাবে উন্মুক্ত কৰিবলগীয়া হোৱাত আৰু ৰাজহুৱা খণ্ডসমূহক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিবলগীয়া হোৱাত ভাৰতৰ আভ্যন্তৰীণ অৰ্থনীতি জুৰুলা হৈছে। নিবনুৱা সমস্যা ব্যাপক হৈছে,




মূল্যবৃদ্ধি আকাশলঙ্ঘী হৈছে, দুৰ্নীতি বাঢ়িছে। ঋণ পৰিশোধ কৰিব নোৱাৰাৰ বাবে ১৯৯৭ চনৰ পৰা আত্মহত্যা কৰা কৃষকৰ সংখ্যা চাৰি লাখৰ ওপৰলৈ গৈছে। উচ্চ শিক্ষাৰ ব্যয় বহুগুণে বৃদ্ধি পাইছে।

১৯৯৮ ত গঠিত বাজপায়ী চৰকাৰে তেওঁলোকৰ দিনত চলা পঞ্চবাৰ্ষিক পৰিকল্পনাত শিক্ষা শিতানত অভাৱনীয় ভাৱে ব্যয় কৰ্তন কৰিছিল। এতিয়া অৱশ্যে পৰিকল্পনা আয়োগ বাতিল ... NITI আয়োগ কৰা হৈছে। মূল কাৰণ হ'ল – পৰিকল্পনা আয়োগ কল্যাণকামী অৰ্থনীতিৰ স'তে সংগতি থকা, গতিকেই মুক্তবজাৰ অৰ্থনীতিৰ স'তে সংগতি ৰাখি NITI আয়োগ গঠন কৰা হৈছে। যি কি নহওক , দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ ২০১২ চনত কৰা ঘোষণা অনুযায়ী ভাৰত চৰকাৰৰ উচ্চ শিক্ষাত ২০১৭ চনলৈকে পাঁচবছৰত ব্যয়ৰ লক্ষ্য ২০০ লাখ কোটি টকা, তাৰে ৮৩ হাজাৰ কোটি টকা চৰকাৰৰ, বাকী ১৯৯ লাখ ১৭ হাজাৰ কোটি টকাৰ ব্যয়ৰ দায়িত্ব ব্যক্তিগত খণ্ডৰ, অৰ্থাৎ চৰকাৰী ভাৱেই শিক্ষাখণ্ডৰ ৯২ শতাংশ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰিত হোৱাৰ কথা! ব্যক্তিগত দেশী-বিদেশী শিক্ষা প্ৰতিষ্ঠানেৰে দেশ ভৰি পৰিছে। এই লাভকল্পী ব্যক্তিগত প্ৰতিষ্ঠান সমূহে উচ্চশিক্ষাৰ ব্যয় বহুগুণে বঢ়াই দিয়াই নহয় – শিক্ষাৰ মানৰো স্থিৰতা নোহোৱা কৰিছে। ভাৰত চৰকাৰ যিহেতু নীতিগত ভাৱেই ব্যক্তিগতকৰণৰ বাবে বাধ্য সেয়ে শিক্ষা আয়োগো পণ্ডিতৰ ঠাইত শিল্পপতি লৈহে গঠন কৰিছে। বাজপায়ী চৰকাৰৰ দিনত কুমাৰ মঙ্গলম বিৰলা আৰু মুকেশ আম্বানিৰে গঠিত শিক্ষা আয়োগ (১৯৯৮) আৰু মনমোহন সিংগুৰ দিনত আমেৰিকা নিবাসী শিল্পপতি চাম্ পিত্ৰোডাৰে গঠিত শিক্ষা আয়োগ (২০০৫) – এই দুয়োখনেই শিক্ষাসেৱা খণ্ডক দ্ৰুতগতিত ব্যক্তিগতখণ্ডলৈ লৈ যোৱাৰ ইংগিত বহন কৰিছে।

এই কথাখিনিৰ ভেটিতেই মোৰ শিক্ষাৰ স'তে জড়িত যিকোনো মন্তব্য থিয় হৈ থাকিব।

**প্ৰশ্ন ১ ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ মনত শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবৰ বাবে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি আপুনি ভাৱে?

**উত্তৰ ঃ** উত্তৰৰ 'প্ৰস্তাৱনা' অংশত ভাৰতে ১৯৯৪ চনত ডাংকেল প্ৰস্তাৱত স্বাক্ষৰ কৰা, ১৯৯৫ চনত GATS ৰ নীতি সমূহক মানিবলৈ নীতিগত ভাৱে বাধ্য হোৱা আৰু তাৰ আধাৰতে শিল্পপতিসকলৰ দ্বাৰা গঠিত ১৯৯৮ আৰু ২০০৫ চনৰ শিক্ষা আয়োগৰ ভেটিত আধাৰিত – ভাৰতৰ শিক্ষা নীতি তৈয়াৰ কৰাৰ কথা কোৱা হৈছে। GATS ৰ ১৫ৰ পৰা ১৮ ডিচেম্বৰ ২০১৫ ত অনুষ্ঠিত সৰ্বশেষ বৈঠকতো ভাৰত চৰকাৰে শিক্ষা সেৱা খণ্ডক পণ্য হিচাপে বিনিয়োজনৰ বাবে মুক্ত কৰি দিয়াৰ বাবে চুক্তিবদ্ধ। আনহাতে ১৯৯০ চনৰ মাৰ্চ মাহতে ভাৰতে থাইলেণ্ডৰ 'জমটিন' নামৰ ঠাইত অনুষ্ঠিত হোৱা World Conference on Education For All : Meeting Basic Learning Needs এই শীৰ্ষক আন্তৰ্জাতিক অধিবেশনত লোৱা প্ৰস্তাৱত স্বাক্ষৰ কৰি চুক্তিবদ্ধ হৈছিল।

ভাৰতৰ ক্ষেত্ৰত প্ৰযোজ্য পাঁচতৰপীয়া জমটিন ঘোষণাৰ তৃতীয় তৰপটো হ'ল – "শিক্ষাৰ লক্ষ্য (ভাৰতৰ সংবিধানত থকাৰ দৰে) কেতিয়াও গণতান্ত্ৰিক ধৰ্ম নিৰপেক্ষ সচেতন সমতাপূৰ্ণ নাগৰিক গঢ়াৰ বাবে হ'ব নোৱাৰে, তাৰ লক্ষ্য হ'ব পাৰে – (ক) শিক্ষিতৰ সংখ্যাধিক্য বঢ়োৱা, (খ) জীৱন ধাৰাৰ নৈপুণ্য প্ৰদৰ্শন (Life Skill) (যিটো সাধাৰণতে সফল যৌন জীৱন যাপনতে সীমাবদ্ধ ৰখা হয়), (গ) সামাজিক কাৰচাজি কৌশল আহৰণ (Social manipulation), মন নিয়ন্ত্ৰণ (Mind Control) আৰু বজাৰ অৰ্থনীতিক আগবঢ়াই লৈ যাব পৰাকৈ এটা বাহিনী তৈয়াৰ কৰা – এইকেইটাই শিক্ষাৰ লক্ষ্য হ'ব পাৰে।

এই ঘোষণাৰ প্ৰভাৱ ভাৰতৰ DPEP, সৰ্বশিক্ষা RMSA, RUSA আদি সকলোতে আছে।

এনেবিলাক আন্তৰ্জাতিক নিৰ্দেশনা আৰু কেন্দ্ৰীয় চৰকাৰৰ অনুসৰণকাৰীৰ ভূমিকা (স্বাভাৱিকতেই ৰাজ্য চৰকাৰো বাদ নপৰিব) স্থানীয় ভাৱে কোনো শিক্ষা প্ৰতিষ্ঠানে উলাই কৰিব নোৱাৰে – 'শিক্ষানীতি' তৈয়াৰো কৰিব নোৱাৰে। আনহাতে ১৯৭৫ চনতে শিক্ষাক কেন্দ্ৰ ৰাজ্যৰ যৌথ তালিকা ভুক্ত কৰাৰে পৰা কেন্দ্ৰৰ প্ৰভাৱ বাঢ়িল। WTO ৰ সদস্য হোৱাৰ পিছত কেন্দ্ৰ চৰকাৰে শিক্ষাক ব্যক্তিগত কৰাৰ দিশেৰে ঠেলি দিছে। ব্যক্তিগত খণ্ডক উদগনি দিয়াৰ ফলত ৰাজহুৱা খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান সমূহ 'এৰাল নাইকিয়া গৰু, ঢাকোন নোহোৱা চৰু'ৰ দৰে হৈছে। এনে অৱস্থাত 'গেলাত টেঙা দিয়া'ৰ দৰে হয় যেতিয়া শিক্ষানুষ্ঠানৰ মুৰব্বীবিলাক দুৰ্নীতিপৰায়ণ মেৰুদণ্ডহীন, সোপাঢিলা বা স্বেচ্ছাচাৰী হয়। এতিয়া এনে হৈছেগৈ – বহু শিক্ষা প্ৰতিষ্ঠানে ডিচকলেজিয়েট, নন কলেজিয়েট শব্দ কেইটা নিৰৰ্থক। 'ছাত্ৰ-ছাত্ৰী'য়ে এদিনলৈও শ্ৰেণীকোঠালৈ নাহিলেও পৰীক্ষাত 'আৰাম'ত বহিব পাৰে।

আনহাতে অৰ্থনৈতিক বিশ্বায়নৰ উপভোক্তাবাদৰ প্ৰভাৱ সকলোতেই পৰিছে। অভিভাৱকসকলৰ ওপৰতো পৰিছে, তেওঁলোকৰো অধিকাংশই হৈ পৰিছে ব্যক্তিকেন্দ্ৰিক সামাজিক স্বাৰ্থলৈ মন নকৰা বিধৰ। তেওঁলোকৰ সন্তানসকলৰ ওপৰত তেওঁলোকৰ প্ৰভাৱ থাকিব। 'সাতে সোতৰই মিলি এনে হৈছে যে তাৎক্ষণিক লাভৰ মুখ নেদেখিলে কোনেও কোনো কথাতেই আগ্ৰহী নহয়। অৰ্থকৰী বিদ্যাৰ বাবে আগ্ৰহ বৃদ্ধিৰ কাৰণো এয়াই। অযোগ্য ব্যক্তিৰ দ্বাৰা পৰিচালিত শিক্ষানুষ্ঠানসমূহেও কোনো তাৎক্ষণিক চমক সৃষ্টি কৰিব নোৱাৰা হৈছে। সেয়ে

অকাৰিকৰী শিক্ষাৰ বাবে ছাত্ৰ-অভিভাৱকৰ অধিকাংশই আগ্ৰহ হেৰুৱাইছে।

সুস্থ অনুশাসনেৰে শিক্ষানুষ্ঠান বিলাক পৰিচালিত হ'লে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিয়মীয়া হ'ব। নিয়মানুৱৰ্ত্তিতাই আগ্ৰহ সৃষ্টি হোৱাতো সহায় কৰে - বৃদ্ধি কৰাতো সহায় কৰে।

**প্ৰশ্ন ২ ঃ ছাত্ৰ-ছাত্ৰীৰ মাজত সামাজিক দায়বদ্ধতা সৃষ্টি কৰিবলৈ শিক্ষানুষ্ঠান সমূহে কি কৰা উচিত?**

উত্তৰ ঃ প্ৰথম প্ৰশ্নটোৰ উত্তৰত ভাৰত চৰকাৰে জমটিন ঘোষণাত কৰা স্বাক্ষৰৰ জড়িয়তে তাৰ তৃতীয় তৰপটো গ্ৰহণ কৰিবলৈ দায়বদ্ধ হোৱাৰ কথা ইতিমধ্যেই কোৱা হৈছে। বিশ্বপুঁজিবাদৰ নিৰ্দেশিত নীতি অনুসৰি শিক্ষাখণ্ডক পৰিচালনা কৰিবলৈ যাওঁতে চৰকাৰে নিজেই সংবিধান শিক্ষা সম্বন্ধীয় নিৰ্দেশ উলাই কৰিছে। বিশ্বত এতিয়া 'উপভোক্তাবাদে'ই মূল কথা। যিখন সমাজৰ সৰহ সংখ্যক লোকেই উপভোক্তাবাদত নিমজ্জিত প্ৰচণ্ডভাৱে ব্যক্তিকেন্দ্ৰিক তেনে অৱস্থাত শিক্ষানুষ্ঠান সমূহে নিজ পাঠ্যক্ৰমৰ বাহিৰলৈ গৈ নূন্যতম ভাৱেহে সামাজিক দায়বদ্ধতা বঢ়াবলৈ আনুষ্ঠানিক ভাৱে সক্ৰিয়তা দেখুৱাব পাৰে। আৰু সেই কণো সম্ভৱ হ'ব যদিহে শিক্ষা প্ৰতিষ্ঠানৰ মুৰব্বীসকল স্বাৰ্থপৰ আৰু দুৰ্নীতি পৰায়ণ নহয়। শিক্ষকসকলক বাদ দিয়া হোৱা নাই, তেওঁলোকো জ্ঞানী আৰু নৈতিক বলেৰে বলীয়ান হ'ব লাগিব। তেতিয়াহে ছাত্ৰ-ছাত্ৰী সকলক সামাজিক ভাৱে দায়বদ্ধ হ'বলৈ কোৱাৰ বাবে যোগ্যতা অৰ্জন কৰিব পাৰিব। সামাজিক দায়বদ্ধতা মুখৰ কথাৰে নাহে, যদিহে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকে কামকৰা সমাজৰ শ্ৰেণী শোষণ, দাৰিদ্ৰ মূল্যবৃদ্ধিৰ আদিৰ আঁৰত থকা আৰ্থ-সামাজিক কাৰক সমূহৰ প্ৰতি সচেতন নহয়। তেওঁলোকৰ বেছিসংখ্যক নিজেও যে শ্ৰেণীগত ভাৱে শোষিত আৰু সমাজ সচেতন ভাৱে নিজকে গঢ়ি তুলিব পৰাৰ মাজেৰেই যে সমাজত চলি থকা অবিচাৰ সমূহৰ নিৰাময়ৰ পথ বিচাৰি পোৱা যাব - এই উপলব্ধিটো নহ'লেকে কেৱল মুখৰ কথাৰে কাকো সামাজিকভাৱে দায়বদ্ধ ব্যক্তি কৰি তুলিব পৰা নাযাব।

শিক্ষানুষ্ঠানৰ মুৰব্বীসকল যদি দুৰ্নীতিগ্ৰস্ত নহয়, কৰ্মঠ হয়, স্বেচ্ছাচাৰী নহয়, যুক্তিবাদী হয় শিক্ষানুষ্ঠানৰ ভিতৰ চ'ৰাত মুক্ত আৰু সুস্থ চিন্তা আৰু সুস্থ বিতৰ্কৰ বাতাৱৰণ সৃষ্টি কৰিব পাৰিব পাৰে, কিন্তু বছৰত এদিন দুদিন NSS কেম্প কৰিলে কেতিয়াও সামাজিক দায়বদ্ধতা সৃষ্টি হ'ব নোৱাৰে।

**প্ৰশ্ন ৩ ঃ মহাবিদ্যালয়ৰ চৌপাশে অৱস্থিত বৃহত্তৰ সমাজখনত শৈক্ষিক, সামাজিক, আৰ্থিক উন্নয়নৰ চেতনা প্ৰবাহিত কৰাত মহাবিদ্যালয়ে কি ভূমিকা গ্ৰহণ কৰিব পাৰে?**

উত্তৰ ঃ মুখ্য কথাটো হ'ল কলেজসমূহে নিৰ্দিষ্ট পাঠ্যক্ৰম ভিত্তিক কাৰ্য সম্পাদন কৰিব লাগে। সুস্থ নেতৃত্বত সুস্থ মেধা সম্পন্ন বলিষ্ঠ ব্যক্তিত্বৰ অধিকাৰী জ্ঞানী শিক্ষকৰ দ্বাৰা ফাঁকি বিহীনভাৱে নিয়াৰিকৈ নিৰ্দিষ্ট সময়ত সম্পন্ন পৰিব পৰাটোৱেই চৌপাশৰ সমাজখনলৈ বৃহৎ সেৱা আৰু অৱদান। কাৰণ দায়বদ্ধ নেতৃত্বত দায়বদ্ধ অনুসৰণকাৰীৰো সৃষ্টি হ'ব।

কিন্তু কথাটো ইয়াতেই শেষ নহয়, 'প্ৰস্তাৱনা'ত উল্লেখ কৰা মতে বৰ্তমান উচ্চ শিক্ষা 'পণ্য'। গতিকে জমটিন ঘোষণাৰ তৃতীয় তৰপ অনুসৰি শিক্ষা যিহেতু গণতান্ত্ৰিক ধৰ্মনিৰপেক্ষ সচেতন সমতাপূৰ্ণ নাগৰিক গঢ়াৰ বাবে নহয় গতিকে পাঠ্য পুথিসমহ স্থানীয় সমাজৰ উপকাৰ হোৱাকৈ তৈয়াৰ নকৰি সেই তৰপতে উল্লেখ কৰা মতে "সামাজিক কাৰচাজিৰ কৌশল আহৰণ কৰিব পৰা আৰু বজাৰ অৰ্থনীতিক আগবঢ়াই লৈ যাব পৰাকৈ এটা বাহিনী তৈয়াৰ কৰাটোহে উদ্দেশ্য কৰি তৈয়াৰ কৰা হয় আৰু ভৱিষ্যতলৈও সেয়াই হৈ থাকে। সেইবিলাক কিমান পৰিমাণে স্থানীয় সমস্যা সমাধানৰ বাবে ব্যৱহৃত হ'ব পাৰিব সন্দেহ আছে!

আনহাতে শ্ৰেণীকোঠাৰ বাহিৰলৈ সমাজে শিক্ষক সকলক লৈ গৈ তেওঁলোকৰ পৰা দুই এষাৰ কথা শুনাৰ পৰিৱেশো লাহে লাহে কমিছে। মূল কাৰণ হ'ল, শিক্ষক সকলৰো সৰহ সংখ্যকেই উপভোক্তাবাদৰ চিকাৰ। তেওঁলোকৰ বহুতেই সামাজিক দায়বদ্ধতা হেৰুৱাইছে। শিক্ষানুষ্ঠানৰ পৰা উন্নত চিন্তাৰ বহিঃমুখী প্ৰবাহ সেয়ে ক্ষীণৰ পৰা ক্ষীণতৰ হৈছে। যোৱা বছৰ অসম চৰকাৰে শিক্ষক সকলে মেল মিটিঙত অংশ ল'ব নোৱাৰা আৰু লিখা-মেলা কৰিবলৈ আগতীয়া অনুমতি ল'বলগীয়া কৰি আদেশ জাৰি কৰি চিন্তা আদান-প্ৰদানৰ কণ কঠীয়াও মৰাৰ ব্যৱস্থা কৰিছে।

তথাপিও শিক্ষানুষ্ঠানৰ মুৰব্বী, শিক্ষকসকলৰ সংস্থা আৰু ছাত্ৰ সংগঠন সমূহে আগভাগ লৈ স্থানীয় সমাজখনত সুস্থ চিন্তা আৰু সুস্থ পৰামৰ্শ দিবলৈ আগবাঢ়ি যোৱাতো অতি জৰুৰী আৰু সমাজেও তেওঁলোকক যুক্ত কৰি থকাটো অতি প্ৰয়োজনীয়।

**প্ৰশ্ন ৪ ঃ বৰ্তমান কেৰিয়াৰমুখী শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মানৱীয় চিন্তা চেতনা আৰু সামাজিক প্ৰমূল্যবোধ নোহোৱা কৰি পেলাইছে। এই সম্পৰ্কত আপোনাৰ মন্তব্য?**

উত্তৰ ঃ উদ্ধৃত কথাষাৰ একদেশদৰ্শী হৈছে। কেৰিয়াৰ মুখী শিক্ষা নোলোৱা ছাত্ৰ-ছাত্ৰীয়েও যে সামাজিক প্ৰমূল্যবোধ নেহেৰুৱাব বা মানৱীয় চিন্তা চেতনা পৰিহাৰ নকৰিব তাৰ কি গেৰাণ্টি আছে! আচল কথাটো সোমাই আছে কি আৰ্থ সামাজিক পৰিস্থিতিয়ে আমাৰ শিক্ষা ব্যৱস্থাটোক নিয়ন্ত্ৰণ কৰি আছে- সেইটোতহে।

কুৰি শতিকাৰ শেষ দশকৰ আৰম্ভণিতে বিশ্বৰ অৰ্থনৈতিক নিয়ন্ত্ৰণ সম্পূৰ্ণ ভাৱেই বিশ্ব পুঁজিবাদৰ একক নিয়ন্ত্ৰণলৈ যায়। অনিশ্চয়তা পুঁজিবাদৰ এক এৰাব নোৱাৰা লক্ষণ। আনহাতে বিশ্বপুঁজিবাদে সৃষ্টি কৰা সৰ্বগ্ৰাসী উপভোক্তাবাদে মানুহৰ মনত অনিশ্চয়তা আৰু নিৰাপত্তা হীনতাক তীব্ৰতৰ কৰি তুলিলে। উপভোক্তাবাদে মানুহক কৰি তুলিলে অস্থিৰ, নতুনৰ প্ৰতি তাৎক্ষণিক হেঁপাহ আৰু পুৰণিৰ প্ৰতি অৱজ্ঞাৰে ভৰা অনুৰক্তহীনতাই উপভোক্তাবাদে সৃষ্টি কৰা সামাজিক মনোৰোগ।

এতিয়া গোটেই বিশ্বতে বিশ্বপুঁজিবাদৰ পণ্য উৎপাদন পণ্য বিতৰণ আৰু নিয়ন্ত্ৰণৰ বাবে কামত আহিব পৰা প্ৰায়োগিক বিষয়সমূহকহে গুৰুত্ব দিয়া হৈছে আৰু আকৰ্ষণীয় কৰি তোলা হৈছে, কাৰণসমূহৰ ভিতৰত মুখ্যতম হৈছে সেই সমূহৰ বেছিভাগেই ব্যক্তিগত পুঁজিৰে পৰিচালিত। বিজ্ঞাপন বা নানা প্ৰলোভনেৰে ছাত্ৰ-ছাত্ৰী অভিভাৱক শিক্ষক সকলোকে বৃত্তিমূলক শিক্ষাৰ "উজ্জ্বল ভৱিষ্যত"ৰ বিষয়ে চলনাময় সপোন সৃষ্টি কৰি গড্ডালিকা প্ৰবাহত চামিল কৰিব পৰাটো বিশ্বপুঁজিবাদৰ কৃতিত্ব। দুখৰ বিষয় তেনে বিলাক প্ৰতিষ্ঠান প্ৰকৃত জ্ঞান বিতৰণ কৰাতকৈ ধন লুণ্ঠনতহে সিদ্ধহস্ত।

আনহাতে এতিয়াও বেছিসংখ্যক ৰাজহুৱা শিক্ষানুষ্ঠানত মৌলিক বিষয় সমূহ পঢ়োৱা হয়। তেনে পাঠ্যক্ৰমৰ শিক্ষিত লোকসকলক পুঁজিবাদী উৎপাদন বা বিতৰণ প্ৰক্ৰিয়াত পোনপটীয়াকৈ ব্যৱহাৰ কৰিব পৰা নাযায়। চৰকাৰেও যিহেতু WTO ৰ সদস্য হোৱাৰ যোগেদি ব্যক্তিগত খণ্ডক আগস্থান দিবলৈ বাধ্য। চাকৰী চাকৰিৰ ক্ষেত্ৰখনো দিনে দিনে সংকোচিত হৈছে। কাৰিকৰী শিক্ষাৰ বাবে ঢাপলি মেলাতোও এক স্বাভাৱিক পৰিণতিৰ দৰে অৱস্থা হৈছেগৈ।

গতিকে মানৱীয় চিন্তা চেতনা আৰু সামাজিক প্ৰমূল্যবোধ যদি কোনো ব্যক্তিয়ে হেৰুৱাইছেও তাৰ বাবে সমাজৰ উপৰিকাঠামো শিক্ষা ব্যৱস্থা নহয়। (ছাত্ৰ-ছাত্ৰীতো হ'বই নোৱাৰে) তাৰ বাবে জগৰীয়া আৰ্থসামাজিক ব্যৱস্থাটোহে, যি বিশ্বপুঁজিবাদী ব্যৱস্থাৰে পৰিচালিত হয়। মানৱীয় প্ৰমূল্যসমূহ সমাজব্যৱস্থাৰ পৰিৱৰ্তনৰ যোগেদিহে পুনৰ প্ৰতিষ্ঠিত হ'ব।

**প্ৰশ্ন ৫ ঃ যুৱ উশৃংখলতাৰ কাৰকসমূহ কি কি বুলি আপুনি ভাৱে আৰু ইয়াৰ দূৰীকৰণৰ বাবে আপোনাৰ পৰামৰ্শ?**

উত্তৰ ঃ মই এম এচ চি পঢ়োঁ ২৯ ডিচেম্বৰ ১৯৭৭। মোৰ বয়স ঊনৈশ বছৰ তেৰদিন - সেই দিনটোত। সেইদিনা মই এটা প্ৰবন্ধ লিখিছিলোঁ, তাৰ শিৰোনাম আছিল "সমাজ, সমস্যা আৰু সামাজিক দায়িত্ব"। সেই প্ৰবন্ধৰো মুখ্য সমস্যা আছিল 'নব্য নিৰক্ষৰতা' আৰু 'যুৱ উশৃংখলা'। ২০১৬ চনতো একেটা সমস্যাৰ স'তে আমি সকলোৱেই একেদৰেই মুখামুখি হৈছোঁ। ১৯৭৭ ৰ যিসকল উশৃংখল যুৱক আছিল তেওঁলোক আজি পিতৃ!

তেতিয়া মই ভাবিছিলোঁ - মানুহৰ সামাজিক অৱস্থিতিৰ জ্ঞান আমি পাঠ্যপুথিত পাওঁ। কিন্তু প্ৰপঞ্চমূলক অৱস্থিতি (illusory existance) সম্পৰ্কে জ্ঞান আমাক প্ৰচলিত শিক্ষাই নিদিয়ে - সেয়া নব্যনিৰক্ষৰতা বা যুৱ উশৃংখলতা এই বিলাকৰ মূল কথা। এতিয়া কেৱল সেইদৰে আৰু নাভাবেআ।

যেতিয়া গোটেই আৰ্থ সামাজিক সমাজ ব্যৱস্থাটোৱেই ৰুগ্ন হয়, সি সকলো উপৰি কাঠামোকে ৰুগ্ন কৰি তোলে। ব্যক্তিসত্তা আত্ম বিচ্ছিন্ন হৈ পৰে। বিচ্ছিন্নতাৰ চিকাৰ হোৱা মানুহে পৰিত্ৰাণৰ উপায় বিচাৰে। কিন্তু পথৰ সন্ধান নথকাৰ বাবে আৰু সন্ধানৰ হেঁপাহো নথকাৰ বাবে সি হৈ পৰে এক বিশৃংখল সামাজিক পৰিস্থিতি। পৰিবৃত্তিকালীন (Transition) সমাজৰ ই এক ডাঙৰ সমস্যা। সামগ্ৰিক উদ্দেশ্যহীনতা নিৰাপত্তাহীনতা প্ৰচণ্ড ব্যক্তিকেন্দ্ৰিকতা স্বাৰ্থপৰতাই গা কৰি উঠিব পাৰে। উদ্দেশ্যবিহীন আত্মঘাতী পৰিণতি এটালৈ সমাজৰ এক গুৰুত্বপূৰ্ণ অংশ অৱনমিত হৈ গৈ থাকে।

কিন্তু ৰাতি যিমানেই ভয়াৱহ নহওক প্ৰভাত আহিবই। সমাজত ভাল চিন্তা কৰাৰ পৰিৱেশ ৰচিত হ'লে - উদ্দেশ্য বিহীনতাৰ চিকাৰ হোৱা মানুহেও জীৱনৰ তাৎপৰ্য বিচাৰি পায়। সমাজত বিবেকবান লোকসকলে সুস্থচিন্তাৰ প্ৰবাহ অনাত সহায় কৰিব লাগিব। সামাজিক সংগঠনসমূহৰ তাৰ বাবে দায়িত্ব প্ৰচুৰ।

কলেজৰ ভিতৰতো যদি ছাত্ৰ-ছাত্ৰীৰ মাজত ক্ষুদ্ৰক্ষুদ্ৰ অধ্যয়ন চক্ৰৰ গোট কৰিব পৰা যায় নিশ্চয়। এক শক্তিশালী অধ্যয়নশীল বাহিনীৰ সৃষ্টি কৰিব পৰা যাব। যি ভৱিষ্যতলৈ হৈ পৰিব পাৰে সমাজৰ অতন্ত্ৰ প্ৰহৰী।

**প্ৰশ্ন ৬ ঃ এখন সুস্থ সমাজহে এটা জাতিৰ জন্ম দিয়ে - এই সম্পৰ্কত আপোনাৰ মন্তব্য?**

উত্তৰ ঃ প্ৰশ্নটোৱে মোক অসুবিধাত পেলাইছে। কিয়নো প্ৰশ্নত ব্যৱহৃত 'জাতি' শব্দটো ইয়াত কি অৰ্থত ব্যৱহাৰ হৈছে মোৰ বাবে সেয়া পচন্দ হোৱা নাই।

ভাৰতীয় কেইটামান ভাষাত জাতি শব্দটো অত্যন্ত বিভ্ৰান্তি সৃষ্টি কৰিব পৰা শব্দ বিলাকৰ অন্যতম। ই কেতিয়াবা নিৰ্দিষ্ট যুগৰ ঐতিহাসিক বৰ্গ (Historical Category) (যেনে ঃ ভাৰতীয় জাতি, বৃটিছ জাতি আদি) কেতিয়াবা নৃ-গোষ্ঠীয় বৰ্গ (Ethnographical Category) (যেনে- আহোম, কলিতা আদি) কেতিয়াবা ধৰ্মীয় সম্প্ৰদায় আদি নানা অৱস্থিতিৰ নিৰ্দেশিত কৰে।

ব্যক্তিগতভাৱে মোৰ পচন্দ হোৱা জাতিৰ এটা সংজ্ঞা হ'ল "জাতি ঐতিহাসিক ভাৱে বিকশিত এনে এটি স্থায়ী সম্প্ৰদায় যাৰ ভাষা এক, বাসভূমি এক, অৰ্থনৈতিক জীৱন এক আৰু মানসিক গঢ়নো এক আৰু এই মানসিক গঢ়ন এক

সাধাৰণ সংস্কৃতিৰ মাজেদি প্ৰবাহিত হয়।'' যোচেফ ষ্টেলিনে দিয়া এই সংজ্ঞাটো পুঁজিবাদৰ বিকাশৰ ফলত সৃষ্টি হোৱা এক নিৰ্দিষ্ট ঐতিহাসিক পৰিৱেশত সৃষ্টি হোৱা বৃটিছ, ফৰাচী আদি জাতি সমূহৰ স'তে অতিকৈ খাপখোৱা। এই সংজ্ঞা সঞ্চৰণশীল, দ্বান্দ্বিক। এই সংজ্ঞাৰ মতে অসমীয়া বা পূৰ্ব ইউৰোপৰ জাতি সমূহ এতিয়াও সক্ৰিয় গঠনৰ প্ৰক্ৰিয়াৰ মাজতে আছে।

কিন্তু যেনেকৈয়ে বিশ্লেষণ নকৰো লাগিলে জাতিৰ দুটা পৰস্পৰ বিৰোধী চৰিত্ৰ পিঠিয়া-পিঠি কৈ থাকে - এটা হ'ল নৃ-গোষ্ঠীয় অংশ এইটো প্ৰাকৃতিক আৰু অপৰিৱৰ্ত্তনীয় অংশ, আনটো হ'ল ঐতিহাসিক চৰ্চা আৰু অভিজ্ঞতাৰ ফচলেৰে নিৰ্মিত। এইটো অংশ পৰিৱৰ্ত্তনশীল। ইয়াৰ ভিতৰত থাকিব পাৰে শ্ৰেণী পৰিচয় (ধনী-দুখীয়া), সংস্কৃতি, ভাষা মূল্যবোধ, বিশ্বাস খাদ্যাভ্যাস, পোচাক-এইবিলাক।

আমাৰ সমাজধাৰণাও স্থানু নহয়, গতিশীল হ'ব লাগিব। কাৰণ সামাজিক সম্পৰ্কৰে আবদ্ধ জনগোষ্ঠীয়েই সমাজ। মানুহে জৈৱ প্ৰয়োজন আৰু স্বাৰ্থৰ তাগিদাত সমাজ সৃষ্টি কৰিছিল। প্ৰকৃতাৰ্থত ব্যক্তি আৰু সমাজ পৰস্পৰে পৰিপূৰক, স্বাভাৱিকতে নিত্য পৰিৱৰ্ত্তনশীল।

আনহাতে ব্যক্তিও কোনো নহয় কোনো এটা জাতিৰ অন্তৰ্ভুক্ত হ'বই। এইটো জাতিৰ প্ৰাকৃতিক ভাগটোৰ অংশ কিন্তু ব্যক্তি বা জাতিৰ পৰিৱৰ্ত্তনশীল অংগটো সমাজত প্ৰচলিত আৰ্থ-সামাজিক পৰিস্থিতিৰ চালিকা শক্তিৰেহে নিৰূপিত হ'ব। এইখিনিতেই ব্যক্তিৰ আৰ্থ-ৰাজনৈতিক অৱস্থিতিৰ স্থান গুৰুত্ব পূৰ্ণ হৈ পৰিব।

কোনো ব্যক্তি যদি পুঁজিবাদী সমাজ ব্যৱস্থাটোৰে উপকৃত হয় আৰু স্থানীয় ভাৱে প্ৰভাৱ বিস্তাৰ কৰি তেওঁ সুবিধা লাভ কৰিবলৈ বিচাৰে তেওঁ মানুহক জাতি ধৰ্ম আদি উপাদান সমূহৰে উচটাই আত্মনিয়ন্ত্ৰণৰ বাবে সংগঠিত কৰি নিজ শ্ৰেণীস্বাৰ্থ পৰিপূৰণ কৰি ল'ব পাৰে।

আনহাতে 'বিভেদ আৰু বিভাজন' আন্তৰ্জাতিক পুঁজিৰ বজাৰ দখলৰ বাবে কৌশলৰে ব্যৱহাৰ হৈয়ে থাকে। সেই কৌশলৰেই ভাৰত বিভাজিত হৈছিল। আজি - অসমৰ জনগোষ্ঠীসমূহে পাৰস্পৰিকভাৱে সম্পৰ্ক হীন হৈ পৰাৰ দৰে হৈছে এনে কাৰণতেই। বিশ্বপুঁজিবাদে মানুহৰ মন ধীৰে ধীৰে ধনী-দুখীয়াৰ শ্ৰেণী বিৰোধৰ পৰা নাবী আৰু পুৰুষ এই দুই সত্তাৰ বিৰোধলৈ ৰূপান্তৰ কৰিবলৈ যত্নৱান হৈছে! বহুলাংশে সফলো হৈছে। আনহাতে নাৰীবাদক উচটনি দি ধৰ্মীয় মৌলবাদী শক্তিসমূহক প্ৰতিক্ৰিয়া হিচাপে উচটনি দিছে। উগ্ৰবাদৰ বিকাশ ঘটোৱা হৈছে। জনগণ অধিক বিভ্ৰান্ত হৈছে আৰু প্ৰতিক্ৰিয়াহীন বিমৰ্ষ চৰিত্ৰলৈ ৰূপান্তৰিত হৈছে। তাৎক্ষণিক পলায়নৰ উপায় হিচাপে উপভোক্তা বাদত আশ্ৰয় লৈছে! ফলত পৃথিৱীৰ পাঁচ শতাংশ ধনী ব্যক্তিৰ হাতত পঞ্চাশ শতাংশৰো অধিক সম্পদ গোট খাইছেগৈ।

সমাজ সুস্থ হ'বই লাগিব। তেতিয়াহে ব্যক্তি আৰু সমাজৰ আন্তঃসম্পৰ্ক হ'ব সুস্থ, জাতিসমূহে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ পাব। তাৰ মূল আৰু একমাত্ৰ উপায় হ'ব পাৰে কেৱল সমাজ তন্ত্ৰ প্ৰতিষ্ঠাৰ দ্বাৰাহে - তাৰ কোনো বিকল্প পথৰ সন্ধান মই দেখা নাই।

কঠিন পথ, কিন্তু দুৰাতিগম্য নহয়। ■

## বিশেষ ঃ

**এণ্ডি (Andi) — মাছৰ জিনৰ পৰা জন্ম লোৱা বান্দৰটো ঃ** *মহাভাৰত/ ৰামায়ণত উল্লেখ আছে যে অগ্নিকুণ্ডৰ পৰা দ্ৰৌপদী, ধৃষ্টদ্যুম্নৰ জন্ম; সাপৰ ৰজা বাসুকীৰ কন্যা উলুপীৰ লগত অৰ্জুনৰ বিয়া; বান্দৰৰ লগত স্বয়ং ৰামৰ মিত্ৰতা ইত্যাদি ইত্যাদি। এই কাহিনীবোৰকেই যেন আজিৰ পৃথিৱীৰ আধুনিক বিজ্ঞানীসকলে ন-ন পৰীক্ষাৰে বাস্তৱ ৰূপ দিবলৈ চেষ্টা কৰিছে। মহাভাৰতৰ প্ৰথম শ্লোকটোত উল্লেখ আছে যে, ''ইয়াত যি আছে সমগ্ৰ পৃথিৱীতে আছে, আৰু ইয়াত যি নাই ক'তোৱেই নাই।'' সেয়েহে ক'ব পাৰি বিজ্ঞানৰ এই জয়যাত্ৰাৰ মূলসূত্ৰ এই গ্ৰন্থ দুখন।*

*এণ্ডিৰ জন্ম মাৰ্কিন যুক্তৰাষ্ট্ৰত। এদল মাৰ্কিন বিজ্ঞানীয়ে 'জেলি' মাছৰ জিন বান্দৰৰ ভ্ৰূণানুত সংস্থাপন কৰি এণ্ডি নামৰ এই বান্দৰ পোৱালিটোক জন্ম দিছে। এই ঘটনাটো আণুবংশিক বিজ্ঞানৰ সৰ্বপ্ৰথম ঘটনা। এই সাফল্যই বিজ্ঞানীসকলক উৎফুল্লিত কৰি তুলিছে যদিও D.N.A সংস্থাপন কৰি মানুহৰ ক্ষেত্ৰটো এইটো প্ৰযোজ্য হ'ব পাৰে বুলি আশংকা কৰি নৈতিকতাৰ ফালৰ পৰা বিষয়টো বিতৰ্কলৈ গতি কৰিছে।*







## ৰৰঘৰৰ মজিয়াত

মণিকা দাস
মুৰব্বী অধ্যাপিকা
অৰ্থনীতি বিভাগ

### প্ৰশ্নোত্তৰ-২

**১) ছাত্ৰ-ছাত্ৰীসকলৰ মনত শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবৰ বাবে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি আপুনি ভাবে?**

উত্তৰ ঃ শিক্ষাৰ প্ৰতি আগ্ৰহ, শিকোৱাৰ প্ৰতি আগ্ৰহ শিক্ষা জগতত অত্যন্ত প্ৰয়োজন। আধুনিক শিক্ষাৰ চমকপ্ৰদ কৌশলৰ আৱিস্কাৰ সমূহে জ্ঞানৰ ন ন দিগন্ত উন্মোচন কৰাৰ লগতে মানুহৰ জীৱনশৈলীৰো পৰিৱৰ্তন ঘটাইছে। এই পৰিৱৰ্তনশীল জীৱনশৈলীৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মনত আগ্ৰহ বৃদ্ধি কৰিবৰ বাবে শিক্ষা প্ৰদানৰ গাঁথনিবোৰ শক্তিশালী তথা মজবুতকৈ প্ৰতিষ্ঠা কৰা উচিত, পাঠ্যক্ৰমত প্ৰায়োগিক শিক্ষা সন্নিৱিষ্ট কৰা উচিত। তদুপৰি সকলোবোৰ সংস্কাৰ বাস্তৱত ৰূপায়িত কৰিবলৈ মহাবিদ্যালয় প্ৰশাসনিক দিশত অধিক দক্ষতাপূৰ্ণ, সক্ৰিয় আৰু কঠোৰ হোৱাটো একান্ত বাঞ্ছনীয়।

**২) ছাত্ৰ-ছাত্ৰীৰ মাজত সামাজিক দায়বদ্ধতাবোধ সৃষ্টি কৰিবলৈ শিক্ষানুষ্ঠানসমূহে কি কৰা উচিত?**

উত্তৰ ঃ সামাজিক দায়বদ্ধতাবোধ সৃষ্টি কৰিবলৈ শিক্ষানুষ্ঠানসমূহে বিভিন্ন সামাজিক সেৱামূলক কাৰ্যসূচী হাতত ৰাখি ছাত্ৰ-ছাত্ৰীক প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰাবলৈ চেষ্টা কৰিব লাগিব।

**৩) মহাবিদ্যালয়ৰ চৌপাশে অৱস্থিত বৃহত্তৰ সমাজখনত শৈক্ষিক, সামাজিক, আৰ্থিক উন্নয়নৰ চেতনা প্ৰৱাহিত কৰাত মহাবিদ্যালয়ে কি ভূমিকা গ্ৰহণ কৰিব পাৰে?**

উত্তৰ ঃ এই ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহে নিৰ্দ্ধাৰিত সময় সূচী প্ৰস্তুত কৰি শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু বিভিন্ন সচেতন ব্যক্তিৰ উপস্থিতিত সভা-সমিতি অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ চৌপাশৰ বৃহত্তৰ সমাজৰ শৈক্ষিক, সামাজিক, আৰ্থিক দিশবোৰ আলোচনা কৰিব পাৰে আৰু লগতে মহাবিদ্যালয়ে সমস্যাৰ বিভিন্ন দিশবোৰ আঙুলিয়াই সকলোৰে মনত সজাগতা, সচেতনতা বৃদ্ধি কৰিবলৈ চেষ্টা কৰিব পাৰে।

**৪) 'বৰ্তমান কেৰিয়াৰমুখী শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মানৱীয় চিন্তা-চেতনা আৰু সামাজিক প্ৰমূল্যবোধ নোহোৱা কৰি পেলাইছে' - এই সম্পৰ্কত আপোনাৰ মন্তব্য?**

উত্তৰ ঃ বৰ্তমান চাকৰিমুখী শিক্ষা, ব্যৱসায়, সন্ধান শিক্ষাৰ বহুল প্ৰচলনত আধ্যাত্মিক জ্ঞানৰ অনুপস্থিতিৰ হেতু ছাত্ৰ-ছাত্ৰীৰ মানৱীয় চেতনা আৰু সামাজিক প্ৰমূল্যবোধ নাইকিয়া হোৱা পৰিলক্ষিত হৈছে। শিক্ষাৰ বাণিজ্যিকৰণে দুই শ্ৰেণী মানুহৰ মাজত বিভেদীকৰণ সৃষ্টি কৰাত মানৱীয় চিন্তা চেতনা আৰু সামাজিক প্ৰমূল্যবোধ লোপ হোৱা দেখা গৈছে।

**৫) যুৱ উশৃংখলতাৰ কাৰকসমূহ কি কি বুলি আপুনি ভাবে আৰু ইয়াৰ দূৰীকৰণৰ বাবে আপোনাৰ পৰামৰ্শ?**



উত্তৰ ঃ কৰ্মবিমুখিতা, লক্ষ্য আৰু প্ৰতিযোগিতামূলক মনোভাৱৰ অভাৱ, অধ্যৱসায়ী আৰু কষ্ট সহিষ্ণুতাৰ অভাৱ, ভোগবাদ ইত্যাদি হ'ল বৰ্তমান যুৱ উশৃংখলতাৰ কাৰক।

ইয়াৰ দূৰীকৰণৰ বাবে এই সমস্যা কোনো ব্যক্তিগত সমস্যা বুলি ভবাৰ পৰিৱৰ্তে ইয়াৰ সৰ্বজনীনতাক স্বীকাৰ কৰি ল'বলৈ আগবাঢ়ি আহিব লাগিব। গতিকে ইয়াৰ লগত জড়িত হৈ থকা বাস্তৱ কাৰকসমূহ নিৰ্ণয় কৰি তাৰ সমাধানৰ পথ বিচাৰি উলিওৱাটো অত্যন্ত প্ৰয়োজন।

৬) 'এখন সুস্থ সমাজেহে এটা সুস্থ জাতিৰ জন্ম দিয়ে' - এই সম্পৰ্কত আপোনাৰ মন্তব্য।

উত্তৰ ঃ এখন সুস্থ সমাজ বুলিলে ৰাজনৈতিক ভাৱে পৰিপক্ক, সামাজিকভাৱে ঐক্যবদ্ধ আৰু মানৰিক ভাৱে সমৃদ্ধ সমাজক বুজায়। এনে সমাজত প্ৰতিজন ব্যক্তিৰ সামাজিক দায়বদ্ধতা, আত্মীয়তা থাকে আৰু সামাজিক কাম-কাজত মানুহৰ প্ৰত্যক্ষ অংশগ্ৰহণ অৱধাবিত হৈ আৰ্থ-সামাজিক সাংস্কৃতিক উত্তৰণ ঘটায় এটা জাতিৰ জন্ম দিয়ে। ■

## বিশেষ ঃ

কোন আছিল মনালিছা ঃ



পৃথিৱীৰ ইতিহাসৰ সবাতোকৈ ৰহস্যময় চিত্ৰ-মনালিছা। লিওনাৰ্ড ডা ভিঞ্চিৰ এক অমৰ সৃষ্টি। সসীমৰ ৰূপতৃষ্ণাৰে উদ্ভাসিত এই মনালিছা আছিল ৰোমৰ এগৰাকী দৰিদ্ৰপ্ৰায় ব্যৱসায়ীৰ মৰমৰ জীয়ৰী।

সেই অপূৰ্ব হাঁহিটো — কত যে কাহিনী ঃ বিশ্ববাসীয়ে আজি পাঁচশ বছৰ ধৰি যি একেটি মাত্ৰ হাঁহিক লৈ ৰহস্যৰ সাগৰত ডুব গৈ আছে — ভাবিলে আচৰিত যেন লাগে। হয়তো লিওনাৰ্ড' ডা ভিঞ্চিৰ দৰে প্ৰতিভা এগৰাকীয়ে 'মানালিছা' সৃষ্টি নকৰা হ'লে এই ৰহস্য কিছু কম গভীৰ হ'লহেঁতেন। কিন্তু ডা ভিঞ্চিৰ দৰে পুৰুষ এজনাই যদি মনালিছাৰ মুখত কিবা এটা ভংগিমা দিয়াৰ প্ৰয়াস কৰিছে, তাৰ এটা অৰ্থ থাকিবই লাগিব। কিয়নো, সূক্ষ্মাতিসূক্ষ্ম পৰ্যবেক্ষকেই আছিল ডা ভিঞ্চিৰ প্ৰতিভাৰ মূল চেতনা। ডা ভিঞ্চিয়ে নিজেই কৈ গৈছে যে — "In any painting the movements of each figure should express its mental state, such as desire, scorn, anger, pity and the like', and that the 'intentions of the soul' should be legible in the face." এনেবোৰ কাৰণতেই শ শ বছৰ ধৰিও ছবিখনক লৈ জল্পনা-কল্পনাৰ ওৰ পৰা নাই আৰু ওৰ যে পৰিব তাৰো কোনো নিশ্চয়তা নাই।

ডা ভিঞ্চিয়ে মনালিছা ছবিখন কিয়নো আঁকিবলৈ আৰম্ভ কৰিলে তাকো লৈ কাহিনী বেলেগ বেলেগ। কিছুমানৰ মতে, ফ্লৰেন্সৰ অভিজাত সমাজৰ লগত হোৱা বন্ধুত্বসূত্ৰে ডা ভিঞ্চিয়ে লিছাক এদিন দেখা পায় আৰু তেওঁৰ এখন ছবি আঁকিবলৈ ইচ্ছা প্ৰকাশ কৰে। এই ছবিৰ মাজেদিয়েই তেওঁ হেনো প্ৰকাশ কৰিব বিচাৰিছিল মানৱ চৰিত্ৰৰ গভীৰতম ৰহস্য। আকৌ, বিখ্যাত জাৰ্মান ঔপন্যাসিক আলেকজেণ্ডাৰ লাৰনেট হলেনিয়াৰ মতে ক'বলৈ গ'লে লিছাৰ স্বামী ফ্ৰান্সেলেস্কাইহে ডা ভিঞ্চিক ছবিখন আঁকিবলৈ ৰাজি কৰোৱাইছিল।

ডা ভিঞ্চিয়ে ছবিখন আঁকি থকাৰ সময়ত কেতবোৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল বুলি জনা যায়। মনালিছা ষ্টুডিঅ'লৈ আহি সদায় বহুপৰ বহি থাকিবলগীয়া হৈছিল। এই সময়ছোৱাত যাতে লিছাই অকণো আমনি নাপায় তাৰ বাবে সৃষ্টি কৰা হৈছিল সুন্দৰ পৰিৱেশৰ। ষ্টুডিঅ'ৰ সমুখত সজোৱা হৈছিল এটি পানীৰ ফোৱাৰা, চৌদিশে আয়েৰয়ছ ফুলৰ জোপোহা। ষ্টুডিঅ'ৰ মজিয়ালৈ আমন্ত্ৰণ কৰি অনা হৈছিল সেই সময়ৰ বিখ্যাত বেহেলাবাদক আণ্ড্ৰে ছালাইনোক। একেৰাহে সংগীত শুনি লিছাই যেন আমনি নাপায় তাৰ বাবে মাতি অনা হৈছিল বিশিষ্ট কবি আৰু কাহিনীকাৰসকলক। লিছাক আনি দিয়া হৈছিল এটি হৰিণা পোৱালি আৰু এটা বগা মেকুৰি, যাতে ইবোৰৰ লগত যেমালি কৰি তেওঁ আনন্দমুখৰ হৈ থাকিব পাৰে। শেষৰ ফালে লিছা আৰু ভিঞ্চিৰ মাজৰ সম্পৰ্ক স্বাভাৱিক হৈ পৰাত অৱশ্যে কিছুমান ব্যৱস্থা বাদ দিয়া হৈছিল।

কিন্তু এটি সুন্দৰ পৰিৱেশৰ সৃষ্টি হ'লেইনো মুখৰ হাঁহি এটাই অমৰত্ব লাভ কৰিব পাৰেনে?

মনালিছাৰ হাত দুখনক বিশ্বশ্ৰেষ্ঠ ইটালীয়ে ছবিবোৰৰ ভিতৰত শিল্পীয়ে স্বীকাৰ কৰিছে। মিহি আৰু লাহিকৈ দীঘলীয়া আঙুলিবোৰৰ গাঁঠিবোৰ ক'ত আছে বিচাৰি উলিওৱা কঠিন। হয়তো আঙুলিৰ গাঁঠিবোৰ চৰ্বিৰ সামান্য নাৰীসুলভ প্ৰলেপৰ মাজৰ আবদ্ধ হৈ ৰ'ল।

আনহাতে সুউচ্চ বক্ষযুগলৰ নাৰীসুলভ কমনীয়তাক অনুভৱ কৰা গ'লেও কাপোৰেৰে সি ইমান নিখুঁতভাবে ঢাক খাই আছে যে সি মনালিছাক চিৰন্তন কালৰ নাৰীত্বৰ মহত্ব দান কৰিছে। ঘন বৈ পৰা ক'লা চুলিটাৰি আৰু চকুৰ ৰহস্যময় চাৱনিয়ে মনালিছাক দান কৰিছে অমৰত্ব।

আন এটি অতি গুৰুত্বপূৰ্ণ কথা এই যে মনালিছা ছবিখনৰ পশ্চাদপটত যি প্ৰাকৃতিক দৃশ্যৰাজি আছে সিও ৰহস্যৰ উৎস। আজি চাৰিশ বছৰো পাৰ হ'ল মনালিছা সৃষ্টিৰ। অথচ আজিকোপতি মনালিছা সদায় ৰহস্য ৰস্যয়েই হৈ আছে আৰু হৈ থাকিব।





## বৰঘৰৰ মজিয়াত

বৈকুণ্ঠ দাস
অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

### প্ৰশ্নোত্তৰ-৩




১) ছাত্ৰ-ছাত্ৰীসকলৰ মনত শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবৰ বাবে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি আপুনি ভাৱে?

উত্তৰ ঃ ছাত্ৰ-ছাত্ৰীসকলৰ মনত শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ বাবে প্ৰধানতঃ শিক্ষক সকলে শ্ৰেণীকোঠাত পাঠদানৰ সময়ত এক আকৰ্ষণীয় পৰিৱেশ ৰচনা কৰিব পাৰিব লাগিব। পাঠদানৰ পদ্ধতি তথা মানদণ্ড (Content) আকৰ্ষণীয় হ'লে ছাত্ৰ-ছাত্ৰসকল সহজতে পঢ়াৰ প্ৰতি আগ্ৰহান্বিত হ'ব। জটিল তথা নিৰস তাত্ত্বিক বিষয় একোটাক সহজ সৰল ৰূপত ছাত্ৰ-ছাত্ৰীৰ আগত তুলি ধৰিব পৰাটোৱেই শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হয়। ইয়াৰ সমান্তৰালকৈ পিতৃ-মাতৃ, অভিভাৱক আৰু সমাজৰ ভূমিকাত এই ক্ষেত্ৰত সমানেই লক্ষণীয়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অধ্যয়নৰ সুস্থ ৰুচিবোধ জাগ্ৰত কৰিবলৈ হ'লে আমাৰ চাৰিওফালৰ পৰিৱেশো তেনে ৰুচিবোধ সম্পন্ন হোৱাতো বাঞ্ছনীয়। অৰ্থাৎ সংশ্লিষ্ট অন্যান্য পক্ষবোৰে বিভিন্ন দল সংগঠন যেনে - যুৱক সংঘ, মহিলা সমিতি, বেচৰকাৰী সংগঠন, (NGO) আদিয়ে সময়ে সময়ে ছাত্ৰ-ছাত্ৰীৰ সুবিধাজনক হোৱাকৈ বাহুল্য বৰ্জিত আলোচনা চক্ৰ, কৰ্মশালা আৰু মুখা-মুখি মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰাটো এক উচিত পদক্ষেপ হ'ব। বিভিন্ন পৰ্যায়ত গ্ৰন্থমেলা আদি অনুষ্ঠিত কৰিও ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পঢ়াৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিব পৰা যায়। ব্যক্তিগত তথা ৰাজহুৱা পুথিভঁৰাল সৃষ্টিত এক গঠনমূলক পদক্ষেপেও এইক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰত সক্ষম হ'ব।

২) ছাত্ৰ-ছাত্ৰীৰ মাজত সামাজিক দায়বদ্ধতাবোধ সৃষ্টি কৰিবলৈ শিক্ষানুষ্ঠানসমূহে কি কৰা উচিত?

উত্তৰ ঃ ছাত্ৰ-ছাত্ৰীৰ মাজত সামাজিক দায়বদ্ধতাবোধ সৃষ্টিৰ ক্ষেত্ৰত শিক্ষানুষ্ঠাসমূহৰ যথেষ্ট কৰণীয় আছে। বৃহত্তৰ সমাজৰ স্বাৰ্থৰ লগত একাত্মবোধৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক মাজে সময়ে জনগণৰ প্ৰত্যক্ষ সংস্পৰ্শলৈ লৈ যোৱাটো অত্যন্ত প্ৰয়োজনীয়। গাঁওসভা তথা অন্যান্য গুৰুত্বপূৰ্ণ সভা-সমিতিত ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি ব্যৱস্থা কৰা উচিত। এনে কৰিলে সামাজিক সমস্যাবোৰৰ সন্দৰ্ভত তেওঁলোকৰ প্ৰত্যক্ষ পৰিচয় ঘটিব যিয়ে নেকি সময়ত দায়বদ্ধ নাগৰিক সৃষ্টিত অৰিহণা যোগাব। জনবসতিপূৰ্ণ অঞ্চলবোৰত নিৰ্দিষ্ট সময়ৰ অন্তৰালত শ্ৰমদান আৰু সজাগতা সভাবোৰ আয়োজন কৰি শিক্ষানুষ্ঠানসমূহে ছাত্ৰ-ছাত্ৰীসকলক সামাজিক কাম-কাজৰ লগত জড়িত কৰাব পাৰে। প্ৰাকৃতিক দুৰ্যোগ আদিৰ সময়ত সহায়ক হোৱাকৈ শিক্ষানুষ্ঠানসমূহে নিজস্ব পৰ্যায়ত এক স্বেচ্ছাসেৱক বাহিনীক উপযুক্ত প্ৰশিক্ষণেৰে সাজুকৰি ৰখা উচিত। এনেবোৰ ব্যৱস্থাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মাজত সামাজিক দায়বদ্ধতাবোধৰ সৃষ্টিৰ সম্ভৱ কৰি তুলিব পাৰে।

৩) মহাবিদ্যালয়ৰ চৌপাশে অৱস্থিত বৃহত্তৰ সমাজখনত শৈক্ষিক, সামাজিক, আৰ্থিক উন্নয়নৰ চেতনা প্ৰৱাহিত কৰাত মহাবিদ্যালয়ে কি ভূমিকা গ্ৰহণ কৰিব পাৰে?

উত্তৰ ঃ মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু শিক্ষক গোটে সময়ে সময়ে আলোচনাচক্ৰ, কৰ্মশালা আদি অনুষ্ঠিত কৰি এনে দায়িত্ব পালন কৰিব পাৰে। সজাগতা সভা আৰু বিভিন্ন বিষয়ত প্ৰশিক্ষণ কাৰ্যসূচী হাতত লৈও এই ক্ষেত্ৰত নিজস্ব কৰণীয় খিনি সমাপন কৰিব পাৰে। বিদ্যালয়বোৰত মাজে সময়ে উপস্থিত হৈ বিনামূলীয়া পাঠদান আৰু প্ৰশিক্ষণৰ কাৰ্যকৰী ব্যৱস্থা হাতত লৈ সুদূৰপ্ৰসাৰী নজিৰ সৃষ্টি কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ বাহিৰেও নিৰক্ষৰ কৃষক, শ্ৰমিক আদিক বিভিন্ন বিষয়ত শিক্ষিত/প্ৰশিক্ষিত কৰাৰ বাস্তৱসন্মত পদক্ষেপ যুগুত কৰা দৰকাৰ। অৱশ্যেই মহাবিদ্যালয়ৰ NCC আৰু NSS গোটিবোৰে বিভিন্ন সময়ত বাটৰ নাট, শ্ৰমদান কাৰ্যসূচী আৰু সজাগতা সভা অনুষ্ঠিত কৰি এনেবোৰ কাৰ্যক বাস্তৱায়িত কৰি আহিছে।

৪) 'বৰ্তমান কেৰিয়াৰমুখী শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মানৱীয় চিন্তা-চেতনা আৰু সামাজিক প্ৰমূল্যবোধ নোহোৰা কৰি পেলাইছে' - এই সম্পৰ্কত আপোনাৰ মন্তব্য।

উত্তৰ ঃ আপেক্ষিকভাৱে সত্য। শিক্ষাৰ বজাৰমুখী প্ৰৱণতাই তেনে হোৱাত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰি আহিছে। বিশেষকৈ সাম্প্ৰতিক বিশ্বায়নৰ প্ৰভাৱ এই ক্ষেত্ৰত সুদূৰপ্ৰসাৰী। বজাৰৰ চাহিদাৰ লগত সংহতি ৰাখি শিক্ষাৰ পাঠ্যক্ৰমৰ ক্ষেত্ৰতো ব্যাপক পৰিৱৰ্তন সাধন কৰা হৈছে। বৃহৎ ব্যক্তিগত পুঁজিৰ নিত্য-নতুন বিনিয়োগৰ দ্বাৰা অত্যধিক মুনাফা লাভক বাস্তৱায়িত কৰাৰ স্বাৰ্থত প্ৰয়োজনীয় দক্ষ শ্ৰমিক/কৰ্মচাৰী সৃষ্টিৰ লগত সংগতি ৰাখি সাম্প্ৰতিক শিক্ষাৰ পাঠ্যক্ৰমক প্ৰস্তুত কৰা হৈছে। ইয়াৰ ফলত এচাম অত্যন্ত কেৰিয়াৰ সচেতন ছাত্ৰ-ছাত্ৰীৰ উন্মেষণ ঘটিছে। কেৰিয়াৰ সৰ্বস্বতাই তেওঁলোকৰ মন মগজুৰ পৰা মানৱীয় চিন্তা-চেতনা লোপ পোৱাই আনিছে। ইয়াৰ ফলত প্ৰকৃত জীৱনবোধৰ শিক্ষাৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিলক্ষিত হৈছে।

৫) যুৱ উশৃংখলতাৰ কাৰকসমূহ কি কি বুলি আপুনি ভাৱে আৰু ইয়াৰ দূৰীকৰণৰ বাবে আপোনাৰ পৰামৰ্শ?

উত্তৰ ঃ এইক্ষেত্ৰত পৰিৱৰ্তিত সমাজ ব্যৱস্থাকেই প্ৰধানতঃ জগৰীয়া কৰিব পাৰি। অত্যন্ত বস্তুবাদী এক সমাজ ব্যৱস্থাই সকলোকে এক অঘোষিত প্ৰতিযোগিতাত নিমগ্ন কৰি ৰাখিছে। অধিক সম্পদ আৰু প্ৰাচুৰ্যৰ পাছত দৌৰি দৌৰি অধিকাংশ পিতৃ-মাতৃ তথা অভিভাৱকে নিজৰ সতি-সন্ততিক দিবলগীয়া সময় আৰু সংস্কাৰৰ নূন্যতমকণো দিবলৈ সক্ষম হোৱা নাই। অন্যান্য কাৰণসমূহ এই মূল কাৰণ (বস্তুবাদী সমাজ ব্যৱস্থা)ৰ পৰা উদ্ভৱ হোৱা উপকৰা কাৰণহে।

সেয়েহে যুৱ উশৃংখলতাৰ নিবাময়ৰ ক্ষেত্ৰত সমাজ ব্যৱস্থা আমূল সংস্কাৰৰ প্ৰয়োজনীয়তা আছে। অৱশ্যেই প্ৰচলিত ব্যৱস্থাত এইবোৰ হ্ৰাস কৰাৰ বাবে বহুতো কাৰ্যকৰী পদক্ষেপ হাতত ল'ব পাৰি। মূল্যবোধৰ শিক্ষাৰ প্ৰসাৰ ঘটাই এনেক্ষেত্ৰত বহুদূৰ অগ্ৰসৰ হোৱাৰ স্থল আছে।

৬) 'এখন সুস্থ সমাজেহে এটা সুস্থ জাতিৰ জন্ম দিয়ে' - এই সম্পৰ্কত আপোনাৰ মন্তব্য?

উত্তৰ ঃ এই সম্পৰ্কত আমি সম্পূৰ্ণ সহমত প্ৰকাশ কৰোঁ। কিয়নো সুস্থ সমাজেহে নতুন প্ৰজন্মক এক সংস্কাৰী তথা সবল জাতিৰূপে প্ৰতিপন্ন কৰিব পাৰে। সুস্থ সমাজৰ বাবে অগ্ৰজসকলৰ নেতৃত্বত প্ৰগতিশীল চৰিত্ৰই অনুজসকলক সঠিক দিশ নিৰ্দেশনা প্ৰদানেৰে অনাগত সময়ত এক সুস্থ ৰুচিবোধ সম্পন্ন জাতীয় সত্তাত পৰিণত কৰিব পাৰে। সামাজিক মূল্যবোধ আৰু সচেতনতা সৃষ্টিৰ ক্ষেত্ৰত সেয়েহে ই আটাইতকৈ প্ৰয়োজনীয় বিবেচিত হয়। ■

*কেৱল জনসংখ্যাই জাতি ডাঙৰ নকৰে। জাতি ডাঙৰ হয়, জাতীয়তাবাদৰ হকে ডেকাই দিয়া হিয়াৰ ৰাঙলী তেজেৰে।*

— বিষ্ণুপ্ৰসাদ ৰাভা
(১৯০৯-১৯৬৯)





## বৰঘৰৰ মজিয়াত

তুলিকা দাস
অসমীয়া বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

### প্ৰশ্নোত্তৰ-৪

**মুখামুখি**

**প্ৰশ্ন ১ ঃ ছাত্ৰ-ছাত্ৰীসকলৰ মনত শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবৰ বাবে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি আপুনি ভাৱে?**

উত্তৰ ঃ "Chalk, Talk and Walk" মন্টেচৰী নীতিৰ এই আদৰ্শ মানি চলি এজন শিক্ষকে তেখেতৰ নিজৰ বিষয়বস্তুৰ বিষয়ে গভীৰ জ্ঞান ৰখা বাঞ্ছনীয় আৰু ব্যৱহাৰিক পাঠজ্ঞান তথা কাৰিকৰী শিক্ষাত গুৰুত্ব দিয়াটো উচিত বুলি মই ব্যক্তিগত মত পোষণ কৰোঁ।

**প্ৰশ্ন ২ ঃ ছাত্ৰ-ছাত্ৰীৰ মাজত সামাজিক দায়বদ্ধতাবোধ সৃষ্টি কৰিবলৈ শিক্ষানুষ্ঠানসমূহে কি কৰা উচিত?**

উত্তৰ ঃ ছাত্ৰ-ছাত্ৰীৰ মাজত সামাজিক দায়বদ্ধতাবোধ সৃষ্টি কৰিবলৈ এখন শিক্ষানুষ্ঠানৰ পোনপ্ৰথমে 'মুৰব্বী বা অধ্যক্ষ' জনৰ লগতে শিক্ষকসকলে বাটটো দেখুৱাব লাগে। "উপদেশতকৈ আৰ্হি ভাল"। বয়স কম আৰু অভিজ্ঞতাৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীসকলক সৰু সৰু দলত ভাগ কৰি, প্ৰতিটো দলতে একোজন শিক্ষকক দায়িত্ব দি সমাজৰ বিভিন্ন কাৰ্যত (কৰ্মসূচী দিব লাগে) তেওঁলোকক মাজে মাজে মনোনিৱেশ কৰাব পাৰে। কেতিয়াবা বস্তি অঞ্চলত, কেতিয়াবা গাওঁবিলাকত, কেতিয়াবা চহৰৰ মাজমজিয়াত, কেতিয়াবা চাহ জনগোষ্ঠীৰ বাসস্থান বিলাকত এই কৰ্মসূচীবোৰ কৰি ছাত্ৰ-ছাত্ৰী শিক্ষকৰ লগতে জনসাধাৰণকো সামৰি ল'ব পাৰে।

**প্ৰশ্ন ৩ ঃ মহাবিদ্যালয়ৰ চৌপাশে অৱস্থিত বৃহত্তৰ সমাজখনত শৈক্ষিক, সামাজিক, আৰ্থিক উন্নয়নৰ চেতনা প্ৰবাহিত কৰাত মহাবিদ্যালয়ে কি ভূমিকা গ্ৰহণ কৰিব পাৰে?**

উত্তৰ ঃ আমাৰ তিনিচুকীয়া মহাবিদ্যালয়ে অৱশ্যে বিগত বহু বছৰৰ পৰাই এই মহাবিদ্যালয়ৰ চৌপাশে অৱস্থিত সমাজখনত শৈক্ষিক, সামাজিক আৰু আৰ্থিক উন্নয়নৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। ইয়াৰে কুজান, পৰ্বতীয়া, বাৰেকুৰি, লাইপুলি, পেঙেৰী, গুইজান আদি ঠাইৰ নিৰক্ষৰ জনতাক সাক্ষৰতাৰ অভিযান/অনাথ আশ্ৰমৰ ল'ৰা-ছোৱালীৰ মাজত কম্বল খাদ্য বিনামূলীয়া চিকিৎসা শিবিৰ/মেধা ছাত্ৰ-ছাত্ৰীৰ মহাবিদ্যালয়ে বিনামাচুলত শিক্ষাদান ব্যৱস্থা মদ-কানি আদি নিবাৰণী শিবিৰ (মাদক দ্ৰব্য) আদি সময়ে সময়ে কৰি আহিছে। তথাপি অন্যান্য মহাবিদ্যালয়ৰ আদৰ্শৰে আমাৰ মহাবিদ্যালয়তো অলপ কৃষিভূমি উলিয়াই ছাত্ৰ-ছাত্ৰীসকলক বতৰৰ বিভিন্ন খেতি/ফল-মূলৰ গছ ৰোপণ/কাঠফুলা/ বৃক্ষৰোপণ ফুলৰ নাৰ্চাৰী আদি কৰি সেইসমূহৰ উৎপাদিত সামগ্ৰীখিনি দুখীয়া মানুহখিনিৰ মাজলৈ উলিয়াই দিব পাৰে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী শিক্ষক আৰু চৌপাশৰ মানুহখিনিৰ মাজত এক সচেতনতা বৃদ্ধি পাব বুলি মই ভাবোঁ।



**প্ৰশ্ন ৪ ঃ 'বৰ্তমান কেৰিয়াৰমুখী শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মানৱীয় চিন্তা-চেতনা আৰু সামাজিক প্ৰমূল্যবোধ নোহোৱা কৰি পেলাইছে' – এই সম্পৰ্কত আপোনাৰ মন্তব্য?**

উত্তৰ ঃ সঁচাকৈয়ে ভাবিবলগীয়া। বৰ্তমানৰ কেৰিয়াৰমুখী শিক্ষাই ''ঘোঁৰা দৌৰ প্ৰতিযোগিতাৰে (পিছফালে উভতি চাবলৈ সময় নাই) এগালমান নম্বৰৰ এখন 'ভাল মাৰ্কশ্বিট' যোগাৰ কৰি ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষা ল'বলৈ নিজৰ জন্মভূমিখনৰ পৰা আঁতৰি বাহিৰলৈ গুছি গৈছে। তালৈ গৈ শিক্ষা সমাপ্ত কৰি সেই ঠাইতে এটা চাকৰি যোগাৰ কৰি তাতেই ঘৰ-সংসাৰ কৰি থাকিবলৈ লোৱাৰ পৰা নিজ জন্মভূমিত 'Brain Drain' এটাৰ সৃষ্টি হ'ল। পিতৃ-মাতৃৰ মৃত্যুমুখী অৱস্থাত/আনকি মৰাৰ পিছতো মুখাগ্নি পৰ্যন্ত কৰিবলৈ আজিৰ কেৰিয়াৰমুখী সন্তানৰ সময় নাই। কোনো কোনোৱে আকৌ নিজৰ ঠাইতে, নিজ গৃহতে থাকিও বৃদ্ধ পিতৃ-মাতৃক বুঢ়া বয়সত অৱহেলা কৰা/অশীতিপৰ বৃদ্ধৰ ভৰণ পোষণৰ দায়িত্ব ল'বলৈ অস্বীকাৰ কৰি বাছে-ৰিক্সাই তুলি দি ৰাস্তাৰ দাঁতিত এৰি যাবলৈকো কুণ্ঠাবোধ কৰা নাই। ফলত 'যোগ্য ভোগ্য বসুন্ধৰা' মূল কেন্দ্ৰবিন্দু হৈ পৰিছে। নিজৰ স্বাৰ্থত নলগালৈকে কোনেও কাৰো একো দিশলৈকে চাবলৈ সময় নাই।

**প্ৰশ্ন ৫ ঃ যুৱ উশৃংখলতাৰ কাৰকসমূহ কি কি বুলি আপুনি ভাবে আৰু ইয়াৰ দূৰীকৰণৰ বাবে আপোনাৰ পৰামৰ্শ?**

উত্তৰ ঃ এই প্ৰশ্নটোৰ উত্তৰৰ সাপেক্ষত মোৰ নিজৰ শৈশৱৰ দিনলৈ মনত পৰিল। দেউতা পুলিচ বিষয়া। পূজা বিহু আৰু অন্যান্য উৎসৱ পাৰ্বণত আমাক সময় দিব নোৱাৰে। ঘৰখনৰ সমস্ত দায়িত্ব মাৰ ওপৰত। মায়ে পূজাত এটা 'ঠান কাপোৰ' (ৰোলিং মিটাৰ কাপোৰ)ৰ পেটাৰী কিনি আনি ভাইটি দুটা আৰু মোক 'একে ৰং বৰণৰ' ঘৰতে নিজ হাতে চিলোৱা 'নতুন চোলাৰে' এখন ৰিক্সাৰে গোটেই টাউন দুপাক ঘূৰাই বেলুন, পাপৰ, জেলেপি, হুইছেল, চচ্‌মা আৰু প্লাষ্টিকৰ ঘড়ী কিনি আনি দিছিল। তেতিয়া সেয়াই সাংঘাতিক স্ফূৰ্তি। ৭-৮ বছৰ বয়সৰ পৰাই মাৰ পৰা পোৱা সেই মিতব্যয়িতাৰ উজ্জ্বল নিদৰ্শন, তেওঁৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তি, দেউতালৈ থকা সাংঘাতিক ভয়ে আমাক ঘৰৰ প্ৰতি, আত্মীয় স্বজনৰ প্ৰতি, ওচৰ-চুবুৰীয়াৰ প্ৰতি এক ধৰণৰ সমীহ ভাৱ আনি দিছিল। ফুল, গান আৰু মানুহক ভাল পাবলৈ মায়ে শিকাই দিছিল। মাৰ অনুশাসন, দেউতাৰ মৰমসনা কাঢ়া নিৰ্দেশ, ভগৱানৰ প্ৰতি ভক্তিয়ে (ঘৰুৱা গোসাঁই থাপনাত পুৱা-গধূলি চাকি দিয়া, দীঘল-দীঘলকৈ প্ৰাৰ্থনা গোৱা) আমাক এতিয়াও যিকোনো গৰ্হিত কাম কৰাৰ পৰা বিৰত ৰাখে। অজানিতে কৰা কিছুমান সৰু সৰু ভুলে মা-দেউতাৰ মুখ দুখন মনত পৰাৰ লগে লগে দুধাৰি চকুলো বোৱাই আনে (যদিও তেওঁলোক স্বৰ্গগত)।

নিজৰ জীৱনৰ এহালিচা এইবাবেই ক'লোঁ যে বৰ্তমানৰ যুৱ উশৃংখলতাৰ মূল কাৰক হ'ল কোনেও কাকো কেৰেপ নকৰে, বিনয়ী ভাৱ, ভক্তিভাৱ, জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা আদি কমি আহিছে। সহজে ধন ঘটাৰ পথ উলিয়াবলৈ যাওঁতে লাজ মান কাটি কৰি ৰঙা ঘৰৰ ভাত খাইছে। অভিভাৱকে সন্তানৰ কথা মনোযোগেৰে শুনিব নিবিচাৰে। লাগ বুলিলে সকলো বস্তু হাততে পোৱা বাবে সন্তানে 'অভাৱ কি বস্তু' বুজিকে নাপায়। সেয়েহে অন্তৰৰ দয়া-মৰম, পৰোপকাৰী মনোভাৱ গঢ় নলৈ এক ধৰণৰ স্বাৰ্থপৰ আৰু হিংসুক মনোবৃত্তিয়ে ঠাই পাইছে। ইয়াক দূৰীকৰণৰ পৰামৰ্শ ওপৰৰ গোটেই কথাখিনিৰ মাজত নিহিত আছে।

**৬) 'এখন সুস্থ সমাজেহে এটা সুস্থ জাতিৰ জন্ম দিয়ে' – এই সম্পৰ্কত আপোনাৰ মন্তব্য?**

উত্তৰ ঃ নিশ্চয়কৈ। নেপোলিয়ন বোনাপাৰ্টে কৈছিল – ''মোক এগৰাকী আদৰ্শৱতী মাতৃ দিয়া মই গোটেই বিশ্বকে আঙুলিৰ মূৰত তুলি ধৰিম''। অৰ্থাৎ এগৰাকী সুস্থ সবল মাতৃয়ে এটি সুস্থ সন্তান জন্ম দিব। সুস্থ সন্তানৰ চিন্তা-ভাৱনাও সুস্থ হ'ব আৰু এখন সুস্থ সমাজৰ নাগৰিক হ'ব। এদিন এই সমাজৰ নাগৰিকে এটা ভাল জাতিৰ জন্ম দিব। ■

*ভাল অসমীয়া নহ'লে ভাল ভাৰতীয় হ'ব নোৱাৰি আৰু ভাল ভাৰতীয় নহ'লে বিশ্বৰ শৰীৰত পংগু অংগৰ স্থান নাই।*

ড° ভূপেন হাজৰিকা
(১৯২৬-২০১১)





# বৰঘৰৰ মজিয়াত

অঞ্জন বৰঠাকুৰ
সহযোগী অধ্যাপক
প্ৰাণীবিজ্ঞান বিভাগ

মু খা মু খি



## প্ৰশ্নোত্তৰ-৫

**প্ৰশ্ন ১ ঃ ছাত্ৰ-ছাত্ৰীসকলৰ মনত শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবৰ বাবে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি আপুনি ভাবে?**

উত্তৰ ঃ ছাত্ৰ-ছাত্ৰীসকলৰ মনত শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ হ'লে আপাত দৃষ্টিত নিম্নলিখিত সমস্যা সমূহৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰাতো অতিশয় জৰুৰী বুলি বিবেচনা কৰোঁ –

১) আমাৰ শিক্ষা ব্যৱস্থা আজিও এক আওপুৰণি, গতানুগতিক, বহুসময়ত অপ্ৰায়োগিক পাঠ্যক্ৰমেৰেই চলি আছে। পাঠ্যক্ৰমত নতুনত্ব আৰু গতিশীলতা আনিব নোৱাৰিলে ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তুলিব পৰা নাযায়। সেয়ে, সময়ে সময়ে, পাঠ্যক্ৰম সমূহ বিশ্লেষণ কৰি সংশোধন তথা বৈজ্ঞানিক ভাৱে উন্নত কৰাৰ প্ৰয়োজনীয়তা আছে।

২) আমাৰ বৰ্তমানৰ শিক্ষানুষ্ঠান সমূহৰ কাম-কাজ সমূহ লক্ষ্য কৰিলে, এনে এটা ভাৱ মনলৈ আহে যেন এইবিলাক কেৱল পৰীক্ষা পতা বা ছাত্ৰ-ছাত্ৰীক প্ৰমাণপত্ৰ দিয়া অনুষ্ঠানহে। এনে এক পৰিস্থিতিত, ছাত্ৰ-ছাত্ৰীসকল একঘেয়ামীৰ চিকাৰ হোৱাৰ লগতে তেওঁলোকৰ শিক্ষাগ্ৰহণৰ স্বাভাৱিক আগ্ৰহো কমি আহে আৰু অন্য সুপ্ত প্ৰতিভা সমূহৰ বিকাশো বাধাগ্ৰস্ত হয়। গতিকে শিক্ষানুষ্ঠান সমূহ ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন উন্নতিৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ গঢ় দিয়াৰ আৱশ্যকতা আছে।

৩) পাঠ্যপুথিৰ অভাবেও ছাত্ৰ -ছাত্ৰীক শিক্ষাগ্ৰহণৰ প্ৰতি অনাসক্ত কৰি তুলিব পাৰে। এইক্ষেত্ৰত সংশ্লিষ্ট বিভাগ সমূহৰ নিশ্চয় কৰণীয় আছে।

৪) আমাৰ অসমৰ নিচিনা এখন সমস্যা বহুল ৰাজ্যত, বিভিন্ন সংগঠন সমূহে, দাবী পূৰণৰ কাৰণে হকে-বিহকে সময়ে সময়ে আহ্বান দিয়া বন্ধ, পথবন্ধ ইত্যাদি কাৰ্যসূচীবোৰে ছাত্ৰ সমাজক যথেষ্ট ক্ষতি কৰিছে। এইবিলাকে তেওঁলোকৰ মনঃসংযোগ নাইকিয়া কৰাৰ উপৰিও শিক্ষাৰ পৰিৱেশো বিনষ্ট কৰে। গতিকে বিভিন্ন দল সংগঠন সমূহ এইক্ষেত্ৰত সাৱধান হোৱা উচিত।

৫) বহুসময়ত শিক্ষানুষ্ঠান সমূহৰ প্ৰশাসনিক দুৰ্বলতা আৰু উপযুক্ত অৰ্হতা সম্পন্ন শিক্ষকৰ অভাৱত ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ প্ৰতি অনাগ্ৰহী কৰি তুলিব পাৰে। গতিকে শিক্ষানুষ্ঠানসমূহ এনেবোৰ বিষয়ত যথেষ্ট সতৰ্ক হোৱা উচিত।

ইয়াৰ উপৰিও ক্ৰটিপূৰ্ণ পৰীক্ষা পদ্ধতি, পৰীক্ষাৰ সময়সূচী সময়মতে ঘোষণা নকৰা, পৰীক্ষাৰ ফলাফল ঘোষণাত অযথা বিলম্ব কৰা ইত্যাদি কাৰণ সমূহো ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ প্ৰতি বিৰাগ ভাৱ সৃষ্টি কৰিবৰ বাবে যথেষ্ট। গতিকে এনেবোৰ বিষয়ত শিথিলতা আঁতৰ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষ সমূহে প্ৰয়োজনীয় গুৰুত্ব দিয়া উচিত।

**প্ৰশ্ন ২ ঃ ছাত্ৰ-ছাত্ৰীৰ মাজত সামাজিক দায়বদ্ধতাবোধ সৃষ্টি কৰিবলৈ শিক্ষানুষ্ঠানসমূহে কি কৰা উচিত?**

উত্তৰ ঃ ছাত্ৰ-ছাত্ৰীৰ সামাজিক দায়বদ্ধতা বৃদ্ধি কৰিবলৈ শিক্ষানুষ্ঠানসমূহে

বিশেষ পদক্ষেপ লোৱাতো বাস্তৱ ক্ষেত্ৰত বৰ সম্ভৱ নহয়। এই বিষয়ত বেছিকৈ গুৰুত্ব দিলে শিক্ষানুষ্ঠানৰ মূল শৈক্ষিক কাৰ্যসূচীয়েই বাধাগ্ৰস্ত হোৱাৰো সম্ভাৱনা থাকে। তদুপৰি কোনো এক ব্যক্তিৰ সামাজিক দায়বদ্ধতা, সেই ব্যক্তিৰ ব্যক্তিগত উপলব্ধি, সেৱাৰ মনোভাৱ তথা তেওঁৰ চিন্তা চৰ্চাৰ ওপৰতো নিৰ্ভৰ কৰে। নিজৰ ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতি আস্থাৱান জনেহে সমাজৰ কথা চিন্তা কৰিব পাৰে। তথাপিও শিক্ষানুষ্ঠানসমূহে বিভিন্ন শিৱিৰ, যেনে - ৰাষ্ট্ৰীয় সমাজ সেৱা শিৱিৰ (N.S.S Camp) বানপানীৰ সময়ত বান সাহায্য শিৱিৰ (Flood relief Camp) ইত্যাদি সমূহ অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীৰ আগত দেশ, জাতি আৰু সমাজৰ কামত আগবাঢ়ি যোৱাৰ আদৰ্শ ৰাখিব পাৰে। সেইদৰে প্ৰয়োজন সাপেক্ষে ৰক্তদান কাৰ্যসূচী, বিনামূলীয়া শ্ৰমদান কাৰ্যসূচী ইত্যাদি গ্ৰহণ কৰিও ছাত্ৰ সমাজক উদ্বুদ্ধ কৰিব পাৰে।

**প্ৰশ্ন ৩ ঃ মহাবিদ্যালয়ৰ চৌপাশে অৱস্থিত বৃহত্তৰ সমাজখনত শৈক্ষিক, সামাজিক, আৰ্থিক উন্নয়নৰ চেতনা প্ৰবাহিত কৰাত মহাবিদ্যালয়ে কি ভূমিকা গ্ৰহণ কৰিব পাৰে?**

উত্তৰ ঃ যিকোনো অনুষ্ঠানেই সমাজৰ পৰা আঁতৰি জীয়াই থাকিব নোৱাৰে বা পাৰিলেও ই ইয়াৰ ইপ্সিত লক্ষ্যত উপনীত হ'ব নোৱাৰে। মহাবিদ্যালয়ৰ চৌপাশৰ বৃহত্তৰ সমাজখনলৈ শৈক্ষিক, সামাজিক তথা আৰ্থিক উন্নয়নৰ চেতনা প্ৰবাহিত কৰিবলৈ হ'লে মোৰ দৃষ্টিত প্ৰাথমিক প্ৰয়োজন হৈছে এক সুনিৰ্দিষ্ট, পৰিকল্পিত কাৰ্যসূচী লগতে এচাম উৎসৰ্গীকৃত মনোভাৱেৰে পৰিপুষ্ট, আগ্ৰহী আৰু কষ্টসহিষ্ণু লোক।

এনে এক কাৰ্যসূচীৰে মহাবিদ্যালয়ক সমাজৰ ওচৰ চপাই আনিব পৰা যাব। পৰিৱেষ্টিত সমাজখনৰ বিভিন্ন দিশৰ ওপৰত এক প্ৰাথমিক জৰীপ চলাই যদি বিভিন্ন সমস্যা সমূহ চিনাক্ত কৰিব পৰা যায় তেনেহ'লে সিবিলাকৰ সমাধানৰো উপায় ওলাব।

**প্ৰশ্ন ৪ ঃ 'বৰ্তমান কেৰিয়াৰমুখী শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মানৱীয় চিন্তা-চেতনা আৰু সামাজিক প্ৰমূল্যবোধ নোহোৱা কৰি পেলাইছে' - এই সম্পৰ্কত আপোনাৰ মন্তব্য।**

উত্তৰ ঃ সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ সামাজিক মূল্যবোধ আৰু আদৰ্শৰ পৰিৱৰ্তন ঘটিছে। একেদৰে শিক্ষা গ্ৰহণৰ লক্ষ্য আৰু উদ্দেশ্যতো পৰিৱৰ্তন আহিছে। বৰ্তমান সময়ৰ মানুহৰ ভোগবাদী মানসিকতা, নীতিনিষ্ঠতাৰ অভাৱ, মানৱীয় প্ৰমূল্যৰ গভীৰ অৱক্ষয় ইত্যাদি এশ এবুৰি কাৰণে মানুহক শিক্ষা গ্ৰহণৰ পূৰ্বৰ লক্ষ্যৰ পৰা বহুদূৰ আঁতৰাই আনিছে। মানুহ হৈ পৰিছে একো একোটা মেচিন। এনে এক অৱস্থাত কেৱল ছাত্ৰ-ছাত্ৰীৰ ওপৰতে সকলো দোষ জাপি নিদি জ্যেষ্ঠ সকলেও কনিষ্ঠ সকলৰ আগত আদৰ্শ দাঙি ধৰিব লাগিব। বৰ্তমান সময়ৰ ব্যাপক দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰেও যুৱ সমাজক দিকহীন কৰি তুলিছে। গতিকে আমি সকলোৱেই ঐক্যবদ্ধ হৈ আমাৰ মহান প্ৰমূল্যসমূহৰ প্ৰতিষ্ঠাৰ বাবে কাম কৰি যাব লাগিব আৰু নিজৰ শিপাডাল বিচাৰি উলিয়াই যুৱ সমাজক তাৰ প্ৰতি শ্ৰদ্ধাভাজন কৰি তুলিবলৈ চেষ্টা কৰিবও লাগিব। তেতিয়াহে হয়তো ছাত্ৰ-ছাত্ৰীৰ মনোভাৱৰ পৰিৱৰ্তন আনিব পৰা যাব।

**প্ৰশ্ন ৫ ঃ যুৱ উশৃংখলতাৰ কাৰকসমূহ কি কি বুলি আপুনি ভাৱে আৰু ইয়াৰ দূৰীকৰণৰ বাবে আপোনাৰ পৰামৰ্শ?**

উত্তৰ ঃ বৰ্তমানৰ গোলকীকৰণৰ যুগত যুৱ উশৃংখলতাৰ বিভিন্ন কাৰক সমূহৰ ভিতৰত সাধাৰণতে মনলৈ অহা পশ্চিমীয়া ভোগবাদী জীৱনৰ অন্ধ অনুকৰণ, মানুহৰ মাজত ব্যক্তিকেন্দ্ৰিকতাৰ প্ৰসাৰ, মূল্যবোধৰ ব্যাপক অৱক্ষয়, সন্তানৰ প্ৰতি পিতৃ-মাতৃৰ অতিমাত্ৰা প্ৰাচুৰ্যতা প্ৰদান, ব্যক্তিগত তথা সামাজিক উভয় ক্ষেত্ৰতে নীতিহীনতা তথা চূড়ান্ত বিশৃংখলতা আদি এশ এবুৰি কাৰণে ছাত্ৰ-ছাত্ৰীক বিভ্ৰান্ত কৰি তুলিছে আৰু তেওঁলোকক এখন ৰঙীন কাল্পনিক পৃথিৱীৰ সপোন দেখুৱাইছে। ফলস্বৰূপে সমাজত উশৃংখলতা বৃদ্ধি পাইছে।

সেয়ে সমাজৰ সকলো স্তৰৰ লোকেই যদি নিজৰ সভ্যতা সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা আৰু আস্থাৰ ভাৱ পোষণ কৰি উল্লিখিত কাৰণ সমূহৰ বিপৰীতে কাম কৰিবলৈ পাৰ্যমানে চেষ্টা অব্যাহত ৰাখিব পাৰে তেতিয়া হয়তো সমাজত সম্পূৰ্ণকৈ নহ'লেও যুৱ উশৃংখলতাৰ প্ৰভাৱ কিছু হ'লেও কমিব।

**প্ৰশ্ন ৬ ঃ 'এখন সুস্থ সমাজেহে এটা সুস্থ জাতিৰ জন্ম দিয়ে' - এই সম্পৰ্কত আপোনাৰ মন্তব্য?**

উত্তৰ ঃ কথাফাকি মই মনে প্ৰাণে স্বীকাৰ কৰোঁ।সমাজ যিহেতু ব্যক্তিৰ সমষ্টি, গতিকে প্ৰতিজন ব্যক্তিয়ে এখন সুস্থ সমাজ গঢ়াৰ স্বাৰ্থত নিজকে এজন বিবেকৰ দ্বাৰা পৰিচালিত, মানৱীয় গুণ সমূহেৰে পৰিমাৰ্জিত যুক্তিবাদী, নিৰ্ভীক আৰু সুৰুচি সম্পন্ন লোক হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগিব। তেতিয়াহে হয়তো এখন সুস্থ সমাজ তথা জাতিৰ বুনিয়াদ তৈয়াৰ হ'ব। ■





Amar Limboo
H.S. 2nd Year (Arts)

# The great artist Vincent Van Gogh

Vincent Willem Van Gogh was born at caprut Junevant in the Netherlands. Son of a priest, his family wanted him to follow his father's foot steps. But Vincent followed his own. He led a rather Bohemain lifestyle. His brother Theo had a great influence on his life and in 1886 he went to live with his brother in Paris. Theo introduced him to the Impressionist painters of the time. Amid woes and poverty, Vincent tried to concentrate in his work and produced a number of paintings. He made several paintings excursion during his visit to the picturesque Arles in France. Those paintings featured harvests, wheat fields and other landscape around the area. In 1888, he produced THE OLD MILL. It was one of the seven canvases sent to port Aven as exchange of work with paul capaugin, Emile Berrard, Charles Laval and other.

Van capogh created many self portraits during his life time. The paintings very intensity and colour and some portray the artist with beard, some beardless, some with bandages depicting the episode in which he severed his ear. The potato Eaters, The Old Tower and some of his large sized paintings. Flowering Orchards, The Roulin Family series and the Decorations for the capellow House are some of his famous and ambitions works. Van Gogh dies aged 27. Abstract Expressionism of the 1940's and 1950's is seen as in part inspired from Van Gogh's board, gestural brush strokes. ■

# Light: amazement to the Human mind



Mrinmoy Gohain
B.sc 5th Sem.
Dpt. of Physics

Existence, Life and everything around us we see, realise is made possible by one master entity termed by human as light. From photosynthesis to the attempt to explore the deep secrets of the universe, this godly entity has opened the gate for mankind to explore. 13 billion years ago, the famous incident occurred called the Big Bang. It is obvious that the light we receive today has been travelling for these long years. Energy, that operates our daily life, provided by the closest medium sized star The Sun, in the form of light, which is used by plants in photosynthesis to prepare oxygen and glucose. The light form the sun is utilised by mankind, earliest in the form of heat and fire. Light is used by man as electricity using solar panels and also used in optical fibres as a medium of communication. By understanding the nature and behaviour of light mankind has sorted out its uses and benefits. From the earliest Greek's minds to the age of modern physics, man has been stressing upon this bright shower from the outer space to understand its true nature. The flashback to its history says how generations have attempted to understand the mysterious nature of light. The question about the identity of light first arose in the mind of the ancient Greeks. Empedocles, A Greek in the fifth century postulated a purely mythological concept about light in which he said that light actually come out from the eye of the Goddess of beauty Aphrodite. After that Euclid in 300BC wrote his book 'Optica' in which he postulated that light travelled in straight lines and he described the laws of reflection with an analytical treatment. Lucretis, a Roman in 55BC also presented his view but was not accepted. Ptolemy wrote 'optics' in which he studied the nature of refraction.

After that the corpuscular and the atomist theory triumphed followed by the wave theory. During the 19th century he, electromagnetic theory was proposed on the basis of which modern technology is based upon. In the starting of the 20th century was the age of Einstein in which he put forwarded a new view of light and said that the velocity of light to be the Cosmic speed limit. In this century the Quantum theory took birth and perhaps the most successful theoryat present.

**The Corpuscular Theory:**

The corpuscular theory was an atomist theory developed by Pierre Gassendri and Thomas Hobbes. In this they Gassendri and Hobbes said that light actually is a shower of atoms travelling through vacuum or void. Gassendri believed that these corpuscles are emitted from the sources like the sun, animals and plants. Robert Boyle is an important supporter of this theory. After Gassendri 50 years later, Sir Isaac Newton developed his particle theory with his mathematical explanation. Around 1700, Newton published his particle theory of light. He proposed that light is made up of little particles that had mass. He believed that these particles to be perfectly elastic because of the fact that reflection occurs.

Newton explained the theory of reffaction on the basis of his particle theory; he stated that when a light particle moves into a denser medium, it experiences a brief attractive force towards the denser medium, making the light particle bend. The explanation of colour is also explained by Newton in his particle theory. In the prism dispersion experiment, the white light after reffaction splits out as the seven constituent colours. Red light refractsless than the violet light, Newton had an explanation for this in his particle theory that the cause is the variation of the mass of the light particle. He said that red light particle has more mass than the violet one. Thus, having comparatively more inertia than the violet light particle, the red light particle deviates less than the violet one. Moreover, Newton assumes that the light particle to be plate like or rectangular and non spherical. He said that the phenomenon of polarisation couldn't occur if they are spherical.

Along with this, the particle theory had some shortcomings, at an interface reflection and reffaction occurs simultaneously which couldn't be explained by the particle theory. Christiaan Huygens, The developer of the Wave theory had the explanation for this.

**The Wave Theory:**

At the same time Newton developed the particle theory, another renowned personality Christiaan Huygens formulated the Wave theory of light. Up to the end of the 19th century, it was told that the waves travelled through a medium called Aether. Christiaan Huygens put forwarded the mathematical treatment of the wave theory and published it in his 'Treatise of Light' in 1690.

According to Huygens, every point of a luminous disturbance is a source of secondary wavelet and the sum of these secondary wavelets determine the form of the wave at any instant of time. According to his assumption, the secondary wavelets travelled only in the forward direction and it was not explained why. Huygens provided only the qualitative behaviour of linear and spherical wave propagation and derived the laws of reflection and refraction fiom it.

Huygens was not able to provide a proper explanation for the cause of deviation of light waves from straight line propagation when light waves encounters edges, apertures i.e. diffraction. After that Augustin Jean Fresnel worked on the wave theory of light where he showed that Huygens principle with the principle of Interference could explain both the diffraction phenomenon as well as the straight line propagation of light. Poisson, a member of the French Academy studied Fresnel's theory and challenged that his theory was incorrect. Another member of the Academy Arago, performed experiments with the diffraction effect and showed that Fresnel was correct. Thus after that the wave theory became predominant over the particle theory.

**Young's Experiment:**

This experiment was the demonstration of the wave nature of light. It was performed by Thomas Young in the early 1800s. It involved the principle of interference of light waves, just as other mechanical waves show. The light waves interfere after coming out from two coherent parallel slits illuminated by a monochromatic source. These Coherent waves interfere with each other and forms alternate bright and dark patterns on a screen placed ahead. This pattern is known as the interference pattern. This was in the support of the wave theory.

### The Electromagnetic Theory:

The view that light is an electromagnetic wave first sparked in the mind of history's most important experimenter Michael Faraday. But he lacked mathematical explanation in support of his view. But later he was proven to be true by a Scottish scientist of the 19th entury, Professor James Clerk Maxwell, who proved that light indeed is an electromagnetic wave. Maxwell had his mathematical explanation too prove that electromagnetic waves travel at a speed of 670 million miles per hour which is the speed of light, thus it was concluded that light is a an electromagnetic wave. Light is a transverse electromagnetic wave which behaves in the same way as water waves do. Instead electromagnetic waves is a combined pattern of mutually oscillating perpendicular electric and magnetic fields interwoven among themselves. The famous Maxwell's four equations describe the pattern and behaviour of an electromagnetic wave and these equations hold well in case of light too. Maxwell opined that, an electromagnetic wave can only exist when a changing electric field produces a changing magnetic field and so on and the resultant waves always pulses forward at the speed of light. It means one cannot have static light. Once an electromagnetic wave is produced it will continue forever unless it is absorbed by matter.

### Hertz Experiment:

Hertz performed the experiment of producing radio waves using a spark gap and a receiver. In his experiment, he proved that radio waves travelled with the same velocity of light. Thus it was proven that radio waves are a member of the electromagnetic spectrum of light exhibiting the same properties of light.

### The Quantum Theory:

The seed of the quantum theory was sown in the early 1900s. Most importantly by Max Planck while he studied the nature of Blackbody radiation. He suggested that light gain or lose energy in definite amounts depending upon the frequency. These absorbing and radiating energy occurs in small packets of energy called quanta. Moreover Neils Bohr and other quantum physicists namely Louis de Broglie put forwarded their theories on the queer nature of light. Sometimes it behaves like a particle and sometimes it behaves like a wave. Albert Einstein in 1905, used the particle nature concept to explain the photoelectric effect and proved that light do exhibit the particle nature. These packets of light energy is named as 'Photons' by Lewis in 1926. In the modem theory of quantum mechanics, light is considered as both particle as well as a wave. The modern quantum theory says that light and matter consists of tiny particles which exhibit wave-particle duality. The reason for this is the size of the particle. Smaller the size of the particle more is the wavy behaviour.

### The Photoelectric effect:

Emission of photoelectrons from a metal surface after light is incident on the surface of the metal is generally known as the photoelectric effect. Einstein gave a mathematical explanation for this effect. It was proven from this experiment that light is composed of particles carrying energy called photons. A photon above a particular energy called the threshold energy has the ability to eject a photon from the metal surface. Greater is the frequency more is the emission of photoelectrons, This effect is the basement of 21st century's technology of solar panels. Light indeed has remained the mysterious idea till date. Started from the mythological concept and particle theory to the modem wave particle duality. Light remains the basic ingredient for survival of the systems that operates day to day. Until 2015 is designated as International Year of Light. ■


**References :**

1. *wikipedia.org/wiki/Huy gens - Fresnelgrinciple wikipedia.org/wikilCorpuscular- t heory-of-light http ://light20*
   *1 5 blog.org/ wikipedia.org/wiki/Light*
2. *Introduction to Electrodynamics- David J. Griffiths, Pearson education, Eastern Economy Edition.*
3. *A Student's Guide to Maxwell's Equations, DANIEL FLEISCH Wittenberg University, Cambridge University Press*







# Does Caste Matter in 21st Century


**Neha Boruah**
B.A. 5th Sem
Dpt. of Geography


Does Caste Matter in 21st century? If I ask this question to every single citien of India, Probably maximum of them will give are the answer that it does matter to them. I am just talking rubbish as we belong to 21st century and India has improved alot. But directly or indirectly, it matter alot. Although, we got our Independance decades back, we are developing in every stage but still we are just lagging behind in the matter If caste.

Caste system involves the divsion of people into social groups whene assignments of right are determined by birth which are fixed and hereditary. Inequality is not core of the caste system. It is traditionlly rooted in the Hindu society. It is supported by philosophical elements of moral which don't have any logic. Approximately, 260 million people are affected by this system.

We can see this diocrimination in our day to day life. For sake of religious consience, for sake of education, job, marriages everywhere. But in case of education of job its improving as reservation system come forward. Still today not in North Western Zones like Harijana, Punjab, Rajasthan but almost every nook and corner of the country is directly or indirectly influnced by this discrimination al through India is a democractic country and has introduced many right for salits and lower caste people so that they could get what they are deprived of. But no work has been done related to their social night some people still living in 1000 AD their minds are narrow and thinking cheap. The caste discrimination was done by the kings during his periods. As it says that Brahmins are formed by the head of Vishnu so they are supirior to all. Capshytria are formed from shoulder so they are fighter and fight for their kingdom Vaishaaves are from tigh of lord Vishnu and they are usually Vendrs and atlast the caphudras who are from the feet and serve all these three caste. But all these are done during the period of king and now India is not ruled by any king or queen she is a democratic country. Then why this system still rules the society. It is not only practised in other parts of India but also seen in most of the places of Assam it says that Assam is totally advanced in equality and right capeople are broad minded they give equal rights to both boys and girls. But in case of this field it is still lagging behind. The thinking of people is still primitive and no one raises a voice againste it. It is huge draw back still their is a vast difference between the people of lower and higher caste. The discrimination increases ten times when it comes marriages, where the people of high caste do not approve a boy or girl from low caste for a part of their family. They are avoided, insulted and not welcomed wholeheartedly as they carry a tag of low caste. Some families even go from 'Taijyo Putra' where the couples are banished for the society and are considered by their families. All because he or she is from the 'so called' low caste doesn't mean that they are not suitable as life partner and not become good life partner. This depicts the low thinking of the 'so called' high society and they are proud of it. They mask this discrimination with their rituals and ethics which is shameful for us, living in 21st century and still maintaining and obeying with pride. When capod didn't gave us any tag during our birth then why do we people divide each other on the basis of colour, language, caste, creed. We should move on and try to live priviliged life without any discrimination in society and India capovernment should first take measure to change the mindse of people. Instead giving any kind of relief fund or reservation for dalits and other lower caste people. ■



# A Threat to angels survival


**Priyanka Sarkar**
B.sc3rd sem
Dept. of Zeology


Everything compared to the past is changing now a days. Now people show eagerness to accept the birth of a girl child. The society seems to be quite progressive in accepting girl children. But things are not so wonderful enough as it seems to be.

In this modern generation, girls are for better than boys and are exciting in every field. There are women in society who have daughters and no son. Thus, they are always accustomed to the inquiries made by the society whenever a new person meets these kind of women, an inevitable question comes - 'How many kids do you have?'

'I have two daughters.'

'Oh! no son, only daughters.' (oh! how sad)

The minds of people are poisoned by such comments. These kind of complex mentality and irrelevant comments even prevail among the educated families. A women who has no son is still looked down upon by our so-calles reputed society.

Even, in families where there is a son and a daughter, the son gets more priority. The perents many try their level best not to make any difference but gradually it happenes. This make dominating society has deeprooted the society so much that they particular concepts regarding boys and girls creep in.

Mother says "come and help me in the kitchen" to the daughter why not to the son?

Father says "arrange the room, clean up the mess", to the daughter why not the same task to the son?

If these questions are raised, similar answers are obtained from every family you are a girl and you need to learn the household work and get marreid one day.

Is this justice to the girls?

If a girl can manage both household and also go out to work to earn a living them why can't a boy ?

These comment are generally made by the education families surprisingly, a statement can be heard when we visit someone's house.

They say, "Priya, bring a glass of water."

Why not 'Pranjal, bring a glass of water.'

In same families girls are earn not allowed to choose the stream they like. They are just given a minimum education, so that a well-settled boy marries them. Cap a girl wants to choose her stream and career herself, people say its a waste of money and time.

People sit and watch TV programmes related to female foeticide and injustice to girls etc and even appreciate it. But do they really understand the aims of these kind of programmes?

Well that is still a huge question mark .

Girls are not even safe in their own locality. They are harassed either mentally or physically every now and them. And still girls are held responsible for such in human acts. Women should be responsed as they help to bring up a family.

Until and unless the people understand it, the mothers, daughters and sisters will feel humiliated. Our society will be a threat to the survival of angets. Capirls are the angels on earth, save and respect them. ■






# Uses and abuses of social Networking Media


Dipak Bora
B.A 5th sem
Dept. of English


Social Networking Media have a strong hold on us now a days. Social Networks are web based services that allow people to construct a public, or somewhats public profile. Social networks not only allow people to meet and communicate with the strangers, but they also let users organise and visible their social networks. The most popular social media outllets of now a days are : Facebook, Twitter, Linked In, Skype, Google+ and so on. These tools have connected people as never before, and given people the power to manage their over lives and careers in ways that were not possible in the past. These sites have made us less dependention instituton like govt and workplace bosses and liberated millions to be in a better position to build their own private civilizations. Some people use social networking sites for business purposes, to network and find new deals. Then there are others who use those sites for purely personal reasons and are totally oblivious to the fact that there is a business presence in the social networking environment at all.

The majority of people using facebook keep to the "social label". Some people will go simply to update their status or view their friends statues or to look at photo from the weekend's night out. One great way of talking advantage of the personal side of Facebook is keeping on touch with people hundreds of miles away. A wall post on Facebook can work when a phone call would be too much, such as simply commenting to somebody that they should listen to a new song or making an amusing remark.

There is nothing too technical about how people go about abusing others on social networks. Its actually very simple : People lie. There are of course, more complicated technical ways such as hacking into user accounts, accessing e-mail address books and finding and posting foke pictures so the abuse appears as someone he or she is actually not. It is becoming more common as social networking sites begin to grow.

Social networking sites are open door for predators. The predator use to open an account using a fake name and birth date. Then the predator will post a picture of someone else in order to blackmail that particular person. Along with predators cyber bullying is also an abuse of social media. In cyber bullying the bullies use to add the users to their online network of friends and then begins to harass the user through the use of teasing, derogatory remarks. They also harass their victims by listing the people donot like and writing derogatory remarks about them on Facebook, My Space pages. Cyber bullying is one of the most common abuses of social networking as the bullies don't have to use their real names or picture online. Instead, they use screen names and avators.

We will have to be very careful while using social media. We shouldn't respond to unsolicited e-mail or friend requests. There is no way of knowing who is asking to be our friend. Yes, it could be someone you know, but it could also be a predator.

We can draw the final line by saying that with an axe we can murder a person and at the same time we can also build a house by cutting some bamboes. So he positive and negative affect of a thing depends on how we use it. If we use social media for good, communicative purposes then it will serve our purpose well. But if we use it for abusing then the day we may become a cause of another person destruction which is really in human from a human.■

# Resemblance

**Unmanaa Majhi**
B.sc 5th Sem
Dept. of Botany

1. A sliced carrot looks like the human eye. The pupil, iris and radiating lines look just like the human eye and science now shows carrots gtreatly enhance blood flow to and function of the eyes.

2. A walnut tooks like a little brain, a left and right hemisphere, upper cerefrum and lower cerebellums. Even the wrinkles or flods on the mat are just like the new-cortex. And according to researchers, walnuts help develop more than three dogen neuron fransmitters for brain function.

3. Qnions look like the body's cells. Research shows onions clear waste materials from all of the body cells. They even produce tears which wash the epithelial layera of the eyes.

Garlic also helps eliminate waste materials and dangerous free radicals from the body.

4. A Tomato has four chambers and is red. The heart has four chambers and is red. Research shows tomatoes are loaded with hycopine and are indeed pure heart and blood fruit.

Grapes hang in a cluster that has the shape of the heart. Each grapes looks like a blood all and graps are profound heart and blood vitalizing food.

5. Kidney beans actually heal and help maintain kidney function and they look exactly like the human kidneys.

6. Celery, Bok choy, Rhubarb, etc look like bones. These food specifically target bone strength. Lack of calcium in diet, makes the bones weak. These foods replenish the skeletal needs of the body.

7. Avocadves, Eggplant and Pears farget the health and function of the womb and cervix of the femal - they look just like these organs. When a woman eats one avocado a week, it balances hormones, sheds unwanted birth weight and prevents cervical cancers. It is profound that it takes exactly I months to grown an avocado from blossom to ripened fruit. There are over 14,000 photo lytic chemical constituents of nutrition in each one of these foods.

8. Figs are full of seeds and hang in twos when they grow. Figs increase the mobility of male sperm and increase the numbers of sperm as well as to over come male sterility.

9. Sweet potatoes looks like the pancreas and actually balance the glycemic index of diabetes.

10. Olives assist the health and function of the ovaries.

11. Oranges, Grapefruits and other citrus fruits look like the mammary glands of the female and actually assist the health of the breasts and the movement of hymph in and out of the breasts. ■

*Source : Internet.*



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM



# Human Trafficking



**Utpal Gogoi**
B.A. 1st Sem
Dept. of English

Human Trafficking is the third largest organized crime after drugs and the arms trade acoross the globe. According to the definition of the United Nation - "Trafficking is only activity leading to recruitment, transportation, harbouring or receipt of person, by mean of threats or use of force or a position of vulnerability" close to 80% of the human trafficking across the world is done for bonded labour and for sexual exploitation and India is considered as the hub of this crime in Asia. The New York Times has reported that human trafficking is more in the state of jhankhand. Moreover young girls are trafficking from neighbouring Nepal to India and Karnataka is said to be 3rd state in India for human trafficking.

Fundamental theory of demand and supply is applicable this situation as well men for work generally migrate to major commercial cities. Young girls and woman belonging to poor families are at higher risko Social inequality, regional gender preferance, imbalance and corruption are the other leading causes of human trafficking in India.

Girls and women are not only trafficked for but also bought and sold like commodity in many regions of India where female ratio is less as compared to male due to female infanticide. They are then forced to marry. Though debt labour is not known but it is illegal in India and prevalent in our society. According to the International Labour Organization there are more than 11.7 million people working as a forced labure in the Asia Pacific region. Victims of human trafficking have great chances of suffering from issues like mental disorders, depression and anxiety. Women forced into sexual trafficking have higher risk of getting affected from HIV and other STDS.

Under the Immortal Trafficking Prevention Act (ITPA) trafficking for commercial sexual exploitation is penalized. The Punishment ranges from seven years to life imprisonment. The Bonded Labour Abolition Act, the child labour Act, and the Juvenile Justice Act prohibit the bonded and forced labour in India. Because of the brutal gong rape of "December 2012", government has passed a bill in which laws related to violence and trafficking have been amended, Because of widerpread corruption, it is easy for agents for bringing these young boys and girls for their profit. But there sould be strict disciplinary action against everybody involved in such crime. Also better education and further facilities should be provided at native places so that parents donot opt these ways for their kids. Above all attitude towards girls and women should be changed.

"Humans - Not For Sale"
End The Misery, Stop Human Trafficking ■

# তোমাৰ নিচাত নাফাটক কোনোদিনেই মোৰ প্ৰেমৰ নিচা

টমাছ সোণোৱাল

তোমাৰ নিচাত কোনোদিনেই নাফাটক
মোৰ প্ৰেমৰ নিচা
মোক বান্ধিব নোৱাৰা কোনো কথাৰে
মোক তুমি নুবুজিবা কোনোদিনে
যদিওবা তুমি ফুলৰ দৰে
আহা তুমি মোক ভালপাওঁ বুলি কোৱা মিছাতে
আহা তুমি মোক নিজৰ কৰি চোৱা হেপাঁহতে
উকি এটা হৈ তুমি নজনাকে
চুই আহিম তোমাক বাপ্পেকে

প্ৰেমৰ নামত আমি কৰোঁ বোবা কচৰৎ
যিমানে বাঢ়িব নদীৰ পানী
যিমানে মোৰ হৃদয়ত বেছি হ'ব বাৰিষাৰ বোকা
সিমানে বাঢ়ি থাকিব দিনক দিনে মোৰ বলিয়ালি
ধুনীয়া ধুনীয়া নিচাত মই হৈ থাকিম চিৰদিন মদপী
আইতাক সুধিলোঁ
ককাদেউতাক সুধিলোঁ
তোমালোকৰ প্ৰেমৰ ৰাজ্ কি
মা-দেউতাক এনে কথা কিয় সুধিব নোৱাৰি
হায়! মোৰ প্ৰেম
হে মোৰ প্ৰিয় নাৰী
তোমাৰ নিচাত হৈ থাকিম প্ৰতিদিনে ঘোৰ মদাহী

তুমি মোৰ
নফটা নিচাৰ এবটল ভদকা
খিল্‌খিলাই কিয় হাঁহে তোমাৰ দীঘল চুলি
শেষ চিগাৰেটৰ ধোঁৱাত দেখিছোঁ
তোমাৰ জেতুকাবুলীয়া দুহাত
নিচাৰ জোৰত কৰোঁ আহা এক প্ৰাৰ্থনা
তোমাৰ নিচাত নাফাটক
কোনোদিনেই মোৰ প্ৰেমৰ নিচা
তুমি নহ'লে কিয় কিয়
সকলো মিছা

আই লাভ ইউ সঁচা। ■

## কবিতাৰ কুঁকি

কবিতাৰ কুঁকি

# স্মৃতিৰ জলঙাৰে

পল্লৱী দত্ত
প্ৰাক্তন ছাত্ৰী

স্মৃতিৰ জলঙাৰে অগা-ডেৰা কৰিছে
তেইশটা বসন্ত,
স্তিমিত হোৱা নাই
তোমাৰ যশ,
উদিত সূৰ্য্যৰ দৰে
উদ্ভাসিত তুমি,
আকাশৰ দৰে উদাৰ -
সাগৰৰ দৰে বিশাল,
তোমাৰ হৃদয়।
জ্ঞানৰ জ্যোতি বিলাই
তুমি জ্যোতিস্মান,
হে তিনিচুকীয়া মহাবিদ্যালয়।
তোমাৰ সান্নিধ্যত পাৰ কৰিলোঁ
যৌৱনৰ সোণোৱালী দিন।
তুমি বন্ধা সেন্দূৰীয়া বাটেদি,
বাট বুলিলে অগ্ৰজসকলে
উৰুৱাই জয়ৰ ধ্বজা
পিন্ধে শিৰত মুকুট
অনাগত দিনৰ সপোনবোৰ
বাস্তৱত ৰূপায়িত হ'বলৈ -
দিয়া যেন আশিস তোমাৰ।
আমিও অগ্ৰজসকলৰ দৰেই
একে পথৰ যাত্ৰী,
তোমাৰ বুকুত খোদিত হৈ
ৰয় যেন আমাৰ -
অক্ষয় কিৰীটি। ■





# সৰাপাতৰ বুকুৰেদি ভটিয়াই

বিনয় ভূষণ শেনচোৱা
প্ৰাক্তন ছাত্ৰ



বুকুৰ বাওঁফালে বিষটো
উজায় আহিছে।
তোমাক হেৰুৱাৰ বেদনাত
কৰাল মাৰিছে দুখবোৰ।
বুকুখনে উচুপি কান্দে
মেঘৰ দৰে
বিষাদত কাতৰ হৈ,
পুৰণিক গুচাই
নতুনক আদৰি অনাই
সেউজ প্ৰকৃতিৰ নিয়ম বুলি জানিও।
ঘড়ীৰ কাটাৰ দুৰন্তৰ গতিয়ে
হত্যা কৰে
সুখৰ, দুখৰ মাদকতা।
সময়ৰ হেন্দালি বগায়
দিনবোৰ সৰি পৰে
হালধীয়া সৰাপাতৰ দৰে নিঃশব্দে।
সৰি পৰা দিনবোৰ
শুকাই যায়,
ৰৈ যায় মাথোঁ
স্মৃতিৰ গধুৰ টোপোলা।
আজিও লাগি আছে হিয়াত
গল্ডেন পাৰ্কৰ
ঘূৰণীয়া ছাতিৰ ছাঁত জিৰাওঁতে
বুকুৰ ক'ৰবাত লাগি থোৱা
ষোড়শী গাভৰুজাকৰ পৰা উফৰি অহা
খিল খিল হাঁহিৰ
সেই চিনাকী অচিনাকি ৰাগি।
কিদৰে পাহৰিম
অসীমদাৰ কেণ্টিনত
নতুবা কলেজ তিনিআলিত
জমি উঠা আড্ডা।
লাইব্ৰেৰীৰ ৰিডিং হলত
হাল্লা কৰি খোৱা
মৰম সনা গালিসোপা
পাহৰো নো কেনেকৈ?

মিঠা মিঠা আলাপ,
খুহুটিয়া কথা,
গীতৰ ঝংকাৰত
ৰসাল হৈ পৰিছিল
এক, চাৰি, ছয়, এঘাৰ
মেজৰ ৰুমৰ চাৰিবেৰ,
নতুবা অডিট'ৰিয়াম,
কুজানৰ খটখটি।
অনিচ্ছাকৃত ভাৱেই
সোঁৱৰণীৰ এপিটাফত বন্দী হ'ল
হাঁহিৰঙা দিনবোৰ।
সঁচাই
সময়বোৰ বৰ দুৰন্তৰ।
আৰু জীৱনবোৰ বৰ ৰহস্যময়ী,
ঘনে ঘনে ৰং সলায়
নাভাবিলেও দি যায়
নিবিচৰা বহু কিবা কিবি
বলেৰে নোৱাৰা কিছুমান উপহাৰ। ■

# হাঁহিৰ খলকনি

অচ্যুত ডেকা
স্নাতক পঞ্চম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ



নামিব ধাৰাষাৰে বৰষুণ
নীলা আকাশৰ বুকু ফালি
জীপাল কৰি তুলিব
এই মৰীচিকা খেদি ফুৰা
মোৰ মনৰ শুকান মৰুভূমি...
ৰ' লাগি চাই ৰ'ব স্বৰ্গৰ দেৱতা
হাঁহিম সিদিনা মই
হিয়া উজাৰি
বুকুৰ মাজত থকা দুখ বেদনা
ভাঙি চুৰমাৰ হ'ব সিদিনা।
মৃদুকৈ মলয়া বলিব,
বোকাৰ পদুমে মিচিকি হাঁহি এটা মাৰিব।
সাগৰ মন্থন কৰি ওলোৱা অমৃতৰ দৰে
মোৰ এই দুই নয়নৰ মাজেৰে
নিগৰি নিগৰি ওলাব
দুখ বেদনাবোৰ চকুলো ৰূপত
ওলাব সিদিনা মোৰ সুখৰ চকুলো
ৰিণিকি ৰিণিকি শুনিম মই
হাঁহিৰ খলকনি..... ■



# জীৱন

দীপান্তৰ হাজৰিকা
স্নাতক পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

সুখ মোৰ মনৰ
দুচকু ভৰি,
দুখ মোৰ দেহৰ
কলিজা ভৰি।
ছিগা ছিগা সূতাৰে
ফটা চোলা সী
চলাইছোঁ দিনলিপি
আঁকিছোঁ বেটুপাত
জীৱনৰ
কাহিলী পুৱাতে
কুলিজনীয়ে বিনাইছিল
বসন্ত অহাৰ বাতৰি দি
আয়ে মৰিবৰ সময়ত
মোক কৈ গৈছিল,
"মই সাগৰ পালোঁহি,
তই ব'ঠা, কোবাই আহ
নদীয়েদি।"■





# সন্ত্রাসত বিপন্ন সময়

দিব্যা শইকীয়া
স্নাতক তৃতীয় ষাণ্মাসিক

শেৱালি সৰিছিল নে দুবৰি বনত
শৰৎ নামিছিল নে স্নিগ্ধ জোনাকত
"ক'ত আছিল শৰৎ?"
কোনফালে আহিল শৰৎ?
শেৱালিৰ সুবাসত,
নে বন্দুক বাৰুদৰ শব্দত
নে স্নিগ্ধ জোনাকত??
মুকুতা মণি হৈ নিয়ৰ কণা
সৰিছিল নে দুবৰি বনত
কুলিয়ে মাতিছিল নে বিৰিখৰ ডালত
মহানগৰ যে আজি ধোঁৱলী
মানুহৰ চকুৰ আগতো যেন ঘন কুঁৱলী
হাত, ঘাট বজাৰত সন্ত্রাস
ঠায়ে ঠায়ে প্ৰজাৰ সন্ত্রাস,
হত্যা, হিংসা অপহৰণ
ধৰ্ষণ একাকাৰ
তথাপি সেউজীয়া পথাৰে যেন ঘেৰি ধৰে।
সোণালী লখিমী বাইজে আদৰে,
চিকমিক মনৰ জোনাকী উৰে
তথাপি কুঁৱলী গলি গলি ভাহে
মনৰ গোপনে গোপনে শৰৎ আহে। ■



# মৰমৰ প্ৰতিশ্ৰুতি

মিঠু দাস
স্নাতক প্ৰথম ষাণ্মাসিক
অসমীয়া বিভাগ

তোমাৰ বাবে তাজমহল সজাব নোৱাৰোঁ মই
নোৱাৰোঁ সজাব সপোনৰ কাৰেংঘৰ
তোমাৰ কথা ভাবি
মোৰ হৃদয়ে উচুপি কান্দিছে
তুমি আহিবা বুলিয়েই
কাকো দিয়া নাই হৃদয়ৰ ঠিকনা
মন আকাশখনি মোৰ তুমি
তুমি আহি সজাবা
উপচাই মোৰ ঘৰ মৰমেৰে
তোমাৰ মৰম পালে
মই হ'ম উন্মনা
ডাৱৰ যদি তুমি বৰষুণ হৈ নাহিবা
বতাহ যদি তুমি ধুমুহা হৈ নাহিবা,
মোক এৰি গুচি নাযাবা তুমি। ■



# বিষাদ



সত্যজিৎ শইকীয়া
পঞ্চম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

হৃদয়ৰ কোঠাত আজি মোৰ
যন্ত্ৰণাৰ আলিংগন
স্মৃতিৰ টুকুৰা হৈ
বুকুত খেলিছে
বিষাদৰ ঢৌ
দুচকুৰে নামি আহিছে
দুখৰ এখন নৈ। ■

# মোৰ সফলতা

সুলক্ষণা কাশ্যপ
স্নাতক পঞ্চম ষাণ্মাসিক
কলা শাখা



বিশাল পৃথিৱীত
অবিৰত মই বিচাৰিছোঁ
ক'ত মোৰ সফলতা?
সংগ্ৰামী মোৰ এই জীৰ্ণ শৰীৰ
মই খেপিয়াই ফুৰিছোঁ
ক'ত মোৰ সাৰ্থকতা
ন্যায়ৰ ক্লেদতাত হামখুৰি খাই পৰি আছে
মোৰ শীৰ্ণ শৰীৰ
দুহাত ওপৰলৈ তুলি চিঞৰিছোঁ, অম্বেষা
অন্যায় কদমত চেকুৰিছে যাৰ ঘোঁৰা
সফলতা তাৰ বাবে। ■



# তুমি গুচি গ'লে

মনীষা গগৈ
স্নাতক তৃতীয় ষাণ্মাসিক
বিজ্ঞান শাখা

তুমি গুচি গ'লে কাৰ চকুত চকু থৈ সপোন আঁকিম
কাৰ ওঁঠত ওঁঠ থৈ সুৰ তুলিম,
কাৰ স'তে ভগাই লম হুমুনিয়াহৰ দুপৰীয়া, নিৰ্জন ৰাতি,
সুখ দুখ, ৰ'দ বৰষুণ আৰু ধুমুহা।
তুমি গুচি গ'লে কাৰ হাঁহিত ফুলিব সূৰ্যমুখী,
কাৰ গানত নাচিব এই আকাশৰ তৰালি,
কাৰ পৰশত উজলি উঠিব জোনাক ৰাতি।
কাৰ পৰিস্থিতিত থাকিব আশাৰ ৰেঙনি,
চাৰিওফালে যেন মাথোঁ নিস্তব্ধতা।
তোমাৰ অবিহনে মই শুকান মৰুভূমি,
তোমাৰ অবিহনে মই ঢৌহীন নদী।
তোমাৰ অবিহনে মই অনুৰ্বৰ শস্য ভূমি
তোমাৰ অবিহনে মই চেতনাহীন এছটা শিল। ■



# স্মৃতি

জাহ্নৱী ফুকন
স্নাতক পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ

অতীতৰ স্মৃতিবোৰে মোৰ দুচকু সেমেকাই তোলে
জীপাল হৈ থকা শাওণৰ পথাৰৰ দৰে
মোৰ হৃদয় জীপাল হৈ আছে তোমাৰ স্মৃতিৰে
হৃদয়ৰ এক নিভাঁজ কোণত ৰাখি
নামকৰণ কৰিছোঁ
আমাৰ সেই স্মৃতিবোৰ।
কিন্তু,
স্মৃতিৰে জানো জীৱন গঢ়িব পাৰি??
তথাপি, মনটোৱে যে মানিব নিবিচাৰে
হঠাৎ,
বাৰিষাৰ ধল নমাদি
ভেটা ভাঙি বাগৰি আহিব খোজে
দুচকুৰে আৱেগৰ ধল। ■





# এটা প্ৰেমৰ কবিতা

স্মৃতি গগৈ
বি.এচ .চি. তৃতীয় ষাণ্মাসিক

শাৰদী নিশাৰ জোনাক ফালি
উভতি আহিছিলোঁ যোৱা বাটে
তুমিয়ে কোৱাচোন,
কেনেকৈ ক'ব পাৰোঁ তোমাক
ভালপাওঁ বুলি?
তুমিয়ে কোৱাচোন
কি স'তে লিখোঁ মই তোমাক লৈ
প্ৰেমৰ কবিতা?
কি স'তে খুলি উজাৰি দিওঁ
হৃদয়ৰ ভালপোৱা?
হৃদয়ৰ ভালপোৱাৰ কবিতাৰ
ভাষাবোৰ কেতিয়াবাই শেষ হৈ গ'ল।
পাহৰি থাকিলোঁ কোনখিনিত আলি কেঁকুৰিটো আছিল,
আঙুলি মূৰত লেখি লেখিও
ভাবি নাপাওঁ ভালপোৱাৰ সূত্ৰ,
বিশ্বাসৰ মূল সূতাডালেই ছিগি গ'ল আদবাটতে
বৈ গ'ল দুখ বেদনাৰ মাথোঁ
ক্ষুদ্ৰাতিক্ষুদ্ৰ কণিকা... ■



# সংজ্ঞাৰ আলমত

ৰাষ্ট্ৰজিৎ মৰাণ
স্নাতক প্ৰথম ষাণ্মাসিক
অসমীয়া বিভাগ

কবিতা, এটি সুন্দৰ শব্দৰ সৃষ্টি
যিয়ে দিব পাৰে মানুহক
প্ৰেৰণা, উৎসাহ, উদ্দীপনা
কবিতাই মানুহক কৰি তুলে সজাগ
বোৱাই দিব পাৰে আনন্দৰ জোৱাৰ
কঢ়িয়াই আনে দুখৰ বন্যা
কবিতা প্ৰকৃততে কি
যিয়ে মানুহৰ অন্তৰত বাস কৰে
অতি সংগোপনে মানুহে নজনাকৈ
কবিতা হয়তো হ'ব পাৰে স্মৰণীয় বাক্য নে
আৱেগময় ছন্দ স্পন্দিত ভাষাৰ মাধ্যমত
মূৰ্তিমান হোৱা মানৱীয় মনৰ শিল্পীত অভিব্যক্তি
নতুবা
কবিতা হ'ব পাৰে সংগীতময় চিন্তা নে
উৎকৃষ্টতম শব্দপুঞ্জৰ উৎকৃষ্টতম বিন্যাস
ওহো নহয়
কবিতা দৰাচলতে এক আধ্যাত্মিক কিবা
মানুহে এইবুলি ক'ব নোৱাৰে
'মই কবিতা ৰচনা কৰিম'
শ্ৰেষ্ঠতম কবিজনেও এইষাৰ কথা ক'ব নোৱাৰে
কিয়নো সৃষ্টিকাৰ্যত ব্যস্ত হৈ থকা মন
এচপৰা নুমাই অহা কয়লাৰ নিচিনা
যাক এক অদৃশ্য প্ৰভাৱে
নশ্বৰ উজ্জ্বলতাৰে প্ৰদীপ্ত কৰি তুলে
মাজে মাজে বৈ অহা এজাক বতাহে
সেয়ে হয়তো কবিতাৰ প্ৰথমটো চৰণ
ঈশ্বৰ প্ৰদত্ত
য'ত আবদ্ধ হৈ থাকে ছন্দৰ
কিন্তু
কবিতা এটাক গঢ় দিব নোৱাৰি
ই নিজে নিজেই গঢ় লৈ উঠে
কিয়নো কবিতা হৈছে
নিৰলত সোঁৱৰা হিয়াৰ আৱেগ
যিআৱেগৰ ধলে
উপচি উঠি পাৰ বাগৰি যায়
আপোনা আপুনি...... ■



# আহিবা নীলাঞ্জনা



দিব্যজ্যোতি ডিব্ৰুৱাল

আহিবা
নীলাঞ্জনা
ডাৱৰৰ বৃষ্টিছায়াত
পানীৰ অশ্লীলতাবোৰকে
এবাৰ চাই যাবা
কংক্ৰিটবোৰৰ আঁৰৰ পৰাই
নীলাঞ্জনা....!! আহিবা চেনি।
সঁচাকৈয়ে,
নীলাঞ্জনা
আহিবাচোন,
কেনভাচতে হাত বুলাই
মৃকবোৰত প্ৰাণ দিবা
মই বিলাকৰ বাবে
জীৱনৰ সংজ্ঞা, নিবিচাৰিলেও
জীয়াই থাকিবলৈ শিকিব, অন্তত
আহিবা দেই.....নীলাঞ্জনা.....আহিবা। ■

# দিহিং

চিৰঞ্জীৱ মৰাণ
বি.এচ.চি. প্ৰথম ষাণ্মাসিক

দিহিঙে নাজানে
নাজানে হয়তো সি?
বুকুৰ সপোনবোৰক, আপোনজনক
হেৰাই মই আৰু শতজন
কিদৰে কটাওঁ নাজানে
নাজানে মানুহৰ সপোনবোৰ
ঢেঁকীজালবোৰ সেই ভেটাবোৰত
জিলিকি থাকে আশাবোৰ মাথোঁ
মাথোঁ তোমাৰ আশাত
তুমি আশ
তুমি ভাৰসা
আমাৰ পথাৰবোৰ, ভঁৰালবোৰ
আৰু বহু মাথোঁ তোমাৰ বাবে
মাথোঁ বৈ যোৱা শান্তিৰে
ভাঙি নিদিবা সেই আমাৰ
সপোনৰ জুপুৰিবোৰ। ■







মহাবিদ্যালয়ৰ আলোচনীৰ
ভঁৰালৰ পৰা

# অসমৰ উচ্চ শিক্ষাৰ সম্পৰ্কে দুআষাৰ

পুনঃ মুদ্ৰণ-১

ড° কুলেন্দু পাঠক
প্ৰাক্তন উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়

অসমৰ দৰে দূৰৱৰ্তী আৰু বিকাশৰ ক্ষেত্ৰত পিছপৰা ৰাজ্যৰ উচ্চ শিক্ষাই গুণোত্তম, যুগোপযোগী আৰু প্ৰাসংগিক মানৱ-সম্পদ সৃষ্টি কৰিব পাৰিব লাগিছিল। অসমত উচ্চ শিক্ষা লাভ কৰা ছাত্ৰ-ছাত্ৰী এগৰাকীয়ে যোগ্য কাম পাবলৈ হ'লে অসমৰ বাহিৰলৈ গৈ তীব্ৰ প্ৰতিযোগিতাৰ মাজেদি নিজক প্ৰতিষ্ঠিত কৰিব লাগিব, কাৰণ এই ৰাজ্যত এতিয়াও ভাল চাকৰি বা নিযুক্তিৰ পৰিসৰ বৰ সীমিত। এই সীমাবদ্ধতা অতিক্ৰম কৰিব পৰা যায়। কিন্তু তাৰ বাবে শিক্ষাৰ লগত জড়িত সকলোৱে নিজৰ ক্ষেত্ৰত কঠোৰ পৰিশ্ৰম কৰিব লাগিব। শিক্ষামন্ত্ৰী, উপাচাৰ্য, অধ্যক্ষ, পৰিচালক আৰু সৰ্বতোপৰি শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰকেন্দ্ৰিক চিন্তাৰে



আগবাঢ়ি আহি নতুন ধৰণৰ পাঠ্যক্ৰম আৰু শিকন পদ্ধতিৰ ওপৰত গুৰুত্ব দিব লাগিব।



আজিৰ দ্ৰুত সংযোগ ব্যৱস্থাই পৃথিৱীখনক যথেষ্ট সৰু আৰু সম-সুবিধাৰ ক্ষেত্ৰলৈ (Level-playing field) ৰূপান্তৰিত কৰিব ধৰিছে। এগৰাকী যোগ্য, সুদক্ষ আৰু সমৰ্থ ব্যক্তিয়ে অসমত থাকিও নিউয়ৰ্ক, লণ্ডন বা বাৰ্লিনত সেৱা আগবঢ়াই ভালদৰে জীৱিকা নিৰ্বাহ কৰিব পাৰে। কিন্তু তাৰবাবে উচ্চ শিক্ষাই প্ৰয়োজনীয় যোগ্যতা, দক্ষতা আৰু আত্মবিশ্বাস ছাত্ৰ-ছাত্ৰীক দিব পাৰিব লাগিব। সামগ্ৰিকভাৱে অসমৰ উচ্চ শিক্ষানুষ্ঠানসমূহে এনে শিক্ষাদানৰ বাবে নিজকে সাজু কৰা নাই।

কম পৰিশ্ৰম কৰি বেছি লাভ কৰাৰ মানসিকতা আমাৰ সমাজত যথেষ্ট দকৈ শিপাইছে। এনে মানসিকতাই আমাৰ বহুতো যুৱকক ভ্ৰষ্টাচাৰ নাইবা বন্দুকৰ ট্ৰিগাৰৰ প্ৰতি আকৰ্ষিত কৰিছে। এগৰাকী সাধাৰণ বুদ্ধিবৃত্তিসম্পন্ন আৰু অলপ মনোযোগী ছাত্ৰ-ছাত্ৰীয়ে অতি সহজেই আমাৰ বিশ্ববিদ্যালয়ৰ স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিব পাৰে। এনে ডিগ্ৰী লাভৰ বাবে সমগ্ৰ বছৰজুৰি কঠোৰ পৰিশ্ৰম কৰাৰ প্ৰয়োজন নাই। এবছৰৰ ভিতৰত কলেজত কিমানদিন প্ৰকৃততে শ্ৰেণী বহে আৰু শ্ৰেণীত কিমান সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে - সেই কথা ভালদৰে অধ্যয়ন কৰিলেই ওপৰৰ বাক্য দুটাৰ বাস্তৱতা বুজিব পৰা যাব। এই অৱস্থাৰ দ্ৰুত পৰিবৰ্তন নহ'লে অসমৰ কলেজভিত্তিক উচ্চ শিক্ষা সোনকালেই গুৰুতৰ আৰু অনতিক্ৰম্য সমস্যাৰ সন্মুখীন হ'ব।

এই সমস্যাৰ সমাধানৰ বাবে দুটামান আগতীয়া কাৰ্যক্ৰম ল'ব পাৰিলে মংগল। জয়ন্তী পালনৰ সময়তে কাৰ্যক্ৰম লোৱাৰ বাবে অংগীকাৰবদ্ধ হ'লে মহৎ কাৰ্য সাধিত হ'ব পাৰে।

১) ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কথা

মহাবিদ্যালয়ৰ আলোচনীৰ
ভুঁৰালৰ পৰা

পুনঃ মুদ্ৰণ-২

# আধুনিক জীৱবিজ্ঞান

## এক চমু পৰ্যালোচনা

অলক কুমাৰ বুঢ়াগোহাঁই
উপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়

আধুনিক জীৱবিজ্ঞান আৰু প্ৰযুক্তিৰ আৰম্ভণি হয় ১৯৫০ ৰ দশকত। জীৱ-জগতৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পদাৰ্থ-ডি নক্সিৰিক নিউক্লিয়িক এছিড বা চমুকৈ DNA ৰ গঠন সম্পৰ্কে ১৯৫৩ চনত বৃটিছ বিজ্ঞানী ফ্ৰান্সিস ক্ৰিক আৰু মাৰ্কিন বিজ্ঞানী জে'মছ ৱাটছনে বিখ্যাত দ্বি সৰ্পিল আৰ্হি (double helix model) আগবঢ়োৱাৰ লগে লগে পৃথিৱীৰ সমস্ত প্ৰাণী, উদ্ভিদ আৰু অণুজীৱৰ জীৱন প্ৰক্ৰিয়াৰ আণৱিক পৰ্যায়ৰ ব্যাখ্যা সম্ভৱ হৈছিল। DNA অণুৰ গঠনৰ আৱিষ্কাৰ জীৱবিজ্ঞানৰ এক যুগান্তকাৰী ঘটনা। এই আৱিষ্কাৰে কেৱল জীৱবিজ্ঞানতে নহয় সমগ্ৰ বিজ্ঞানৰ ক্ষেত্ৰতে এক নৱন্যাসৰ সূচনা কৰিছিল।





DNA অণুত জীৱৰ সকলো বৈশিষ্ট্য ৰাসায়নিক সংকেত ৰূপে নিহিত হৈ থাকে। আমাৰ শাৰীৰিক বৈশিষ্ট্যৰ সকলো সংবাদ ৰাসায়নিক সংকেত হিচাপে বংশানুক্ৰমে DNA ৰ মাজেৰে পৰিবাহিত হৈ থাকে। সেয়েহে DNAক জীৱৰ আনুবংশিক পদাৰ্থ (genetic material) বোলা হয়। DNA অণুৱে কঢ়িওৱা ৰাসায়নিক সংকেতবোৰৰ প্ৰকৃত স্বৰূপ কি? জীৱদেহ গঠন কৰা কোটি কোটি কোষে (আৰু বেক্টেৰিয়াৰ দৰে এককোষী জীৱই) সংকেতবোৰৰ কেনেকৈ ব্যৱহাৰ কৰি জীৱদেহৰ সকলো বৈশিষ্ট্যৰ প্ৰকাশ সম্ভৱ কৰে? জীৱৰ বৈশিষ্ট্য প্ৰকাশৰ বাবে কেৱল DNA ৰ আনুবংশিক সংকেতেই যথেষ্ট নে এই আনুবংশিক সংকেতৰ লগত পৰিৱেশৰ অৱস্থাৰো ভূমিকা আছে। ষাঠি আৰু সত্তৰৰ দশকতে জীৱবিজ্ঞানীসকলে উত্থাপন কৰা এই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰোঁতেই গঢ় লৈ উঠিছিল জীৱবিজ্ঞানৰ এক আধুনিক নতুন অধ্যয়নৰ ক্ষেত্ৰ - আণৱিক জীৱবিজ্ঞান (molecular biology)! জীৱবিজ্ঞানৰ এনে মৌলিক প্ৰশ্নবোৰৰ বহু উত্তৰ আণৱিক জীৱবিজ্ঞানীসকলে পাইছে যদিও এতিয়াও অনেক প্ৰশ্নৰ শুদ্ধ সমিধান পাবলৈ বাকী আছে।

মন কৰিবলগীয়া কথা এয়ে যে, আণৱিক জীৱবিজ্ঞানৰ অধ্যয়ন কেৱল জীৱবিজ্ঞানীৰ চিন্তাৰ আধাৰতে সম্ভৱ হোৱা নাছিল। কেইবাজনো পদাৰ্থ বিজ্ঞানী আৰু ৰসায়ন বিজ্ঞানীয়ে ওপৰত উল্লেখ কৰি অহা জীৱবিজ্ঞানৰ প্ৰশ্নবোৰৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। দ্বিতীয় মহাসমৰৰ ফলত ইউৰোপত বিজ্ঞান চৰ্চা আৰু গৱেষণা যথেষ্ট পৰিমাণে বাধাগ্ৰস্ত হৈছিল। ইয়াৰ ফলত অনেক কৃতী বিজ্ঞানীৰ গৱেষণাত যতি পৰিছিল। অনেক বিজ্ঞানীয়ে দেশান্তৰো হ'বলগীয়া হৈছিল। এনে এজন দেশান্তৰিত বিজ্ঞানী আছিল অষ্ট্ৰিয়াৰ আৰ্উইন্ শ্ৰডিঞ্জাৰ। শ্ৰডিঞ্জাৰ আছিল এজন স্বনামধন্য তাত্ত্বিক পদাৰ্থ বিজ্ঞানী (theoretical physicist)। তেওঁ মহাযুদ্ধৰ সময়ত দেশ এৰি ইংলেণ্ডৰ এডিন্বৰা(Edinberg) বিশ্ববিদ্যালয়ত আমন্ত্ৰিত অধ্যাপক হিচাপে যোগদান কৰিছিল। শ্ৰডিঞ্জাৰে এই বিশ্ববিদ্যালয়ত এলানি অত্যন্ত চিন্তামূলক আৰু চিত্তাকৰ্ষক বক্তৃতা প্ৰদান কৰিছিল। ১৯৪৮ চনত এই বক্তৃতালানি "What is Life?" নামৰ এখন সৰু পুস্তিকা হিচাপে প্ৰকাশ কৰা হৈছিল। সমকালীন কেইবাজনো বিজ্ঞানীয়ে এই তেনেই সৰু কিতাপখনৰদ্বাৰা এনে গভীৰভাৱে প্ৰভাৱান্বিত হৈছিল যে, তেওঁলোকে তেওঁলোকৰ নিজৰ বিষয় - পদাৰ্থবিজ্ঞানৰ পৰা ফালৰি কাটি আহি জীৱবিজ্ঞানৰ গৱেষণাত আত্মনিয়োগ কৰিছিলহি। এইসকল বিজ্ঞানীৰ ভিতৰত আছিল DNA গঠনৰ সহ আৱিষ্কাৰক ফ্ৰান্সিছ্ ক্ৰিক, বিখ্যাত পদাৰ্থ বিজ্ঞানী জেমছ্ ৱাটছন আৰু আন কেইবাজনো প্ৰতিভাশালী বিজ্ঞানী।

সাম্প্ৰতিক কালত আধুনিক জীৱবিজ্ঞানত জীৱজগতৰ সকলো পৰিঘটনাকে DNA অণুত থকা আনুবংশিক সংকেতৰ পৰিপ্ৰেক্ষিতত ব্যাখ্যা কৰিবলৈ ব্যাপক অধ্যয়ন আৰু গৱেষণা চলায় থকা হৈছে। এই প্ৰচেষ্টাত জীৱবিজ্ঞানী আৰু ৰসায়ন বিজ্ঞানীৰ লগত পদাৰ্থ বিজ্ঞানী, গণিত আৰু পৰিসংখ্যা বিজ্ঞানী, কম্পিউটাৰ বিজ্ঞানী, তথ্য প্ৰযুক্তিবিদ আদিৰ যোগদান বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। আণৱিক জীৱবিজ্ঞানৰ অধ্যয়ন আৰু গৱেষণাৰ বাবে এই সকলো বিষয়তে ব্যুৎপত্তি থকা বিজ্ঞানীৰ প্ৰয়োজন।

আণৱিক জীৱবিজ্ঞানৰ বহু বৈষয়িক (multidisciplinary) প্ৰকৃতিৰ প্ৰসংগত ৰ'জেলিণ্ড ফ্ৰেংকলিন আৰ ম'ৰিছ উইল্কিন্ছলৈ আঙুলিয়াব পাৰি। এওঁলোক দুয়োগৰাকীয়েই আছিল পদাৰ্থবিজ্ঞানী আৰু ৰঞ্জন-ৰশ্মিৰ (X-ray) সহায়ত স্ফটিকাকাৰ (crystal) পদাৰ্থৰ গঠনৰ অধ্যয়নৰ লগত বিশেষভাৱে জড়িত। এওঁলোকৰ গৱেষণা অবিহনে ক্ৰিক আৰু ৱাটছনে হয়তো ১৯৫৩ চনত DNA ৰ দ্বি-সৰ্পিল গঠন আৱিষ্কাৰ কৰিব নোৱাৰিলেহেঁতেন। ১৯৬২ চনত ক্ৰিক, ৱাটছন আৰু উইল্কিন্ছলৈ DNA ৰ দ্বি-সৰ্পিল গঠন আৱিষ্কাৰৰ বাবে শৰীৰ বিজ্ঞান আৰু চিকিৎসা বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছিল।

১৯৫০ ৰ দশকতে অষ্ট্ৰিয়াৰ পৰা ভাগি অহা ৰসায়ন বিজ্ঞানী আৰ্উইন চাৰগাফে আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ত পেপাৰ ক্ৰ'মেট'গ্ৰাফি (paper chromatography) নামৰ সদ্য উদ্ভাৱিত এক কৌশলৰ সহায়ত DNA ৰ ৰাসায়নিক বিশ্লেষণৰ ওপৰত গুৰুত্বপূৰ্ণ গৱেষণা সম্পূৰ্ণ কৰিছিল।

নিল্ছ ব'ৰ, মেক্স ডেলব্ৰুক আৰু জৰ্জ গেম'ৰ দৰে প্ৰসিদ্ধ বিজ্ঞানীয়েও যে আণৱিক জীৱবিজ্ঞানৰ উন্মেষণত অমূল্য বৰঙনি আগবঢ়াইছিল - এই কথা অনেক পদাৰ্থ-বিজ্ঞানীৰ হয়তো জ্ঞাত নহয়। এইখিনিতে আন এক প্ৰখ্যাত ৰসায়ন বিজ্ঞানী মিলছ পাউলিঙৰ কথাও উল্লেখ কৰা উচিত। দুবাৰকৈ ৰসায়ন বিজ্ঞানত নবেল বঁটা বিজয়ী পাউলিঙ সেই সময়ৰ এক শীৰ্ষস্থানীয় বিজ্ঞানী আছিল। পাউলিঙেও DNA ৰ গঠন আৱিষ্কাৰৰ বাবে গুৰুত্বপূৰ্ণ গৱেষণা চলাইছিল। কিন্তু পৃথিৱীৰ সেই সময়ৰ আটাইতকৈ মেধাৱী ৰসায়ন বিজ্ঞানী পাউলিঙো জীৱবিজ্ঞানত আটাইতকৈ গুৰুত্বপূৰ্ণ ৰসায়নিক পদাৰ্থ DNA ৰ গঠন সঠিকভাৱে নিৰ্ণয় কৰাত বিফল হৈছিল। সফল হৈছিল - পদাৰ্থ বিজ্ঞানী ক্ৰিক আৰু প্ৰাণীবিজ্ঞানী ৱাটছন।



আন যিকোনো বিজ্ঞানৰ ক্ষেত্ৰৰ দৰেই জীৱবিজ্ঞানৰ গৱেষণাতো বিজ্ঞানীৰ বাবে বৈষয়িক জ্ঞান আৰু পৰীক্ষা-নিৰীক্ষণৰ কৌশলতকৈ সঠিক প্ৰশ্ন অৱতাৰণা কৰাৰ ক্ষমতা আটাইতকৈ গুৰুত্বপূৰ্ণ। জীৱবিজ্ঞানত আজিও সম্পূৰ্ণভাৱে উন্মোচিত নোহোৱাকৈ অনেক দিশ আছে। DNA ত থকা সংকেতৰ ব্যৱহাৰ কোষে কেনেকৈ কৰে ইয়াৰ ছবি এতিয়াও অসম্পূৰ্ণ হৈয়েই আছে। DNA ত থকা বৃহৎ অংশৰ গূঢ়াৰ্থ আজিও অজ্ঞাত। মানুহৰ মন, চেতনা আৰু স্মৃতিশক্তিৰ ভৌতিক আধাৰ কি? এই ৰহস্যৰ ভেদ ভাঙিবলৈ এতিয়াও বহু বাকী আছে। কৰ্কট ৰোগ আৰু এইডছ ৰোগৰ সম্পৰ্কে আজিও সম্পূৰ্ণ জ্ঞান বিজ্ঞানীৰ হাতত নাই।

১৯৭০ দশকৰ শেষৰ ফালে মেছাচুছেটছৰ হাভাৰ্ড বিশ্ববিদ্যালয়ৰ ৱলি গিলবাৰ্ট আৰু ইংলেণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ফ্ৰেদ ছেংগাৰে DNA গঠন কৰা চাৰিবিধ নিউক্লিয়'টাইডৰ (nucleotide) ক্ৰম বা শৃংখল (sequence) নিৰ্ধাৰণৰ কৌশল উদ্ভাৱন কৰে। উল্লেখযোগ্য যে DNA অণু এডিনিন(adenine), ছাইট'ছিন (cytosine), গুৱানিন্

মনত ৰাখি শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰকেন্দ্ৰিক আৰু প্ৰাসংগিক পাঠ্যক্ৰম আৰু কাৰ্যক্ৰমণিকা ৰচনা কৰিব লাগিব। ব্যক্তিগতভাৱে বিশ্ববিদ্যালয়ৰ আৰু কলেজৰ প্ৰায়বোৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে নিজৰ ল'ৰা-ছোৱালীক অসমৰ বাহিৰৰ শিক্ষানুষ্ঠানলৈ (এতিয়া উচ্চতৰ মাধ্যমিক পৰ্যায়তো) পঢ়িবলৈ পঠিয়াইছে। তেওঁলোকে বেয়া কাম কৰিছে বুলি মই ক'ব খোজা নাই। কিন্তু কিয় এনে পৰিস্থিতিৰ উদ্ভৱ হ'ল, কি কৰিলে বাহিৰৰ ঠাইত পোৱা সঁচা আৰু কল্পিত সুবিধাবোৰ ইয়াতো দিব পৰা যায় - এইবোৰ কথাও শিক্ষক-শিক্ষয়িত্ৰীসকলে গুৰুত্বসহকাৰে ভাবিব লাগে।

কৰ্ণাটক, তামিলনাডু, পশ্চিমবংগ আদি বহুতো ৰাজ্যত উচ্চতৰ মাধ্যমিক আৰু বিশ্ববিদ্যালয়ৰ শিক্ষা একেখন শিক্ষানুষ্ঠানত চলি থকা নাই। অসমত কিন্তু চলি আছে আৰু এই কাৰণতে যথেষ্ট শিক্ষা-দিৱস 'বন্ধ দিৱস'ত পৰিণত হৈছে। ক্ৰমান্বয়ে উচ্চতৰ মাধ্যমিক পৰ্যায়ত ব্যক্তিগত খণ্ডই সফলতা দেখুৱাবলৈ আৰম্ভ কৰিছে। অদূৰ ভৱিষ্যতত এই খণ্ডই ডিগ্ৰী পৰ্যায়তো প্ৰাসংগিক শিক্ষাক্ৰম আৰম্ভ কৰিব বুলি ভাবিবৰ থল আছে। এই প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ আমাৰ কলেজৰ প্ৰশাসন আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল সাজু হৈছেনে?

২) অসমৰ কলেজবোৰ চলাবলৈ চৰকাৰে 'গভৰ্নিং বডি'ৰ নিযুক্তি দিয়ে। 'গভৰ্নিং বডি'ক প্ৰশাসনীয় সমিতি বুলিও ক'ব পৰা যায়। চৰকাৰ সলনি হ'লে, এনে সমিতিত প্ৰায়ে ব্যাপক পৰিৱৰ্তন হয় নিৰৱচ্ছিন্ন পৰিচালনা আৰু পৰিকল্পনাৰ দ্বাৰা উচ্চশিক্ষাৰ যুগোপযোগী পৰিৱৰ্তন সধাৰ ক্ষেত্ৰত এনে সমিতিৰ প্ৰচেষ্টা আৰু সফলতা বৰ কম। শিক্ষক নিযুক্তি, ঘৰ বন্ধ, ঠিকা বিতৰণ আদি কামত সমিতিৰ অধিক সময় খৰচ হয়, অৱশ্যে প্ৰশাসনীয় সমিতিৰ কামৰ প্ৰকৃতি বোধকৰোঁ তেনেকুৱাই!

তেনেহ'লে দ্ৰুত পৰিৱৰ্তনৰ লগত তাল মিলাই উচ্চ শিক্ষাৰ প্ৰাসংগিকতা ৰূপান্তৰকৰণৰ কথা চিন্তা কৰিব কোনে?



কিছুমান উন্নত ৰাজ্যত আৰু দেশত উচ্চ শিক্ষানুষ্ঠানৰ 'প্ৰায় স্থায়ী' পৰিচালনা সমিতি থাকে। বহুতো গুণোত্তম কলেজত পৰিচালনা সমিতিৰ অধ্যক্ষ (Chairman) একোজন কৃতী আৰু স্বনামধন্য শিক্ষাবিদ আৰু তেখেতে সমগ্ৰ সময়জুৰি পৰিচালনা আৰু পৰিকল্পনাৰ কামত ব্যস্ত থাকে। অসমৰ কলেজৰ শুভাকাংক্ষীসকলে এই দিশত চিন্তা-চৰ্চা কৰিব পাৰে।

৩) অসমৰ বহুতো কলেজ গাঁৱত বা গাঁও সদৃশ সৰু চহৰত অৱস্থিত। এনে ঠাইত প্ৰতিষ্ঠিত কলেজে সেই অঞ্চলৰ উন্নতিত বিশেষ অৰিহণা দিব পাৰিব লাগিছিল। দুই এখন ব্যতিক্ৰমী শিক্ষানুষ্ঠানৰ কথা বাদ দি এনেবোৰ কলেজক 'দুখ-দৰিদ্ৰতাৰ সাগৰত অৱস্থিত প্ৰাচুৰ্যৰ দ্বীপ' বুলি বহুতেই কয়। এনেবোৰ কলেজৰ পৰা শিক্ষালাভ কৰা বেছিভাগ ছাত্ৰ-ছাত্ৰী গাঁও অঞ্চলতে থাকিব যদিও সেই সমাজৰ অৰ্থনৈতিক তথা বৌদ্ধিক উন্নতিৰ বাবে কাম কৰিব পৰাকৈ তেওঁলোক প্ৰশিক্ষিত নহয়। যিবোৰ পাঠ্যক্ৰম পঢ়ুওৱা হৈছে সেইবোৰৰ গাঁও অঞ্চলত বিশেষ কামত অহাৰ সম্ভাৱনা তেনেই কম। গতিকে পাঠ্যক্ৰম জীৱনৰ লগত সংগতিপূৰ্ণ হ'ব লাগে বুলি দাবী উঠিব লাগিছিল। একো একোজন ডক্টৰেট ডিগ্ৰীধাৰী শিক্ষকেও নিজাববীয়াকৈ পাঠ্যক্ৰম প্ৰাসংগিক কৰাৰ কথা ভাবিবলৈ ইচ্ছুক নহয় যেন লাগে। বৰং UGC, বিশ্ববিদ্যালয় আদিক দায়ী কৰি বহুজনে বৌদ্ধিক দায়বদ্ধতাৰ পৰা মুক্ত হ'ব খোজে, এই মনোভাৱ উচ্চ শিক্ষাৰ সুস্বাস্থ্যৰ পৰিপন্থী।

৪) অসমৰ বেছিভাগ কলেজৰ বিজ্ঞান শিক্ষাই ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিব পৰা নাই। অথচ অসমৰ পৰা দেশৰ অন্য ঠাইলৈ পঢ়িবলৈ যোৱা ছাত্ৰ-ছাত্ৰীসকলৰ অধিকাংশই বিজ্ঞান আৰু প্ৰযুক্তিভিত্তিক শিক্ষা ল'বলৈ গৈছে। নাম উল্লেখ নকৰাকৈও ক'ব পাৰি যে বহুতো কলেজত বিগত কেইবাবছৰ জুৰি বিজ্ঞানৰ শাখাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই তাকৰ। এই মাৰাত্মক তথ্যক লৈ উচ্চ শিক্ষাৰ লগত জড়িতসকল যিমান উদ্বিগ্ন হ'ব লাগিছিল, সিমান উদ্বিগ্নতা পৰিলক্ষিত হোৱা নাই।

বিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰে পৰা বিজ্ঞানৰ অগ্ৰগতি দ্ৰুততৰ হৈছে, ফলস্বৰূপে বিজ্ঞানৰ পাৰস্পৰিক বিভাজনবোৰ ক্ৰমান্বয়ে কম গুৰুত্বপূৰ্ণ হৈ উঠিছে। পাৰস্পৰিক বিভাগৰ প্ৰাচীৰ ভাঙি নতুন নতুন জ্ঞানৰ শাখা প্ৰতিষ্ঠিত হৈছে। এই কথা কলেজ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকসকলে নিশ্চিতভাৱে জানে। জ্ঞানৰ শাখাবোৰ কিদৰে সজালে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ বাবে অৰ্থপূৰ্ণ হ'ব সেইকথা তেওঁলোকে জানে। কিন্তু অতীতত নিজে আহৰণ কৰা জ্ঞানৰ লেটাৰ পৰা ওলাই আহিবলৈ বহুতৰে আগ্ৰহ নাই। আধুনিক যুগত বিজ্ঞান আৰু প্ৰযুক্তিয়ে হাতত হাত মিলাই আগবাঢ়িবলৈ আৰম্ভ কৰিছে। আগতে বিজ্ঞান, তাৰ পাছত প্ৰযুক্তি - এনে চিন্তা পৰাধীন কালত ভাৰতক শিকোৱা হৈছিল। এনে বিভাজন ঊনৈশ শতিকাত অলপ প্ৰয়োজনীয় আছিল। আজিৰ একবিংশ শতিকাৰ জ্ঞানযুগত এনে বিভাজনৰ কোনো প্ৰয়োজন নাই। Biotechnology, Nano Technology, Natural Resource Management আদি বিষয়বোৰত বিজ্ঞান আৰু প্ৰযুক্তিমূলক জ্ঞানৰ সমাহাৰ ঘটিছে আৰু ভালদৰে পঢ়াশুনা কৰিলে এই বিষয়বোৰ (অন্ততঃ) ডেকা শিক্ষক-শিক্ষয়িত্ৰীসকলে আয়ত্ত কৰিব পাৰে। ইণ্টাৰনেট আৰু ৱৰ্ল্ড-ৱাইড-ৱেবৰ (WWW) সহায় লৈ বহুতেই নিজকে নতুন জ্ঞান আৰু প্ৰযুক্তিৰ অধিকাৰী কৰিব পাৰিছে। আমাৰ ডেকা শিক্ষক-শিক্ষয়িত্ৰীসকলে নোৱাৰাৰ কাৰণ নাই।

৫) নতুন ধৰণৰ প্ৰাসংগিক বিষয়ৰ অধ্যয়ন কলা শাখাতো প্ৰয়োজন হৈ উঠিছে। ইংৰাজী Art শব্দটোৰ মুখ্য প্ৰতিশব্দ হৈছে (অভিধানৰ পৰা) ঃ চাৰুশিল্প, সুকুমাৰ শিল্প, কাৰুশিল্প, কলাশাস্ত্ৰ, কলা। মন কৰিবলগীয়া যে এইবোৰ বিষয় আধুনিক কালত গুৰুত্বপূৰ্ণ হৈছে যদিও কলেজত এনেবোৰ বিষয়ৰ শিক্ষা লাভ কৰাৰ সুবিধা নাই। গতিকে আমাৰ BA ডিগ্ৰীৰ Art শব্দটো কৌশল, চাতুৰ্য, দক্ষতা, পটুতা আদি অৰ্থতহে ব্যৱহাৰ হৈছে। (প্ৰকৃততে ইউৰোপত টেকনিকেল স্কুল/পলিটেকনিকৰ পৰা পৃথক কৰিবলৈ Liberal Art College ৰ ধাৰণা বিকশিত হৈছিল)। আমাৰ BA ডিগ্ৰী পোৱা ছাত্ৰ-ছাত্ৰীগৰাকীয়ে নোট বা কিতাপৰ পৃষ্ঠা মুখস্থ কৰাৰ উপৰিও কি দক্ষতা, কৌশল আৰু পটুতা আহৰণ কৰে সেই কথাও বিচাৰ কৰি চাবলগীয়া।

সংযোগ, ভাষাৰ সুপ্ৰয়োগ, মনোবিজ্ঞানৰ প্ৰায়োগ, অতিথি সেৱা, সংঘটন পৰিচালনা (event management), শিল্প/চিনেমা আদিত ডিজিটেল প্ৰযুক্তিৰ প্ৰয়োগ আদি ক্ৰমান্বয়ে গুৰুত্বপূৰ্ণ হৈ উঠিছে। গ্ৰামাঞ্চলৰ বিকাশ আৰু সেৱা আন একধৰণৰ গুৰুত্বপূৰ্ণ আৰু জীৱিকামুখী বিষয়।

আমি সৰ্বান্তঃকৰণে আশা কৰিছোঁ যে আমাৰ কলেজবোৰৰ শুভাকাংক্ষী পৰিচালক আৰু সৰ্বতোপৰি শিক্ষক-শিক্ষয়িত্ৰীসকলে কলেজীয়া শিক্ষাক যুগোপযোগী আৰু প্ৰাসংগিক কৰিবলৈ আত্মবিশ্বাস আৰু গৌৰৱেৰে আগবাঢ়ি আহিব। ■

*(মহাবিদ্যালয়ৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ 'অভিজ্ঞান'ৰ পৰা পুনঃমুদ্ৰিত)*

## Past and Present Principals of Tinsukia College



Late T.N. Goswami



Late Uma Prasanna De
Founder Principal



Late Siddheswar Tamuli



Late Saroj Kumar Dutta



Dr. Bhuban Gogoi
Present Principal



Late Sayed Dalilur Rahman



Left to Right : Mrs. Banuna Borthakur, Mr. Sarat Kakoty, Mr. Mahendra Nath Saikia, Mr. Hira Nath Bhattacharjya, Mr. Nirmal Dasgupta, Dr. Sukhen Chakraborty and Mr. Sukhomal Bhuyan

মহাবিদ্যালয়ৰ আলোচনীৰ
ভঁৰালৰ পৰা

# আধুনিক জীৱবিজ্ঞান

## এক চমু পৰ্যালোচনা

পুনঃ মুদ্ৰণ-২

অলক কুমাৰ বুঢ়াগোহাঁই
উপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়

আধুনিক জীৱবিজ্ঞান আৰু প্ৰযুক্তিৰ আৰম্ভণি হয় ১৯৫০ ৰ দশকত। জীৱ-জগতৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পদাৰ্থ-ডি নক্সিৰিক নিউক্লিয়িক এছিড বা চমুকৈ DNA ৰ গঠন সম্পৰ্কে ১৯৫৩ চনত বৃটিছ বিজ্ঞানী ফ্ৰান্সিস ক্ৰিক আৰু মাৰ্কিন বিজ্ঞানী জে'মছ ৱাটছনে বিখ্যাত দ্বি সৰ্পিল আৰ্হি (double helix model) আগবঢ়োৱাৰ লগে লগে পৃথিৱীৰ সমস্ত প্ৰাণী, উদ্ভিদ আৰু অণুজীৱৰ জীৱন প্ৰক্ৰিয়াৰ আণৱিক পৰ্যায়ৰ ব্যাখ্যা সম্ভৱ হৈছিল। DNA অণুৰ গঠনৰ আৱিষ্কাৰ জীৱবিজ্ঞানৰ এক যুগান্তকাৰী ঘটনা। এই আৱিষ্কাৰে কেৱল জীৱবিজ্ঞানতে নহয় সমগ্ৰ বিজ্ঞানৰ ক্ষেত্ৰতে এক নৱন্যাসৰ সূচনা কৰিছিল।



DNA অণুত জীৱৰ সকলো বৈশিষ্ট্য ৰাসায়নিক সংকেত ৰূপে নিহিত হৈ থাকে। আমাৰ শাৰীৰিক বৈশিষ্ট্যৰ সকলো সংবাদ ৰাসায়নিক সংকেত হিচাপে বংশানুক্ৰমে DNA ৰ মাজেৰে পৰিবাহিত হৈ থাকে। সেয়েহে DNAক জীৱৰ আনুবংশিক পদাৰ্থ (genetic material) বোলা হয়। DNA অণুৱে কঢ়িওৱা ৰাসায়নিক সংকেতবোৰৰ প্ৰকৃত স্বৰূপ কি? জীৱদেহ গঠন কৰা কোটি কোটি কোষে (আৰু বেক্টেৰিয়াৰ দৰে এককোষী জীৱই) সংকেতবোৰৰ কেনেকৈ ব্যৱহাৰ কৰি জীৱদেহৰ সকলো বৈশিষ্ট্যৰ প্ৰকাশ সম্ভৱ কৰে? জীৱৰ বৈশিষ্ট্য প্ৰকাশৰ বাবে কেৱল DNA ৰ আনুবংশিক সংকেতেই যথেষ্ট নে এই আনুবংশিক সংকেতৰ লগত পৰিৱেশৰ অৱস্থাৰো ভূমিকা আছে। ষাঠি আৰু সত্তৰৰ দশকতে জীৱবিজ্ঞানীসকলে উত্থাপন কৰা এই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰোঁতেই গঢ় লৈ উঠিছিল জীৱবিজ্ঞানৰ এক আধুনিক নতুন অধ্যয়নৰ ক্ষেত্ৰ – আণৱিক জীৱবিজ্ঞান (molecular biology)! জীৱবিজ্ঞানৰ এনে মৌলিক প্ৰশ্নবোৰৰ বহু উত্তৰ আণৱিক জীৱবিজ্ঞানীসকলে পাইছে যদিও এতিয়াও অনেক প্ৰশ্নৰ শুদ্ধ সমিধান পাবলৈ বাকী আছে।



মন কৰিবলগীয়া কথা এয়ে যে, আণৱিক জীৱবিজ্ঞানৰ অধ্যয়ন কেৱল জীৱবিজ্ঞানীৰ চিন্তাৰ আধাৰতে সম্ভৱ হোৱা নাছিল। কেইবাজনো পদাৰ্থ বিজ্ঞানী আৰু ৰসায়ন বিজ্ঞানীয়ে ওপৰত উল্লেখ কৰি অহা জীৱবিজ্ঞানৰ প্ৰশ্নবোৰৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। দ্বিতীয় মহাসমৰৰ ফলত ইউৰোপত বিজ্ঞান চৰ্চা আৰু গৱেষণা যথেষ্ট পৰিমাণে বাধাগ্ৰস্ত হৈছিল। ইয়াৰ ফলত অনেক কৃতী বিজ্ঞানীৰ গৱেষণাত যতি পৰিছিল। অনেক বিজ্ঞানীয়ে দেশান্তৰো হ'বলগীয়া হৈছিল। এনে এজন দেশান্তৰিত বিজ্ঞানী আছিল অষ্ট্ৰিয়াৰ আৰ্‌উইন্ শ্ৰডিঞ্জাৰ। শ্ৰডিঞ্জাৰ আছিল এজন স্বনামধন্য তাত্ত্বিক পদাৰ্থ বিজ্ঞানী (theoretical physicist)। তেওঁ মহাযুদ্ধৰ সময়ত দেশ এৰি ইংলেণ্ডৰ এডিন্‌বৰা(Edinberg) বিশ্ববিদ্যালয়ত আমন্ত্ৰিত অধ্যাপক হিচাপে যোগদান





কৰিছিল। শ্ৰডিঞ্জাৰে এই বিশ্ববিদ্যালয়ত এলানি অত্যন্ত চিন্তামূলক আৰু চিত্তাকৰ্ষক বক্তৃতা প্ৰদান কৰিছিল। ১৯৪৮ চনত এই বক্তৃতালানি "What is Life?" নামৰ এখন সৰু পুস্তিকা হিচাপে প্ৰকাশ কৰা হৈছিল। সমকালীন কেইবাজনো বিজ্ঞানীয়ে এই তেনেই সৰু কিতাপখনৰদ্বাৰা এনে গভীৰভাৱে প্ৰভাৱান্বিত হৈছিল যে, তেওঁলোকে তেওঁলোকৰ নিজৰ বিষয় – পদাৰ্থবিজ্ঞানৰ পৰা ফালৰি কাটি আহি জীৱবিজ্ঞানৰ গৱেষণাত আত্মনিয়োগ কৰিছিলহি। এইসকল বিজ্ঞানীৰ ভিতৰত আছিল DNA গঠনৰ সহ আৱিষ্কাৰক ফ্ৰান্সিছ্ ক্ৰিক, বিখ্যাত পদাৰ্থ বিজ্ঞানী জেমছ্ ৱাটছন আৰু আন কেইবাজনো প্ৰতিভাশালী বিজ্ঞানী।

সাম্প্ৰতিক কালত আধুনিক জীৱবিজ্ঞানত জীৱজগতৰ সকলো পৰিঘটনাকে DNA অণুত থকা আনুবংশিক সংকেতৰ পৰিপ্ৰেক্ষিতত ব্যাখ্যা কৰিবলৈ ব্যাপক অধ্যয়ন আৰু গৱেষণা চলায় থকা হৈছে। এই প্ৰচেষ্টাত জীৱবিজ্ঞানী আৰু ৰসায়ন বিজ্ঞানীৰ লগত পদাৰ্থ বিজ্ঞানী, গণিত আৰু পৰিসংখ্যা বিজ্ঞানী, কম্পিউটাৰ বিজ্ঞানী, তথ্য প্ৰযুক্তিবিদ আদিৰ যোগদান বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। আণৱিক জীৱবিজ্ঞানৰ অধ্যয়ন আৰু গৱেষণাৰ বাবে এই সকলো বিষয়তে ব্যুৎপত্তি থকা বিজ্ঞানীৰ প্ৰয়োজন।

আণৱিক জীৱবিজ্ঞানৰ বহু বৈষয়িক (multidisciplinary) প্ৰকৃতিৰ প্ৰসংগত ৰ'জেলিণ্ড ফেংকলিন আৰ ম'ৰিছ উইল্‌কিন্‌ছলৈ আঙুলিয়াব পাৰি। এওঁলোক দুয়োগৰাকীয়েই আছিল পদাৰ্থবিজ্ঞানী আৰু ৰঞ্জন-ৰশ্মিৰ (X-ray) সহায়ত স্ফটিকাকাৰ (crystal) পদাৰ্থৰ গঠনৰ অধ্যয়নৰ লগত বিশেষভাৱে জড়িত। এওঁলোকৰ গৱেষণা অবিহনে ক্ৰিক আৰু ৱাটছনে হয়তো ১৯৫৩ চনত DNA ৰ দ্বি-সৰ্পিল গঠন আৱিষ্কাৰ কৰিব নোৱাৰিলেহেঁতেন। ১৯৬২ চনত ক্ৰিক, ৱাটছন আৰু উইল্‌কিন্‌ছলৈ DNA ৰ দ্বি-সৰ্পিল গঠন আৱিষ্কাৰৰ বাবে শৰীৰ বিজ্ঞান আৰু চিকিৎসা বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছিল।

১৯৫০ ৰ দশকতে অষ্ট্ৰিয়াৰ পৰা ভাগি অহা ৰসায়ন বিজ্ঞানী আৰ্‌উইন চাৰগাফে আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ত পেপাৰ ক্ৰ'মেট'গ্ৰাফি (paper chromatography) নামৰ সদ্য উদ্ভাৱিত এক কৌশলৰ সহায়ত DNA ৰ ৰাসায়নিক বিশ্লেষণৰ ওপৰত গুৰুত্বপূৰ্ণ গৱেষণা সম্পূৰ্ণ কৰিছিল।

নিল্‌ছ ব'ৰ, মেক্স ডেলব্ৰুক আৰু জৰ্জ গেম'ৰ দৰে প্ৰসিদ্ধ বিজ্ঞানীয়েও যে আণৱিক জীৱবিজ্ঞানৰ উন্মেষণত অমূল্য বৰঙনি আগবঢ়াইছিল – এই কথা অনেক পদাৰ্থ-বিজ্ঞানীৰ হয়তো জ্ঞাত নহয়। এইখিনিতে আন এক প্ৰখ্যাত ৰসায়ন বিজ্ঞানী মিলছ পাউলিঙৰ কথাও উল্লেখ কৰা উচিত। দুবাৰকৈ ৰসায়ন বিজ্ঞানত নবেল বঁটা বিজয়ী পাউলিঙ সেই সময়ৰ এক শীৰ্ষস্থানীয় বিজ্ঞানী আছিল। পাউলিঙেও DNA ৰ গঠন আৱিষ্কাৰৰ বাবে গুৰুত্বপূৰ্ণ গৱেষণা চলাইছিল। কিন্তু পৃথিৱীৰ সেই সময়ৰ আটাইতকৈ মেধাৱী ৰসায়ন বিজ্ঞানী পাউলিঙো জীৱবিজ্ঞানত আটাইতকৈ গুৰুত্বপূৰ্ণ ৰসায়নিক পদাৰ্থ DNA ৰ গঠন সঠিকভাৱে নিৰ্ণয় কৰাত বিফল হৈছিল। সফল হৈছিল – পদাৰ্থ বিজ্ঞানী ক্ৰিক আৰু প্ৰাণীবিজ্ঞানী ৱাটছন।



আন যিকোনো বিজ্ঞানৰ ক্ষেত্ৰৰ দৰেই জীৱবিজ্ঞানৰ গৱেষণাতো বিজ্ঞানীৰ বাবে বৈষয়িক জ্ঞান আৰু পৰীক্ষা-নিৰীক্ষণৰ কৌশলতকৈ সঠিক প্ৰশ্ন অৱতাৰণা কৰাৰ ক্ষমতা আটাইতকৈ গুৰুত্বপূৰ্ণ। জীৱবিজ্ঞানত আজিও সম্পূৰ্ণভাৱে উন্মোচিত নোহোৱাকৈ অনেক দিশ আছে। DNA ত থকা সংকেতৰ ব্যৱহাৰ কোষে কেনেকৈ কৰে ইয়াৰ ছবি এতিয়াও অসম্পূৰ্ণ হৈয়েই আছে। DNA ত থকা বৃহৎ অংশৰ গূঢ়াৰ্থ আজিও অজ্ঞাত। মানুহৰ মন, চেতনা আৰু স্মৃতিশক্তিৰ ভৌতিক আধাৰ কি? এই ৰহস্যৰ ভেদ ভাঙিবলৈ এতিয়াও বহু বাকী আছে। কৰ্কট ৰোগ আৰু এইডছ ৰোগৰ সম্পৰ্কে আজিও সম্পূৰ্ণ জ্ঞান বিজ্ঞানীৰ হাতত নাই।

১৯৭০ দশকৰ শেষৰ ফালে মেছাচুছেটছৰ হাভাৰ্ড বিশ্ববিদ্যালয়ৰ ৱলি গিলবাৰ্ট আৰু ইংলেণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ফ্ৰেদ ছেংগাৰে DNA গঠন কৰা চাৰিবিধ নিউক্লিয়'টাইডৰ (nucleotide) ক্ৰম বা শৃংখল (sequence) নিৰ্ধাৰণৰ কৌশল উদ্ভাৱন কৰে। উল্লেখযোগ্য যে DNA অণু এডিনিন(adenine), ছাইট'ছিন (cytosine), গুৱানিন্

(guanine) আৰু থাইমিন (thymine) নামৰ ক্ষাৰক পদাৰ্থ (base) যুক্ত চাৰিবিধ নিউক্লিয়'টাইড নামৰ ৰাসায়নিক গোট বা সমষ্টিৰ দ্বাৰা গঠিত। DNA গঠন কৰা অসংখ্য নিউক্লিয়'টাইডৰ ক্ৰমতে লিপিবদ্ধ হৈ থাকে জীৱৰ আনুবংশিক বৈশিষ্ট্যৰ সমস্ত সংকেত। এই সংকেতবোৰৰ এককেই (unit) হ'ল 'জিন'(gene)। মানৱ দেহৰ প্ৰতিটো কোষত থকা ২৩ যোৰ ক্ৰ'মজ'ম নামৰ অংশত মানুহৰ সকলো বৈশিষ্ট্য প্ৰকাশ নিৰ্ণয় কৰা প্ৰায় ৩৫,০০০ জিন আছে। প্ৰত্যেক যোৰ ক্ৰ'মজ'মৰ এডাল আমি আমাৰ পিতৃ আৰু আনডাল ক্ৰ'মজ'ম মাতৃৰ পৰা লাভ কৰোঁ। DNA ই মূলতঃ ক্ৰ'মজ'মবোৰ গঠন কৰে। ২৩ ডাল ক্ৰ'মজ'মতে সেয়েহে মানুহৰ সমস্ত আনুবংশিক সংবাদ নিহিত হৈ থাকে আৰু সামগ্ৰিকভাৱে ইয়েই বহু চৰ্চিত "মানৱ জিন'ম" (human genome)।

ছেংগাৰ আৰু গিলবাৰ্টে DNA গঠন কৰা নিউক্লিয়'টাইডৰ শৃংখল নিৰ্ণয় কৰাৰ কৌশল উদ্ভাৱন কৰাৰ এক দশকৰ পাছতেই ১৯৮৬ চনত মাৰ্কিন বিজ্ঞানীসকলে মানৱ জিন'মৰ নিউক্লিয়'টাইড ক্ৰম নিৰ্ণয়ৰ বাবে এক বৃহৎ পৰিকল্পনা হাতত লয়। DNA গঠনৰ সহ–আৱিষ্কাৰক জে'মছ ৱাটছনে এই পৰিকল্পনাত এক মুখ্য ভূমিকাত অৱতীৰ্ণ হৈছিল। "মানৱ জিন'ম প্ৰকল্প"(human genome project) নামৰ এই প্ৰকল্প কুৰি শতিকাৰ এক বৃহত্তম বৈজ্ঞানিক প্ৰকল্প হিচাপে পৰিগণিত হৈছে। ২০০০ চনৰ ২৬ জুনৰ দিনা একে সময়তে আমেৰিকাৰ তেতিয়াৰ ৰাষ্ট্ৰপতি বিল ক্লিন্‌টন্ আৰু ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী টনি ব্লেয়াৰে মানৱ জিন'ম প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ সফল সমাপ্তি এই ঐতিহাসিক ঘোষণাৰে পৃথিৱীবাসীক জানিবলৈ দিয়ে –

"Today we are learning the language in which God created life. With this profound new knowledge humankind is on of the verge of joining immense new power to heal."

মানৱ জিন'ম প্ৰকল্পত মানুহৰ কোষত থকা ২৩ ডাল ক্ৰম'জ'মৰ প্ৰায় ৩২ কোটি নিউক্লিয়'টাইডৰ ক্ৰম নিৰ্ণয় কৰা হয়। এই বিৰাট আনুবংশিক তথ্যৰ বৈজ্ঞানিক বিশ্লেষণ আজি আৰম্ভ হৈছে। এই বিশ্লেষণত কম্পিউটাৰ বিজ্ঞান আৰু তথ্যপ্ৰযুক্তি বিজ্ঞানৰ শক্তিশালী অংশগ্ৰহণে জীৱবিজ্ঞানত নতুন দিগন্তৰ সূচনা কৰিছে। বায়'ইনফৰ্মেটিকছ (bioinformatics) আৰু কম্পিউটেশ্যনেল বায়'লজিৰ (computational biology) সহায়ত জিন'মিক্‌ছ (geneomics), প্ৰটিঅ'মিকছ্ (proteomics) ইত্যাদি নতুন নতুন বিষয় আজি আধুনিক জীৱবিজ্ঞানত সন্নিবিষ্ট হৈছে। আধুনিক জীৱবিজ্ঞানৰ ন–ন আৱিষ্কাৰৰ উদ্ভাৱনে নিঃসন্দেহে মানৱ সভ্যতাক নতুন শিখৰলৈ প্ৰক্ষেপ কৰিছে। ■

*(মহাবিদ্যালয়ৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ 'অভিজ্ঞান'ৰ পৰা পুনঃমুদ্ৰিত)*

## বিশেষ ঃ

**বিশ্বৰ প্ৰথমখন লাইফবোটৰ আদিকথা ঃ**

১৭৮৯ চনৰ ১৫ মাৰ্চ। সেইদিনা ইংলেণ্ডৰ নিউক্যাচেলত "এডভেঞ্চাৰ" নামেৰে এখন জাহাজ 'টাইন' নদীত ডুব গৈছিল। পাৰত অসহায় বাবে অলেখ মানুহে লক্ষ্য কৰিছিল হিয়া বিদাৰক সেই দৃশ্য। কোনো এটি প্ৰাণীও বাচি থকা নাছিল সেই দুৰ্ঘটনাটোত। এই ঘটনাই গভীৰভাৱে ৰেখাপাত কৰিলে তাৰ স্থানীয় "লয়ি হাউচ" নামৰ ক্লাবটোৰ সদস্যসকলক। পৰৱৰ্তী পৰ্যায়ত ক্লাবটোৱে এটা বিজ্ঞাপন যোগে ডুবিবলৈ ধৰা জাহাজৰ পৰা মানুহ প্ৰতিযোগিতাৰ আহ্বান কৰে। প্ৰতিযোগিতাত এখন লাইফ বোটৰ নক্সা পোৱা যায়। নক্সাৰ নিৰ্মাতা কাৰ্যৰ প্ৰশিক্ষক। পিছলৈ তেওঁ এটি স্বতন্ত্ৰ নাওঁ নিৰ্মাণ নিৰ্মাণৰ কৌশলৰ সম্পৰ্কে বৃষ্টিত অধ্যয়ন কৰি বিভিন্ন তেখেতৰ প্ৰধান সদস্য আছিল এনে এখন বোট



উদ্ধাৰ কৰিব পৰা এখন বোটৰ নক্সা তৈয়াৰৰ এটি সন্তোষজনক সঁহাৰিৰ মাজতে 'অৰিজিনাল' নামেৰে আছিল 'হেনৰি গ্ৰেটহেড'। তেওঁ এটি নাওঁ নিৰ্মাণ কেন্দ্ৰ খুলিছিল। যথেষ্ট অভাৱগ্ৰস্ত হেনৰিৰ জাহাজ পৰীক্ষা–নীৰিক্ষাৰে কেইবাটাও নক্সা নিৰ্মাণ কৰিছিল। তৈয়াৰ কৰাৰ যিখন বোটে অত্যন্ত ভয়ংকৰ সমুদ্ৰও অনায়াসে অতিক্ৰম কৰিব পাৰে। ১৭৮৯ বৰ্ষত লয়ি হাউচে আহ্বান কৰা প্ৰতিযোগিতাত হেনৰিয়ে যিটো নক্সা পঠিয়াইছিল সেই নক্সাৰ অনুসৰণতে বিচাৰ কমিটিৰ দুজন সদস্য –– মিছেল ৰকউদ আৰু নিকলাচ ফেয়াৰলেচে এখন বোট তৈয়াৰ কৰে। ইতিমধ্যে হেনৰিয়ে নৌকা ব্যৱসায় কৰি যথেষ্ট লাভান্বিত হৈ বহু অৰ্থৰ গৰাকী হৈছিল। তেতিয়া তেওঁৰ সেই নক্সাকেই কিছু অদল–বদল কৰি এখন সম্পূৰ্ণ বোট তৈয়াৰ কৰে। অৱশেষত এইদৰে জন্ম পালে পৃথিৱীৰ প্ৰথমখন লাইফবোট 'অৰিজিনাল' এ। অৰিজিনাল নিৰ্মাণ কৰোঁতে খৰচ হৈছিল ৮৬ পাউণ্ড, ৯ চিলিং ৮ চেণ্ট। ইয়াৰ উচ্চতা আছিল ১০ ফুট, দীঘ ৩০ ফুট। ১৭৯০ বৰ্ষত ১২ জন নাৱিকসহ অৰিজিনালক পানীত ভঁহোৱা হয়। ৪০ বছৰ ধৰি এইখন মানুহৰ প্ৰাণৰক্ষা কামত নিযুক্ত আছিল। কিন্তু এদিন দুজন নাৱিকক বুকুত সাৱতি লৈ নিজেই ডুব গ'ল 'অৰিজিনাল'।





মহাবিদ্যালয়ৰ আলোচনীৰ
ভঁৰালৰ পৰা

# বৌদ্ধিক বিকাশত

## তিনিচুকীয়া মহাবিদ্যালয়ৰ শিক্ষকৰ অৱদান

পুনঃ মুদ্ৰণ–৩

অঞ্জনা গোস্বামী
মুৰব্বী অধ্যাপিকা, ইতিহাস বিভাগ



১৯৫৬ চনত অসমৰ পূব প্ৰান্তত অৱস্থিত প্ৰথমখন উচ্চ শিক্ষাৰ অনুষ্ঠান তিনিচুকীয়া মহাবিদ্যালয় প্ৰতিষ্ঠাৰ লগে লগে এই অঞ্চলৰ বৌদ্ধিক পৰিমণ্ডলত এক নৱজাগৰণে পাতনি মেলে। অনেক কৃতী শিক্ষকে জন্ম লগ্নৰে পৰা এই শিক্ষানুষ্ঠানৰ প্ৰাণ স্পন্দিত কৰি আহিছে। শিক্ষাব্ৰতী, শিক্ষাপ্ৰেমী এই শিক্ষকসকলৰ বহুকেইজন কেৱল পাঠদান কৰাতে ব্যস্ত নাথাকি ভাষা–সংস্কৃতিৰ পূজাৰ বেদীতো নিজকে অৰ্পণ কৰিছে। মহাবিদ্যালয়খনৰ তেনে কেইজনমান শিক্ষকৰ পৰিচয় দিয়াই এই প্ৰবন্ধৰ উদ্দেশ্য।



**স্বৰ্গীয় সিদ্ধেশ্বৰ তামুলী ঃ** আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক পিছলৈ উপাধ্যক্ষ আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষৰ পদ অলংকৃত কৰা তামুলী ছাৰ আছিল একাধাৰে কবি, গল্পকাৰ আৰু নিবন্ধকাৰ। অসমীয়া সাহিত্যৰ প্ৰগতিবাদী ধাৰাটোৰ সৈতে গভীৰভাৱে যুক্ত হৈ কাব্য চৰ্চা কৰা এই কবিজনৰ কবিতা প্ৰকাশিত হৈছিল 'জয়ন্তী', 'পচোৱা' আদি আলোচনীত। শ্ৰেণী বৈষম্যৰ বিষয়ে সচেতন এই লেখকৰ "অভিযাত্ৰী" নামৰ কবিতাটো পঢ়ি ১৯৪৮ চনত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে এই বুলি পত্ৰ লিখিছিল "আপোনাৰ কবিতাখিনি যে অসমীয়া সাহিত্যৰ মৰকতমূলীয়া সম্পদ হ'ব – তাক বুজিছো"। তেখেতৰ কাব্যপুথি "যুগৰ আহ্বান" প্ৰথমে ১৯৫১ চনত আৰু পিছত ১৯৭২ চনত প্ৰকাশিত হৈছিল। অসম সাহিত্য সভাৰ আজীৱন সদস্য তামুলী ছাৰে "সমন্বয়" নামৰ এখন দুমহীয়া আলোচনীও সম্পাদনা কৰিছিল।



**স্বৰ্গীয় সৰোজ দত্ত ঃ** ইংৰাজী বিভাগৰ মুৰব্বী পিছলৈ আমাৰ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হোৱা সৰোজ দত্ত ছাৰ আছিল এজন সাহিত্য সমালোচক, নিবন্ধকাৰ আৰু অনুবাদক। 'আৱাহন' আৰু 'প্ৰতিধ্বনি'ত তেখেতে লিখা সমালোচনামূলক প্ৰবন্ধই এটা সময়ত আলোড়নৰ সৃষ্টি কৰিছিল। তেখেতে সমালোচনামূলক প্ৰবন্ধ সংকলন "সাহিত্য জিজ্ঞাসা" আৰু ধৰ্মীয় সমালোচনামূলক গ্ৰন্থ "বিষ্ণু কল্পলতা" নামৰ দুখন গ্ৰন্থ লিখাৰ উপৰিও "Divine Verses" নামেৰে মাধৱদেৱৰ নামঘোষাখনো ইংৰাজীলৈ অনুবাদ কৰি অসমীয়া সাহিত্যজগতলৈ এক অমূল্য অৱদান আগবঢ়াই থৈ গৈছে। "Vision" নামৰ এখন ইংৰাজী আলোচনীও তেখেতে সম্পাদনা কৰিছিল।

**স্বৰ্গীয় ড° বিপিন চন্দ্ৰ চেতিয়া ঃ** আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ পদত অধিষ্ঠিত চেতিয়া ছাৰ আছিল দৰ্শন বিভাগৰো মুৰব্বী অধ্যাপক। 'প্ৰান্তিক'কে

আদি কৰি কেইবাখনো আগশাৰীৰ আলোচনীত প্ৰবন্ধ লিখি তেখেত জনপ্ৰিয় হৈছিল। তেখেতৰ উল্লেখযোগ্য গ্ৰন্থখন হ'ল Advaitavada Sankar Deva's Theology. দৰ্শনৰ বিষয়ে কেইবাখনো স্নাতক পৰ্যায়ৰ পাঠ্যপুথিও তেখেতে লিখি থৈ গৈছে। ''আমি অসমীয়া নহওঁ দুখীয়া'' চেতিয়াদেৰৰ এখন হাস্য-ব্যংগৰ প্ৰকাশিত পুথি।

**ড° যোগেন্দ্ৰনাথ ফুকন** ঃ এসময়ৰ তিনিচুকীয়া মহাবিদ্যালয়ত কৰ্মৰত আৰু পিছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক হোৱা ড° যোগেন্দ্ৰনাথ ফুকন একেধাৰে ইতিহাসবিদ আৰু তাই সংস্কৃতিৰ গৱেষক। তেখেতে Economic History of Assam under the Ahoms ৰ সম্পৰ্কে গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ উপৰিও আহোম বুৰঞ্জীৰ বিষয়ে বহুতো কাম কৰিছে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তেখেতে বহুতো গৱেষণামূলক প্ৰবন্ধ পাঠ কৰিছে। লণ্ডন, থাইলেণ্ড, য়ুনান আদি ঠাইত অনুষ্ঠিত হোৱা সন্মিলনলৈ যোৱা এই ইতিহাসবিদ জনে অসমৰ বুৰঞ্জী সাহিত্যলৈ যথেষ্ট বৰঙণি আগবঢ়াইছে।

**ড° নোমল চন্দ্ৰ গগৈ** ঃ ড° নোমল চন্দ্ৰ গগৈ অসমৰ এজন বিশিষ্ট তাই পণ্ডিত। ইতিহাসৰ ভুল ব্যাখ্যাক মানি ল'ব নোৱাৰা ছাৰ আছিল আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক। তাই-ফাকে ভাষাৰ বিষয়ে গৱেষণা কৰি ডক্টৰেট লোৱা ছাৰ অসমীয়া ভাষা-সাহিত্যৰো এজন একান্ত সেৱক। এইজনা লেখকে বৰ্তমানেও হাতৰ কলম থমকি ৰবলৈ দিয়া নাই। তেখেতৰ প্ৰকাশিত পুথি হৈছে মায়ামৰা সম্প্ৰদায়, তাই ভাষা আৰু সাহিত্য, তাই ভাষাৰ ব্যাকৰণ, Assamese-English-Tai Dictionary , পেন কা-কা (সৃষ্টি তত্ত্ব) ম খাম (তাই ভাষাৰ গীত)। অসমৰ ইতিহাসৰ বিষয়ে প্ৰচুৰ দখল থকা স্পষ্টবাদী ছাৰে এতিয়া আহোম বুৰঞ্জীৰ এক সিংহাৱলোকন নামেৰে এখন গ্ৰন্থ লিখাৰো যো-জা চলাই আছে।

**শ্ৰীকনক চন্দ্ৰ বৰা** ঃ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী আৰু আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ পদ অলংকৃত কৰা বৰা ছাৰ এজন উদাৰ, প্ৰচাৰবিমুখ ব্যক্তি। শিক্ষক হিচাপে, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে তেখেতে তিনিখন পাঠ্যপুথি লিখাৰ উপৰিও ''অনুগ্ৰহ কৰি হাত নিদিয়ে যেন'' আৰু ''অৰণ্যৰ ৰাতি'' নামেৰে দুখন কবিতা পুথিৰ সংকলন প্ৰকাশ কৰিছে। অসম সাহিত্য সভাৰ আজীৱন সভ্য, সমাজ সচেতন ব্যক্তি ছাৰে বহুতো আলোচনী, স্মৃতিগ্ৰন্থত প্ৰবন্ধ লিখাৰ উপৰিও প্ৰান্তিক তথা বাতৰিকাকতত সময়োপযোগী চিঠি-পত্ৰ লিখি পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

**ড° শিৱনাথ শৰ্মা** ঃ আমাৰ মহাবিদ্যালয়ৰ একালৰ মেধাৱী ছাত্ৰ ড° শিৱনাথ শৰ্মাই ইয়াত শিক্ষকতাও কৰিছিল। তেখেতে পিছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ অধ্যাপক হয়। ''Critical study of the religious philosophy of Rudalf Otto'' ৰ বিষয়ে গৱেষণা কৰি তেখেতে ডক্টৰেট ডিগ্ৰী লাভ কৰে আৰু ইয়াক পিছত গ্ৰন্থ ৰূপ দিয়া হয়। দৰ্শনত বিষয়ত তেখেতৰ খ্যাতি ভাৰত বিয়পা।

**স্বৰ্গীয় অনিল কুমাৰ বৰুৱা** ঃ আমাৰ মহাবিদ্যালয়ৰ গণিত বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক বৰুৱা ছাৰ আছিল একেধাৰে কবি, গীতিকাৰ, নাট্যকাৰ, সু-অভিনেতা, আৰু ৰাজনীতিবিদ। মাৰ্ক্সীয় দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত ছাৰ আছিল অতিকৈ সমাজ সচেতন ব্যক্তি। তিনিচুকীয়া নগৰৰ প্ৰায় সকলোবোৰ গণতান্ত্ৰিক সংগঠনৰ সৈতে নিজকে জড়িত কৰি ভালপোৱা এই অক্লান্ত সংগ্ৰামীজনে এখন শোষণমুক্ত সমাজৰ কথা ভাবিয়েই জনতাৰ জয়গানৰ কথা লিখি থৈ গ'ল। অনাহূতভাৱে আততায়ীৰ হাতত প্ৰাণ হেৰুওৱা এইজন ব্যক্তিৰ গীত আৰু প্ৰবন্ধসমূহ একেলগ কৰি দুখন সংকলন ইতিমধ্যে প্ৰকাশ কৰা হৈছে। তেখেতৰ গীতৰ সংকলনটো হ'ল ''মন তোমাৰ সূৰ্যমুখী'' আৰু প্ৰবন্ধ সংকলনটোৰ নাম ''অনিল কুমাৰ বৰুৱাৰ নিৰ্বাচিত প্ৰবন্ধ সংকলন''। নিজৰ ব্যক্তিত্ব, আদৰ্শ, কৰ্ম আৰু সাহিত্য প্ৰতিভাৰে একো গৰাকী ব্যক্তি এটা জাতি বা অনুষ্ঠানৰ বৰেণ্য ব্যক্তিৰূপে যে পৰিগণিত হ'ব পাৰে তাৰ জীৱন্ত নিদৰ্শন হৈছে বৰুৱা ছাৰ।

**শ্ৰীজয়া ভৰালী হাজৰিকা** ঃ আমাৰ মহাবিদ্যালয়ৰ প্ৰাণীবিদ্যা বিভাগৰ মুৰব্বী অধ্যাপিকা জয়া ভৰালী হাজৰিকা বাইদেউ বিশেষভাৱে এগৰাকী প্ৰকৃতি সচেতন মহিলা। পশু-পক্ষী আৰু প্ৰকৃতিক ভাল পোৱা বাইদেৱে এই সম্পদসমূহৰ সুব্যৱহাৰত গুৰুত্ব দি নানা প্ৰবন্ধ ইতিমধ্যে লিখি উলিয়াইছে। ''সখিয়তী'' নামৰ Assam Zoological Society, Tinsukia Branch এ প্ৰকাশ কৰা আলোচনীখনৰো বাইদেউ আছিল সম্পাদিকা। সমাজ-জীৱনলৈ তেখেতৰ উল্লেখযোগ্য বৰঙনি হ'ল ''জাংফাই'' নামৰ চেমনীয়াৰ আলোচনীখন। নিজে সম্পাদনাৰ দায়িত্ব লৈ আকৰ্ষণীয় ছপা আৰু বিভিন্ন ছবিৰে এনে এখন উচ্চমানৰ আলোচনী সম্পাদনা কৰি উলিওৱাটো সঁচাকৈয়ে প্ৰশংসনীয়। কিন্তু অশেষ কষ্ট আৰু পৰিশ্ৰমৰ পাছতো আলোচনীখনৰ অকাল মৃত্যুৱে সংবাদ তিনিচুকীয়া তথা অসমবাসীৰ বাবে দুৰ্ভাগ্যজনক।

**শ্ৰীবিজন দত্ত** ঃ দৰদী কণ্ঠেৰে শ্ৰোতাৰ হিয়া-মন জুৰ পেলোৱা বিজন দত্ত ছাৰ আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা, আকাশবাণী আৰু দূৰদৰ্শনৰ স্বীকৃত গায়ক হোৱাৰ উপৰিও তেখেত এজন সুৰকাৰো। মহাবিদ্যালয় সংগীতকে ধৰি বহু গীত তেখেতে সুৰ দিছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থ ''Tribal Folk Songs of Upper Assam'' অসমীয়া গীতি-সাহিত্যলৈ উল্লেখযোগ্য অৱদান। সংস্কৃতি বিষয়ক তেখেতৰ কেইবাটাও প্ৰবন্ধ ইতিমধ্যে প্ৰকাশ হৈছে।

**ড° মদন শৰ্মা** ঃ তিনিচুকীয়া মহাবিদ্যালয়ৰ একালৰ ইংৰাজী বিভাগৰ প্ৰবক্তা আৰু বৰ্তমান তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী আৰু বিদেশী ভাষা বিভাগৰ মুৰব্বী অধ্যাপক শৰ্মাছাৰে চুটি গল্প, কবিতা, গীত, উপন্যাস মৌলিক প্ৰবন্ধ, সমালোচনাত্মক প্ৰবন্ধ আৰু শেহতীয়াভাৱে ভ্ৰমণ কাহিনী লিখি অসমীয়া ভাষা সাহিত্যলৈ যথেষ্ট বৰঙনি আগবঢ়াইছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত ''অতবোৰ তৰাফুল''(কবিতা), জীৱনৰ মুখামুখি এদিন, তোমাৰ মাত (গল্প সংকলন), তেজাল স্বপ্ন আৰু বসুন্ধৰাত প্ৰকাশিত ''চিনাকি পৃথিৱীৰ সিপাৰে, নামৰ উপন্যাসে প্ৰচুৰ জনপ্ৰিয়তা লাভ কৰিছে। তদুপৰি অসমৰ বাতৰি কাকত, আলোচনীতো বহুতো লেখা প্ৰকাশ হোৱা ড° মদন শৰ্মা অসমীয়া পাঠকৰ এটা চিনাকি নাম। মহাবিদ্যালয়ত থকা কালত তিনিচুকীয়াৰ পৰা প্ৰকাশিত প্ৰায়বোৰ স্মৃতিগ্ৰন্থতে তেখেতৰ লেখা প্ৰকাশ হোৱাৰ উপৰিও কেইবাখনো স্মৃতিগ্ৰন্থ তেখেতে সম্পাদনা কৰি উলিয়াইছে। উল্লেখযোগ্য যে, তিনিচুকীয়া মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সঙ্গীত' টোৰো গীতিকাৰ এই শৰ্মাদেৱ।

**ড° ভুবন চন্দ্ৰ গগৈ** ঃ বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ভুবন গগৈদেৱে ইতিমধ্যে বিভিন্ন পত্ৰিকাত প্ৰবন্ধ লিখি সমাজ সচেতনতাৰ পৰিচয় দিছে। তেখেতে স্নাতক মহলাৰ বাবে ''প্ৰাকৃতিক ভূগোল (ভূ প্ৰাকৃতিক বিজ্ঞান)'' নামৰ এখন পাঠ্যপুথি লিখি উলিয়াইছে। তেখেতৰ দুখন গ্ৰন্থ ''Flood Hazards of Assam and Impact of Flood on Human Occupance - A case study in Sadiya Region, Assam''আৰু ''জ্যোতি সংগীত ঃ অ' মোৰ আপোন সেউজীয়া''.

**শ্ৰীৰঞ্জন কুমাৰ দাস** ঃ ইতিমধ্যে চৰাইৰ বিষয়ে প্ৰবন্ধ লিখি পাঠকৰ মন আকৰ্ষণ কৰা ৰঞ্জন দাস আমাৰ মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ প্ৰবক্তা। অলপতে তেখেতে লিখি উলিওৱা ''পাখীৰ কাকলিত ডিব্ৰু-চৈখোৱা'' নামৰ গ্ৰন্থখন প্ৰকাশ কৰিছে। প্ৰান্তিক আদি আলোচনীত প্ৰবন্ধ লিখা চৰাই প্ৰেমী ৰঞ্জন দাসে ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক আলোচনা চক্ৰত অংশ গ্ৰহণ কৰি আমাৰ এই সৰু ঠাইখনৰ বিভিন্ন প্ৰজাতিৰ চৰাইৰ বিষয়ে অৱগত কৰাই প্ৰকৃতিপ্ৰেমীক মুগ্ধ কৰিবলৈ সক্ষম হৈছে।

**শ্ৰীমতী সুদক্ষিণা দাস** ঃ তিনিচুকীয়া মহাবিদ্যালয়ৰ একালৰ প্ৰাণীবিদ্যা বিভাগৰ প্ৰবক্তা, বৰ্তমান কানৈ মহাবিদ্যালয়ত কৰ্মৰতা সুদক্ষিণা দাসে নানা বিষয়ত প্ৰবন্ধ লিখি আৰু ৰেডিঅ' তথা টিভিৰ আলোচনা-সমালোচনাত ভাগ লৈ ইতিমধ্যে নিজৰ সমাজ সচেতনতাৰ পৰিচয় দিছে। তেখেত আমাৰ মহাবিদ্যালয়ত থকা সময়তে ''মানুহৰ বাবে ঔষধ নে ঔষধৰ বাবে মানুহ'' নামৰ এখন গ্ৰন্থ লিখি বিজ্ঞান সাহিত্যৰ ভঁৰাললৈ অৱদান আগবঢ়াইছে।

**ড° বন্দনা পূজাৰী** ঃ বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা বন্দনা পূজাৰীয়ে কেইবাটাও তত্ত্বগধুৰ প্ৰবন্ধ লিখি পাঠকৰ মন জয় কৰিছে। অলপতে তেখেতে স্নাতক মহলাৰ বাবে দুখন পাঠ্যপুথি লিখি উলিয়াইছে। এখন হ'ল ''ভাৰতীয় দৰ্শনত এভুমুকি'' আৰু আনখন ''পাশ্চাত্য দৰ্শনৰ ইতিহাস''।

**শ্ৰীদেৱানন্দ ভট্টাচাৰ্য** ঃ আমাৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰবক্তা দেৱানন্দ ভট্টাচাৰ্যই ইতিমধ্যে অসমৰ উল্লেখযোগ্য আলোচনী, বাতৰি কাকত আদিত কবিতা লিখি নিজৰ কাব্য প্ৰতিভাৰ প্ৰমাণ দিছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থ হ'ল ''প্ৰেম নদী ইত্যাদি''।

**ড° জ্যোতি প্ৰসাদ চলিহা** ঃ আমাৰ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক হোৱাৰ উপৰিও উপাধ্যক্ষও আছিল, তেখেতে তিনিচুকীয়াৰ পৰা প্ৰকাশিত বিভিন্ন আলোচনী আৰু স্মৃতিগ্ৰন্থত তিনিচুকীয়া জিলাৰ অৰ্থনীতি, বিশেষকৈ কৃষি আৰু উদ্যোগজড়িত গৱেষণামূলক প্ৰবন্ধ লিখি সমাজ জীৱনলৈ বৰঙনি আগবঢ়াইছে।

**শ্ৰীসবিতা (মিত্ৰ) পুৰকায়স্থ** ঃ আমাৰ মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অধ্যাপিকা। তেখেতৰ বহুতো গৱেষণামূলক প্ৰবন্ধ All India Sc. Conference ৰ আলোচনী আৰু Geographial Review of India ত প্ৰকাশিত। বিশেষকৈ ভাৰতৰ জনগাঁথনিৰ বিষয়ে তেখেতে লিখা প্ৰবন্ধ বহুতেই এতিয়া প্ৰসঙ্গ নথি হিচাপে ব্যৱহাৰ কৰে।

মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰবক্তা ড° অপূৰ্ব ভাস্কৰ গগৈৰ অধ্যয়নৰ পৰিসৰ বিস্তৃত। তেখেতে উদ্ভিদৰ সন্দৰ্ভত কৰা গৱেষণা আৰু তিনিচুকীয়া জিলাৰ গছ-গছনিৰ সম্পৰ্কে লিখা প্ৰবন্ধ বিশেষকৈ বনৌষধিৰ সম্পৰ্কে লিখাৰ প্ৰবন্ধসমূহ ভৱিষ্যত প্ৰজন্মৰ বাবে নিশ্চয় গৱেষণাৰ বিষয় হ'ব।

আমাৰ মহাবিদ্যালয়ৰ ড° মনীন্দ্ৰ চন্দ্ৰ নাথেই হ'ল ডিব্ৰুগড়

বিশ্ববিদ্যালয়ত পি এইচ ডি থেচিচ অসমীয়া ভাষাত লিখা প্ৰথম গৱেষক। বাংলা ভাষাৰ মুৰব্বী নাথ ছাৰ অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰি আমাৰ ভাষা–সাহিত্যলৈ অৱদান আগবঢ়াইছে।

মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ শিক্ষক স্বৰ্গীয় নাৰায়ণ চন্দ্ৰ ভৌমিক, সোমেশ্বৰ হাজৰিকা আৰু অঞ্জন বৰঠাকুৰে মাজে সময়ে ‘‘বিজ্ঞান জেউতি’’ত প্ৰবন্ধ লিখাৰ উপৰিও অসমীয়া বিজ্ঞান বিশ্বকোষলৈও প্ৰবন্ধ লিখি বিজ্ঞান সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

আন্তৰ্জাতিক স্তৰৰ আলোচনীত ড° সুখেন চক্ৰৱতী, ড° ঋষি দাস, ৰাজীৱ বৰদলৈ, ৰাজীৱ কোঁৱৰ, ড° অচ্যুত কুমাৰ বৰঠাকুৰৰ গৱেষণামূলক প্ৰবন্ধ প্ৰকাশ পাইছে। ড° বৰঠাকুৰে বেংককত আন্তৰ্জাতিক আলোচনাচক্ৰত ভাগলোৱাৰ উপৰিও অসমীয়া বুৰঞ্জী বিশ্বকোষতো তথ্য যুগুতাই দিছে। মহাবিদ্যালয়খনত বৰ্তমান কৰ্মৰত প্ৰায়খিনি শিক্ষকেই নিজৰ নিজৰ পথাৰত কৰ্ষণ কৰি আছে। সামাজিক দায়িত্ববোধ পালন কৰাৰ লগতে তেখেতসকলে আলোচনী, বাতৰি কাকত, স্মৃতিগ্ৰন্থ আদিত হয় লিখিছে নহয় সম্পাদনা কৰিছে। বিশেষকৈ ইংৰাজী বিভাগৰ ৰাণা চাংমাইৰ সম্পাদনাত ওলোৱা আমাৰ মহাবিদ্যালয়ৰ চাৰিমহীয়া আলোচনী ‘প্ৰজ্ঞানে’ এইক্ষেত্ৰত এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। ‘প্ৰজ্ঞান’ প্ৰকাশত বাংলা বিভাগৰ প্ৰবক্তা সুশান্ত কৰৰ ঐকান্তিক চেষ্টাৰ প্ৰশংসা নকৰিলে অবিচাৰ কৰা হ’ব।

এই প্ৰবন্ধতে সকলো কথা সামৰাটো সহজ নহয়। সেই কথা জানিও এটা আভাস দিবলৈহে চেষ্টা কৰা হৈছে। ত্ৰুটি মাৰ্জনাৰ আশা কৰি শেষত এটা কথাই কওঁ, যিসকল শিক্ষকৰ শ্ৰম, নিষ্ঠা আৰু ঐকান্তিক সেৱাৰে এই অঞ্চলটোৰ লগতে দেশবাসীৰো গৌৰৱ বৃদ্ধি হৈছে সোণালী জয়ন্তী উদযাপনৰ সময়ত সেই সকলো শিক্ষকলৈ সশ্ৰদ্ধ প্ৰণাম জনালোঁ। ■

*(মহাবিদ্যালয়ৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ ‘অভিজ্ঞান’ৰ পৰা পুনঃমুদ্ৰিত)*

## বিশেষ ঃ

**‘তাঙ্কা’ জাতি ঃ** ৭০০ বসতি থকা এখন মানুহৰ গাঁও, যিখন আছে চীন দেশৰ ফুজিয়ান প্ৰদেশৰ দক্ষিণ–পূৱৰ ‘নিংগৰে’ চহৰৰ ওচৰৰ সমুদ্ৰৰ ওপৰত। এই গাঁওখন সদায় সাগৰৰ পানীত ভাঁহি থাকে। ‘তাঙ্কা’ নামৰ এটা মাছমৰীয়া জাতিয়ে সম্ভৱত ৭০০ খৃষ্টাব্দৰ পৰাই তাৰ শাসকসকলৰ উৎপীড়নৰ বাবে অসন্তুষ্টি প্ৰকাশ কৰি এনেদৰে বসবাস কৰি আহিছে আৰু আজিকোপটি আধুনিক জীৱন–যাপন যাত্ৰাৰ প্ৰতি আকৰ্ষিত হোৱা নাই। তেওঁলোকৰ ঘৰবোৰ সমুদ্ৰত নাৱৰ ওপৰত ভাঁহি ফুৰে আৰু সেইবাবে তেওঁলোকক ‘জিপ্সীজ অৱ দ্যা চী’ বুলি কোৱা হয়। কাচিৎহে তেওঁলোক মাটিলৈ আহে। ‘তাঙ্কা’ সকলৰ গোটেই জীৱন নাওঁতে বসবাস কৰি মাছ মাৰোতেই পাৰ হৈ যায়। অৱশ্যে তেওঁলোকে পানীতেই কাঠেৰে ডাঙৰ ডাঙৰ প্লেটফৰ্ম নিৰ্মাণ কৰি লয়। চীনত কমিউনিষ্ট শাসন প্ৰতিস্থা হোৱা পৰ্যন্ত তেওঁলোকে সমুদ্ৰৰ পাৰৰ মাটিতটো ভৰি দিয়া নাছিলেই, বৰং সমুদ্ৰৰ পাৰত বসতি কৰা অন্য জাতিৰ সৈতে তেওঁলোকৰ কোনো বৈবাহিক আদান–প্ৰদানো নাছিল। সম্পূৰ্ণ নিজ গোত্ৰৰ মাজতেই বিবাহ বৰ্তি আছিল। এতিয়া কিছুদিনৰ আগতে স্থানীয় চৰকাৰৰ প্ৰেৰণাত এই ‘তাঙ্কা’ জনজাতিৰ কোনো লোকে সমুদ্ৰৰ পাৰত ঘৰ সাজিবলৈ লৈছে।





মহাবিদ্যালয়ৰ আলোচনীৰ
**ভঁৰালৰ পৰা**

পুনঃ মুদ্ৰণ–৪



# তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় উমা প্ৰসন্ন দে

সুনীল গোহাঁই
প্ৰাক্তন ছাত্ৰ

শিক্ষা জাতিৰ মেৰুদণ্ডস্বৰূপ। শিক্ষাৰ অগ্ৰগতিয়ে ঠাইডোখৰৰ অগ্ৰগতিৰো চানেকি দাঙি ধৰে। শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ নোহোৱা পৰ্যন্ত এখন ঠাইৰ জনমানসত কোনো চিন্তা চৰ্চাৰ স্ফুৰণ ঘটিব নোৱাৰে। ইংৰাজসকলৰ ভাৰত আগমনৰ আগলৈকে আমাৰ দেশত কেৱল সংস্কৃত আৰু পাচী ভাষাৰেই শিক্ষাদান কৰাৰ ব্যৱস্থা আছিল। ইংৰাজসকল আহি ভাৰতত ইংৰাজী শিক্ষাৰ প্ৰচলনৰ ব্যৱস্থা কৰে। দেশৰ বিভিন্ন স্থানত নতুন নতুন শিক্ষানুষ্ঠানৰ জন্ম হয়। ইংৰাজ শাসনৰ আধুনিক শিক্ষাৰ আঁচনি মতে আমাৰ অঞ্চলতো নতুন শিক্ষা পদ্ধতিৰে শিক্ষা দিয়াৰ কাম আৰম্ভ কৰা হয়।

উনবিংশ শতিকাৰ শেষত ১৮৯৭ চনত কেইজনমান ছাত্ৰ–ছাত্ৰীৰে তিনিচুকীয়াত আদৰ্শ প্ৰাথমিক বিদ্যালয় নামেৰে এখন প্ৰাথমিক শিক্ষাৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰি পোন প্ৰথমে তিনিচুকীয়াৰ প্ৰাথমিক শিক্ষাৰ পাতনি মেলা হয়। লাহে লাহে যুগৰ বতাহে তিনিচুকীয়ালৈ বহু পৰিৱৰ্তন আনিলে। অনেক প্ৰাথমিক, মাধ্যমিক বিদ্যালয় গঢ় লৈ উঠিল। বিভিন্ন সময়ত তিনিচুকীয়াত শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত সিদ্ধেশ্বৰ গগৈ, চশ্মে নুৰজাহান বেগম, মুক্তানাথ বৰঠাকুৰ, নগেন গগৈ আদিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ অঞ্চলটোক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিয়াত সহায় কৰিলে।



প্ৰৱেশিকা পৰীক্ষাত ছাত্ৰ–ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ বাঢ়ি অহাৰ লগে লগে তিনিচুকীয়া অঞ্চলৰ ৰাইজে উচ্চ শিক্ষাৰ সপোন দেখিবলৈ ধৰিলে। তিনিচুকীয়াৰ কেইগৰাকীমান বিদ্যানুৰাগীৰ চিন্তাত অঞ্চলটোত এখন মহাবিদ্যালয়ৰ স্বপ্নই দোলা দিলে। সেই সূত্ৰেই ১৯৫৬ চনৰ এক শুভক্ষণত এখন ৰাজহুৱা সভাত তিনিচুকীয়াৰ এগৰাকী শিক্ষাপ্ৰেমী ৰাজনীতিক স্বৰ্গীয় যদুনাথ ভূঞাক সভাপতি আৰু দুগৰাকী শিক্ষাবিদ স্বৰ্গীয় চাইফউদ্দিন আহমদ আৰু স্বৰ্গীয় উমাপ্ৰসাদ দেক যুটীয়া সম্পাদকৰূপে লৈ গঠিত হ’ল তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰথমখন পৰিচালনা সমিতি। সৌভাগ্যৰ কথা আজি মহাবিদ্যালয়খনে সগৌৰৱে পঞ্চাশ বছৰ অতিক্ৰম কৰি মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছেহি।

১৯৫৬ চনত পাতনি মেলা তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকীয়েই আছিল এক বিশাল ব্যক্তিত্বৰ অধিকাৰী স্বৰ্গীয় উমাপ্ৰসন্ন দে। অসমৰ আধুনিক শিক্ষাৰ অন্যতম বাটকটীয়া স্বৰ্গীয় উমাপ্ৰসন্ন দেৰ বিষয়ে একাষাৰে ক’বলৈ গ’লে ‘অতি সাধাৰণভাৱে জীৱন যাপন কৰা এগৰাকী অতি অসাধাৰণ ব্যক্তি।’ স্বৰ্গীয় দে ছাৰ আছিল কোনো আড়ম্বৰপূৰ্ণ জীৱনৰ প্ৰতি মোহাকৃষ্ট নোহোৱা সহজ–সৰল মানুহ। আজিৰ দৰে তেখেতে সেই দিনত অধ্যক্ষৰ আসনত বহি সহজভাৱে অধ্যক্ষৰ কাম চলাব পৰা নাছিল। প্ৰতিটো মুহূৰ্ততে বাধাৰ মুখামুখি হ’বলগা হৈছিল। কাৰণ নতুনকৈ স্থাপিত হোৱা মহাবিদ্যালয়ৰ ঘৰ–দুৱাৰ বুলিবলৈ একোৱেই নাই। প্ৰথম অৱস্থাত শ্ৰেণীসমূহ দুবছৰলৈ চেনাইৰাম উচ্চ (বৰ্তমান উচ্চতৰ) মাধ্যমিক বিদ্যালয়তে ৰাতিপুৱাৰ ভাগত হোৱাৰ কৰা হৈছিল। তেনে এটা অৱস্থাত স্বৰ্গীয় উমাপ্ৰসন্ন দে ছাৰে অতি দক্ষতাৰে মহাবিদ্যালয়খনক গঢ় দিয়াৰ কামত নিজকে নিয়োগ কৰে।

স্বৰ্গীয় উমা প্ৰসন্ন দে ছাৰে জন্মগ্ৰহণ কৰিছিল সেই সময়ৰ পূৰ্ব বঙ্গৰ (আজিৰ বাংলাদেশ) ঢাকাৰ ওচৰৰ বিক্ৰমপুৰ নামৰ এখন সৰু চহৰত। তাতে স্কুলীয়া আৰু কলেজীয়া শিক্ষা গ্ৰহণ কৰি তেখেতে ঢাকা বিশ্ববিদ্যালয়ত ইংৰাজী সাহিত্য বিভাগত নাম ভৰ্ত্তি কৰে আৰু তাৰ পৰাই এম এত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হৈ সোণৰ পদক পাবলৈ সক্ষম হয়। উল্লেখ্য যে স্বৰাজোত্তৰ কালত ঢাকা বিশ্ববিদ্যালয় ভাৰতবৰ্ষৰ ভিতৰতেই এখন

স্বনামধন্য বিশ্ববিদ্যালয় হিচাপে পৰিগণিত আছিল। স্বৰ্গীয় উমা প্ৰসন্ন দে শিক্ষা জীৱনৰ আৰম্ভৰ পৰাই তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ ৰূপে পৰিচিত আছিল। অতি সুখ্যাতিৰে এম এ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত কেইবাটাও লোভনীয় চৰকাৰী চাকৰি তেখেতক যচা হৈছিল যদিও স্বৰ্গীয় দে ছাৰে এই চাকৰিৰ মোহ পৰিত্যাগ কৰি শিক্ষাদানকে জীৱনৰ ব্ৰত ৰূপে ল'বলৈ ঠিৰাং কৰিলে। শিক্ষাজীৱন সমাপ্ত কৰি স্বৰ্গীয় দে ছাৰে আজিৰ পৰা প্ৰায় ৭৫ বছৰ পূৰ্বে সুদূৰ ঢাকা চহৰৰ পৰা আহি পোনপ্ৰথমে ডিব্ৰুগড়ত ভৰি দিয়েহি। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যিক স্বৰ্গীয় নীলমণি ফুকনৰ অনুৰোধক্ৰমে ডিব্ৰুগড়ৰ জৰ্জ ইনষ্টিটিউটত শিক্ষক জীৱনৰ পাতনি মেলে। তেতিয়াৰ জৰ্জ ইনষ্টিটিউট নামৰ বিদ্যালয়খনেই আজিৰ ডিব্ৰুগড় জিলাৰ এখন আগশাৰীৰ বিদ্যালয় – 'বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়।' বিদ্যালয়খনি গঢ় লৈ উঠাৰ পাছতেই স্বৰ্গীয় দে ছাৰে হনুমান বক্স কানৈ মহাবিদ্যালয়ৰ ইংৰাজী অধ্যাপক হিচাপে যোগদান কৰে। মাজতে কিছুদিন শিৱসাগৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্বও গ্ৰহণ কৰে। স্বৰ্গীয় উমা প্ৰসন্ন দে ছাৰে শৃংখলাবদ্ধৰূপে স্থিতপ্ৰজ্ঞ হৈ এক সুস্থ সিদ্ধান্ত লোৱাৰ সাহস থকাৰ বাবেই এগৰাকী সফল অধ্যাপক আৰু অধ্যক্ষ হ'ব পাৰিছিল। শিৱসাগৰত কিছুদিন থকাৰ পাছত তিনিচুকীয়াত বাস কৰা তেখেতৰ কেইগৰাকীমান বন্ধুৰ অনুৰোধক্ৰমে তিনিচুকীয়ালৈ আগমন ঘটে। ১৯৫৬ চনত তিনিচুকীয়া মহাবিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত লোৱাৰ লগে লগে এগৰাকী দক্ষ অধ্যক্ষৰ প্ৰয়োজন হৈ পৰিল। এই ক্ষেত্ৰত স্বৰ্গীয় উমা প্ৰসন্ন দে ছাৰতকৈ দক্ষতা তথা অভিজ্ঞতা থকা অধ্যক্ষ আৰু কোন হ'ব পাৰে? দে ছাৰেও অতি আগ্ৰহেৰে ৰাইজৰ অনুৰোধ ৰক্ষা কৰি তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে যোগদান কৰিলে। স্থানীয় খৰ্গেশ্বৰ গোহাঁই পথৰ কৃষ্ণ মজুমদাৰৰ এটা ভাৰা ঘৰত প্ৰথমেই থিতাপি লৈ স্বৰ্গীয় দে ছাৰে তিনিচুকীয়াত উচ্চশিক্ষা প্ৰদানৰ মহান ব্ৰত লৈ আগবাঢ়ি আহিল। এখন নতুনকৈ প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়ৰ সমস্যা বহুত। প্ৰথম অৱস্থাত সকলো বাধা-বিঘিনিলৈ আওকাণ কৰি স্বৰ্গীয় দে ছাৰে একাগ্ৰতাৰে মহাবিদ্যালয়খনক অসমৰ ভিতৰতে এখন উল্লেখযোগ্য শিক্ষা প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ শপত গ্ৰহণ কৰে, যিটো আজি পূৰ্ণ হৈছে বুলি সকলোৱে অনুভৱ কৰিছে। প্ৰায় দহ বছৰ কাল মহাবিদ্যালয়খনৰ অধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰাৰ পাছত তিনিচুকীয়াত নাৰী শিক্ষা প্ৰসাৰৰ উদ্দেশ্য আগত ৰাখি জন্ম লাভ কৰা উইমেনচ্ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে যোগদান কৰে। ইতিমধ্যে তিনিচুকীয়া মহাবিদ্যালয়ত ছাত্ৰীৰ সংখ্যা দিনক দিনে বাঢ়ি যোৱাৰ হেতু সুকীয়াকৈ এখন মহিলা মহাবিদ্যালয়ৰ প্ৰয়োজনীয়তা আহি পৰিছিল। স্বৰ্গীয় উমা প্ৰসন্ন দেৱ একান্ত বন্ধু স্বৰ্গীয় অনাথবন্ধু বসু, স্বৰ্গীয় নৰেন আচাৰ্য, তেখেতৰে প্ৰিয় ছাত্ৰ স্বৰ্গীয় সুবোধ চন্দ্ৰ দে চৰকাৰ প্ৰমুখ্যে তিনিচুকীয়াৰ বিশিষ্ট শিক্ষাবিদ আৰু নাগৰিকৰ প্ৰচেষ্টাত ১৯৬৬ চনত তিনিচুকীয়া উইমেনচ্ কলেজখনে প্ৰতিষ্ঠা লাভ কৰে। এই মহিলা প্ৰতিষ্ঠানটো স্বৰ্গীয় দে ছাৰৰ অক্লান্ত পৰিশ্ৰম তথা আশাশুধীয়া প্ৰচেষ্টাৰ বাবে অতি কম সময়ৰ ভিতৰতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ কলেজসমূহৰ ভিতৰত এখন লেখত ল'বলগীয়া মহাবিদ্যালয়ৰূপে গঢ়ি উঠে। সেয়ে তিনিচুকীয়াত নাৰীৰ উচ্চ শিক্ষা প্ৰসাৰত চিৰনমস্য প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় উমা প্ৰসন্ন দে ছাৰৰ ত্যাগ আৰু মহানুভৱতাৰ কথা তিনিচুকীয়াবাসীয়ে সদায় মনত ৰাখিব।

সেইসময়ত স্বৰ্গীয় উমা প্ৰসন্ন দে উজনি অসমৰ এগৰাকী প্ৰসিদ্ধি লাভ কৰা শিক্ষাবিদৰূপে চিহ্নিত হৈ পৰিছিল। ইয়াৰ উপৰি তেখেত আছিল এগৰাকী সুবক্তা আৰু সুপ্ৰবন্ধকাৰ। তেখেতে ইংৰাজীতে লিখা বহু প্ৰবন্ধ-নিবন্ধ বিভিন্ন আলোচনী, বাতৰি কাকতত সিঁচৰতি হৈ আছে। তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰথম বৰ্ষৰ ছাত্ৰী, অৱসৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰীমতী নমিতা দে চৰকাৰ বাইদেউৰ পৰা জানিব পৰা মতে স্বৰ্গীয় দে ছাৰ ইংৰাজী সাহিত্যৰ শিক্ষক হ'লেও বাংলা আৰু অসমীয়া ভাষাৰ এগৰাকী অনুৰক্ত ব্যক্তি আছিল। স্বৰ্গীয় দে ছাৰৰ বাতৰিকাকত পঢ়াটো এটা নিচাৰ দৰেই আছিল। কলিকতাৰ পৰা প্ৰকাশিত বাতৰি কাকতৰ উপৰিও গুৱাহাটীৰ পৰা প্ৰকাশিত 'আসাম ট্ৰিবিউন' কাকতখন ছাৰৰ বৰ প্ৰিয় আছিল আৰু প্ৰত্যেক দিনে নিয়মিতভাৱে এই কাগজখন পঢ়িছিল। পিন্ধা-উৰাৰ ক্ষেত্ৰত স্বৰ্গীয় দে ছাৰৰ অকণো চখ নাছিল। আনকি তেখেতে ভৰিত দুই ৰঙৰ দুপাত মোজা পিন্ধিয়ো কেতিয়াবা শ্ৰেণী কোঠা পাইছিলহি। স্বৰ্গীয় দে ছাৰ আছিল অতি Serious ব্যক্তি। পাৰিবাৰিক জীৱনৰ দুখ-দৈন্যই তেখেতক বিচলিত কৰিব পৰা নাছিল। দায়িত্বৰ প্ৰতি তেখেত কিমান দায়বদ্ধ তাক এটা ঘটনাৰ পৰা উমান পোৱা যায়। পিতৃ হিচাপে তেখেতে বৰ জীক অত্যন্ত মৰম কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ বিয়াৰ পিছত এইগৰাকী জীয়েকক অকালতে হেৰুৱাব লগা হৈছিল। বৰ জীৰ মৃত্যু সংবাদ অহাৰ দিনা দে ছাৰ কলেজৰ কাৰ্যত ভীষণ ব্যস্ত, কাৰণ পিছদিনাই পৰীক্ষাৰ ফলাফল বাহিৰ কৰিব লাগে। মৰমৰ জীয়েকৰ মৃত্যুৰ বাতৰি পায়ো দে ছাৰে বুকুৰ শোক বুকুতে চেপি ৰাখি কলেজৰ কাম শেষ কৰিহে ঘৰলৈ গৈছিল। এনেকুৱাই আছিল কৰ্তব্যপৰায়ণ স্বৰ্গীয় উমা প্ৰসন্ন দে ছাৰ।

এইজনা মহান বিদ্বানপুৰুষ, শিক্ষাব্ৰতী স্বৰ্গীয় উমা প্ৰসন্ন দেৰ ১৯৭৮ চনৰ ১৪ ফেব্ৰুৱাৰীৰ দিনা দেহাৱসান ঘটে। তেখেত আজি আমাৰ মাজত নাই। কিন্তু তেখেতৰ কৃতিত্ব তিনিচুকীয়াবাসী ৰাইজৰ মাজত সদায় সজীৱ হৈ থাকিব। মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী বৰ্ষত আমি সকলোৱে স্বৰ্গীয় দে ছাৰক স্মৰণ কৰিছোঁ আৰু আশা কৰিছোঁ ভৱিষ্যত প্ৰজন্মৰ বাবে তেখেতৰ আদৰ্শ জীৱন পথৰ পাথেয় হওক। ■

*(মহাবিদ্যালয়ৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ 'অভিজ্ঞান'ৰ পৰা পুনঃমুদ্ৰিত)*





পাছচোতালৰ কথকতা

# থোৰতে আমাৰ গ্ৰন্থাগাৰ



পুথি হ'ল একোজন ব্যক্তিৰ থুপাই থোৱা 'বিদ্যাৰ ভঁৰাল'। ই হ'ল নিঃসঙ্গতাৰ সংগী, আন্ধাৰৰ পথ-প্ৰদৰ্শক আৰু জীৱন নাৱৰ গুৰি বঠা। লেখকসকলে অটল সাধনাৰে জ্ঞানৰ ভঁৰাল বান্ধে আৰু আমি সেই ভঁৰালৰ দ্ৰব্য উপভোগ কৰি জীৱনৰ বাবে মহামূল্যৱান জ্ঞান আহৰণ কৰিব পাৰোঁ।

বৰ্তমান যুগ তথ্য-প্ৰযুক্তিৰ যুগ। বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰৰ যুগ। এনে নতুন নতুন আৱিষ্কাৰে পুথি অধ্যয়নৰ প্ৰতি মানুহৰ স্পৃহা বহু পৰিমাণে হ্ৰাস কৰাৰ লগতে ব্যস্ততাপূৰ্ণ কৰ্মময় জীৱনেও পুথিৰ লগত মানুহৰ সম্পৰ্ক শিথিল কৰি তুলিছে। সভ্যতাৰ শিখৰত উপনীত হৈ আমি পাহৰি যাব নেলাগিব যে আজিৰ সভ্যতা, গ্ৰন্থ অধ্যয়নৰ ঢাপে ঢাপে আগবঢ়া শিখৰত প্ৰতিষ্ঠিত। গতিকে, জীৱনৰ সঠিক মূল্য উপলব্ধি কৰিবলৈ হ'লে গ্ৰন্থ অধ্যয়নৰ বিশেষ প্ৰয়োজন। আহক, কিতাপক বন্ধু হিচাপে গ্ৰহণ কৰি পঢ়নৰ এক পৰিৱেশ গঢ়ি তোলোঁ।

| | | |
|---|---|---|
| Total No. of Books | : | 33,107 (Upto 2015) |
| Total No. of Newspapers | : | 6 |
| Assamese | : | Asomiya Pratidin, Janambhumi, Amar Asom |
| English | : | Times of India, Telegraph, Assam Tribune |
| Weekly | : | Sadin, Employment News, Agradoot |
| Megazine | : | India Today, Frontline, Sports Star, Competition Success, Prantik, Goriyokhi, Desh, Sathy. |
| Xrox Mechin | : | 01 |
| Total No. of Computers in Library | : | 3 |



**Tinsukia College Lib. Staff**

Librarian - Vacant

| | |
|---|---|
| Asstt Librarian | – Mrs. Anima Hazarika |
| Lib. Asstt | – Mrs. Suni Das |
| Lib. Bearer | – Mr. Haresh Dutta |
| Lib. Bearer | – Mr. Pronob Konwar |
| Lib. Asstt (Cont.) | – Mr. Rubul Boruah |
| Grade IV | – Miss Jinu Goyari |

## মহাবিদ্যালয়ৰ মানচিত্ৰ








**পাছচোতালৰ কথকতা**

**তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ-একতা সভা কাৰ্যকালৰ খতিয়ান (২০১৪-১৫ বৰ্ষ)**



# উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিক শ্ৰদ্ধা জনাইছোঁ যি সকলৰ প্ৰচেষ্টাত এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল। লগতে যিসকলে এই মহাবিদ্যালয়ত নিজকে নিয়োজিত কৰি বৰ্তমান সময়লৈকে শিক্ষাৰ ক্ষেত্ৰত তিনিচুকীয়া মহাবিদ্যালয়ক উজলাই তুলিছে সেই সকলক ছাত্ৰ-একতা সভাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয় হিচাপে নাম থকা তিনিচুকীয়া মহাবিদ্যালয়ত উপ-সভাপতিৰ দৰে যি এক গুৰু দায়িত্ব অৰ্পণ কৰি মোক কাম কৰাৰ সুবিধা প্ৰদান কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে কৃতজ্ঞতা জনাইছোঁ।

তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ বাৰ্ষিক কাৰ্যসূচী সমূহত নিয়োজিত হৈ পৰিছিলোঁ। সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা ছাত্ৰ একতা সভাৰ বাৰ্ষিক কাৰ্যসূচী সমূহত শিক্ষা গুৰুসকলে আগবঢ়োৱা দিহা পৰামৰ্শ তথা মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ সহায় সহযোগিতাৰ বাবে আন্তৰিক ধন্যবাদ তথা সশ্ৰদ্ধ প্ৰণিপাত থাকিল।

তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচী তথা মহাবিদ্যালয়ৰ উন্নয়নৰ হকে গ্ৰহণ কৰা পদক্ষেপসমূহত কিছু সফল হ'লোঁ যদিও বহু ক্ষেত্ৰত দেখা যায় যে মহাবিদ্যালয়ৰ সমস্যা সমূহ সমাধান কৰাত এই এবছৰীয়া কাৰ্যকাল পৰ্যাপ্ত নহয়। আশা কৰোঁ পৰৱৰ্তী ছাত্ৰ একতা সভাই এই ক্ষেত্ৰত আগভাগ লব। মহাবিদ্যালয় বাৰ্ষিক কাৰ্যসূচী সমূহ ছাত্ৰ একতা সভাই নিয়াৰিকৈ পালন কৰা ক্ষেত্ৰত মোৰ যি দায়িত্ব তাক সদায় পালন কৰি যোৱা চেষ্টা কৰিছিলোঁ। এই ক্ষেত্ৰত কিমান সফল হ'লোঁ সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ উন্নীতকৰণ, ছাত্ৰী নিৱাসৰ পুনঃ নিৰ্মাণ, মাচুল হ্ৰাস তথা নামভৰ্ত্তিৰ মাচুল হ্ৰাস কৰা, আসন বৃদ্ধি আৰু আন্তঃগাঁথনিমূলক বিভিন্ন সমস্যা সমূহ সমাধান কৰা বাবে আবেদন জনাইছিলোঁ।

তিনিচুকীয়া মহাবিদ্যালয় এখন অসমৰ আগশাৰীৰ মহাবিদ্যালয় হিচাপে উজল থাকক আৰু মহাবিদ্যালয়খন সকলোৰে আদৰ্শ হওক, এই ক্ষেত্ৰত ইয়াত অধ্যয়ন কৰা প্ৰতি .... ছাত্ৰ ছাত্ৰীয়ে মহাবিদ্যালয়ৰ কাৰ্যসূচীসমূহত অংশ গ্ৰহণ কৰি তেওঁলোকৰ প্ৰতিভা সমূহ বিকাশ কৰক। মই ভাবোঁ মহাবিদ্যালয়ৰ বাৰ্ষিক কাৰ্যসূচী সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি বাধ্যতামূলক কৰি তুলিলে অনুষ্ঠান সমূহৰ লগত জড়িত হৈ তেওঁলোকে কিছু হ'লেও উপকৃত হ'ব তথা প্ৰতিযোগী সকলৰ পৰাও প্ৰেৰণা লাভ কৰিব। অন্তত অনুষ্ঠান সমূহত নিজেও কিবা এটা কৰা নাম কৰিব আৰু তেতিয়া অনুষ্ঠান সমূহ আয়োজন কৰা সাৰ্থক হ'ব বুলি ধাৰণা কৰে।

**কৃতজ্ঞতাৰ শৰাই ঃ** মোৰ কাৰ্যকালত বিভিন্ন সময়ত দিহা পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° ভুবন গগৈ ছাৰ তথা মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষা গুৰু, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া, ছাত্ৰ-ছাত্ৰী বন্ধুবৰ্গ ক্ৰমে ধ্ৰুৱজ্যোতি খনিকৰ, সত্যজিৎ, জিন্তু. নিৰঞ্জন, নয়ন, সৌৰভ, জিতুল, জ্ঞানচ˜˜, পুতল দা, বিকি দা, ভাই দা, সগৰ দা, আদিত্য দা, নয়ন দা, ধ্ৰুৱ দা, প্ৰণৱ দা, উদীপ দা, বিবেক দা, ভাইটি সম পাৰ্থ প্ৰতিম, পিকু আৰু তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ লগতে মোৰ সহপাঠী আৰু প্ৰাক্তন ছাত্ৰ একতা সভাৰ সদস্য সকল, ছাত্ৰী নিবাসৰ সমূহলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ এই কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে প্ৰতিবেদনৰ কলম সামৰিছোঁ।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ।।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

ভাস্কৰ বড়া
উপ সভাপতি

পাছচোতালৰ কথকতা

## তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ-একতা সভা কাৰ্যকালৰ খতিয়ান (২০১৪-১৫ বৰ্ষ)



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ছহিদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ যিসকল ছহিদে অসম মাতৃৰ কাৰণে নিজৰ প্ৰাণ আহুতি দিছে আৰু অসমৰ ইতিহাস মোহনীয়া কৰি থৈ গৈছে। ইয়াৰ লগে লগেই যিসকল মহান ব্যক্তি তথা শিক্ষাগুৰুৰ অশেষ পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত তিনিচুকীয়া মহাবিদ্যালয়খন গঢ় লৈ উঠিছে সেইসকলক মই শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

এক ঐতিহ্যমণ্ডিত শিক্ষা-মন্দিৰ তিনিচুকীয়া মহাবিদ্যালয় তিনিচুকীয়া জিলাৰ ভিতৰতেই নহয় উজনি অসমৰ আগশাৰীৰ শিক্ষা অনুষ্ঠান। এই মহাবিদ্যালয়ৰ ২০১৪-১৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক সাধাৰণ সম্পাদকৰ পদত বিপুল ভোটত জয়যুক্ত কৰি মহাবিদ্যালয়খনৰ বাবে সেৱা আগবঢ়াবলৈ সুবিধা দিয়া মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই এবছৰীয়া কাৰ্যকালত আপোনালোকৰ সহায়-সহযোগত কিমান দূৰ সফল হ'ব পাৰিলোঁ তাৰ বিচাৰৰ দায়িত্ব আপোনালোকৰ।

**এবছৰীয়া কাৰ্যকালৰ চমু খতিয়ান ঃ**

২৫ ছেপ্তেম্বৰ ২০১৪ তাৰিখে ছাত্ৰ একতা সভাৰ নিৰ্বাচন হয়। এই নিৰ্বাচনত ছাত্ৰ-ছাত্ৰীসকলৰ বিপুল সঁহাৰিত সফল হৈ মই তিনিচুকীয়া মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচন হওঁ।

১০ অক্টোবৰ ২০১৪ তাৰিখে অনুষ্ঠিত হোৱা শপত গ্ৰহণ অনুষ্ঠানত শপত বাক্য পাঠ কৰি নতুন কাৰ্যনিৰ্বাহ সমিতিখনে দায়িত্ব গ্ৰহণ কৰোঁ। জানুৱাৰী মাহৰ ১৬ ৰ পৰা ২৩ তাৰিখলৈ ৫০ তম্ সংখ্যক বাৰ্ষিক সপ্তাহ পালন কৰা হয়।

২৬ জানুৱাৰী ২০১৫ তাৰিখে গণতন্ত্ৰ দিৱস উপলক্ষ্যে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভুৱন গগৈদেৱৰ দ্বাৰা মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰা হয়।

১৯ আগষ্ট ২০১৫ তাৰিখে ৬০ তম্ সংখ্যক নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়।

অন্তৰংগ অনুষ্ঠানত উপস্থিত থকা আমন্ত্ৰিত ব্যক্তিসকল হ'ল ক্ৰমে - শ্ৰীযুত শ্যাম সুন্দৰ খাউণ্ড (প্ৰাক্তন ছাত্ৰ), শ্ৰীযুত ৰাজীৱ শৰ্মা (প্ৰাক্তন ছাত্ৰ), শ্ৰীযুত পৰশ চলিহা, শ্ৰীযুত প্ৰফুল্ল মিলি (প্ৰাক্তন সম্পাদক), শ্ৰীযুত আশীৰ্বাদ গগৈ (প্ৰাক্তন উপ সভাপতি), শ্ৰীযুত ঋতুৰাজ চুতীয়া (প্ৰাক্তন সাধাৰণ সম্পাদক), শ্ৰীযুত লক্ষ্যজ্যোতি চুতিয়া (প্ৰাক্তন সাধাৰণ সম্পাদক), শ্ৰীযুত উমাকান্ত গোহাঁই (প্ৰাক্তন সাধাৰণ সম্পাদক), দ্বীপজ্যোতি পৰাশৰ (প্ৰাক্তন সম্পাদক), ধ্ৰুৱজিত সোণোৱাল (প্ৰাক্তন সম্পাদক)।

ইয়াৰ উপৰিও এই অনুষ্ঠানটিত বহুতো প্ৰাক্তন ছাত্ৰ তথা প্ৰাক্তন সম্পাদক সকল উপস্থিত থাকে।

প্ৰতিশ্ৰুতি সমূহৰ ভিতৰত ২০১৪-২০১৫ ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ পুনৰ নিৰ্মাণ কৰা, মহাবিদ্যালয়ৰ শ্ৰেণীকোঠা তথা চাৰিসীমা সমূহ ৰং কৰা, তিনিচুকীয়া মহাবিদ্যালয়ৰ পতাকা উত্তোলনৰ পুনৰ নিৰ্মাণ কৰা, ছাত্ৰী নিৱাস মেৰামতি কৰিবলৈ অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছিলোঁ।

তাৰ ভিতৰত প্ৰেক্ষাগৃহ পুনৰ নিৰ্মাণৰ কাম চলি আছে। মহাবিদ্যালয় প্ৰতিটো শ্ৰেণীকোঠা আৰু বেঞ্চ-ডেস্ক ৰং কৰা হ'ল। মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাস মেৰামতি চলি আছে। আমি এবছৰীয়া কাৰ্যকালত এই কামখিনিহে কৰিব পাৰিলোঁ।



কৃতজ্ঞতাৰ শৰাই ঃ মোৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা শেষলৈ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ পৰামৰ্শ তথা সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ অক্ষ্যক্ষ ড° ভুৱন গগৈ ছাৰৰ লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়ালৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

লগতে মোৰ দাদা বন্ধুবৰ্গ ক্ৰমে - সদৌ অসম ছাত্ৰ সন্থাৰ উপ সভাপতি পুলক চেতিয়া, সমৰদা, তাৰিক দা, মনোৰম দা, আশীৰ্বাদ দা, সৰু দা, চিন্ময় দা, পুতুল দা, তাহিৰ দা, ভাই দা, গুতলো দা, আদিত্য দা, ধ্ৰুৱজিৎ সোণোৱাল, সূৰয, ছেত্ৰী, সত্যজিত, মোহিত, প্ৰাঞ্জল দা, গীতাঞ্জলীবা সমূহ কাৰ্যালয়ৰ কৰ্মকৰ্তা, তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থা, সদৌ মৰাণ ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ লগতে প্ৰাক্তন ছাত্ৰ একতা সভাৰ সদস্যসকল আৰু তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ সমূহ ছাত্ৰী আৰু তিনিচুকীয়া মহাবিদ্যালয়ৰ মোৰ সমূহ সহপাঠী বন্ধু-বান্ধৱী, দাদা বাইদেউ, ভাইটি-ভণ্টী সকলোলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন আৰু শলাগৰ শৰাই আগবঢ়ালোঁ।

এইখিনিতে মোৰ বৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি বিভাগীয় প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ।।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।।

**ৰাজীৱ চাউৰক**
সাধাৰণ সম্পাদক

পাছচোতালৰ কথকতা

## তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ-একতা সভা কাৰ্যকালৰ খতিয়ান (২০১৪-১৫ বৰ্ষ)



# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

নমস্কাৰ। জয়জয়তে প্ৰতিবেদনৰ আৰম্ভণিতে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ ছহিদ আৰু
নিৰ্যাতিত সকলোকে গভীৰ শ্ৰদ্ধা সুঁৱৰিছোঁ। দ্বিতীয়তে যিসকল মহান ব্যক্তি, শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তাৰ
অক্লান্ত প্ৰচেষ্টা, পৰিশ্ৰম আৰু ত্যাগৰ ফলস্বৰূপে তিনিচুকীয়া মহাবিদ্যালয়খন গঢ় লৈ উঠিছে সেইসকললৈ মই বিদ্যালয়ৰ ২০১৪-
১৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।

উজনি অসমৰ আগশাৰী শিক্ষানুষ্ঠান বিলাকৰ ভিতৰত তিনিচুকীয়া মহাবিদ্যালয়খনো ঐতিহ্যমণ্ডিত শিক্ষা অনুষ্ঠান। অসমৰ
ওচৰ চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ বহু ল'ৰা ছোৱালীয়ে এই শিক্ষা অনুষ্ঠানখনলৈ শিক্ষা গ্ৰহণ কৰিবলৈ আহে। এই
ঐতিহ্যমণ্ডিত তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰূপে নিৰ্বচিত হৈ মহাবিদ্যালয়ৰ সেৱা
আগবঢ়াবলৈ পাই মই নিজকে গৌৰৱ অনুভৱ কৰিছোঁ। যিসকল ছাত্ৰ-ছাত্ৰীয়ে সেৱা আগবঢ়াবলৈ মোক সুযোগ দিলে সেই
সকলক মই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। সহকাৰী সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি মই মোৰ কৰিবলগীয়া কাম
নিষ্ঠা সহকাৰে পালন কৰিলোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শপত গ্ৰহণৰ কিছু দিনৰ পিছতেই মহাবিদ্যালয়-সপ্তাহ আৰম্ভ হয়। ছাত্ৰ একতা সভাৰ হৈ
মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ প্ৰতিটো অনুষ্ঠান শৃংখলাবদ্ধ আৰু সুচাৰুৰূপে পৰিচালনা কৰাত সফল হ'লোঁ।

ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ দায়িত্বত থকা কালছোৱাত মোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু কৰণীয় কাম
আছিল জগতগুৰু শ্ৰীশ্ৰীশংকৰদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন। এই সুযোগতেই মোৰ প্ৰতিগৰাকী বন্ধু-বান্ধৱ তথা ভাইটি-
ভণ্টী, মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ বাইদেউ, ভণ্টীৰ নিঃস্বাৰ্থ সহায়ৰ ফলতহে ১৫-৯-২০১৫ তাৰিখে অতি শৃংখলাবদ্ধভাৱে
তিৰোভাৱ তিথি উদ্‌যাপন কৰাত সক্ষম হ'লোঁ। লগতে তিৰোভাৱ তিথিত নাম কীৰ্ত্তন কৰিবলৈ অহা নামঘৰৰ কৰ্তৃপক্ষলৈ অশেষ
ধন্যবাদ যাচিলোঁ। এই সুযোগতেই মই মোৰ কাৰ্যকালত শ্ৰীমন্ত শংকৰদেৱৰ তিথি পালন কৰাত সহায় কৰা সমূহ ছাত্ৰ একতা
সভাৰ বিষয়ববীয়া তথা মোৰ অতিকৈ মৰমৰ তথা প্ৰিয়পাত্ৰ সতীৰ্থগণ - সোণমণি, মালিনী, সঞ্জিতা, মৰমী ধুনীয়া, শ্ৰদ্ধা,
সুস্মিতা (বৰুৱা), (কাকতী), (বৰুৱা), সুমিত্ৰা, তিলু, নিলাক্ষী, স্বপ্না, নৱনীতা, হেজিনা, অনামিকা, শিখা, সংগীতা, জাহ্নৱী,
ৰিম্পী, চিন্ময়, জ্যোতিস্না, পল্লৱী, নম্ৰতা, তায়ানা, সবিতা, মনীষা, মেঘনা, আৰতি, চিত্ৰ, ধৰ্মকান্ত, নিতুমণি, মনোৰম (দত্ত),
(চুতীয়া), অনেশ্বৰ, উৎপল, অম্বৰ, ধনীকান্ত, চাহিল, শ্যামল, মণ্টু, পিংকু, মনোজ, ডিকম, সূৰয, কল্লজিৎ গগৈ আৰু
মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ মোৰ ভণ্টী বাইদেউ তথা বান্ধৱীসকল আৰু জ্ঞাতে অজ্ঞাতে নাম অপ্ৰকাশিত আপোনালোক
সকলোৰে পৰা পোৱা সহায় সহযোগিতা বাবে মই পুনৰবাৰ আন্তৰিক ধন্যবাদ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত তিনিচুকীয়া ছাত্ৰ একতা সভাৰ উজ্জ্বল ভৱিষ্যৎ তথা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি আৰু দীৰ্ঘায়ুৰ লগতে
মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষৎ কামনা কৰি সহকাৰী সম্পাদকৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

ধন্যবাদ

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ।।

।। জয়তু তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা ।।

ৰমাকান্ত দুৱৰা
সহঃ সাধাৰণ সম্পাদক





পাছচোতালৰ কথকতা

## তিনিচুকীয়া মহাবিদ্যালয় ছাত্ৰ-একতা সভা কাৰ্যকালৰ খতিয়ান (২০১৪-১৫ বৰ্ষ)



# বহিঃক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ যিসকল শ্বহীদে অসম মাতৃৰ কাৰণে নিজৰ প্ৰাণ আহুতি দিছে আৰু অসমৰ ইতিহাস মোহনীয় কৰি থৈ গৈছে। ইয়াৰ লগে লগে যিসকল মহান ব্যক্তি তথা শিক্ষাগুৰুৰ অশেষ পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত তিনিচুকীয়া মহাবিদ্যালয়খন গঢ় লৈ উঠিছে সেই সকলক মই শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

তিনিচুকীয়া মহাবিদ্যালয়ৰ দৰে এক ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত ২০১৪-১৫ বৰ্ষৰ বাবে ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক বহিঃক্ৰীড়া বিভাগৰ সম্পাদক পদত অধিষ্ঠিত কৰাৰ বাবে মই তিনিচুকীয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকলক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰ একতা সভাৰ পুৰণা সমিতিৰ পৰা নতুন সমিতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মাৰ্ঘেৰিটাত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হয়।

ইয়াৰ পাছত ৩১-১২-২০১৪ তাৰিখৰ পৰা ধেমাজিৰ মৰিচল মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় এথলেটিক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হয়।

ইয়াৰ পাছত মহাবিদ্যালয়ৰ ৫০ সংখ্যক মহাবিদ্যালয় সপ্তাহ ১৬-০১-২০১৫ তাৰিখে আয়োজন কৰা হয়। আৰু বহিঃ ক্ৰীড়া বিভাগৰ দায়িত্ব  থকা সকলো খেল খেলোৱা হয়। মহাবিদ্যালয় সপ্তাহত সকলো খেলতে ছাত্ৰ-ছাত্ৰী সকলে অধিক আগ্ৰহেৰে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে।

ইয়াৰ পাছত ২২-০১-১৫ তাৰিখৰ পৰা টিংখাং মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় কাবাডী প্ৰতিযোগিতাত ল'ৰা- ছোৱালী দুয়োটা শাখাতে আমাৰ মহাবিদ্যালয়ে যোগদান কৰে।

ইয়াৰ পাছত মাৰ্ঘেৰিটা মহাবিদ্যালয়ত ০৭-০৯-২০১৫ তাৰিখে অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত মহাবিদ্যালয় দলটিয়ে যোগদান কৰে আৰু মহাবিদ্যালয় দলটিয়ে ভাল প্ৰদৰ্শন কৰি জয় লাভ কৰিবলৈ সক্ষম হয় আৰু ৯-৯-২০১৫ তাৰিখে হোৱা খেলখনত ভাল প্ৰদৰ্শন কৰিছিল যদিও সফলতা লাভ কৰিব নোৱাৰিলোঁ।

ইয়াৰ পাছতে ৬-৯-২০১৫ তাৰিখৰ সোৱণশিৰি মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় কাবাডী প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয় যোগদান কৰে আৰু মহাবিদ্যালয়ৰ দল দুয়োটাই ভাল খেল প্ৰদৰ্শন কৰিছিল যদিও কোনো সফলতা লাভ কৰিব নোৱাৰিলে।

ক্ৰীড়া বৰ্তমান শিক্ষাৰ এটা অংগ হৈ পৰিছে। গতিকে সকলো  ছাত্ৰ-ছাত্ৰীয়ে পঢ়াৰ লগতে যাতে ক্ৰীড়াৰ ক্ষেত্ৰতো অলপ মনোযোগ দিয়ে যেন। মহাবিদ্যালয়খনে ক্ৰীড়া ক্ষেত্ৰত যাতে অধিক আগবাঢ়ি যাব পাৰে তাৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক যাৱতীয় সা সুবিধা কৰি দিবলৈ অনুৰোধ জনালোঁ।

**কৃতজ্ঞতাৰ শৰাই ঃ** মোৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা শেষলৈকে সুচাৰুৰূপে পৰিচালনা কৰি দিহা পৰামৰ্শ তথা সহায়

